অধ্যায় ৮ ঃ সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ স্ব-নিয়ন্ত্রণ
৮.৩.১ সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ
৮.৪ সংবাদ কর্মীসকলৰ বাবে বিভিন্ন সংস্থাৰ আচৰণ বিধি
৮.৫ ভাৰতৰ এডিটৰছ গীল্ড (Editors Guild of India)
৮.৬ অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সন্মিলন (All India Newspaper Editors' Conference)
৮.৭ ভাৰতীয় বাতৰিকাকত সমাজ (Indian Newspaper Society)
৮.৭.১ ভাৰতীয় বাতৰিকাকত সমাজৰ উদ্দেশ্য আৰু প্ৰশাসন
৮.৭.২ ভাৰতীয় বাতৰিকাকত সমাজৰ কার্যাৱলী
৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৯ অধিক জানিবলৈ
৮.১০ অগ্রগতিৰ খতিয়ান
৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যয়টি অধ্যয়ন কৰি আপুনি —

- 'স্ব-নিয়ন্ত্রণ' আৰু 'সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ'ৰ ধাৰণাৰ সংজ্ঞা দিব পাৰিব
- বেলেগ বেলেগ দেশত সংবাদ মাধ্যমৰ কর্মচাৰীসকলৰ বাবে বিভিন্ন সংগঠনৰ আচৰণবিধি বা অনুশীলন বহল ভিত্তিত ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় এডিটর্ছ গীল্ডৰ সম্পর্কত পৰিচয় দিব পাৰিব
- অখিল ভাৰতীয় বাতৰি কাকত সম্পাদকৰ সন্মিলন (এই আই এন ই চি)ৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতীয় বাতৰিকাকত সমাজ (আই এন এছ) আৰু ইয়াৰ উদ্দেশ্য, প্রশাসন আৰু কার্যাৱলীৰ সম্পর্কে বহলাই ব্যাখ্যা আগবঢ়াব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপোনালোক 'অ'স্বাডছমান', 'প্রেছ অ'স্বাডছমান' আৰু 'ৰিডার্ছ এডিটৰ'ৰ সৈতে পৰিচিত হৈছে। ৰিডার্ছ এডিটৰে সংবাদ সংস্থাৰ ভিতৰত স্বতন্ত্রভাৱে কাম কৰে

আৰু তেওঁ এফালে পাঠক, শ্রোতা আৰু দর্শক আৰু আনফালে সাংবাদিক আৰু সম্পাদকসকলৰ মাজত মধ্যস্থ ব্যক্তি হিচাপে কাম কৰে।

আপোনালোকে ভাৰতৰ প্রথম আৰু দ্বিতীয় প্রেছ আয়োগৰ নিযুক্তি আৰু অনুমোদনৰ সামান্য ইতিহাসৰ সৈতেও পৰিচিত হৈছে। এই অনুমোদনৰ ভিত্তিতে প্রেছ কাউঞ্চিল অৰ ইণ্ডিয়া (পি টি আই) গঠন হয় তথা পি টি আইয়ে সাংবাদিকতা সম্পর্কীয় নীতিবোৰ স্থিৰ কৰে। সদৌ শেষত আপোনালোক ব্রডকাষ্টিং অথৰিটী বিল, ২০০৬ৰ সৈতে পৰিচিত হৈছে যিয়ে বায়ুমণ্ডলীয় তৰংগৰ ক্ষেত্রত নিয়ন্ত্রণৰ ব্যৱস্থা আগবঢ়াইছে। বায়ুমণ্ডলীয় তৰংগ হৈছে ৰাষ্ট্রীয় সম্পদ আৰু ৰাষ্ট্রীয় তথা ৰাজহুৱা স্বার্থত ইয়াৰ ব্যৱহাৰত নিয়ন্ত্রণৰ প্রয়োজন আছে।

স্বার্থজড়িত সকলৰ দ্বাৰা প্রচাৰ মাধ্যমৰ দৰে মঞ্চ এখনৰ অপব্যৱহাৰৰ বিপদৰ বিষয়টোলৈ লক্ষ্য কৰি আজিৰ পৃথিৰীত ইয়াৰ স্ব-নিয়ন্ত্রণ হৈছে এটা গুৰুত্বপূর্ণ কাৰক। সংবাদ মাধ্যমৰ আত্মনিয়ন্ত্রণ হৈছে মাধ্যমটোৰ বৃত্তিধাৰীসকলৰ দ্বাৰা স্বেচ্ছাই সম্পাদকীয় নীতি নির্দেশনা যুগুত কৰা আৰু সেয়া মানি চলা এটা যুটীয়া প্রচেষ্টা যিটো ৰাইজৰ বাবে মুকলি এটা শিকনৰ প্রক্রিয়া। ইয়াৰ জৰিয়তে স্বতন্ত্র প্রচাৰ মাধ্যমে সম্পাদকীয়ৰ স্বতন্ত্রতা সম্পূর্ণ অক্ষুণ্ণ ৰখাত লগতে ৰাজহুৱা আলোচনাবিলাকত দায়বদ্ধতাৰ ক্ষেত্রত নিজৰ অংশ স্বীকাৰ কৰি লয়। স্ব-নিয়ন্ত্রণে সংবাদ মাধ্যমক যুক্তিসংগত অভিযোগৰ ক্ষেত্রত প্রত্যুত্তৰ দিয়া আৰু সত্যাসত্য নির্ণয় ব্যৱস্থাৰে ভুল-ত্রুটি আঁতৰোৱাত সহায় কৰে।

এইটো অধ্যায়ত আপোনালোকক 'স্ব-নিয়ন্ত্রণ' আৰু 'সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ'ৰ ধাৰণাৰ লগত পৰিচয় কৰাই দিয়া হ'ব। ইয়াৰ পিছত আপোনালোক বিভিন্ন দেশত সংবাদ মাধ্যমৰ সৈতে জড়িত কর্মচাৰীসকলৰ বাবে কার্যকৰী হৈ থকা আচৰণবিধিৰ সৈতে বহলভাৱে পৰিচিত হ'ব। তদুপৰি আপোনালোকৰ ভাৰতীয় এডিটর্ছ গীল্ড , অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সন্মিলন (AINEC) আৰু ভাৰতীয় বাতৰিকাকত সমাজ (INS)ৰ দৰে সংবাদ মাধ্যমৰ বাবে আচৰণ/অনুশীলনৰ বিধি আৰু ইয়াৰ উদ্দেশ্য, প্রশাসন আৰু কাম-কাজৰ সৈতে পৰিচয় হ'ব।

৮.৩ আত্মনিয়ন্ত্রণ

'স্ব-নিয়ন্ত্রণ' শব্দটোৰ বিভিন্ন ধৰণৰ সংজ্ঞা আছে। বেলেগ বেলেগ ব্যক্তিৰ বাবে ইয়াৰ অর্থ পৃথক। এই ভিন্নতাৰ এটা মূৰত ইয়াক যথেষ্ট ঠেক পৰিসৰত ব্যৱহাৰ কৰা হয়, অকল সেই সমূহ দৃষ্টান্তকহে বুজোৱা হয় য'ত চৰকাৰে আনুষ্ঠানিকভাৱে নিয়ন্ত্রণ কৰাৰ ক্ষমতা প্রদান কৰে। আনটো মূৰত এই শব্দটো ব্যৱহাৰ কৰা হয় তেতিয়া, যেতিয়া ব্যক্তিগত খণ্ডত যি কাৰণতেই নহওঁক কিয় নিজকে নিয়ন্ত্রণ কৰাৰ প্রয়োজন অনুভৱ কৰে।

'স্ব' শব্দটোৱে কৰোতাক বুজায়। ই এটা একক প্রতিষ্ঠানকো বুজাব পাৰে। নিয়ন্ত্রণ শব্দটোৱে কৰোতাই কৰা কামক বুজায়। নিয়ন্ত্রণৰ তিনিটা অংশ আছে।

- বিধান- অর্থাৎ উপযুক্ত নিয়মত সংজ্ঞা প্রদান

- বলৱৎকৰণ- যেনে উলংঘাকাৰীৰ বিৰুদ্ধে লোৱা কার্যব্যৱস্থা আৰু
- ৰায়দান- অর্থাৎ উলংঘা হৈছে নেকি সিদ্ধান্ত লোৱা আৰু উপযুক্ত অনুশাসনমূলক ব্যৱস্থ গ্রহণ।

এইদৰে 'স্ব-নিয়ন্ত্রণ' শব্দটোৱে চৰকাৰৰ তুলনাত উদ্যোগ বা বৃত্তিটোৱে নিয়ন্ত্রণ কৰাটোকে বুজায়। অৱশ্যে চৰকাৰৰ যে ভূমিকা একেবাৰে নাথাকিবই তেনে কোনো কথা নাই। বৰং নিয়ন্ত্রণৰ ক্ষেত্রত উদ্যোগ এটাই তিনিটা অংশৰ অকল এটা বা দুটাতহে জড়িত থাকিব পাৰে। উদাহৰণ স্বৰূপে উদ্যোগ এটাই আচৰণবিধি যুগুত কৰি বিধান পর্যায়ত জড়িত থাকিব পাৰে আৰু বলৱৎকৰণৰ দায়িত্ব চৰকাৰলৈ এৰিব পাৰে বা চৰকাৰে বিধিব্যৱস্থা প্রতিষ্ঠা কৰিব পাৰে কিন্তু বলৱৎকৰণৰ দায়িত্ব ব্যক্তিগতখণ্ডক অর্পণ কৰিব পাৰে।

চৰকাৰী নিয়ন্ত্রণৰ তুলনাত স্ব-নিয়ন্ত্রণৰ বিভিন্ন সুবিধা আছে, যাৰ ভিতৰত আছে— দক্ষতা, বর্ধিত নমনীয়তা, অনুসৰণ কৰাৰ বাবে বর্ধিত পুৰষ্কাৰ আৰু ব্যয় হ্রাস। উদাহৰণস্বৰূপে যুক্তি দর্শোৱা হয় যে উদ্যোগ এটাৰ পৰা অংশগ্রহণকাৰীসকলৰ চৰকাৰী এজেঞ্চী এটা তুলনাত অধিক জ্ঞান থকাৰ সম্ভাৱনা থাকে। গতিকে চৰকাৰৰ বাবে ইয়াক এজেঞ্চী পর্যায়ত পুনৰুৎপাদন কৰাৰ পৰিৱর্তে উদ্যোগটোৰ সামূহিক দক্ষতাৰ ওপৰত নির্ভৰ কৰাটো অধিক লাভজনক। দ্বিতীয়তে, স্ব-নিয়ন্ত্রণৰ ব্যৱস্থাটো চৰকাৰী নিয়ন্ত্রণতকৈ অধিক নমনীয় বুলি কোৱা হয়। বাণিজ্যিক সংস্থাৰ বাবে চৰকাৰী এজেঞ্চীয়ে নিয়ম পৰিৱর্তন কৰাতকৈ পৰিবর্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই নীতি-নিয়মৰ পৰিৱর্তন ঘটোৱাতো অধিক সহজ। তৃতীয়তে স্ব-নিয়ন্ত্রণৰ ব্যৱস্থাটো চৰকাৰৰ বাবে কম খৰচী বুলি যুক্তি দর্শোৱা হয়, যিহেতু ই নীতি-নিয়ম যুগুত কৰা আৰু সেয়া বলৱৎ কৰাৰ ব্যয় উদ্যোগটোৰ ওপৰত পৰে। নিশ্চিতভাৱে চৰকাৰে তেতিয়াও তদাৰকীত জড়িত হ'ব পাৰে, কিন্তু প্রত্যক্ষ নিয়ন্ত্রণতকৈ তদাৰক কৰোতে কম সম্পদৰ প্রয়োজন হয়।

৮.৩.১ সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ

সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ হৈছে সংবাদ মাধ্যমৰ সৈতে জড়িত বৃত্তিধাৰীসকলে স্বেচ্ছাই সম্পাদকীয় নীতি-নির্দেশনা প্রস্তুত কৰা আৰু জনসাধাৰণক মুক্ত তথা শৃংখল প্রণালীৰে এই বিষয়ে শিক্ষা দিয়া এক যুটীয়া প্রচেষ্টা। ইয়াৰ জৰিয়তে স্বতন্ত্র সংবাদ মাধ্যমে দেশৰ ৰাজহুৱা আলোচনা-বিলোচনাৰ মানৰ ক্ষেত্রত নিজৰ দায়বদ্ধতাৰ অংশ স্বীকাৰ কৰে, আনহাতে নিজৰ সম্পাদনা স্বতন্ত্রতাও অক্ষুণ্ণ ৰাখে। আত্মনিয়ন্ত্রণে সংবাদ মাধ্যমক যুক্তিসংগত অভিযোগৰ প্রত্যুত্তৰ দিয়াত সহায় কৰে আৰু ভুল-শুদ্ধ প্রয়োগ ব্যৱস্থাৰে ত্রুটি আঁতৰোৱাত সহায় কৰে।

সংবাদ মাধ্যমৰ মান উন্নীত কৰি স্ব-নিয়ন্ত্রণে জনসাধাৰণৰ ওচৰত বিশ্বাসযোগ্যতা অক্ষুণ্ণ ৰখাত সহায় কৰে। নতুন গণতন্ত্রসমূহৰ এয়া বিশেষভাৱে আদৰণীয়, এনে অধিকাংশ দেশেই স্বতন্ত্র সংবাদ মাধ্যমৰ বাবেও নতুন।

সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণে জনসাধাৰণক এই কথাত বিশ্বাস কৰাত সহায় কৰে যে মুক্ত সংবাদ মাধ্যম দায়িত্বহীন নহয়। একে সময়ৰে স্ব-নিয়ন্ত্রণে স্বতন্ত্র হিচাপে সাংবাদিকৰ অধিকাৰকো সুৰক্ষা প্রদান কৰে।

বৃত্তিগত ত্রুটিৰ বাবে সহকর্মীয়েহে,তেওঁলোকক বিচাৰ কৰিব ক্ষমতাত থকা, সকলে নহয়। তথ্যগত ত্রুটি শুদ্ধ কৰা বা সংবাদ মাধ্যমৰ দ্বাৰা ব্যক্তিগত অধিকাৰ উলংঘা কৰাৰ দৰে বিষয়ৰ ক্ষেত্রত স্ব- নিয়ন্ত্রণৰ বাবে থকা ব্যৱস্থাৰ জৰিয়তে হোৱা ৰূপায়ণক লৈ সন্তুষ্টিয়ে ন্যায়পালিকাৰ ওপৰত চাপ হ্রাস কৰে।

জনসাধাৰাৰণৰ বাবেও সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ সহায়ক। প্রচাৰ মাধ্যমৰ উপভোক্তাসকলে সাংবাদিকতাৰ পৰা প্রাপ্ত তথ্যৰ মূল্যক লৈ নিশ্চয়তা বিচৰাটো নিতান্তই স্বাভাৱিক। নীতি সম্পর্কীয় আচৰণ বিধিয়ে সম্পাদকীয় মানৰ ক্ষেত্রত নিশ্চয়তা প্রদান কৰে, আনহাতে অভিযোগ দাখিল কৰিব পৰা ব্যৱস্থাই এক ধৰণৰ ‘গুণমানৰ নিশ্চয়তা’ প্রদান কৰে। স্ব-নিয়ন্ত্রণ ব্যৱস্থাযুক্ত সংস্থাৰ ওচৰত অভিযোগ দাখিলৰ প্রক্রিয়াত কোনো ধন খৰচ কৰিবলগা নহয়, আদালতৰ প্রক্রিয়াত কিন্তু সেইটো নহয়। সাধাৰণ নাগৰিকৰ বাবে সেয়ে ই বিবেচনাযোগ্য সুবিধা। অভিযোগকাৰী ৰাজনীতিকৰ বাবে বিভিন্ন সুবিধা আছে, যেনে বিবাদৰ দ্রুত নিষ্পত্তি আৰু সংবাদ মাধ্যমৰ দ্বাৰা স্বেচ্ছাই আৰু ৰাজহুৱাভাৱে ভুল স্বীকাৰ কৰি লোৱাটো প্রত্যক্ষৰ সন্তুষ্টি লক্ষণ।

গণতন্ত্রৰ ক্ষেত্রতো সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ গুৰুত্বপূর্ণ। গণতন্ত্র অকল বিবাদক লৈয়ে নহয়। ই বিবাদৰ যুক্তিসংগত আৰু নিকা ধৰণেৰে অংশীদাৰীৰে সংস্কৃতি। মুক্তভাৱে নির্বাচিত হ’লেও চৰকাৰ হৈছে ৰাজনৈতিক প্রতিদ্বন্দ্বিতাৰ অংশগ্রহণকাৰী আৰু সেইবাবে ই যুক্তিযুক্ততা আৰু পক্ষপাতহীনতা বলবৎকৰণৰ বাবে আটাইতকৈ উপযুক্ত নহয়। তদুপৰি, গণতন্ত্রৰ সংবাদ মাধ্যম ৰাষ্ট্রৰ নিয়ন্ত্রণত থকাটো বিৰোধাত্মক কথা। সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ হৈছে গণতন্ত্রৰ ৰাজনৈতিক সংস্কৃতি আৰোপৰ এটা প্রচেষ্টা, যিটো ৰাজনৈতিক শক্তিৰ পৰা স্বতন্ত্র। ইয়ে চৰকাৰৰ মালিকানাধীন ৰাষ্ট্র নিয়ন্ত্রিত সংবাদ মাধ্যমক নাগৰিক সমাজৰ মালিকানাধীন আৰু নিয়ন্ত্রিত সংবাদ মাধ্যমলৈ পৰিৱর্তনতো আগবঢ়াই দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ‘স্ব-নিয়ন্ত্রণ’ কাক বোলে?

.....

.....

প্রশ্ন নং ২ ঃ 'সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ' বুলিলে কি বুজে?

.....

.....

৮.৪ সংবাদকর্মীসকলৰ বাবে বিভিন্ন সংস্থাৰ আচৰণবিধি

সাংবাদিকতাৰ এক নীতি সম্পর্কীয় লক্ষ্য আছে— সত্য আৰু তথ্যৰ সংযোগ। এইটো প্রতিষ্ঠিত কথা যে জনসাধাৰণে সংবাদ মাধ্যমৰ ওপৰত ৰখা বিশ্বাস আৰু আস্থা আটুত ৰখাৰ বাবে সংবাদ সংস্থাসমূহৰ ইয়াৰ কর্মীসকলৰ বাবে আচৰণবিধিৰ প্রয়োজন আছে। সংবাদ সংস্থাবোৰ এই কথাত সজাগ যে তেওঁলোকে অনুশীলন কৰা স্বাধীনতাৰ বাবে তেওঁলোকৰ সমানে দায়বদ্ধতাও আছে, যাতে— বছৰ বছৰ ধৰি অর্জন কৰা সদ্‌ভাব অক্ষুণ্ণ থাকে। সংবাদ সংস্থাবোৰে বিগত এটা শতিকা ধৰি নিজা আচৰণবিধি উন্নয়ন কৰি উলিয়াইছে আৰু বিভিন্ন সংবাদ সংস্থাৰ আচৰণবিধিৰ পৰাই এই কথা স্পষ্ট। বৃটিছ ব্রডকাষ্টিং কর্পৰেচন (বিবিচি) সর্বোচ্চ সম্পাদকীয় আৰু নীতিগত মান আগবঢ়াবলৈ প্রতিশ্রুতিবদ্ধ আৰু সেইবাবে ইয়াৰ সম্পাদকীয় নীতি নির্দেশনা আছে, যাতে তথ্য আৰু ভাব প্রকাশৰ স্বাধীনতাৰ সৈতে দায়বদ্ধতাৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰি। কানাডাত কানাডিয়ান ব্রডকাষ্টিং কর্পৰেচনে (চিবিচি) আস্থাৰ ক্ষেত্রত এক বিশেষ স্থান অধিকাৰ কৰি আছে। ই কানাডাৰ আটাইতকৈ লেখত ল'বলগীয়া আৰু বহল ভিত্তিৰ সম্প্রচাৰ সংবাদ সংস্থাই নহয়, কানাডাৰ জনসাধাৰণৰ দ্বাৰা, সংসদৰ জৰিয়তে ইয়াক ধনৰ যোগান ধৰে। কানাডাত সাংবাদিকতা সম্পর্কীয় মান আৰু অনুশীলনে নীতি সম্পর্কীয় মূল নীতি আগবঢ়ায় যাৰ অধীনত চিবিচিৰ সাংবাদিকতাই সন্মুখীন হোৱা আকাংক্ষা আৰু বাধ্যবাধকতা পূৰণ কৰিব বিচাৰে। এচিয়াৰ দেশ যেনে কম্বোডিয়া, চীন, হংকং, ইণ্ডোনেছিয়া, জাপান, মালয়েছিয়া, ফিলিপাইনছ, ছিংগাপুৰ, দক্ষিণ কোৰিয়া, শ্রীলংকা, টাইৱান আৰু থাইলেণ্ডৰ সংবাদ মাধ্যমবো নিজা নিজা আচৰণবিধি আছে।

ভাৰতত সংবাদকর্মীৰ বাবে বিভিন্ন সংস্থাৰ আচৰণবিধি ঃ ভাৰতত সংবাদ কর্মীৰ বাবে আচৰণবিধি যুগুত কৰিবলৈ প্রথম প্রচেষ্টা আছিল প্রেছ (আপত্তিজনক বিষয়) আইন, ১৯৫১। 'আপত্তিজনক বিষয়' আখ্যাটোৰ সংশোধনী পৰামর্শ অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সন্মিলন আৰু ভাৰতীয় কর্মৰত সাংবাদিক সংঘ (Indian Federation of Working Journalists) আনুষ্ঠানিকভাৱে সমর্থন জনাইছিল আৰু তেওঁলোকৰ সংশোধনৰ পৰামর্শ গৃহীত হৈছিল।

এ আই এন ই চি এ বাতৰি কাকতৰ সম্পাদকসকলৰ বাবে কোড অৱ কণ্ডাট প্রস্তুত কৰিছিলে যাক কোৱা হয় এডিটৰচ্ চার্টাৰ, ১৯৫৩। তাৰ পিছত ই ফৰ দ্য প্রেছ ইন ৰিপর্টিং এণ্ড কমেটিং অন কমুনেল ইনচিডেণ্টছ, ১৯৬৮। উভয়েই বাতৰি বিভাগৰ অন্যান্য শ্রেণীৰ তুলনাত সম্পাদকসকলৰ ক্ষেত্রত অধিক প্রযোজ্য। সংবাদ মাধ্যমে যাতে জটিল পৰিস্থিতিতো নিজ নিজ ভূমিকা সম্প্রীতিৰ মাজেৰে পালন কৰিব পাৰে সেই ক্ষেত্রত সহায় কৰাৰ বাবে 'প্রেছ

কাউঞ্চিল অৱ ইণ্ডিয়া কোড, ১৯৫৪' যুগুত কৰা হৈছিল। সাম্প্রদায়িক বিষয়ৰ ক্ষেত্রতো প্রেছ কাউঞ্চিলৰ আচাৰ বিধি আছে। ৰাজ্য সভাইও ১৯৭৬ চনত সাংবাদিক আৰু সংবাদপত্রৰ সামাজিক আৰু নৈতিক দায়বদ্ধতা সম্পর্কত আচাৰবিধি গ্রহণ কৰিছিল। তদুপৰি ভাৰতীয় এডিটর্ছ , ভাৰতীয় বাতৰিকাকত সমাজ আৰু ভাৰতৰ সংবাদ সম্প্রচাৰকৰ সংস্থাৰো (News Broadcasters Association) সাংবাদিকৰ বাবে নিজা নিজ আচৰবিধি আছে।

শেহতীয়া বর্ষবোৰত সন্ত্রাসবাদ এক গুৰুত্বপূর্ণ বিষয় হিচাপে পৰিগণিত হোৱাৰ পৰিপ্রেক্ষিতত ভাৰতৰ সংবাদ সম্প্রচাৰকৰ সংস্থাই শেহতীয়াকৈ ছটা নীতি নির্দেশনা গ্রহণ কৰিছে, ইয়াৰ ভিতৰত আছে পণবন্দী কৰোতাৰ সৈতে সংযোগ নকৰা নিৰাপত্তা অভিযানৰ সবিশেষ উল্লেখ নকৰা আৰু মনোকষ্ট দিব পৰা কোনো দৃশ্য সম্প্রচাৰ নকৰা। ২০০৮ চনৰ ২৬ নৰেম্বৰত মুম্বাইত সংঘটিত সন্ত্রাসবাদী আক্রমণৰ বাতৰি সম্প্রচাৰক লৈ সৃষ্টি হোৱা ব্যাপক সমালোচনাৰ পিছত ভাৰতৰ বাতৰি সম্প্রচাৰ কৰোতাসকলে এই নীতি-নিদের্শনাবোৰৰ প্রতি সন্মতি জনায়। কানানিডয়ান ব্রডকাষ্টিং কর্পৰেচনতো সন্ত্রাসবাদ আৰু পণবন্দী সম্পর্কত আচাৰবিধি আছে যাতে তেওঁলোকৰ কামকাজৰ দ্বাৰা পণবন্দীৰ জীৱন বিপদাপন্ন নোহোৱাটো নিশ্চিত হয় আৰু পণবন্দীক মুক্ত কৰাৰ বাবে কর্তৃপক্ষৰ প্রচেষ্টাত ব্যাঘ্যাত নজন্মে।

এই আচাৰ বিধিয়ে নির্দ্ধাৰণ কৰিছে যে সন্ত্রাসবাদী পণবন্দী কৰোতাৰ ফালৰ পৰা হোৱা যিকোনো প্রত্যক্ষ যোগাযোগ য'ত বর্তমানৰ বা সন্ত্রাসবাদী কার্যকলাপৰ পৰিকল্পনাৰ তথ্য থাকে সেয়া তাৎক্ষণিকভাৱে তথ্য কার্যসূচীৰ জ্যেষ্ঠ বিষয়াক অৱগত কৰাব লাগিব। তদুপৰি ইয়াত আৰু কোৱা হৈছে যে তথ্য কার্যসূচীৰ জ্যেষ্ঠ বিষয়াৰ পৰা কর্তৃত্ব নোপোৱাকৈ সন্ত্রাসবাদী/পণবন্দী কৰোতাৰ বিবৃতিৰ 'লাইভ কভাৰেজ' বা সাক্ষাৎকাৰ সম্প্রচাৰ কৰিব নোৱাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ভাৰতত প্রেছ (আপত্তিজনক বিষয়) আইন কোনটো বর্ষত গ্রহণ কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৪ ঃ এ আই এন ই চিৰ সম্পূর্ণ অর্থ কি?

.....

প্রশ্ন নং ৫ ঃ আই এফ ডব্লিউ জেৰ সম্পূর্ণ অর্থ কি?

.....

প্রশ্ন নং ৬ ঃ এন বি এৰ সম্পূর্ণ অর্থ কি?

.....

৮.৫ ভাৰতৰ এডিটৰ্ছ গীল্ড (Editors Guild of India)

ভাৰতৰ এডিটৰ্ছ গীল্ড হৈছে দেশৰ সংবাদপত্ৰ, বাতৰি এজেঞ্চী, বার্তালোচনী আৰু টেলিভিছ্ন বাতৰি চেনেলসমূহৰ সম্পাদকসকলৰ এটা সংস্থা। সংবাদ মাধ্যমৰ স্বাধীনতা, সম্পাদকসকলৰ স্বতন্ত্ৰতাৰ বিষয়বোৰ গ্ৰহণ কৰাৰ বাবে কাম কৰে। গীল্ডে জাৰি কৰা সাংবাদিকসকলে অনুশীলন কৰিব লগা আচাৰবিধি সংবাদ পৰিবেশনৰ ক্ষেত্ৰত অনুসৰণ কৰিব লগা পক্ষপাতহীনতাক লৈ অত্যন্ত সৰব। সাংবাদিকসকলে সাধাৰণতে তেওঁলোকৰ বৃত্তিৰ বাবে যিকোনো আচাৰবিধিকে মত প্ৰকাশৰ স্বাধীনতাৰ বিৰোধী বুলি প্ৰতিৰোধ কৰে। যিকোনো বাতৰি পৰিবেশন কৰোতে সংবাদপত্ৰই যে নিৰপেক্ষতা আৰু পক্ষপাতহীনতা অনুসৰণ কৰিব লাগে সেই সম্পৰ্কে এই বিধিত স্পষ্টভাৱে কোৱা হৈছে। এই বিধিত পুনৰ কোৱা হৈছে যে সম্পাদক আৰু সাংবাদিকসকলে তেওঁলোকক ঘৃণা, বিষবাষ্প, ভুল তথ্য আৰু উৰাবাতৰিৰ বাহক হিচাপে ব্যৱহাৰ কৰিবলৈ চলোৱা চেষ্টা প্ৰতিৰোধ কৰিব লাগে। শেহতীয়া বছৰবোৰত সংবাদ মাধ্যমে অশুদ্ধ আৰু পক্ষপাতদুষ্টভাৱে বাতৰি পৰিবেশন কৰাৰ অভিযোগক লৈ ব্যাপক আলোড়ণ সৃষ্টি হৈছে আৰু ইয়াৰে পৰিপ্ৰেক্ষিতত এডিটার্ছ গীল্ডে কৈছে যে সৎ আচাৰবিধি আৰোপ লোহাৰ শিকলি নহয়। যিসকলে আগবাঢ়ি যায় তেওঁলোকক ই মাথো গোপন বিপদৰ সংকেতহে দিয়ে যাতে যিসকলে ইয়াক অনুসৰণ কৰে তেওঁলোকে এই সংকেত অনুমান কৰিব পাৰে আৰু এনে বিপদক এৰাই চলিব পাৰে।

নিজ কৰ্মক্ষেত্ৰত আচাৰ নীতি যাতে সংবাদ মাধ্যমৰ কৰ্মীসকলে নিশ্চিত কৰিব পাৰে তাৰ বাবে এডিটর্ছ গীল্ডে বহু নীতি নির্দেশনা আগবঢ়াইছে। ইয়াৰ ভিতৰত আছে—

- অতিৰঞ্জন এৰাই চলিব লাগে, সকলো ধর্মীয় সম্প্ৰদায়ৰ প্ৰতি সন্মান প্ৰদর্শন কৰিব লাগে আৰু তথ্য আহৰণৰ বাবে প্ৰতাৰণাৰ আশ্ৰয় ল'ব নালাগে।
- তথ্যপাতিবোৰৰ সত্যাসত্য নিশ্চিত কৰিব লাগে আৰু ক্ষেত্ৰভিত্তিক প্ৰতিবেদনৰ পৰা অশুদ্ধবোৰ আঁতৰ কৰিব লাগে। প্ৰকাশন গোষ্ঠীয়ে প্ৰসংগ গ্ৰন্থাগাৰৰ ব্যৱস্থা নিশ্চিত কৰিব লাগে। অনুমানক তথ্যৰ ছদ্মবেশ ল'বলৈ দিব নালাগে।
- চৰকাৰী পদবীত থকা সকলৰ বিৰুদ্ধে উত্থাপন হোৱা অভিযোগ দুবাৰ পৰীক্ষা কৰা উচিত, কিয়নো 'ছার্ভিচ ৰূলে' তেওঁলোকক সাধাৰণতে প্ৰত্যুত্তৰ দিয়াৰ অধিকাৰ প্ৰদান নকৰে।
- চাপৰ বাবে তথ্য গোপন কৰাটো হ'ল কর্তব্যক অবহেলা কৰা।
- অপৰাধ সম্পৰ্কীয় বাতৰি পৰিবেশন কৰোতে, বিশেষকৈ যৌন অপৰাধৰ ক্ষেত্ৰত আৰু শিশু জড়িত থাকিলে বাতৰিটো ন্যায্য প্ৰমাণ নকৰাকৈয়ে জীৱন ধ্বংস কৰাৰ দৰে শাস্তি হৈ উঠিব নালাগে।

এই আচাৰবিধি সম্পূৰ্ণভাৱে অনুসৰণ কৰাটো সততে জটিল, কিয়নো সেই ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভিতৰত আটাইতকৈ কম সংগতিপূৰ্ণ বাবে আনকি বহু ঘটনাৰ পক্ষপাতহীন

সংবাদ প্রচাৰৰ পৰিসীমাৰ ভিতৰলৈ অনাটোৱে সম্ভৱ নহয়। কিন্তু এডিটর্ছ গীল্ডৰ অনুশীলনৰ বিধিত তিনিটা সতর্কতা আগবঢ়াইছে। প্রথমতে সংবাদ মাধ্যমে কাৰো সহায় নোলোৱাকৈ বাতৰি পৰিবেশনৰ উদাহৰণ দাঙি ধৰা উচিত। দ্বিতীয়তে, যেতিয়া কোনো পৃষ্ঠপোষকতা (যেনে বিদেশ ভ্রমণ আদি চৰকাৰৰ ফালৰ পৰাই হওক বা ঔদ্যোগিক আৰু বাণিজ্যিক সংস্থাৰ পৰাই হওক) গ্রহণ কৰা বা দর্শকক উপযুক্ত 'কভাৰেজ' অগ্রাহ্য কৰাৰ মাজৰ এটা নির্বাচন কৰাৰ সুযোগ থাকে, তেতিয়া সংশ্লিষ্ট মাধ্যমটোৱে এনে সুবিধা স্বীকাৰ কৰাৰ উচিত আৰু গ্রহণ কৰা উচিত। তৃতীয়তে, এনে প্রস্তাৱ পোনপটীয়াকৈ সম্পাদকৰ ওচৰত উত্থাপন কৰিব লাগে যাতে সম্পাদকে বাহ্যিক যিকোনো বিবেচনাৰ পৰা মুক্ত হৈ এই দায়িত্ব কাক অর্পণ কৰিব সেই সিদ্ধান্ত ল'ব পাৰে।

এডিটর্ছ গীল্ড আচাৰবিধিত সম্পাদকৰ ক্ষেত্র আৰু কর্মীসকলৰ ক্ষেত্রৰ বিষয়েও কোৱা হৈছে। সম্পাদকৰ ক্ষেত্রখনত সম্পাদকজনক কাকতখনৰ ভাবমূর্তিত তত্বাৱধায়ক বুলি কোৱা হৈছে আৰু সম্পাদনাৰ চাৰিটা দিশৰ কথা কোৱা হৈছে। এইবোৰ হ'ল—

- প্রশাসনে সুৰুচিৰ উচ্চমান অক্ষুণ্ণ ৰখাটো নিশ্চিত কৰাৰ লগতে এই ক্ষেত্রত উদগণি দিয়ক।
- প্রকাশনৰ বিশ্বাসযোগ্যতা অক্ষুণ্ণ ৰাখক।
- তথ্য গাপ দিয়াটো প্রতিৰোধ কৰিবলৈ শুদ্ধতা আৰু সম্পাদকৰ দায়বদ্ধতাক সন্মান প্রদর্শন।
- প্রকাশনটোৰ কর্মীসকলৰ মনত দায়বদ্ধতাৰ প্রতি সন্মান সৃষ্টি কৰাৰ বাবে সম্পাদকৰ দায়বদ্ধতা। সম্প্রীতি সৃষ্টিৰ বাবে সম্পাদকে যদি তেওঁৰ নিজৰ ভুল-ত্রুটীবোৰ কর্মীসকৰ লগত আলোচনা আৰু নির্দিষ্ট বিষয়বোৰত তেওঁলোকৰ সিদ্ধান্ত সম্পর্কে আলোচনা কৰাটো সাধাৰণ অনুশীলনত পৰিণত কৰে তেন্তে সেয়া হ'ব এক হৈছে উত্তম ব্যৱস্থা।

কর্মীৰ ক্ষেত্রখন সম্পর্কত আচাৰবিধিত মুঠতে ২২ টা নীতি নির্দেশনা আছে। অকল উপসম্পাদক সকলেই নহয়, সকলো কর্মীয়েই এই চর্তসমূহ অনুসৰণ কৰা উচিত। এই চর্তবোৰৰ ভিতৰত গুৰুত্বপূর্ণবোৰ হৈছে— তথ্য পাতিবোৰৰ সত্যাসত্য নিশ্চিত কৰা আৰু ক্ষেত্রভিত্তিক প্রতিবেদনৰ পৰা অশুদ্ধবোৰ আঁতৰ কৰা, প্রত্যুত্তৰ দিয়াৰ অধিকাৰ, ৰাজহুৱা স্বার্থ স্পষ্টভাৱে নাথাকিলে ব্যক্তিগত বিষয়বোৰক অদৰকাৰী প্রচাৰ দিয়াৰ পৰা বিৰত থকা, তথ্য গাপ দিয়া ইত্যাদি।

৮.৬ অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সন্মিলন (All India Newspaper Editors' Conference)

অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সন্মিলন নতুন দিল্লীৰ কনাট প্লেচৰ থিয়েটাৰ কমিউনিকেচন বিল্ডিংছত অৱস্থিত। ইয়াৰ আৰম্ভণি হৈছিল ১৯৪০ চনত। ভাৰতীয় সংবাদপত্র আৰু সাময়িকীবোৰৰ সম্পাদকসকলৰ ই এটা স্বেচ্ছামূলক সংগঠন। ইয়াৰ মুখ্য উদ্দেশ্য হ'ল

সাংবাদিকতাৰ উচ্চ পৰম্পৰা আৰু মান সংৰক্ষণ কৰা, সংবাদ মাধ্যমৰ স্বাধীনতা আৰু অধিকাৰ সুনিশ্চিত কৰা, নিজৰ দায়িত্ব পালন কৰোঁতে সংবাদ মাধ্যমৰ বাবে সকলো সুবিধা আৰু সন্মান নিশ্চিত কৰা, সংবাদ মাধ্যম আৰু চৰকাৰ, সংবাদ মাধ্যম আৰু জনসাধাৰণৰ মাজত সম্পর্ক স্থাপন কৰা, অন্যান্য দেশৰ অনুৰূপ উদ্দেশ্যৰ সংগঠনৰ সৈতে যোগাযোগ গঢ়ি তোলা।

সংবাদ মাধ্যমৰ আত্মনিয়ন্ত্রণৰ প্রক্রিয়া হিচাপে এ আই এন ই চিয়ে এতিয়ালৈকে এডিটৰছ চার্টাৰ ১৯৫৩ আৰু কোড অৱ এথিকছ্ ফৰ দ্য প্রেছ ইন ৰিপর্টিং এণ্ড কমেণ্টিং অন কমিউনেল ইনচিডেণ্টছ, ১৯৬৮ গ্রহণ কৰিছে। এডিটৰছ চার্টাৰ, ১৯৫৩ ৰ অধীনত সুস্পষ্টভাবে কোৱা হৈছে যে সংবাদপত্র এখনৰ সম্পাদকীয় নীতি কার্যকৰীকৰণ আৰু কর্মীসকলৰ নিয়োগৰ ক্ষেত্রত সম্পাদকে সম্পূর্ণ স্বাধীনতা লাভ কৰা উচিত আৰু একে সময়তে সম্পাদনাৰ কর্মী আৰু সংবাদপত্রৰ বিষয়বস্তু সম্পর্কীয় সকলো বিষয়ত সম্পাদকৰ সিদ্ধান্তই চূড়ান্ত হোৱা উচিত। কিন্তু সম্পাদকজনৰ উচ্চ মান ৰক্ষা কৰিবলৈ, সকলো চাপ প্রতিৰোধ কৰিবলৈ, সম্পাদনা বিভাগৰ সকলো সদস্যৰ মাজত সহযোগিতাৰ মনোভাব সৃষ্টি কৰিবলৈ আৰু সমাজৰ স্বার্থত নিৰপেক্ষতা অটুত ৰাখিবলৈ দায়বদ্ধতা থাকিব লাগে।

এ আই এন ই চি কোড অৱ এথিকছ্ ফৰ দ্য প্রেছ ইন ৰিপর্টিং এণ্ড কমেটিং অন কমিউনেল ইনচিডেণ্টছ, ১৯৬৮ বাতৰি বিভাগৰ অন্যান্য শ্রেণীৰ কর্মচাৰীৰ তুলনাত সম্পাদকসকলৰ ক্ষেত্রত অধিক প্রযোজ্য। এই আচাৰবিধিৰ মূলভাব হ'ল এয়ে যে এক মুক্ত সংবাদ মাধ্যমৰ বিকাশ হ'ব পাৰে এখন মুক্ত সমাজতহে আৰু সাম্প্রদায়িকতা আমাৰ মুক্ত সমাজৰ প্রতি আৰু ৰাষ্ট্রৰ সংহতিৰ প্রতি এক ভাবুকি। ভাৰতৰ সংবিধানত উল্লিখিত মৌলিক উদ্দেশ্যসমূহ যেনে গণতন্ত্র, ধর্মনিৰপেক্ষতা, ৰাষ্ট্রীয় ঐক্য আৰু সংহতি আৰু আইনৰ শাসন কার্যকৰী কৰাৰ ক্ষেত্রত সংবাদ মাধ্যমৰ বাবে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব লগা আছে। জনসাধাৰণৰ অন্তৰ আৰু হৃদয়ত ঐক্য আৰু সংহতি জাগৰিত কৰিবলৈ চেষ্টা কৰা আৰু সাম্প্রদায়িক আকাংক্ষাক উদগনি দিব পৰা বা সাম্প্রদায়িক ঘৃণাক উৎসাহ দিব পৰা বিষয় প্রকাশৰ পৰা বিৰত থকাটো সংবাদ মাধ্যমৰ কর্তব্য। এই ক্ষেত্রত সংবাদ মাধ্যমে সাম্প্রদায়িক ঘটনাৰ বাতৰি পৰিবেশন কৰোতে কেতবোৰ নীতি নির্দেশনা অনুসৰণ কৰা উচিত।

সকলো সম্পাদকীয় মতামত আৰু অন্যান্য দৃষ্টিভংগীৰ প্রকাশ, সেয়া নিবন্ধৰ জৰিয়তেই হওক বা সম্পাদকলৈ চিঠিৰ যোগেদিয়েই হওক বা আন যিকোনো ধৰণেই হওক, সেয়া নেতা বা সম্প্রদায়ৰ প্রতি সৌজন্যহীন আক্রমণৰ পৰা মুক্ত হোৱা উচিত বা এনে আক্রমণৰ পৰা বিৰত থকা উচিত আৰু হিংসাৰ প্রতি প্রৰোচিত কৰিব নোৱাৰিব। কোনো সম্প্রদায়ৰ দেশপ্রেম আৰু আনুগত্যৰ প্রতি সন্দেহ প্রকাশ কৰি আৰু অপযশ ৰটনাৰে অভিযোগ উত্থাপন এৰাই চলিব লাগে। একে দৰে কোনো সম্প্রদায়ৰ বিৰুদ্ধে সাম্প্রদায়িক ঘৃণা আৰু অবিশ্বাস সৃষ্টি কৰিব পৰা বৈষম্যৰ অন্যায় অভিযোগ প্রকাশৰ পৰা নিশ্চিতকৈ বিৰত থকা উচিত। কোনো সম্প্রদায়ৰ নাম উল্লেখ কৰিব নালাগে আৰু প্রতিবেদন যুগুত কৰোঁতে 'সংখ্যাগুৰু আৰু সংখ্যালঘু' আদি ব্যাখ্যাও ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিব লাগে। সত্য গাপ দি ৰখা উচিত নহয়,কিন্তু

সাম্প্রদায়িক ঘটনাৰ বাতৰিত ইচ্ছাকৃতভাৱে ৰহন সানিব নালাগে। সংবাদ মাধ্যমে অন্যান্য বাতৰিতকৈ শান্তি আৰু সম্প্রীতি গঢ়িব পৰা আৰু আইন শৃংখলা উদ্ধাৰ আৰু অক্ষুণ্ণ ৰাখিব পৰা বা-বাতৰিক অধিক গুৰুত্ব আৰু অগ্রাধিকাৰ প্রদান কৰিব লাগে। কোনো তথ্য বা সংখ্যা সম্ভাব্য সর্বোচ্চ পর্যায়ত নিশ্চিত নকৰাকৈ প্রকাশ কৰা অনুচিত। অৱশ্যে এনে তথ্য বা সংখ্যাৰ প্রকাশৰ যদি সাম্প্রদায়িক আবেগ সৃষ্টি কৰিব পৰা প্রভাৱ থাকে তেন্তে তথ্য আৰু সংখ্যা নিদিয়াকৈ থাকিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ভাৰতৰ এডিটর্ছ গীল্ড কি?

.....

.....

প্রশ্ন নং ৮ ঃ ভাৰতৰ এডিটর্ছ গীল্ডৰ আচাৰবিধিত কর্মীসকলৰ ক্ষেত্রখনত কিমান প্রকাৰৰ নীতি নির্দেশনা আছে?

.....

প্রশ্ন নং ৯ ঃ অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সম্মিলন (এ আই এন ই চি) কোন চনত প্রতিষ্ঠা হৈছিল?

.....

প্রশ্ন নং ১০ ঃ কোন চনত অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সম্মিলনে ইয়াৰ এডিটৰছ চার্টাৰ গ্রহণ কৰিছিল?

.....

প্রশ্ন নং ১১ ঃ কোন চনত অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সম্মিলনে ইয়াৰ কোড অৱ এথিকছ ফৰ দ্য প্রেছ ইন ৰিপর্টিং এণ্ড কমেণ্টিং অন কমিউনেল ইনচিডেণ্টছ গ্রহণ কৰিছিল?

.....

প্রশ্ন নং ১২ ঃ এ আই এন ই চিৰ কোড অৱ এথিকছ ফৰ দ্য প্রেছ ইন ৰিপর্টিং এণ্ড কমেণ্টিং অন কমিউনেল ইনচিডেণ্টছত সম্প্রদায়ৰ কথা কওতে দুটা আখ্যাৰ ব্যৱহাৰ নিষিদ্ধ কৰিছে, সেই দুটা কি?

.....

৮.৭ ভাৰতীয় বাতৰিকাকত সমাজ (INS / আই এন এছ)

ভাৰতীয় বাতৰিকাকত সমাজৰ (আই এন এছ) প্রাৰম্ভিক আৰম্ভণিৰ সন্ধান ১৯২৭ চনৰ ১১ অক্টোবৰত পাব পাৰি। কিয়নো ইণ্ডিয়া, বার্মা এণ্ড চিল'ন নিউজপেপাছ লণ্ডন কমিটী

নামৰ সংস্থাটোৰ স্থিতি আৰম্ভ হৈছিল। এই নামটো ১৯৩৫ চনৰ ৪ অক্টোবৰত ইণ্ডিয়ান এণ্ড ইষ্টার্ণ নিউজপেপাৰ ছ'চাইটীলৈ (আই ই এন এছ) সলনি কৰা হয়। ই আছিল লণ্ডনস্থিত এটা সংস্থা আৰু ই ভাৰত, বার্মা, চিল'ন আৰু এছিয়াৰ অন্যান্য দেশৰ পৰা প্রকাশিত সংবাদপত্র, আলোচনী, পর্যালোচনা আৰু অন্যান্য পত্রিকাৰ কর্তৃপক্ষই প্রতিনিধিত্ব কৰিছিল আৰু সেই সমূহৰ কর্তৃত্বত চলিছিল। অৱশ্যে দেশত সংবাদপত্রৰ স্বত্বাধিকাৰীসকলক লৈ সমন্বয়ৰক্ষী সংস্থা এটা গঠনৰ প্রয়োজনীয়তা অনুভৱ কৰা হৈছিল যিয়ে সংবাদপত্রৰ উৎপাদনৰ সৈতে জড়িত দৈনন্দিন সমস্যাৰাজি প্রত্যক্ষভাৱে আৰু দ্রুতভাৱে সমাধানৰ ব্যৱস্থা কৰিব পাৰে। গতিকে ইণ্ডিয়ান এণ্ড ইষ্টার্ণ নিউজপেপাৰ ছ'চাইটী জন্ম হ'ল। ১৯৩৯ চনৰ ২৭ ফেব্রুৱাৰীত নতুন দিল্লীৰ ষ্টেটছমেন হাউছত তলত উল্লেখ কৰা প্রতিষ্ঠাপক প্রকাশনসমূহৰ প্রতিনিধিৰ মাজত অনুষ্ঠিত বৈঠকত এই সংস্থাটো আৰম্ভ হৈছিল। ভাৰত, বার্মা আৰু চিল'নৰ পৰা প্রকাশিত সংবাদপত্র সমূহৰ উমৈহতীয়া স্বার্থ সমূহৰ হকে কেন্দ্রীয় সংস্থা হিচাপে কাম কৰাৰ বাবে গঠিত এই সংস্থাটোৰ উক্ত বৈঠকখনত অধ্যক্ষতা কৰিছিল ষ্টেটছমেন কাকতৰ সম্পাদক মি আর্থৰ মুৰে। ইয়াৰ প্রতিষ্ঠাপক ১৪ সদস্য আছিল বোম্বে ক্রনিকল, টাইমছ অব ইণ্ডিয়া, ৰেংগুন গেজেট, অমৃত বাজাৰ পত্রিকা, হিন্দুস্তান টাইমছ, হিন্দুস্তান ষ্টেণ্ডার্ড, এডভাষ্ড দ্য পায়'নিয়াৰ, দ্য লীডাৰ, দ্য ট্রিবিউন, চিভিল এণ্ড মিলিটেৰী গেজেট, হিন্দু, মাদ্রাছ মেইল আৰু ষ্টেটছমেন। ইণ্ডিয়ান এণ্ড ইষ্টার্ণ নিউজ পেপাৰ ছ'চাইটীয়ে এতিয়া ভাৰতীয় বাতৰিকাকত সমাজ (আই এন এছ) নামেৰে পৰিচিত। সংবাদপত্র উদ্যোগৰ স্বীকৃত মুখপাত্র হিচাপে ইয়াৰ এক বিশেষ অৱস্থান আছে। আই এন এছে এতিয়া ভাৰতৰ সংবাদ মাধ্যমৰ কেন্দ্রীয় সংস্থা হিচাপে কাম কৰে। ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতাক সু�ৰক্ষা দিয়াত আৰু উদগনি দিয়াত ই গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। ইয়াৰ মুখ্য কার্যালয় নতুন দিল্লীৰ ৰফি মার্গত অৱস্থিত। ইয়াতে ছ'চাইটীৰ সচিবালয়ৰ উপৰি সদস্য প্রকাশন গোষ্ঠীৰ প্রায় ৯০ টা কার্যালয় আছে। দ্বিতীয় মহাযুদ্ধৰ আৰম্ভণিৰ বর্ষত ছ'চাইটীৰ ভিত্তি স্থাপন আছিল গুৰুত্বপূর্ণ এটা উদ্যোগক নির্দেশনা প্রদান আৰু উদ্যোগটোৰ সুসংবদ্ধকৰণৰ প্রথম পদক্ষেপ আছিল। তেতিয়ালৈকে সংবাদ মাধ্যমৰ বৃদ্ধি আছিল উদ্দেশ্যবিহীন। কোনো সাংগঠনিক সমর্থন আৰু পাৰষ্পৰিক সমন্বয় নাছিল বা মাধ্যমটোৰ ওপৰত চাপ সৃষ্টি কৰা অসংখ্য গোটৰ পৰা কোনো সুৰক্ষাও নাছিল।

বিশ্বৰ বৃহত্তম গণতন্ত্রখনত সংবাদ মাধ্যমৰ স্বাধীনতাক সুৰক্ষা প্রদান কৰা আৰু ইয়াৰ বিকাশ সাধনত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে আই এন এছে। লক্ষ্যৰ ক্ষেত্রত থকা একতাই হৈছে ছ'চাইটীৰ সামর্থ্য উৎস। সমগ্র দেশত ১৮ টা ভাষাত প্রকাশিত ৯৯তকৈ অধিক দৈনিক, অর্দ্ধ সাপ্তাহিত, সাপ্তাহিক, পষেকীয়া আৰু মাহিলি প্রকাশনেই এই কেন্দ্র বিন্দু গঠন কৰিছে—

যিয়ে দেশৰ মুঠ পাঠকৰ ৯০ শতাংশৰো অধিকাংশ সামৰি লৈছে। নিউজ প্রিণ্টৰ পৰা বিজ্ঞাপনলৈ, যন্ত্রপাতিৰ অনুজ্ঞাৰ পৰা সংবাদ মাধ্যমৰ স্বাধীনতালৈ আই এন এছে আজিৰ দিনত বিভিন্ন কাম কাজত জড়িত হৈ আছে। ই কেতিয়াবা সফল, কেতিয়াবা বিফল, কিন্তু ইয়াৰ একমাত্র সম্বল ৰাজি কৰাব পৰা সামর্থ্যক ব্যৱহাৰ কৰি ই দৃঢ়সংকল্প আৰু ক্লান্তিহীন। আজি

পৰিৱর্তিত আৰু যোগাযোগ ব্যৱস্থাৰ অহা বিপ্লৱৰ লগত খাপ খুৱাই ভাৰতীয় বাতৰিকাকত সমাজে এটা বৃহৎ ভূমিকা পালনৰ বাবে নিজকে সাজু কৰিছে। গণতন্ত্রৰ কণ্ঠ সংবাদ মাধ্যমৰ মান উন্নীত কৰাৰ বাবে ই নতুন নতুন ক্ষেত্রত ভৰি থৈছে।

৮.৭.১ ভাৰতীয় বাতৰিকাকত সমাজৰ উদ্দেশ্য আৰু প্রশাসন

ভাৰতীয় বাতৰিকাকত সমাজ হৈছে সংবাদ পত্রৰ স্বত্বাধিকাৰীসকলৰ সংগঠন। ইয়াৰ নিজা এলানি উদ্দেশ্য আছে, কিন্তু উদ্দেশ্যৰ যিকোনো সময়তে সম্প্রসাৰণ হ'ব পাৰে। আই এন এছৰ প্রতিষ্ঠা হৈছিল ভাৰত, বার্মা আৰু চিল'নৰ সংবাদ মাধ্যমৰ কেন্দ্রীয় সংগঠন হিচাপে কাম কাৰ বাবে। ই সদস্যসকলৰ এনেবোৰ ব্যৱসায়িক স্বার্থৰ বিকাশৰ বাবে আৰু সুৰক্ষা দিবলৈ কাম কৰে যিবোৰ বিধান পৰিষদ, চৰকাৰ, আদালত, পৌৰ আৰু স্থানীয় নিকায় আৰু ব্যৱসায়িক বা আন যিকোনো উদ্দেশ্যত গঠিত সংস্থা গঠনৰ দ্বাৰা প্রভাৱিত হয় বা প্রভাৱিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে আৰু সেই ক্ষেত্রত প্রয়োজনীয় হৈ উঠা পদক্ষেপ গ্রহণৰ বাবে ই কাম কৰে। সদস্যসকলৰ বাস্তব স্বার্থ জড়িত সকলো বিষয়ৰে তথ্য ই সংগ্রহ কৰে আৰু সদস্যসকলক এই তথ্য যোগান ধৰে। সদস্যসকলৰ স্বার্থক প্রভাৱিত কৰা সকলো বিষয়তে সহযোগিতাৰ বিকাশৰ বাবে আৰু সদস্যসকলৰ আচৰণ নির্দ্ধাৰণৰ বাবে নিয়ম প্রস্তুত কৰিবলৈ, নিয়ম লংঘনকাৰীক জৰিমনা বিহিবলৈ আৰু এনে নিয়ম লংঘন হৈছে নেকি সেয়া নির্দ্ধাৰণৰ বাবে ব্যৱস্থা আগবঢ়াবলৈ ইয়াৰ প্রতিষ্ঠা হৈছিল। ইয়াৰ বাবে আই এন এছে ইয়াৰ উমৈহতীয়া স্বার্থৰ বিষয়বোৰ আলোচনা কৰিবলৈ আৰু কার্যব্যৱস্থা নির্দ্ধাৰণৰ বাবে সময়ে সময়ে সদস্যসকলৰ মাজত বৈঠক অনুষ্ঠিত কৰে। সদস্যসকলৰ স্বার্থ নিৰীক্ষণ কৰিবলৈ আৰু তথ্য আৰু মতামতৰ আদান প্রদানৰ সুবিধাৰ বাবে আই এন এছৰ ভাৰতত স্থায়ী সচিবালয় আছে।

ব্যৱস্থাপনা ঃ আই এন এছৰ এখন কার্যবাহী কমিটী আছে। কার্যবাসী কমিটীৰ অধীনত কেবাখনো উপ সমিতি আছে, সেইবোৰ হ'ল— বিজ্ঞাপন কমিটী, নিউজপ্রিণ্ট কমিটী, বিল্ডিং ফাইনেঞ্চ ষ্টাফ কমিটী, ঔদ্যোগিক সম্পর্ক আৰু আইন পৰিক্রমা কমিটী, আই এন এছৰ আঞ্চলিক কমিটীও আছে অন্ধ্র প্রদেশ, চণ্ডীগড়, ৰাষ্ট্রীয় ৰাজধানী (দিল্লী), গুজৰাট, কর্ণাটক, কেৰালা, কলকাতা, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্রদেশ, মহাৰাষ্ট্র, মুম্বাই, উত্তৰ পূব, ৰাজস্থান, তামিলনাড়ু, উত্তৰ প্রদেশ।

৮.৭.২ ভাৰতীয় বাতৰিকাকত সমাজৰ কার্যাৱলী

১৯৩৯ চনত জন্ম লাভ কৰা ভাৰতীয় বাতৰিকাকত সমাজে ২০০৯ চনত ৭০ বছৰ সম্পূর্ণ কৰিছে। আই এন এছে দেশৰ বাতৰিকাকত উদ্যোগৰ প্রতি সেৱা আগবঢ়োৱা সুপৰিপক্ক আৰু প্রতিষ্ঠিত সংগঠন হিচাপে নতুন শতিকাত প্রৱেশ

কৰিছে।

বিজ্ঞাপন ঃ ছ'চাইটীৰ গুৰুত্বপূৰ্ণ কাম-কাজবোৰৰ ভিতৰত এটা হৈছে সদস্য প্রকাশন গোষ্ঠীবোৰে বিজ্ঞাপন সংস্থা আৰু বিজ্ঞাপন দাতাৰ পৰা পাবলগীয়া ধন আদায়ৰ বিষয়টো নিৰীক্ষণ কৰা। সুদীর্ঘ দিনৰে পৰা সংবাদপত্র আৰু সাময়িক পত্রিকাবোৰৰ বাবে বিজ্ঞাপন হৈছে ৰাজহৰ গুৰুত্বপূৰ্ণ উৎস। বৈদ্যুতিন মাধ্যমৰ ব্যাপক সম্প্রসাৰণৰ পিছত এইটো উৎসৰ পৰা ৰাজহ বৃদ্ধি লেহেম হৈ পৰিছে, কিয়নো ছপা মাধ্যমৰ পৰা এই মাধ্যমটোলৈ ৰাজহৰ চ্যুতি ঘটিছে। সংবাদপত্র আৰু সাময়িক পত্রিকাবোৰত বিজ্ঞাপন প্রকাশনৰ সুবিধা সম্পর্কে বিজ্ঞাপনদাতা, মিডিয়া মেনেজাৰ আৰু জনসাধাৰণৰ দৃষ্টি আকর্ষণ কৰিবলৈ আই এন এছে 'প্রজেক্ট প্রেছ' নামেৰে এটা প্রচাৰ অভিযান আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল। সদস্য প্রকাশন গোষ্ঠীবোৰে স্বেচ্ছাই আগবঢ়োৱা ৰৰঙণিৰে এই অভিযানৰ বাবে প্রয়োজন হোৱা সমুদায় ধনৰ ব্যৱস্থা কৰা হৈছে।

বিজ্ঞাপন সংস্থাৰ স্বীকৃতি ঃ বিজ্ঞাপন সংস্থাবোৰক স্বীকৃতি প্রদানত এক প্রতিষ্ঠানিক ব্যৱস্থাৰ জৰিয়তে এনে স্বীকৃতি লাভ কৰা বিজ্ঞাপন সংস্থাই সদস্যসকলৰ পৰা কেতবোৰ সা-সুবিধা লাভ কৰে আৰু কেবা দশক ধৰি জনপ্রিয় হৈ আছে। এই ব্যৱস্থা ছ'চাইটীৰ 'ৰুলচ গভার্ণিং এক্রেডিটেচন অব এণ্ড এডভাৰটাইজিং এজেঞ্চি এণ্ড ৰুলিংছ অব দ্য ছচাইটী'ৰ নির্মম অনুসৰি প্রযোজ্য। ১৯৪৩ চনত ছ'চাইটীয়ে ইয়াক গ্রহণ কৰিছিল আৰু সময়ে সময়ে ইয়াৰ সংশোধন হৈ আহিছে। বর্তমান ছ'চাইটীৰ পূর্ণ স্বীকৃতি উপভোগ কৰা বিজ্ঞাপন সংস্থাৰ সংখ্যা হ'ল ৫৭৬ টা আৰু চর্ত সাপেক্ষ স্বীকৃতি লাভ কৰা সংস্থাৰ সংখ্যা ১৮২। গতিকে মুঠ স্বীকৃতিপ্রাপ্ত বিজ্ঞাপন সংস্থাৰ সংখ্যা ৭৫৮।

প্রকাশনগোষ্ঠী ধন আধায় প্রক্রিয়াৰ নিৰীক্ষণ ঃ ছ'চাইটীয়ে বিজ্ঞাপন সংস্থাৰ পৰা প্রকাশন প্রতিষ্ঠানবোৰক ধন আদায় মাহিলি পর্যালোচনা নিৰীক্ষণ (এম আৰ ভি) ব্যৱস্থাৰে নিৰীক্ষণ কৰে। স্বীকৃতি প্রদানৰ নিয়মবোৰ কার্যকৰীকৰণৰ বাবে ছ'চাইটীয়ে ধাৰাবাহিকভাৱে চেষ্টা চলায়, যাতে নির্দিষ্ট সময়সীমাৰ ভিতৰত ধন আদায় নিশ্চিত হয় আৰু কমিছন/ৰেহাই ইত্যাদি যিবোৰ অনুমতি যোগ্য নহয় সেইবোৰ উপায় যাতে অৱলম্বন কৰা নহয়।

প্রকাশনগোষ্ঠী আৰু বিজ্ঞাপন সংস্থাৰ বিবাদৰ নিস্পত্তিকৰণ ঃ প্রকাশনগোষ্ঠী আৰু বিজ্ঞাপন সংস্থা উভয়কে তেওঁলোকৰ মাজৰ বিবাদ পাৰস্পৰিকভাৱে মীমাংসা কৰিবলৈ উৎসাহ দিয়া হয়। কিন্তু অত্যাৱশ্যকীয় হ'লে ছ'চাইটীয়ে জড়িত থকা সংস্থাক দ্বিপাক্ষিকভাৱে বিবাদ নিস্পত্তি কৰিবলৈ পৰামর্শ দিয়ে।

বিজ্ঞাপন কমিটী ঃ বিজ্ঞাপনৰ ক্ষেত্রখনৰ লগত জড়িত ছ'চাইটীৰ সমগ্র কাম-কাজ চোৱাচিতা কৰে আই এন এছৰ বিজ্ঞাপন কমিটীয়ে। সকলো নীতি সম্পর্কীয়

বিষয় বিজ্ঞাপন সংস্থাবোৰে আদায় দিব লগা থকা ধনৰ স্থিতি, স্বীকৃতি স্থগিত ৰখা বা স্বীকৃতি বাতিলকৰণকে ধৰি ধন আদায়ত গাফিলতি কৰা বিজ্ঞাপন সংস্থাৰ বিৰুদ্ধে কার্যব্যৱস্থা, চর্ত সাপেক্ষ আৰু পূর্ণ স্বীকৃতি প্রদান আদি বিষয়বোৰ বিজ্ঞাপন কমিটীৰ বৈঠকত বিবেচনা কৰা আৰু সিদ্ধান্ত লোৱা হয়।

নিউজ প্রিণ্ট ঃ নিউজ প্রিণ্ট হৈছে বাতৰি কাকত উদ্যোগৰ জীৱন ৰেখা। ই হৈছে উদ্যোগটোৰ প্রাথমিক কেচা সামগ্রী আৰু মুঠ উৎপাদন ব্যয়ৰ ৫০ ৰ পৰা ৬০ শতাংশ ইয়াৰ বাবেই প্রয়োজন। আই এন এছ নিউজ প্রিণ্ট কমিটীয়ে এইক্ষেত্রত চোকা দৃষ্টি ৰাখে আৰু উদ্যোগটোৰ স্বার্থক প্রভাৱিত কৰা বিষয়ত সময়ে সময়ে উপযুক্ত সকাহ বিচাৰে।

ঔদ্যোগিক সম্পর্ক ঃ বাতৰি কাকত উদ্যোগৰ কেন্দ্রীয় সংস্থা হিচাপে আই এন এছে সদস্যসকলৰ দৃষ্টিভংগী চৰকাৰৰ সন্মুখত উপস্থাপন কৰিও সদস্যসকলক সহায় কৰে। বিশেষকৈ কর্মত সাংবাদিক আৰু অনাসাংবাদিক কর্মচাৰীসকলৰ বাবে থকা দৰমহা বোর্ডৰ অনুমোদনাৱলী সম্পর্কত ই সদস্যসকলৰ দৃষ্টিভংগী চৰকাৰৰ সন্মুখত উপস্থাপন কৰে যাতে কেন্দ্রীয় চৰকাৰে এটা বাস্তৱ দৃষ্টিভংগী গ্রহণ কৰিব পাৰে আৰু বাতৰি কাকত উদ্যোগে বৈদ্যুতিন মাধ্যমৰ ব্যাপক সম্প্রসাৰণ সত্বেও যাতে তিষ্ঠি থাকিব পাৰে আৰু গণতান্ত্রিক প্রক্রিয়াত ইয়াৰ ভূমিকা পালন কৰিব পাৰে।

সংবাদ মাধ্যমৰ স্বাধীনতা ঃ ছ'চাইটীৰ সংবাদ মাধ্যমৰ স্বাধীনতা সম্পর্কীয় কমিটীয়ে সংবাদ মাধ্যমৰ স্বাধীনতা অক্ষুণ্ণ ৰখাৰ বাবে ইয়াৰ চেষ্টা সদায় অব্যাহত ৰাখিছে আৰু সংবাদপত্র প্রতিষ্ঠান / সাংবাদিকতৰ ওপৰত সংঘটিত আক্রমণ, বিদেশী সংবাদ মাধ্যমৰ প্রবেশ সম্পর্কীয় বিষয় ইত্যাদি সময়ে সময়ে উত্থাপন কৰি আহিছে। ছ'চাইটীয়ে সদায় এই কথা নিশ্চিত কৰিবলৈ চেষ্টা চলাই আহিছে যাতে কর্মচাৰীসকলে তেওঁলোকৰ জীৱনৰ লৈ আশংকা নকৰাকৈ আৰু প্রতিষ্ঠানৰ সম্পত্তিৰ ক্ষতি নকৰাকৈ সংবাদপত্র প্রকাশ কৰিব পাৰি। দেশত যিকোনো ৰূপতে বিদেশী সংবাদ মাধ্যমৰ প্রবেশৰ ক্ষেত্রত ছ'চাইটীয়ে সদায় বিৰোধিতা কৰাৰ সিদ্ধান্ত লৈছে।

আলোচনা চক্র ঃ ছ'চাইটীয়ে সময়ে সময়ে ইয়াৰ সদস্য প্রকাশন গোষ্ঠীবোৰৰ বাবে আলোচনা চক্র আৰু কর্মশালাৰ আয়োজন কৰে। ছ'চাইটীয়ে এই কথাও নিশ্চিত কৰে যে আই এন এছ হেণ্ডবুক ৰূপত ইয়াৰ সকলো সদস্যৰ সম্পূর্ণ তথ্যপাতি অন্তর্ভুক্ত হয়। এই হেণ্ডবুক নিয়মীয়াকৈ উন্নীত কৰা হয়।

আধুনিকীকৰণ ঃ প্রযুক্তিৰ সৈতে ফেৰ মাৰি ছ'চাইটীয়ে ইয়াৰ মূল কামকাজ সমূহ স্বয়ংক্রিয় ৰূপত অগবঢ়াই নিয়াৰ বাবে এটা নতুন ছফটৱেৰৰ উন্নয়ন ঘটাইছে যিয়ে ইয়াৰ সদস্যসকলৰ বাবে তথ্যৰ প্রেৰণ অধিক সহজ কৰি তোলে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১৩ ঃ ইণ্ডিয়ান এণ্ড ইষ্টার্ণ নিউজপেপাৰ ছ'চাইটীৰ প্রথমতে নাম কি আছিল?

.....

.....

প্রশ্ন নং ১৪ ঃ এডিটর্ছ গীল্ড অৰ ইণ্ডিয়াৰ আচাৰবিধি কর্মচাৰীৰ ক্ষেত্রত কিমান সংখ্যক নিদের্শনা আছে।

.....

প্রশ্ন নং ১৫ ঃ কোন চনত ইণ্ডিয়ান এণ্ড ইষ্টার্ণ নিউজপেপাৰ ছ'চাইটীৰ নাম ভাৰতীয় বাতৰিকাকত সমাজ হয়?

.....

প্রশ্ন নং ১৬ ঃ ভাৰতত কোন কোন অঞ্চলত আই এন এছৰ আঞ্চলিক কমিটী আছে?

.....

প্রশ্ন নং ১৭ ঃ তলত দিয়াবোৰৰ কোনটো প্রতিষ্ঠান আই এন এছৰ প্রতিষ্ঠানক সদস্য নহয়?

ক) টাইমছ অব ইণ্ডিয়া খ) হিন্দুস্তান টাইমছ

গ) হিন্দুস্তান ষ্টেণ্ডার্ড গ) টেলিগ্রাফ

প্রশ্ন নং ১৮ ঃ ভাৰতীয় বাতৰিকাকত সমাজৰ কাম কাজবোৰৰ ক্ষেত্রত ইয়াৰ ছটা মূল ক্ষেত্র কি কি?

.....



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'স্ব-নিয়ন্ত্রণ' আখ্যাটোৰ বিবিধ সংজ্ঞা আছে। বেলেগ বেলেগৰ বাবে ইয়াৰ অর্থ বেলেগ বেলেগ। এটা এফালে ইয়াক যথেষ্ট ঠেক গণ্ডীত ব্যৱহাৰ কৰা হয়, অকল সেইবিলাক উদাহৰণকহে বুজোৱা হয়, য'ত চৰকাৰে আনুষ্ঠানিকভাৱে নিয়ন্ত্রণৰ অধিকাৰ প্রদান কৰে। আনটো দিশত যেতিয়া ব্যক্তিগত খণ্ডই যিকোনো কাৰণতেই নহওক কিয় নিজকে নিয়ন্ত্রণ কৰাৰ প্রয়োজন অনুভৱ কৰে। সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ হৈছে সংবাদ মাধ্যমৰ বৃত্তিধাৰীসকলৰ এক যুটীয়া প্রচেষ্টা, য'ত স্বেচ্ছাই সম্পাদকীয় নীতি নির্দেশনা যুগুত কৰি এনে নীতি নির্দেশনাৰ দ্বাৰা বান্ধ খাই থাকে। ই এক শিকন

প্রক্রিয়াও আৰু জনসাধাৰণৰ বাবে ই মুকলি। চৰকাৰী নিয়ন্ত্রণৰ তুলনাত আত্মনিয়ন্ত্রণত বিবিধ সুবিধা আছে দক্ষতা, নমনীয়তা বৃদ্ধি, সঠিকভাৱে অনুসৰণ কৰাৰ বাবে পুৰষ্কাৰ আৰু ব্যয় হ্রাস।

সংবাদ সংস্থাবোৰ এই বিষয়টোত জ্ঞাত যে তেওঁলোকে উপভোগ কৰা স্বাধীনতাৰ বাবে তেওঁলোকৰ সমানে দায়িত্বও আছে যাতে বছৰ বছৰ ধৰি অর্জন কৰা সদিচ্ছা অক্ষুণ্ণ থাকে। সংবাদ সংস্থাবোৰে বিগত এটা শতিকা ধৰি নিজৰ আচৰণ বিধিৰ উন্নয়ন ঘটাইছে আৰু বিভিন্ন সংবাদ সংস্থাৰ আচৰণ বিধিৰ পৰাই ই স্পষ্ট। বিবিচি-চিবিৰি আচৰণবিধি আৰু সংগঠন যেনে অল ইণ্ডিয়া নিউজপেপাৰ এডিটর্ছ কনফাৰেঞ্চ (এ আই এন ই চি), ইণ্ডিয়ান ফেডাৰেচন অৱ ৱর্কিং জার্ণেলিষ্ট (আই এফ ডব্লিউ জে), প্রেছ কাউঞ্চিল ছ'চাইটী আৰু নিউজ ব্রডকাষ্টার্ছ এছ'চিয়েচন অৱ ইণ্ডিয়া (এন বি এ) হৈছে উদাহৰণ।

- সংবাদিকৰ এক শীর্ষ সংস্থা ভাৰতৰ এডিটর্ছ গীল্ড হৈছে দেশৰ বাতৰি কাকত, বাতৰি সংস্থা, বার্তালোচনী আৰু টেলিভিছন বাতৰি চেনেলত সম্পাদকসকলৰ এটা সংস্থা। সংবাদ মাধ্যমৰ স্বাধীনতা, সম্পাদকসকলৰ স্বতন্ত্রতা আৰু সাংবাদিকতাৰ মান আৰু নীতি উন্নীত কৰাৰ দৰে বিষয়বোৰ ই বিবেচনা কৰে।
- অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সম্মিলন (এ আই এন ই চি) হৈছে ভাৰতৰ সংবাদপত্র আৰু সাময়িক পত্রিকাবোৰৰ সম্পাদকসকলৰ স্বেচ্ছামূলক সংগঠন। ইয়াৰ মুখ্য উদ্দেশ্য সমূহ হ'ল সাংবাদিকতাৰ উচ্চ পৰম্পৰা আৰু মান ৰক্ষা কৰা, সংবাদ মাধ্যমৰ স্বাধীনতা আৰু অধিকাৰ সুৰক্ষিত কৰা, নিজৰ দায়িত্ব পালন কৰোতে সংবাদ মাধ্যমৰ বাবে সকলো সুবিধা আৰু বিশেষাধিকাৰ নিশ্চিত কৰা, চৰকাৰ আৰু সংবাদ মাধ্যমৰ মাজত, সংবাদ মাধ্যম আৰু জনসাধাৰণৰ মাজত সুসম্পর্ক প্রতিষ্ঠা কৰা, অন্যান্য দেশত অনুৰূপ উদ্দেশ্য থকা সংগঠনৰ লগত যোগসূত্র স্থাপন কৰা।
- ভাৰতীয় বাতৰিকাকত সমাজে (আই এন এছ) সংবাদপত্র উদ্যোগৰ স্বীকৃত মুখপাত্র হিচাপে বিশেষ স্থান গ্রহণ কৰি আহিছে। ই ভাৰতৰ সংবাদ মাধ্যমৰ কেন্দ্রীয় সংগঠন হিচাপে কাম কৰে। বিশ্বৰ বৃহত্তম গণতন্ত্র ভাৰতত সংবাধ মাধ্যমৰ স্বাধীনতাক সুৰক্ষা প্রদান আৰু ইয়াৰ বিকাশৰ ক্ষেত্রত তাৎপর্যপূর্ণ ভূমিকা গ্রহণ কৰিছে।



৮.৯ অধিক জানিবলৈ


ইংৰাজী গ্রন্থ ঃ

1. Campbell, Angela J. (1999) Self Regulation and the Media. Federal Communications Law Journal, Vol. 51, No 3

2. Rajshekhar, T (2007). Journalism : Ethics and Objectives. New Delhi :

Sonali Pub

3. Ravindran , P.K . Press Laws and Ethics of Journalism.



৮.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ 'স্ব-নিয়ন্ত্রণ'ৰ বিবিধ সংজ্ঞা আছে বেলেগ বেলেগ লোকৰ বাবে ইয়াৰ অর্থ বেলেগ বেলেগ। এটা দিশত ইয়াক যথেষ্ট ঠেক পৰিসৰত ব্যৱহাৰ কৰা হয়। অকল সেইবোৰ কথাৰে বুজোৱা হয় য'ত চৰকাৰে আনুষ্ঠানিকভাৱে নিয়ন্ত্রণৰ ক্ষমতা অর্পণ কৰে। আনটো দিশত, যেতিয়া ব্যক্তিগত খণ্ডই যি কাৰণতেই নহওক কিয়, ই নিজকে নিয়ন্ত্রণৰ প্রয়োজনীয়তা অনুভৱ কৰে।

২ নং প্রশ্নৰ উত্তৰঃ সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ হৈছে সংবাদ মাধ্যমৰ বৃত্তিধাৰীসকলৰ এক যুটীয়া প্রচেষ্টা, স্বেচ্ছাই সম্পাদকীয় নীতি নির্দেশনা যুগুত কৰিবলৈ আৰু জনসাধাৰণৰ বাবে মুকলি এক শিক্ষামূলক প্রক্রিয়াৰে সেইবোৰ মানি চলা। ইয়াৰ জৰিয়তে স্বতন্ত্র সংবাদ মাধ্যমে দেশত ৰাজহুৱা আলোচনা বিলোচনাৰ মানৰ ক্ষেত্রত নিজৰ দায়িত্বৰ অংশ স্বীকাৰ কৰাৰ লগতে সম্পাদনাৰ ক্ষেত্রত স্বতন্ত্রতাও সম্পূর্ণ ৰক্ষা কৰে। স্ব-নিয়ন্ত্রণেসংবাদ মাধ্যমক যুক্তিসংগত অভিযোগৰ প্রত্যুত্তৰ দিয়াত সহায় কৰে আৰু ভুল শুদ্ধ বিচাৰ প্রক্রিয়াৰ ত্রুটি শুদ্ধ কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ ১৯৫১

৪ নং প্রশ্নৰ উত্তৰঃ অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সন্মিলন।

৫ নং প্রশ্নৰ উত্তৰঃ ভাৰতীয় কর্মৰত সাংবাদিক সংঘ।

৬ নং প্রশ্নৰ উত্তৰঃ ভাৰতৰ সংবাদ সম্প্রচাৰকৰ সংস্থা।

৭ নং প্রশ্নৰ উত্তৰঃ সাংবাদিকসকলৰ শীর্ষ সংগঠন ভাৰতীয় এডিটর্ছ গীল্ড হৈছে দেশৰ সংবাদপত্র, সংবাদ প্রতিষ্ঠান, বার্তালোচনী আৰু টেলিভিচন বাতৰি চেনেলসমূহৰ সম্পাদকসকলৰ সংস্থা। সংবাদ মাধ্যমৰ স্বাধীনতা, সম্পাদকসকলৰ স্বতন্ত্রতা আৰু সাংবাদিকৰ মান আৰু নীতিৰ উন্নয়ন জাতীয় বিষয়বোৰ ই বিবেচনা কৰে। সাংবাদিকসকলৰ বাবে আচাৰ বিধি ই যুগুত কৰি উলিয়াইছে।

৮ নং প্রশ্নৰ উত্তৰঃ ২২ টা নীতি নির্দেশনা।

৯ নং প্রশ্নৰ উত্তৰঃ ১৯৪০

১০ নং প্রশ্নৰ উত্তৰঃ ১৯৫৩

১১ নং প্রশ্নৰ উত্তৰঃ ১৯৬৮

১২ নং প্রশ্নৰ উত্তৰঃ 'সংখ্যালঘু' আৰু 'সংখ্যাগুৰু'

১৩ নং প্রশ্নৰ উত্তৰঃ ইণ্ডিয়া, বার্মা এণ্ড চিল'ন নিউজ পেপাৰছ লণ্ডন কমিটী?

১৪ নং প্রশ্নৰ উত্তৰঃ ১৯৪০

১৫ নং প্রশ্নৰ উত্তৰঃ ১৯৩৯

১৬ নং প্রশ্নৰ উত্তৰঃ অন্ধ্রপ্রদেশ, চণ্ডীগড়, ৰাষ্ট্রীয় ৰাজধানী (দিল্লী), গুজৰাট, কর্ণাটক, কেৰালা, কলকাতা- বিহাৰ- ঝাৰখণ্ড, মধ্যপ্রদেশ, মহাৰাষ্ট্র, মুম্বাই, উত্তৰ-পূব, ৰাজস্থান, তামিলনাড়ু, উত্তৰ প্রদেশ।

১৭ নং প্রশ্নৰ উত্তৰঃ গ) টেলিগ্রাফ

১৮ নং প্রশ্নৰ উত্তৰঃ বিজ্ঞাপন, নিউজপ্রিণ্ট, ঔদ্যোগিক সম্পর্ক, সংবাদ মাধ্যমৰ স্বাধীনতা, আলোচনাচক্র আৰু আধুনিকীকৰণ।



৮.১১ আহিঁ প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ প্রেছ কাউঞ্চিল অৱ ইণ্ডিয়া কোড, ১৯৫৪ কিয় যুগুত কৰা হৈছিল?

প্রশ্ন ২ঃ আই এন এছ'ৰ প্রতিষ্ঠাপকসমূহ কোন কোন?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ 'স্ব-নিয়ন্ত্রণ' আৰু 'সংবাদ-মাধ্যমৰ স্ব-নিয়ন্ত্রণ'ৰ সম্পর্কে এটা টোকা যুগুত কৰক। সংবাদ মাধ্যমৰ স্ব-নিয়ন্ত্রণ কেনেকৈ জনসাধাৰণ আৰু গণতন্ত্রৰ বাবে সহায়ক ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ বেলেগ বেলেগ দেশত সংবাদ মাধ্যমৰ কর্মীসকলৰ বাবে বেলেগ বেলেগ সংগঠনৰ আচাৰবিধি সম্পর্কত এটা টোকা লিখক।

প্রশ্ন ৩ঃ ভাৰতৰ এডিটর্ছ গীল্ড আৰু সংবাদ মাধ্যমৰ বাবে ইয়াৰ আচাৰবিধি সম্পর্কে টোকা এটি যুগুত কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অখিল ভাৰতীয় বাতৰিকাকত সম্পাদকৰ সন্মিলন (এ আই এন ই চি) আৰু ১৯৫৩ আৰু ১৯৬৮ চনত গৃহীত ইয়াৰ আচাৰবিধি সম্পর্কে এটি টোকা যুগুত কৰক।

প্রশ্ন ২ঃ ইয়াৰ উদ্দেশ্য সমূহ উল্লেখ কৰি ভাৰতীয় বাতৰিকাকত সমাজৰ (আই এন এছ) বিস্তৃত ইতিহাস বর্ণনা কৰক।

প্রশ্ন ৩ঃ ভাৰতীয় বাতৰিকাকত সমাজৰ (আই এন এছ) কামকাজ সম্পর্কত টোকা এটি যুগুত কৰক।

****

অধ্যায় ৯ ঃ বৈদ্যুতিক মাধ্যম আৰু নীতি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ষ্টিং অভিযান ঃ সংজ্ঞা
৯.৩.১ ষ্টিং অভিযানৰ অনুশীলন
৯.৩.২ ষ্টিং অভিযানৰ ন্যায়িক দিশসমূহ
৯.৩.৩ ষ্টিং অভিযানৰ নৈতিক দিশসমূহ
৯.৪ অল ইণ্ডিয়া ৰেডিঅ', দূৰদর্শন আৰু ব্যক্তিগত টিভি চেনেলবোৰৰ নীতি সংহিতা
৯.৫ সম্প্রচাৰ বিষয়ক ওজৰ-আপত্তি নিস্পত্তিকাৰী পৰিষদ
(Broadcast Content Complaint Council / BCCC)
৯.৬ সংবাদ সম্প্রচাৰকৰ সংস্থা (News Broadcasters Association / NBA)
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ষ্টিং অভিযানৰ ধাৰণা লাভ কৰিব পাৰিব
- ষ্টিং অভিযান আৰু ইয়াৰ প্রচলন সম্বন্ধে আলোচনা কৰিব পাৰিব
- ষ্টিং অভিযানৰ লগত জড়িত আইনগত আৰু নীতি সম্বন্ধ দিশসমূহ বিশ্লেষণ কৰিব পাৰিব
- অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদর্শনৰ লগত জড়িত নীতিগত দিশসমূহ আলোচনা কৰিব পাৰিব
- সম্প্রচাৰ বিষয়ক ওজৰ-আপত্তি নিস্পত্তিকাৰী পৰিষদৰ পৰিচয় আগবঢ়োৱাৰ লগতে ইয়াত কিদৰে অভিযোগ পত্র দাখিল কৰিব পাৰে সেই বিষয়ে ধাৰণা লাভ কৰিব
- সংবাদ সম্প্রচাৰকৰ সংস্থা (NBA)ৰ পৰিচয় লাভ কৰিব
- সংবাদ সম্প্রচাৰকৰ সংস্থাত অভিযোগপত্রনামা দাখিলৰ বিষয়ে কিছু কথা জানিব পাৰিব।

৯.২ পৰিচয়

স্নাতক গণ মাধ্যম, চতুর্থ ষাণ্মাসিকৰ বাবে আগবঢ়োৱা ষোড়শ পাঠ্যবিষয় 'প্রচাৰ মাধ্যমৰ আইন আৰু নীতিসমূহ'ৰ অন্তর্গত এইটো ষষ্ঠ তথা শেষ অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'ইলেক্ট্রনিক প্রচাৰ মাধ্যম আৰু ইয়াৰ লগত জড়িত নীতি সম্বন্ধীয় দিশসমূহ'। সন্মান সহকাৰে জীয়াই থাকিবলৈ প্রত্যেকগৰাকী ব্যক্তিৰে ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ আছে। আইনগত অনুমোদন নোহোৱাকৈ চৰকাৰ, ব্যৱসায়িক গোট বা ব্যক্তিবিশেষে কোনো ব্যক্তিৰ ব্যক্তিগত গোপনীয়তা খর্ব কৰিব নোৱাৰে। ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ বহুতো দেশত আইন হিচাপে গৃহীত হৈছে আৰু কোনো কোনো দেশত ই তাৰ সংবিধানৰ অংশবিশেষ হৈ পৰিছে। প্রায়ভাগ দেশতে এনে আইন গৃহীত হৈছে যিয়ে ব্যক্তিগত গোপনীয়তাৰ সীমাৰেখা নিশ্চিত কৰিছে। কেৱল সিমানেই নহয়, বিংশ শতিকাৰ ৪০ৰ দশকৰ পৰা ব্যক্তিগত গোপনীয়তা আন্তঃৰাষ্ট্রীয় আইনৰ ভিতৰুৱা হৈ আহিছে। কোনো যুক্তিপূর্ণ ৰাজহুৱা স্বার্থজনিত বিষয় নহ'লে কোনেও কাৰো ব্যক্তিগত গোপনীয়তাক ভংগ কৰিব বা তাত অনধিকাৰ হস্তক্ষেপ কৰিব নোৱাৰিব। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২১-এ ভাৰতীয় নাগৰিকক প্রদান কৰা জীৱন আৰু স্বাধীনতাৰ অধিকাৰৰ লগত ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ সম্পৃক্ত। সাম্প্রতিক সময়ত ব্যক্তিৰ ব্যক্তিগত গোপনীয়তালৈ ভাবুকি আহি পৰিছে। এই ভাবুকি আহিছে ইলেক্ট্রনিক প্রচাৰ মাধ্যমৰ প্রসাৰৰ মাধ্যমেদি, যেনে— ইলেক্ট্রনিক সংবাদ চেনেল, পাপাৰাজী, ইণ্টাৰনেট আদি। এই সমূহৰ সহায়ত ষ্টিং অভিযান (Sting Operation) চলোৱা সহজ হৈছে যিয়ে বহুত সময়ত ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ খর্ব কৰিছে। মন কৰিবলগীয়া যে আজিৰ সময়ত ষ্টিং অভিযান ইলেক্ট্রনিক প্রচাৰ মাধ্যমৰ চলোৱা এবিধ বহুল অভিযান।

এই অধ্যায়টোত আপোনাক ষ্টিং অভিযানৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে তাৰ লগত জড়িত আইনগত আৰু নীতিগত দিশসমূহৰ লগতো পৰিচয় কৰাই দিয়া হ'ব। আপুনি অল ইণ্ডিয়া ৰেডিঅ', দূৰদর্শন আদিৰ লগত জড়িত নীতিগত দিশসমূহ জানি লোৱাৰ সুযোগ পাব। তাৰ লগত আত্ম-নিয়ন্ত্রক অনুষ্ঠান যেনে— NBA আৰু BEA আৰু তাৰ লগত জড়িত নীতিগত দিশসমূহৰ লগত পৰিচিত হ'ব।

৯.৩ ষ্টিং অভিযান ঃ সংজ্ঞা

> যেতিয়া ছলনাৰ মাধ্যমেৰে কোনো এজন ব্যক্তিয়ে কৰা অপৰাধৰ বাবে তেওঁক প্রলোভন দি বা প্রমাণসহ জব্দ কৰা হয়, তেনে অভিযান বা পদক্ষেপক ষ্টিং অপাৰেশ্বন বোলা হয়। ই এনে এটা জটিল অভিযান (খেল) যাক পৰম আত্মবিশ্বাসে প্রস্তুত আৰু গোপণভাৱে কার্যকৰী কৰা হয়। আইন বলবৎকৰণৰ প্রসংগত ষ্টিং অপাৰেশ্বনৰ যোগেদি অপৰাধ সংঘটিত কৰা ব্যক্তিক প্রমাণসহ জব্দ কৰা হয়। এটা স্বাভাৱিক ষ্টিং অভিযানত

এজন ন্যায়িক বিষয়া বা ৰাইজৰ মাজৰ কোনো এগৰাকী ব্যক্তি থাকে। সেই ব্যক্তিগৰাকীয়ে সন্দেহজনক ব্যক্তিজনৰ ওপৰত চকু ৰাখিবলৈ তেওঁৰ লগত অপৰাধৰ সহযোগী হিচাপে বা সম্ভাব্য চিকাৰ (potential victim) হিচাপে থাকে, যাতে তেওঁ সন্দেহজনক অপৰাধীজনৰ অপৰাধৰ লগত জড়িত সাক্ষ্য-প্রমাণ গোটাব পাৰে। ষ্টিং অভিযানৰ কার্যকৰীকৰণত অন্য কিছু অসুবিধাও নথকা নহয়। এই ক্ষেত্রত সততে আলোচিত হোৱা বিষয়টো হৈছে যে ষ্টিং অভিযানৰ যোগেদি কোনো অপৰাধীক ফান্দত পেলাবলৈ যাওঁতে নীতিগত দিশসমূহৰ লগত আপোচ কৰাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। এনে হোৱা অনুচিত। গতিকে আইন বলবৎকাৰীসকলে এইটো কথাৰ প্রতি লক্ষ্য ৰাখিব লাগিব যাতে কেনো ধৰণৰ অপৰাধ সংঘটিত নহয়। ইয়াৰ উপৰি এনে ধৰণৰ অভিযান প্রক্রিয়াত আৰক্ষী প্রশাসনে গতানুগতিকভাৱে তথাকথিত গ্রেপ্তাৰ অভিযানসমূহত নিয়োজিত হয় য'ত তেওঁলোকে অপৰাধী-নিৰপৰাধীৰ বাচ-বিচাৰ নকৰাকৈ চোৰাং বস্তুৰ বেচা-কিনা কৰা, দেহোপজীৱিনীৰ লগত সম্বন্ধ থকা বুলি যাকে পায় তাকে সন্দেহবশতঃ আটক কৰা আদি কর্মত নিয়োজিত হয়।

উদাহৰণ স্বৰূপে, মাদক দ্রব্যৰ লগত জড়িত ষ্টিং অভিযানৰ ক্ষেত্রত আৰক্ষীয়ে ব্যক্তি বিশেষক মাদক দ্রব্য বিক্রী কৰিবলৈ প্রৰোভিত কৰাব পাৰে, যদিওবা প্রথম অৱস্থাত সেই ব্যক্তিয়ে তেনে কার্য কৰিবলৈ অনিচ্ছুক হ'ব পাৰে। আৰক্ষীৰ কথা মতে তেনে ব্যক্তিয়ে মাদক দ্রব্য বিক্রী কৰিলে ষ্টিং অভিযান কার্যকৰী হয়। কিন্তু, যদিহে আৰক্ষীয়ে স্বেচ্ছাই মাদক দ্রব্য ক্রয় কৰিবলৈ ইচ্ছুক হয়, তেতিয়াহ'লে তেনে ষ্টিং অভিযানৰ জৰিয়তে অপৰাধীক জালত পেলোৱা হয়। অপৰাধীক এইদৰে ফান্দত পেলাবলৈ কৰা ষ্টিং অভিযানৰ এটা সুন্দৰ উদাহৰণ হৈছে To Catch a Predator নামৰ ৰিয়েলটি টিভি ধাৰাবাহিকখন। এই ধাৰাবাহিকখনৰ সূত্রধাৰ (host) হৈছে ক্রিচ্ হেনচে'ন (Cris Hansen)। ধাৰাবাহিকখনত দেখুওৱা হয় কেনেদৰে কম বয়সীয়া ছোৱালীৰ বেশ ধাৰণ কৰা (কম বয়সীয়া ছোৱালীক যৌন শোষণ কৰিব খোজা অপৰাধী মানসিকতাৰ ব্যক্তিক ফান্দত পেলাবলৈ নিয়োজিত প্রশিক্ষিত প্রাপ্তবয়স্ক মহিলা)সকলৰ লগত অচিনাকি ব্যক্তিৰ অনলাইন বার্তালাপ হয়। ধাৰাবাহিকখনৰ উদ্দেশ্য হৈছে জনসাধাৰণক সেইসমূহ অপৰাধপ্রবণ ব্যক্তিৰ বিৰুদ্ধে সজাগ কৰা, যি শিশুসকলক যৌন শোষণ কৰিবলৈ তৎপৰ। ই নীতিগত দিশৰ পৰা এটা বিপদজনক ধাৰা হিচাপে ৰাজহুৱা সমালোচনা সৃষ্টি কৰে।

৯.৩.১ ষ্টিং অভিযানৰ অনুশীলন

দিন পাৰ হৈ যোৱাৰ লগে লগে বিভিন্ন টেলিভিছন চেনেলে চলোৱা ষ্টিং অভিযানে যথেষ্ট বিতর্কৰ সৃষ্টি কৰিছে। সেই ষ্টিং অভিযানৰ লগত জড়িত নীতি সম্বন্ধীয় দিশসমূহ ইলেক্ট্রনিক প্রচাৰ মাধ্যমে যিদৰে পালন কৰিছে সেয়াও বহু ক্ষেত্রত বিতর্কিত

প্রসংগ হৈ পৰিছে। দেশৰ বিভিন্ন প্রান্তত আজি বিভিন্ন বাতৰি চেনেলে ষ্টিং অভিযানৰ লক্ষ্য হিচাপে বাচি লৈছে দুর্নীতিপৰায়ণ বিষয়া, শাসনাধিষ্ঠিত দলৰ ৰাজনৈতিক নেতা আৰু ৰাজহুৱা জীৱনত সংঘটিত হোৱা অনিয়ম-কেলেংকাৰী আদি। আকৌ কোনো কোনো ষ্টিং অভিযানে বিখ্যাত ব্যক্তিৰ ব্যক্তিগত জীৱনকো ৰেহাই নিদিয়ে। আজিৰ উত্তেজনাপূর্ণ বাতৰিৰ প্রচলনৰ দিনত ষ্টিং অভিযানসমূহে বাৰুকৈয়ে শ্রোতা-দর্শকসকলক আকৃষ্ট কৰে। সময়ৰ প্রচণ্ড গতি আৰু অসংখ্য টেলিভিছন চেনেলৰ পয়োভৰে ষ্টিং অভিযানসমূহক বৈচিত্র্যপূর্ণ খ্যাতি প্রদান কৰিছে। গতিকে ষ্টিং অভিযানসমূহ ইলেক্ট্রনিক প্রচাৰ মাধ্যমৰ এটা বহুল প্রচাৰিত জনপ্রিয় অংগ হৈ পৰিছে। গোপনে লুকুৱাই থোৱা টেলিভিছন কেমেৰা, গোপন অভিযান, ব্যক্তি বিশেষক ফান্দত পেলোৱা— এই সকলোবোৰ ষ্টিং অভিযানৰ ভিতৰুৱা। বিশেষকৈ অনুসন্ধানমূলক সাংবাদিকতাৰ ক্ষেত্রত ইলেক্ট্রনিক প্রচাৰ মাধ্যমত এইবোৰৰ প্রয়োজনীয়তা বৃদ্ধি পাইছে। অৱশ্যে ইয়াৰ লগত বহুতো নীতিমূলক, নৈতিক আৰু বৃত্তিমূলক প্রশ্ন জড়িত হৈ পৰিছে। বহু আলোচিত আৰু সম্প্রতি বিতর্কৰ আবর্তত সোমাই পৰা Tehelka Exposure-অত বিজেপিৰ নেতৃস্থানীয় লোককেইজনক ঘোচ লওঁতে ধৰা পেলোৱা কার্যত অনীতিমূলক পন্থা গ্রহণ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। অলপতে ভোট কেলেংকাৰীজনিত বিষয়টো য'ত বৃহৎ পৰিমাণৰ ধনৰ বিনিময়ত ভোটৰ ক্রয়-বিক্রয় হৈছিল— সেই ষ্টিং অভিযানটোৱে সাংবিধানিক ব্যৱস্থাটোৰ বিৰুদ্ধেও প্রশ্ন উত্থাপন কৰিলে। এই কেলেংকাৰীটো প্রকাশ পোৱাত বিশ্ব সমুদায়ে ভাৰতীয় সাংসদসকলে কেনে আচৰণ কৰে তাৰ উমান পালে। তদুপৰি ষ্টিং অভিযানে উন্মুক্ত কৰা অন্ধ্রপ্রদেশৰ পূর্বৰ ৰাজ্যপাল এন ডি তিৱাৰীৰ যৌন কেলেংকাৰীজনিত ঘটনাই এইটোৱে দর্শালে যে ৰাজনীতিৰ চৰম শিখৰত থকা ৰাজনেতাসকলো সাংবাদিকৰ ষ্টিং অভিযানৰূপী এই নতুন অস্ত্রৰ পৰা সুৰক্ষিত নহয়।

কিন্তু কিছুমান বিশেষ ক্ষেত্রত ষ্টিং অভিযানৰ মাধ্যমেদি প্রতিদ্বন্দ্বী বা বিৰোধীসকলক ভীতি প্রদর্শন কৰিছিল। আকৌ, এনে ষ্টিং অভিযানৰ দ্বাৰা আক্রান্ত ব্যক্তিসকলেও অভিযানৰ সময়ত তোলা ছবি বা বাণীবদ্ধ কৰা কথা-বতৰাৰ tapeবোৰৰ সত্যতা বা genuineness-অৰ বিষয়ে প্রশ্ন উত্থাপন কৰাও দেখা যায়। সিবিলাকে সন্দেহ প্রকাশ কৰি কয় যে সেই tapeসমূহ অবৈধভাৱে পৰিবর্তন কৰা (tampering) অৱকাশ নথকা নহয়। এইটোও সত্য যে কোনো কোনো সময়ত পাৰস্পৰিক ৰাজনৈতিক, ব্যৱসায়িক বা বৃত্তিগত বিৰোধৰ বাবে এটা পক্ষই অন্য এটা পক্ষৰ বিৰুদ্ধে ষ্টিং অভিযানৰ আঁচনি প্রস্তুত কৰে। তেনে ষ্টিং অভিযানত সামাজিক প্রমূল্য ৰক্ষাৰ কোনো মহৎ উদ্দেশ্য নাথাকে। কেতিয়াবা কেতিয়াবা এইটোও শুনা যায় যে প্রচাৰ মাধ্যমৰ লগত জড়িত ব্যক্তিসকল আৰু গোপন কেমেৰাৰ ফান্দত পৰা দোষী ব্যক্তিসকলৰ মাজত হোৱা গোপন বুজাবুজিৰ বহুতো ষ্টিং অভিযানৰ ফলাফল বা বাতৰি

শ্রোতা-দর্শকৰ ওচৰ নাপায়গৈ। সম্ভৱতঃ প্রচাৰ মাধ্যমৰ এনে ধৰণৰ ষ্টিং অভিযান হাতে-লোটে ধৰিবলৈ অন্য এক ষ্টিং অভিযানৰ প্রয়োজন। ইলেক্ট্রনিক প্রচাৰ মাধ্যমে চলোৱা ষ্টিং অভিযানৰ ক্ষেত্রত কেতবোৰ এনে আইনগত অসুবিধাৰ সৃষ্টি হয় যিয়ে ইলেক্ট্রনিক প্রচাৰ মাধ্যমত সংঘটিত ষ্টিং অভিযানৰ অনিয়মসমূহ দূৰ কৰাত প্রতিবন্ধকতাৰ সৃষ্টি কৰে। এফালৰ পৰা বিচাৰ কৰিলে ইলেক্ট্রনিক প্রচাৰ মাধ্যমৰ ষ্টিং অভিযানত চলা অনিয়মসমূহ সমূলি উলাই কৰি দিব নোৱাৰি। ভ্রষ্টাচাৰেৰে পূর্ণ সমাজত প্রচাৰ মাধ্যমসমূহ সম্পূর্ণৰূপে ভ্রষ্টাচাৰমুক্ত বুলি ডাঠি ক'ব নোৱাৰি। যি কি নহওক, বিভিন্ন ক্ষেত্রত ষ্টিং অভিযানসমূহে ৰাজহুৱা স্বার্থজনিত বিষয়সমূহৰ প্রতি সজাগতা সৃষ্টি কৰিছে। তাৰ লগতে এনে অভিযানসমূহে যদি কেনেবাকৈ ৰাজহুৱা স্বার্থ পূৰণ কৰিছে, তেতিয়াহ'লে তেনে অভিযান প্রশংসনীয়। এইটো মন কৰিবলগীয়া যে শাসনত থকা ব্যক্তিসকল ৰাজহুৱা দৃষ্টিৰ পৰা আঁতৰ নহয়। বিশেষাধিকাৰৰ নামত সাংসদসকলে ইলেক্ট্রনিক প্রচাৰ মাধ্যমৰ পৰা আঁতৰি থাকি জনচক্ষুৰ আগৰ পৰা নিজক লুকুৱাই ৰাখিব নোৱাৰে। বৃহত্তৰ জনস্বার্থৰ কথা চিন্তা কৰি প্রচাৰ মাধ্যমে কিছুমান নৈতিক আৰু নীতিমূলক দিশৰ প্রতি লক্ষ্য ৰখা বাঞ্ছনীয়। গণসংযোগৰ শিক্ষা প্রদানকাৰী অনুষ্ঠানৰ পাঠ্যক্রম আৰু প্রচাৰ মাধ্যম সংস্থাসমূহৰ প্রশিক্ষণ কেন্দ্রসমূহত ষ্টিং অভিযানৰ বৃত্তিমুখী দিশসমূহৰ পাঠ সন্নিৱিষ্ট হোৱা বাঞ্ছনীয়। তদুপৰি উপযুক্ত পর্যবেক্ষণৰ পদ্ধতি থাকিব লাগিব যাতে বৃত্তিগত ক্ষেত্রত ষ্টিং অভিযানসমূহ অধিক সুস্থ আৰু ফলপ্রসূ হয়।

৯.৩.২ ষ্টিং অভিযানৰ ন্যায়িক দিশসমূহ

আইনমতে চলিবলৈ হ'লে ষ্টিং অভিযানত নিয়োজিত ব্যক্তিৰ ব্যক্তিগত ইচ্ছাৰ কথা জানি লোৱাৰ লগতে কাকো জব্দ বা ফান্দত পেলোৱা মনোবৃত্তি গ্রহণ নকৰাকৈয়েই ষ্টিং অভিযান পৰিচালনা কৰিব লাগে। স্বাভাৱিকতে, অপৰাধীক ফান্দত পেলোৱা কৌশল অৱলম্বন কৰিলে (entrapment) কোনো ব্যক্তি বিশেষ বা গোটক অপৰাধ এটা সংঘটিত কৰাবলৈ বাধ্য কৰোৱাৰ নিচিনা হয়। সাধাৰণ পৰিস্থিতিত সেই ব্যক্তিয়ে তেনে অপৰাধ কৰিবলৈ আগ্রহী নহ'ব পাৰে। গতিকে হাতলৈ অহা মোকর্দমা (case) যাতে আঁতৰি নাযায়, যিহেতু বাদী বা চাতুর্যতাৰে (কাৰোবাক) ফান্দত পেলোৱা বুলি ক'ব পাৰে। তাৰ বাবে বাদীপক্ষই কোৱা কথাৰ সত্যাসত্য বিচাৰৰ লগতে তেওঁ কোৱা কথা কিমানদূৰ নির্ভৰশীল তাক পৰীক্ষা কৰি চায়। উদাহৰণ স্বৰূপে, যদিহে ষ্টিং অভিযানৰ লগত জড়িত কিশোৰে মদৰ দোকানৰ ওচৰত ঘূৰা-পকা কৰি থাকে আৰু দোকানৰ কেচিয়াৰজনে তেওঁক তেওঁৰ পৰিচয়-পত্র বিচাৰে, তেতিয়া সেই ব্যক্তিজনে কিবা অজুহাত দেখুৱাই সেই বিশেষ স্থান ত্যাগ কৰিব লাগে। তেওঁ ভুৱা পৰিচয়-পত্র প্রদর্শন কৰিব নোৱাৰে, তাৰ সলনি তেওঁ কিবা এটা অজুহাত দেখুৱাই নিজৰ প্রকৃত

পৰিচয় আৰু প্ৰকৃত বয়স দৰ্শোৱা পৰিচয়-পত্ৰ দেখুৱাব লাগিব। ইয়াৰ অন্যথা হ'লে তেওঁক তেওঁৰ পৰিচয় খোজাৰ পিছত আঁতৰি গৈ চোৱাংকৈ মদ ক্ৰয় কৰিব পাৰে।

গতিকে কিছুমান আইনগত অসুবিধাৰ বাবে আমি ভবাৰ দৰে ষ্টিং অভিযানসমূহ সফলকাম নহয়। কিছুমান ন্যায়িক বিষয়াই বেলেগ নীতি-নিৰ্দেশনা অনুসৰণ কৰি ফান্দত পৰা অভিযোগৰ পৰা হাত সৰাৰ উপায় চিন্তা কৰে। কেতিয়াবা তেওঁলোকে নিজকে সুৰক্ষিত কৰিবলৈ ন্যায়ৰ পৰিপন্থী কাৰ্যতো হাত দিয়ে। পিছে ষ্টিং অভিযানসমূহৰ প্ৰভাৱ কম হ'লেও তাৰ জনপ্ৰিয়তা আছে। এনে অভিযানে কিবা এটা কাৰ্যক জোৰকৈ অৱদমিত কৰাত জনসাধাৰণে যি মানসিক তৃপ্তি লাভ কৰে তাৰ পূৰ্ণ আমেজ জনসাধাৰণক দিয়ে।

ষ্টিং অভিযানৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়াও অভিব্যক্ত হয় যিহেতু ই ব্যক্তিৰ ব্যক্তিগত গোপনীয়তাত আঘাত সানে। স্ত্ৰী-পুৰুষ নিৰ্বিশেষে প্ৰত্যেক গৰাকী ব্যক্তিয়ে সসন্মানে নিজৰ ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ ভোগ কৰিব পাৰে। ব্যক্তিগত গোপনীয়তা যাৰ ইংৰাজী প্ৰতিশব্দ Privacy– এই পদটো থমাছ কুলি (Thomas Cooley)এ পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিলে। থমাছ কুলি এগৰাকী আমেৰিকান পণ্ডিত আৰু তেওঁ Privacy শব্দটোৰ সাধাৰণ সংজ্ঞা আগবঢ়াই কৈছিলে যে ব্যক্তিগত গোপনীয়তাৰ সাধাৰণ অৰ্থ হৈছে 'অকলে থাকিবলৈ দিয়াৰ অধিকাৰ' আৰু ইয়াৰ উদ্দেশ্য হৈছে নিজৰ ব্যক্তিত্বক সুৰক্ষিত কৰি ৰখা (to protect one's inviolate personality)। তেতিয়াৰে পৰা ভালেকেইখন দেশত ৰাজহুৱা স্বাৰ্থ উলংঘা নকৰা ব্যক্তিৰ ব্যক্তিগত গোপনীয়তা সুৰক্ষাৰ অধিকাৰ কিছু পৰিমাণে কাৰ্যকৰী হয়। এই ক্ষেত্ৰত ব্যক্তিয়ে ব্যক্তিগত জীৱন আৰু কাৰ্যকলাপৰ লগত জড়িত হ'ব পৰা আক্ৰমণাত্মক প্ৰচাৰৰ পৰা সকাহ পালে। ইয়াক ব্যক্তিগত জীৱনৰ ওপৰত ইলেক্ট্ৰনিক প্ৰচাৰ মাধ্যমৰ অধিকাৰ হস্তক্ষেপ বুলিব পাৰি য'ত এজন সাংবাদিকে শাৰীৰিকভাৱে কোনো ব্যক্তিগত স্থানত অনধিকাৰ প্ৰৱেশ কৰি এটা কাহিনী বা ফটো সংগ্ৰহ কৰে, কাৰোবাৰ বিষয়ে এগৰাকী সংবাদদাতাই এটা কাহিনী বা এখন ছবি প্ৰকাশ কৰে যি অসত্য অথচ মান হানিকৰণ হয়, যেতিয়া সংবাদদাতাই কোনোবা এগৰাকী ব্যক্তিৰ ব্যক্তিগত জীৱনৰ কথা প্ৰকাশ কৰে— যি সত্য অথচ সৰ্বসাধাৰণ মানুহ বাবে তেনে কথাৰ প্ৰকাশ আক্ৰমণাত্মক বা নকৰাত্মক হয়, যেতিয়া এজন সংবাদসেৱীয়ে বিজ্ঞাপন বা তেনে জাতীয় বাণিজ্যিক উদ্দেশ্য আগত ৰাখি ব্যক্তিবিশেষৰ নাম বা ফটো প্ৰকাশ কৰে।

ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ ঃ আন্তঃৰাষ্ট্ৰীয় আইন মতে ষ্টিং অভিযানৰ বিৰুদ্ধে অস্ত্ৰ

অনুমোদন নোহোৱাকৈ ব্যক্তিগত গোপনীয়তা উলংঘা কৰা বিৰুদ্ধে থকা অধিকাৰ বা অন্য কথাত ক'বলৈ গ'লে চৰকাৰ, সংস্থা বা ব্যক্তিগতভাৱে চলোৱা ষ্টিং অভিযান বিভিন্ন দেশৰ ব্যক্তিগত আইনৰ অধীন। কম-বেছি পৰিমাণে প্ৰায় সকলো

দেশতেই এনে কিছুমান আইন আছে যিয়ে ষ্টিং অভিযানৰ লগত জড়িত কার্যকলাপ সীমিত কৰিছে। কেৱল সিমানেই নহয়, বিংশ শতিকাৰ চল্লিশৰ দশকৰ শেষ ভাগৰ পৰা ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ আন্তঃৰাষ্ট্রীয় আইনৰ ভিতৰুৱা হৈছে। ব্যক্তিগত গোপনীয়তাৰ আইন হৈছে সেইটো আইনৰ যি ব্যক্তিৰ ব্যক্তিগত অধিকাৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ লগত জড়িত। সকলো দেশৰ বাবে গ্রহণযোগ্য ব্যক্তিগত গোপনীয়তা সুৰক্ষাৰ উমৈহতীয়া আইন নাই যদিও কিছুমান সংগঠনে বিভিন্ন দেশক গাইগুটীয়াভাৱে এই বিষয় সম্পর্কীয় কিছুমান ধাৰণা বলৱৎ কৰিবলৈ প্রেৰিত কৰিছে। উদাহৰণ স্বৰূপে এই প্রসংগত আমি Universal Declaration of Human Rights (UDHR)ৰ অনুচ্ছেদ ১২ আৰু International Covenant on Civil and Political Rights (ICCPR)-অত উল্লেখ থকা কথাখিনি উদ্ধৃত কৰিব পাৰো—

No one shall be subjected to arbitrary interference with his privacy, family, home or correspondence, nor to attacks upon his honor and reputation. Everyone has the right to the protection of the law against such interference or attacks. (অর্থাৎ কোনেও কাৰো ব্যক্তিগত জীৱন, তেওঁৰ পৰিয়াল, ঘৰ, যোগাযোগ (correspondence) বা তেওঁৰ সন্মান আৰু প্রতিষ্ঠাত আঘাত লগাকৈ কোনো প্রকাৰৰ হস্তক্ষেপ কৰিব নোৱাৰিব। এনে ধৰণৰ হস্তক্ষেপ বা আক্রমণৰ বিৰুদ্ধে সকলোৰে আইনৰ সুৰক্ষা লোৱাৰ অধিকাৰ আছে।

ইউৰোপৰ ক্ষেত্রত মানৱ অধিকাৰ বিষয়ক European Conventionৰ অনুচ্ছেদ ৮ মর্মে প্রত্যেক গৰাকী ব্যক্তিয়ে তেওঁৰ ব্যক্তিগত জীৱন আৰু পৰিয়াল, তেওঁৰ ঘৰ আৰু যোগাযোগ (correspondence)অৰ সন্মান আৰু প্রতিষ্ঠা সুৰক্ষিত কৰাৰ অধিকাৰ প্রদান কৰিছে। Convention-অৰ অনুচ্ছেদ ৮ মর্মে 'নিজৰ ব্যক্তিগত আৰু পৰিয়ালকেন্দ্রিক জীৱন, ঘৰ আৰু যোগাযোগ'ক সন্মান কৰাৰ অধিকাৰ প্রদান কৰিছে, যি 'আইনগতভাৱে' কিছুমান বাধা-নিষেধৰ অধীন আৰু যি 'এখন গণতান্ত্রিক সমাজৰ বাবে প্রয়োজনীয়'। এই অনুচ্ছেদটোৱে আইন বহির্ভূত তালাচীৰ পৰা মুক্ত হোৱাৰ অধিকাৰ প্রদান কৰিছে। কিন্তু এই অনুচ্ছেদে 'ব্যক্তিগত লগত তুলনা কৰিব পাৰি, যিয়ে ব্যক্তিগত গোপনীয়তা অধিকাৰৰ বহল ব্যাখ্যা গ্রহণ কৰিছে।

ইউ কে-ৰ 1997 Code of Practice for Media-ৰ শাখা নং ৪-ত ব্যক্তিগত গোপনীয়তাৰ বিষয়টো সন্নিৱিষ্ট হৈছে য'ত এইটো কোৱা হৈছে যে এগৰাকী ব্যক্তিৰ ব্যক্তিগত জীৱনৰ বিষয়ে তেওঁৰ অনুমতি অবিহনে হস্তক্ষেপ কৰা বা সোধা-পোচা কৰা বা তেনে ব্যক্তিৰ বা ব্যক্তিসমষ্টিৰ অনুমতি অবিহনে তেওঁলোকৰ বাবে তেওঁলোকৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ফটো তোলা বা তেনে ফটো প্রকাশ কৰাতো তেতিয়াহে বৈধ ঘোষিত হ'ব যেতিয়া তাৰ লগত ৰাজহুৱা স্বার্থ জড়িত হৈ পৰে।

ব্যক্তিগত গোপনীয়তা আৰু ষ্টিং অভিযান ঃ ভাৰতীয় আইনগত সুবিধাসমূহ

ষ্টিং অভিযানসমূহ নিয়ন্ত্রণ কৰাৰ বাবে ভাৰতবর্ষত কোনো ধৰণৰ বিশেষ আইন নাই। আজিলৈকে এনে কোনো আইনগত ৰায়ো নাই যিয়ে এনে ধৰণৰ অভিযানক দিশ নির্দেশনা দিব পাৰে অথবা প্রচাৰ মাধ্যমৰ কার্যকলাপতো অংকুশ লগাব পাৰে। কিন্তু এগৰাকী ব্যক্তিয়ে তেওঁৰ অধিকাৰসমূহ আৰু স্বতন্ত্রতা সুৰক্ষিত কৰিবলৈ বিভিন্ন আইনৰ অধীনত ন্যায়ালয়লৈ যাব পাৰে। ইয়াক ব্যক্তিৰ অধিকাৰ হিচাপে বর্ণনা কৰা হৈছে য'ত ব্যক্তিজন আৰু তেওঁৰ পৰিয়ালক তেওঁলোকৰ ব্যক্তিগত জীৱনৰ কার্যকালপ আৰু ঘটনাসমূহ অন্য কোনোবাই প্রত্যক্ষভাৱে কৈ বা দেখুৱাই বা প্রচাৰ মাধ্যমৰ জৰিয়তে তথ্য হিচাপে প্রচাৰ কৰিবলৈ ন্যায়সংগত বাধা আৰোপ থাকে। সাধাৰণতে এইটো দেখিবলৈ পোৱা যায় যে জনসাধাৰণে সততে প্রচাৰ মাধ্যমক মানুহৰ ব্যক্তিগত জীৱনত সময়ে-অসময়ে জুমা-জুমি কৰা মাধ্যম হিচাপে গণ্য কৰে। সেই কাৰণে তুলনামূলকভাৱে প্রচাৰ মাধ্যমৰ প্রতি জনসাধাৰণৰ আস্থা আৰু সন্মান কম। প্রচাৰ মাধ্যম সম্পর্কে জনসাধাৰণৰ ধাৰণাটো হ'ল যে প্রচাৰ মাধ্যম হৈছে সেইটো মাধ্যম যিয়ে খিৰিকীয়ে খিৰিকীয়ে জুমা-জুমি কৰে, ৰাজহুৱা জীৱনত প্রতিষ্ঠা লাভ কৰা ব্যক্তিৰ ব্যক্তিগত জীৱনৰ গম খেদি ৰসাল কাহিনীৰ সন্ধান কৰে আৰু ব্যক্তিগত গোপনীয়তাত হস্তক্ষেপ কৰি কাহিনীৰ সন্ধান কৰে যি কাহিনীৰ আধা ভাগ সত্য তথ্যৰ আধাৰিত আৰু অন্য ভাগ কাল্পনিক।

ৰাজহুৱা স্বার্থজনিত আকর্ষণ নহ'লে ইলেক্ট্রনিক প্রচাৰ মাধ্যমে কোনো ব্যক্তি বিশেষৰ ব্যক্তিগত জীৱনত হস্তক্ষেপ কৰাকৈ ষ্টিং অভিযান চলোৱাৰ অধিকাৰ নাপায়। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২১-এ ভাৰতীয় নাগৰিকক দিয়া জীৱন আৰু স্বতন্ত্রতাৰ অধিকাৰৰ ভিতৰুৱা হিচাপে ব্যক্তিগত গোপনীয়াৰ অধিকাৰ চিহ্নিত হৈছে। এগৰাকী নাগৰিকে তেওঁৰ ব্যক্তিগত জীৱনৰ গোপনীয়তা, তেওঁৰ পৰিয়াল, বিবাহ, জন্ম, মাতৃত্ব, সন্তানৰ লালন-পালন, শিক্ষা-দীক্ষা আৰু অন্যান্য বিষয়ত গোপনীয়তা সুৰক্ষিত কৰাৰ অধিকাৰ আছে। ইলেক্ট্রনিক প্রচাৰ মাধ্যমে অনুমতি অবিহনে ওপৰত উল্লেখ কৰি অহা বিষয়সমূহ সত্য হিচাপেই হওক বা প্রশংসনীয় অথবা সমালোচনাত্মকভাৱেই হওক কোনোপধ্যে প্রচাৰ কৰিব নোৱাৰে। যদিহে প্রচাৰ মাধ্যমে তেনে প্রচাৰ চলায় তেন্তে সেয়া কোনো ব্যক্তিৰ ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ খর্ব কৰা হ'ব আৰু তাৰ বাবে প্রচাৰ মাধ্যমটোৱে জৰিমনা ভৰিব লাগিব। অৱশ্যে যদিহে তেনে বিষয় প্রচাৰৰ যোগ্য আৰু আপত্তিজনক নহয় আৰু ই ৰাজহুৱা আৰু ন্যায়িক তথ্যনির্ভৰ হয়, তেন্তে বাধাহীনভাৱে প্রচাৰ মাধ্যমে সেইবোৰ প্রচাৰ কৰিব পাৰে। সেইবাবে যেতিয়া এটা বিষয় ৰাজহুৱা হয়, তেতিয়া তাত ব্যক্তিগত গোপনীয়তা আইন প্রযোজ্য নহয়। অৱশ্যে এই ক্ষেত্রত ব্যতিক্রমো নথকা নহয়। উদাহৰণ স্বৰূপে যদিহে কোনো মহিলা যৌন শোষণ, অপহৰণৰ বলি হয় তেন্তে সেই নাৰী গৰাকীৰ আত্মসন্মানত যাতে আঘাত নালাগে তাৰ প্রতি ইলেক্ট্রনিক প্রচাৰ মাধ্যম সচেতন হ'ব লাগে। প্রচাৰ মাধ্যমে

এইটো কথাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে যাতে সেই আক্ৰান্ত মহিলাগৰাকীৰ স্থিৰচিত্ৰ বা গতিশীল চিত্ৰ প্ৰচাৰ মাধ্যমৰ দ্বাৰা প্ৰকাশ নাপায়। নহ'লে সেয়া আক্ৰান্তগৰাকীৰ ব্যক্তিগত গোপনীয়তাত হস্তক্ষেপ কৰা হ'ব। এনে হোৱাতো তেওঁৰ বাবে মানহানিৰ তুলনীয়। আকৌ এইটোও লক্ষ্যণীয় যে সামাজিক পৰিবেশে এনে ধৰণৰ দুৰ্ঘটনাক সহজভাৱে গ্ৰহণ কৰিব নোৱাৰে। এনে ধৰণৰ দুৰ্ঘটনাত আক্ৰান্ত নাৰীয়ে অন্য নাৰীৰ দৰে স্বাভাৱিক সামাজিক জীৱন অতিবাহিত কৰাত কেতিয়াবা প্ৰতিবন্ধকতাৰ সৃষ্টি হয়। সামাজিক জীৱনত তেওঁ বিভিন্ন প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হয়। পাশ্চাত্যৰ অপৰাধ আইনৰ লগত সংগতি ৰক্ষা কৰি ভাৰতীয় অপৰাধ আইনখন ১৯৮৬ চনত সংশোধন কৰা হয় য'ত বলাৎকাৰৰ সন্মুখীন হোৱা নাৰীগৰাকীৰ পৰিচয় প্ৰকাশ কৰা ব্যক্তি বা মাধ্যমক শাস্তি দানৰ ব্যৱস্থা আছে। ভাৰতীয় দণ্ডবিধি আইনৰ দফা 228A-ত তেনে অপৰাধত দোষী ব্যক্তি বা মাধ্যমৰ লগত জড়িত কৰ্মকৰ্তাক জৰিমনাসহ বা জৰিমনা অবিহনে দুবছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা আছে। এইদৰে পাশ্চাত্য দেশৰ দৰে ভাৰততো তেনে দুৰ্ভগীয়া আক্ৰান্ত নাৰীৰ আৰু অধিক শ্লীলতা হনন যাতে নহয়, তাৰ ন্যায়িক সুবিধাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পৰা এইটো বোধগম্য হয় যে ৰাষ্ট্ৰ আৰু সমাজে আক্ৰান্ত ব্যক্তিৰ ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ আৰু সসন্মানে জীয়াই থকাৰ অধিকাৰ দৰ্শাই যাতে তেনে নাৰী ভৱিষ্যতে আৰু কোনো ধৰণৰ লঘু-লাঞ্ছনাৰ সন্মুখীন নহয় যাতে। এই বিশেষ দফাটো আমাৰ সংবিধানৰ অনুচ্ছেদ 21-ৰ এটা অংশ হৈ পৰিছে।

সংবিধানৰ অনুচ্ছেদ 19(i)(a)-ত উল্লেখ থকা মতে চৰকাৰ আৰু চৰকাৰী প্ৰশাসনিক বিষয়াসমূহৰ কাম-কাজৰ বিষয়ে জনাতো নাগৰিকৰ তথ্য জনাৰ অধিকাৰ আৰু প্ৰচাৰ মাধ্যমৰ তথ্য প্ৰচাৰৰ অধিকাৰৰ ভিতৰুৱা, পিছে সেই বিশেষ অধিকাৰটোও ব্যক্তিগত স্বাধীনতাৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ বিষয়। কিন্তু যেতিয়া জনসাধাৰণৰ সেৱাত নিয়োজিত চৰকাৰী বিষয়াজনৰ কাৰ্যৰ খতিয়ান বিচাৰি জনসাধাৰণে তথ্য জনাৰ অধিকাৰ সাব্যস্ত কৰে, তেতিয়া সেই বিষয়াগৰাকীৰ ব্যক্তিগত জীৱনৰ কথা প্ৰচাৰ মাধ্যমে উন্মুক্ত কৰিব পাৰে। অৱশ্যে ৰাজহুৱা স্বাৰ্থজড়িত বিষয় নহ'লে সেই চৰকাৰী বিষয়াগৰাকীয়েও অন্যান্য সৰ্বসাধাৰণ নাগৰিকৰ দৰে ব্যক্তিগত গোপনীয়তাৰ স্বাধীনতা উপভোগ কৰে। সাধাৰণ অৱস্থাত এইটো দেখিবলৈ পোৱা যায় যে কোনো ৰাজহুৱা স্বাৰ্থজড়িত বিষয়ৰ সংক্ৰান্তত প্ৰচাৰ মাধ্যমে কাৰো ব্যক্তিগত গোপনীয়তা খৰ্ব কৰিলেও ন্যায়ালয়ে জনহিতকাৰী দিশটোৰ কথা চিন্তা কৰিয়েই প্ৰচাৰ মাধ্যমক সুৰক্ষা প্ৰদান কৰে। অৱশ্যে কোনো কোনো ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়। যেতিয়া কোনো সংবাদদাতাই কাৰোবাৰ ঘৰৰ চৌহদত বিনা অনুমতিৰে প্ৰবেশ কৰে বা সেই ব্যক্তিগৰাকীৰ ব্যক্তিগত গোপনীয়তাত হস্তক্ষেপ কৰি তেওঁৰ ফটো তোলে আৰু তাৰ আধাৰত তেওঁক লৈ আমোদজনক কাহিনী 'নিৰ্মাণ' কৰি তাক প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰচাৰ কৰে, তেন্তে তেনে কাহিনী বাতৰি বা সংবাদ ৰূপে মানযুক্ত হ'লে সেইটো ব্যক্তিগত গোপনীয়তাৰ

সীমা লংঘন কৰা অন্যায়পূর্ণ আচৰণ হ'ব। ন্যায়ালয়ে তেনেদৰে অনধিকাৰ প্রবেশ কৰা সংবাদদাতাক সুৰক্ষা প্রদান নকৰে। তদুপৰি ন্যায়ালয়ে তেনে সংবাদদাতাকো সুৰক্ষা প্রদান নকৰে যিয়ে অসাৱধানতাবশতঃ কাৰোবাৰ ব্যক্তিগত গোপনীয়তাত হস্তক্ষেপ কৰে।

৯.৩.৩ ষ্টিং অভিযানৰ নৈতিক দিশসমূহ

কেতিয়াবা ৰাজহুৱা জীৱনৰ নৈতিক আচৰণৰ বিৰুদ্ধে যোৱা বুলি ষ্টিং অভিযানক সমালোচনা কৰা হয়। সকলো ষ্টিং অভিযানৰ লগত জড়িত এটা নকাৰাত্মক প্রশ্ন হ'ল— আপুনি বাৰু কোনোবা ব্যক্তিক এনে এটা অপৰাধৰ বাবে দোষী সাব্যস্ত কৰিব পাৰে নেকি যিটো অপৰাধ তেওঁ কেৱল আপোনাৰ প্রৰোচনাত পৰি কৰিছিলে? এইদৰে ফান্দত পেলোৱাৰ মূল উদ্দেশ্যই হৈছে আপুনি কাৰোবাক আইন ভংগ কৰাৰ বাবে পুৰস্কৃত কৰিব বুলি প্রতিশ্রুতি দিয়া আৰু তেওঁ সেই 'টোপ' (Bait)টো গ্রহণ কৰিলে তেওঁক গ্রেপ্তাৰ কৰা। সকলো প্রকাৰৰ ষ্টিং অভিযানে মানুহক এনে কিছুমান অপৰাধ কৰিবলৈ বাধ্য কৰায় যি অপৰাধ হয়তো তেওঁলোকে জানি-শুনি সংঘটিত নকৰিলেহেঁতেন। সেইবাবে এইবোৰ অনৈতিক কার্য। ই ৰাজহুৱা নৈতিকতা আৰু মার্জিত আচৰণৰ পৰিপন্থী আৰু সেইবাবে অনুচ্ছেদ ১৯ (২)ৰ এক্টিয়াৰৰ ভিতৰত পৰে।

সাধাৰণতে ষ্টিং অভিযানসমূহ অপৰাধী, ভ্রষ্টাচাৰী বিষয়া, অপৰাধ জগতৰ ডন বা অন্য অসামাজিক কর্মত লিপ্ত লোকক ফান্দত পেলাবলৈ ৰচনা কৰা হয় আৰু সেইৰূপে কার্যকৰী কৰা হয়। এহাতেদি এনে অভিযানসমূহে বিভিন্ন গোপন বিষয়ৰ তথ্য সদৰী কৰিছে আৰু অন্যহাতেদি ক্রমশঃ গতিত বাঢ়ি অহা ভুৱা ষ্টিং অভিযানসমূহে প্রচাৰ মাধ্যমৰ নীতি সম্বন্ধীয় দিশত প্রশ্ন উত্থাপন কৰিছে। আইনৰ ভাষাত ষ্টিং অভিযান হৈছে সেইটো অভিযান য'ত অপৰাধীক ফান্দত পেলাই কৰায়ত্ত কৰা হয়। অন্য কথাত ক'বলৈ গ'লে ই হৈছে অপৰাধীক কৰায়ত্ত কৰিবলৈ চলোৱা আৰক্ষীৰ গোপন অভিযান। এটা ষ্টিং অভিযানত এগৰাকী আইনৰক্ষী বিষয়া থাকে বা অন্য এনে এগৰাকী ব্যক্তি যি ৰাজহুৱা জীৱনৰ লগত জড়িত। সেই ব্যক্তিগৰাকীয়ে অপৰাধীৰ সংগী হিচাপে অপৰাধীৰ লগত থাকি অপৰাধীয়ে সংঘটিত কৰা অপৰাধৰ প্রত্যক্ষদর্শী সাক্ষী হয়।

ইলেক্ট্রনিক প্রচাৰ মাধ্যমত 'ষ্টিং অপাৰেশ্বন' এটা সম্পূর্ণ নতুন অথচ ক্রমবিকাশশীল আচৰণ (growing practice)। অনীতি আচৰণ কৰাবোৰক জনচক্ষুৰ সন্মুখলৈ অনাৰ বাবে সাংবাদিকসকলে এনে পদক্ষেপ গ্রহণ কৰে। অৱশ্যে ই এতিয়াও এটা নতুন ধাৰণা হৈ আছে। আৰু ইয়াৰ উল্লেখ গণ মাধ্যমৰ শব্দকোষতো নাই। তদুপৰি ষ্টিং অপাৰেশ্বনে সার্বজনীন বা বিশ্বজনীন স্বীকৃতি পোৱা নাই। তেনে হ'বলৈ বহুত পৰ বাকী। যিসকল সাংবাদিকে এনে অভিযানৰ প্রতি সমর্থন জনায়, তেওঁলোকে ইয়াক

'অনুসন্ধানমূলক সাংবাদিকতা' (investigative journalism) বা 'গোপন সাংবাদিকতা' (undercover journalism) বোলে। তেওঁলোকে গোটেই অভিযানটো এটা তথ্য গোটোৱা অনুশীলনীৰূপে জ্ঞান কৰে। তেওঁলোকৰ দৃষ্টিত এনে অভিযান হৈছে কোনো ঘটনা বা কাহিনীৰ লগত জড়িত তথ্য সংগ্রহৰ সেই মাধ্যম যি তথ্য সাধাৰণভাবে কৰা অনুসন্ধান বা অনুৰোধৰ যোগেদি প্রাপ্ত নহয়। অথবা এনে তথ্যৰ সন্ধান কৰা যাক প্রত্যক্ষভাৱে লুকুৱাই ৰখা, অবদমিত বা তথ্য বিকৃত কৰা হৈছে।

ষ্টিং অভিযানসমূহ এতিয়া নীতি সম্বন্ধীয় সন্দেহ-শংকাৰে পৰিপূর্ণ; কাৰণ এনে অভিযানে প্রকৃতার্থত অপৰাধীক জালত পেলায় নে নেপেলায় সেইটো আজিও প্রশ্ন হৈয়েই আছে। ন্যায় সংস্থাসমূহো এই ক্ষেত্রত সাৱধান হ'ব লাগে যাতে এনে কোনো অপৰাধ সংঘটিত নহয় য'ত নিৰপৰাধী এজনকে অপৰাধী সজোৱা হৈছে। ইয়াৰ বাহিৰেও এনে অভিযানৰ প্রক্রিয়াত আৰক্ষীও কোনো কোনো সময়ত অপৰাধমূলক কার্যত লিপ্ত হৈ পৰে। সাধাৰণ আইনৰ পৰিসৰত পদকীয়াই প্রতিৰক্ষাত্মক অৱস্থান গ্রহণ কৰি তেনে অভিযানক প্রত্যাহ্বান জনাব পাৰে।

পোষণ কৰি অহা সাধাৰণ ধাৰণাৰ বিপৰীতে এনে ধৰণৰ অভিযানত আৰক্ষীক অপৰাধীৰ বেশ ধাৰণ কৰা আৰু নিজকে প্রকৃত আৰক্ষী বুলি চিনাকি নিদিয়া কার্যক দোষণীয় বুলি গ্রহণ কৰা নহয়। এনে অভিযানত ফান্দত পেলোৱাতো এটা প্রতিৰক্ষাত্মক ব্যৱস্থা মাত্র যেতিয়া এজন সন্দিগ্ধ অপৰাধীক এটা অপৰাধ সংঘটিত কৰিবলৈ হেঁচা প্রয়োগ কৰা হয়। অৱশ্যে স্থান আৰু পৰিস্থিতিভেদে সেই হেঁচা ভিন্ন হয়। যদিহে ছদ্মবেশী আৰক্ষীয়ে এক সন্দিগ্ধ অপৰাধীক অবৈধ মাদক দ্রব্য বিক্রী কৰিবলৈ প্ররোচিত কৰে, তেনে ক্ষেত্রত সন্দিগ্ধ অপৰাধীগৰাকীয়ে তেওঁক ফান্দত পেলোৱা কার্যটোক প্রতিৰক্ষাত্মক আহিলা হিচাপে প্রয়োগ কৰিব পাৰে। যদিহে সন্ধিগ্ধ অপৰাধীয়ে মাদক দ্রব্য উৎপাদন কৰিছে আৰু আৰক্ষীয়ে তেওঁক ধৰিবলৈ ক্রয়কাৰী হিচাপে যায়, তেন্তে সেয়া ষ্টিং অভিযানৰ ফান্দত পেলোৱা কার্য নহ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'ষ্টিং অভিযান' বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ২ ঃ কি কাৰণে সাম্প্রতিক সময়ত ষ্টিং অভিযান বিতর্কিত বিষয় হৈ পৰিছে?

.....

.....

প্রশ্ন নং ৩ ঃ ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদে এগৰাকী ব্যক্তিক ষ্টিং অপাৰেশ্বন/ ব্যক্তিগত গোপনীয়তা সুৰক্ষাৰ অধিকাৰৰ প্রদান কৰে?

(ক) অনুচ্ছেদ ২০ (খ) অনুচ্ছেদ ১৭ (গ) অনুচ্ছেদ ১৪

(ঘ) অনুচ্ছেদ ২১ (ঙ) অনুচ্ছেদ ২৫

.....

৯.৪ অল ইণ্ডিয়া ৰেডিঅ' (AIR), দূৰদর্শন (Doordarshan / DD)আৰু ব্যক্তিগত চেনেলবোৰৰ নীতি সংহিতা

অল ইণ্ডিয়া ৰেডিঅ'ৰ লগত জড়িত নীতিমূলক দিশসমূহ ঃ

ভাৰতৰ ৰাষ্ট্রীয় সম্প্রচাৰক আৰু লগতে মুখ্য ৰাজহুৱা সেৱা সম্প্রচাৰক (Premier Public Service Broadcaster) হিচাপে অল ইণ্ডিয়া ৰেডিঅ'য়ে (All India Radio) ইয়াৰ উদ্ভৱ কালৰে পৰা জনসাধাৰণক তথ্য যোগান ধৰা, শিক্ষা প্রদান কৰা আৰু আমোদ যোগোৱাৰ ক্ষেত্রত মহত্ত্বপূর্ণ অৰিহণা যোগাই আহিছে। এইদৰে AIR-এ 'বহুজন হিতায়, বহুজন সুখায়' শীর্ষক উদ্দেশ্য সাধনেৰে নিজৰ কর্তব্য সম্পাদন কৰি গৈছে। ভাষিক সম্প্রচাৰৰ ফালৰ পৰা AIR বিশ্বৰ ভিতৰত এটা অগ্রণী সম্প্রচাৰ প্রতিষ্ঠান। বর্ণাঢ্য ভাষাৰ লগতে আর্থ-সামাজিক বিবিধতা আৰু সাংস্কৃতিক বৈচিত্র্যৰ দিশৰ পৰাও AIR বিশ্বৰ ভিতৰতে এটা অগ্রণী সম্প্রচাৰ প্রতিষ্ঠান হিচাপে চিহ্নিত হৈছে। আজিৰ সময়ত দেশজুৰি AIR-এ সামৰা সম্প্রচাৰ কেন্দ্রৰ সংখ্যা ৪০৩টা।

AIR ব্যক্তিক সম্প্রচাৰ কৰিবলৈ নিদিয়া বিষয় কেতবোৰ মন কৰিবলগীয়া। সেই বিষয়সমূহ হৈছে ক্রমে— ৰাষ্ট্রীয় সম্প্রচাৰ সেৱা হিচাপে ই কোনো মিত্র ৰাষ্ট্রৰ সমালোচনা কৰিবলৈ নিদিয়ে। ধর্ম বা সম্প্রদায়ৰ বিৰুদ্ধে আক্রমণাত্মক সম্প্রচাৰ চলাব নোৱাৰে, অশ্লীল বা কাৰোবাৰ বাবে অপমানজনক বিষয় উপস্থাপন কৰিব নোৱাৰিব; ৰাষ্ট্রৰ আনি আৰু নিৰাপত্তা ব্যৱস্থালৈ ভাবুকি আহিব পৰা আৰু হিংসাৰ উদ্রেক কৰিব পৰা বিষয় সম্প্রচাৰ কৰাৰ পৰা বিৰত হোৱা, আদালতক অবমাননা কৰা কিবা বিষয়, ৰাষ্ট্রপতি, ৰাজ্যপালৰ মর্যাদাত আঘাত হনা বিষয়, কোনো ৰাজনৈতিক দলক প্রত্যক্ষভাৱে কৰা আক্রমণাত্মক মন্তব্য, কোনো ৰাজ্য বা কেন্দ্রীয় চৰকাৰৰ বিৰুদ্ধে কৰা আপত্তিজনক মন্তব্য, সংবিধানখনক অবমাননা কৰা বা হিংসাৰ মাধ্যমেৰে কিবা সাংবিধানিক পৰিবর্তনৰ কামনা— এইবিলাকেই সম্প্রচাৰৰ বাবে বর্জনীয় বিষয়। অৱশ্যে সাংবিধানিক উপায়েৰে কোনো পৰিবর্তন কামনা কৰিলে তেনে বিষয়ক আলোচনাৰ সম্প্রচাৰত কোনো ধৰণৰ বাধা নাই। সেইদৰে ৰাষ্ট্রত বা দেশত বাহ্যিক জৰুৰীকালীন অৱস্থা ঘোষিত হ'লে বা দেশ প্রাকৃতিক দুর্যোগ যেনে— বানপানী, ভূমিকম্প বা ঘূর্ণী বতাহ আদিৰ দ্বাৰা আক্রান্ত হ'লে প্রধানমন্ত্রীৰ ৰাষ্ট্রীয় জৰুৰীকালীন পুঁজিৰ বাবে দান-বৰঙণিৰ আহ্বান কৰাৰ ক্ষেত্রত AIR-ৰ সম্প্রচাৰ সেৱাৰ সহায় ল'ব পৰা যায়। অৱশ্যে এই সম্প্রচাৰ সেৱাই কোনো ব্যক্তি বিশেষ বা সংগঠনৰ লাভালাভৰ

প্রতি দৃষ্টি ৰাখি কোনো অনুষ্ঠান সম্প্রচাৰ কৰিব নোৱাৰে।

এই নীতিৰ অধীনত কোনো মিত্র চৰকাৰ (Friendly Government), ৰাজনৈতিক দল, কেন্দ্রীয় চৰকাৰ বা ৰাজ্য চৰকাৰক ব্যক্তিগত সমালোচনাৰ শাৰীলৈ যোৱাকৈ ব্যক্ত কৰা কথা বা উদ্ধৃতিও পুনঃ পৰীক্ষণৰ আওতাত পৰে। কিন্তু (চৰকাৰী) নীতিৰ লগত জড়িত নিৰপেক্ষ আলোচনা সম্প্রচাৰৰ ক্ষেত্রত কোনো বাধা নাই। যদি কেন্দ্র সঞ্চালক গৰাকীয়ে এইটো প্রত্যক্ষ কৰে যে সম্প্রচাৰক গৰাকীয়ে উল্লেখ কৰি অহা নীতি অনুসৰণ কৰা নাই, তেতিয়া হ'লে তেওঁ সেই নির্দিষ্ট আপত্তিজনক অংশটোৰ প্রতি সম্প্রচাৰকৰ দৃষ্টি আকর্ষণ কৰিব। যদি সম্প্রচাৰকগৰাকীয়ে কেন্দ্র সঞ্চালকৰ পৰামর্শ নামানে আৰু আপত্তিজনক অংশটোক সংশোধিত ৰূপ প্রদান নকৰে, তেনে অৱস্থাত কেন্দ্র সঞ্চালকগৰাকীয়ে সেই বিশেষ সম্প্রচাৰটো বন্ধ কৰাৰ যুক্তিসংগত কাৰণ ওলায়। ৰাজ্য চৰকাৰৰ কোনো মন্ত্রী আৰু কেন্দ্র সঞ্চালকৰ মাজত সম্প্রচাৰিত হ'বলগা কথোপকথনৰ লগত জড়িত এই বিশেষ নীতিজনিক মতানৈক্যৰ সূত্রপাত হ'লে সেই বিষয়টো ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়ৰ হস্তক্ষেপৰ বাবে আগবঢ়োৱা হয়। নীতিটোৰ অবমাননা নোহোৱাকৈ সেই বিশেষ কথোপকথনৰ পাণ্ডুলিপি (text)টোত কিবা পৰিবর্তন সাধিব লাগিব নে নালাগে সেয়া কেন্দ্রীয় চৰকাৰৰ তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়ে চূড়ান্ত সিদ্ধান্ত গ্রহণ কৰিব।

দূৰদর্শনৰ লগত জড়িত নীতিমূলক দিশসমূহ

দূৰদর্শনৰ লগত জড়িত নীতিমূলক দিশসমূহ (বিশেষকৈ বিজ্ঞাপন) এনেভাৱে প্রস্তুত কৰা হৈছে যাতে ই দেশৰ আইনৰ বিৰুদ্ধে নাযায় আৰু ই নৈতিকতা, শালীনতাবোধ ৰক্ষা কৰাৰ লগতে দেশত বাস কৰা মানুহৰ ধর্মীয় অনুভূতিত কোনো ধৰণৰ আঘাত নকৰে। দূৰদর্শনত সেইসমূহ বিজ্ঞাপন প্রচাৰ কৰা নহয় য'ত কোনো জাতি, বর্ণ, ভাষা, গোষ্ঠীক অপমান কৰা হয় আৰু যি নির্দেশনাত্মক নীতিসমূহৰ বিপৰীত বা ভাৰতৰ সংবিধানত সন্নিবিষ্ট হোৱা কোনো অনুচ্ছেদৰ বিপৰীতে গৈছে; যি বিজ্ঞাপনে মানুহক অপৰাধ সংঘটিত কৰিবলৈ প্রৰোচিত কৰে, হিংসা আৰু অশ্লীলতাৰ প্রদর্শনত উৎসাহ যোগায়; এনে বিজ্ঞাপন যিয়ে মিত্র ৰাষ্ট্রসমূহৰ লগত থকা সম্পর্কত ব্যাঘাত জন্মাব পাৰে তথা ৰাষ্ট্রীয় প্রতীক, সংবিধানৰ কোনো অনুচ্ছেদ, ৰাষ্ট্রীয় নেতা বা ৰাষ্ট্রৰ আত্মসন্মানত আঘাত হানে— এনে বিজ্ঞাপনৰ প্রচাৰত বাধা-নিষেধ আছে। সেইদৰে অন্য কিছুমান বিজ্ঞাপন যেনে— চিগাৰেট আৰু ধঁপাতৰ পৰা তৈয়াৰ কৰা দ্রব্য, মদ আৰু অন্যান্য মাদক দ্রব্যৰ বিজ্ঞাপন, নাৰীৰ মর্যাদা হানি কৰা সম্ভাৱনা থকা অশ্লীলধর্মী বিজ্ঞাপন— এনে ধৰণৰ বিজ্ঞাপনৰ প্রচাৰত যথেষ্ট বাধা-নিষেধ আছে। বিশেষকৈ নাৰীক নকাৰাত্মক ৰূপত উপস্থাপন কৰিলে বাস্তৱ ক্ষেত্রত নাৰীৰ বিৰুদ্ধে হোৱা বিভিন্ন ধৰণৰ অপৰাধমূলক কার্যক প্রশ্রয় দিয়া হ'ব। তদুপৰি তেনে আপত্তিজনক বিজ্ঞাপনৰ প্রচাৰে নাৰীৰ ব্যক্তিত্ব বিকাশত কোনো ধৰণৰ অৰিহণা নোযোগায়। বৰঞ্চ নাৰীক হীনাত্মক মনোভাবত ভুগিবলৈ বাধ্য কৰায়। তেনে হতাশাজনক, হীনাত্মক মনোভাবৰ নাৰীয়ে নিজৰ পৰিয়ালৰ ভিতৰতেই হওক বা সামাজিক জীৱনতেই হওক অগ্রণী ভূমিকা গ্রহণ কৰিব নোৱাৰে। নাৰীৰ ব্যক্তিত্বক এনে বিজ্ঞাপনসমূহত

এনেভাৱে কলাত্মক ৰূপত তুলি ধৰিব লাগে যাতে সি এটা ৰুচিশীল মন আৰু সুসংস্কৃত চিন্তাৰ পৰিচায়ক হয়।

কিছুমান বিশেষ সেৱাৰ লগত জড়িত বিজ্ঞাপনৰ প্রচাৰৰ ক্ষেত্রতো বাধা-নিষেধ আছে। আন কথাত ক'বলৈ গ'লে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ অধীনস্থা অনুষ্ঠান-প্রতিষ্ঠান, ৰাষ্ট্রীয়কৃত বা স্বীকৃতিপ্রাপ্ত বেংক আৰু অন্যান্য ৰাজহুৱা খণ্ডৰ সেৱাৰ বিজ্ঞাপনৰ বাহিৰে মানুহক ঋণ দিয়া চিট ফাণ্ড (Chit funds), বিভিন্ন ধন বিনিয়োগ কৰা আঁচনি, লটাৰী, ঘোঁৰা দৌৰ বা অন্যান্য খেলাৰ নীতি-নির্দেশনা থকা পুস্তিকাৰ বিজ্ঞাপন দূৰদর্শনত প্রচাৰযোগ্য নহয়। তদুপৰি বিজ্ঞাপনসমূহত সেই নির্দিষ্ট ব্র্যাণ্ডৰ উৎপাদিত দ্রব্যৰ বাহিৰে থকা অন্যান্য ব্রাণ্ডৰ উৎপাদিত দ্রব্যৰ বিৰুদ্ধে বিৰূপ মন্তব্য বা প্রচাৰ চলোৱাৰ অধিকাৰ নাই। উৎপাদিত দ্রব্যৰ বিজ্ঞাপনত যি তথ্য পোৱা যায় সেই তথ্য সঁচা আৰু ভ্রান্তিহীন হোৱা উচিত যাতে দর্শকসকল বিভ্রান্ত নহয়।

এনে ধৰণৰ কোনো বিজ্ঞাপন গ্রহণযোগ্য নহয় যিয়ে, দূৰদর্শনৰ সম্প্রচাৰৰ লগত জড়িত নীতি-নির্দেশনাক অবমাননা কৰিছে। দূৰদর্শনে এনে কোনো বিজ্ঞাপন প্রচাৰৰ বাবে গ্রহণযোগ্য বুলি বিবেচনা নকৰে য'ত মিত্র ৰাষ্ট্রৰ সমালোচনা কৰা হয়, ধর্ম বা সম্প্রদায়ৰ বিৰুদ্ধে আক্রমণাত্মক মন্তব্য থাকে, কাৰোবাক অপমান কৰা অশ্লীল মন্তব্য বা বক্তব্য, ৰাষ্ট্রৰ আইন আৰু নিৰাপত্তা ব্যৱস্থালৈ ভাবুকি আহিব পৰা আৰু হিংসাৰ উদ্রেক কৰা বিষয়, ৰাষ্ট্রপতি আৰু ন্যায়ালয়ৰ মর্যাদা লাঘৱ কৰা বিষয়, ৰাষ্ট্রৰ ঐক্য আৰু সংহতিলৈ ভাবুকি আনিব পৰা বিষয় আৰু কোনো ব্যক্তিবিশেষক কৰা সমালোচনা— এনেবোৰ বিষয়ক বিজ্ঞাপন দূৰদর্শনৰ বাবে প্রচাৰোপযোগী নহয়।

ব্যক্তিগত চেনেল (Channel)ৰ লগত জড়িত নীতিমূলক দিশসমূহ

ব্যক্তিগত সংবাদ আৰু সাময়িকীৰ সম্প্রচাৰকৰ সংগঠন এটাই লোৱা আত্ম-নিয়ন্ত্রণমূলক পদক্ষেপ হিচাপে 'নিউজ ব্রডকাষ্টর্ছ এছোচিয়েশ্বন (NBA) গঠন কৰা হৈছিলে আৰু 'নিউজ ব্রডকাষ্টিং ষ্টেণ্ডার্ছ (ডেচ্পিউটচ্ ৰিড্রেচেল) অথৰিটী' প্রতিষ্ঠিত হৈছিল। এই নব্য গঠিত সংস্থাটোৱে ব্যক্তিগত টিভি চেনেলসমূহত প্রদর্শিত আৰু সম্প্রচাৰিত হোৱা অনুষ্ঠানৰ মানদণ্ড আৰু গুণাগুণ বিচাৰৰ লগতে সম্প্রচাৰিত অনুষ্ঠান কার্যসূচীক প্রয়োজন অনুসাৰে নিয়ন্ত্রিত কৰিবলৈ অধিকাৰ লাভ কৰিছিল। এই সংস্থাটোৱে নীতিমূলক দিশসমূহ আৰু সম্প্রচাৰৰ মান নির্ধাৰণ কৰিবলৈ ২০০৮ চনৰ অক্টোবৰ মাহৰ ২ তাৰিখৰ পৰা কার্যকৰী হোৱাকৈ নিজৰ কাম-কাজ আৰম্ভ কৰে।

NBA-ৰ লক্ষ্য হৈছে ভাৰতীয় টেলিভিছন উদ্যোগৰ লগত জড়িত বাতৰি সম্প্রচাৰকসকলক উৎসাহ প্রদান, তেওঁলোকৰ স্বার্থ সুৰক্ষিত হোৱাকৈ তেওঁলোকক সাহায্য প্রদান, উৎসাহ প্রদান আৰু বিকাশযোগ্য দিশসমূহ পূর্ণ ৰূপত প্রস্ফুটিত হোৱাত উৎসাত যোগোৱা। NBA-ৰ অন্যান্য লক্ষ্য আৰু উদ্দেশ্যৰ ভিতৰত টেলিভিছন উদ্যোগলৈ অহা অত্যাধুনিক পৰিবর্তনসমূহৰ লগত ইয়াৰ সদস্যসকল আৰু সাধাৰণ জনতাক পৰিচিত কৰোৱা যাতে সকলোৱে সন্মিলিত ৰূপত আগবাঢ়ি যাব পাৰে আৰু সাধাৰণ উদ্দেশ্য আৰু লক্ষ্য প্রাপ্তিত ফলৱতী হয়।

এইদৰে তেওঁলোকে টেলিভিছন উদ্যোগৰ শ্রীবৃদ্ধিৰ বাবে কাম কৰিব পাৰিব আৰু উমৈহতীয়া মঞ্চৰ পৰা তেওঁলোকৰ অভাৱ-অভিযোগবোৰ ব্যক্ত কৰিব পাৰিব আৰু তাৰ সমাধানসূত্রও লাভ কৰিব পাৰে। ইয়াৰ বাহিৰেও এই সংস্থাৰ অন্যান্য লক্ষ্যৰ ভিতৰত উল্লেখযোগ্য হ'ল— এই উদ্যোগৰ উৎপাদন কার্যৰ লগত জড়িত ব্যক্তিসমূহ আৰু NBA-ৰ সদস্যবৃন্দৰ মাজত সৌহার্দ ভাব প্রতিষ্ঠা কৰা, টেলিভিছন চফ্‌ট্‌ৱেৰৰ উৎপাদন আৰু সম্প্রচাৰৰ লগত জড়িত ব্যক্তিৰ মাজত বন্ধুত্বমূলক ভাবৰ বিস্তাৰ আৰু অধিক আয় উপার্জনৰ প্রতি সিবিলাকক উৎসাহী কৰি তোলা, সকলো সদস্যক তেনে দুষ্ট ব্যক্তি বা প্রসংগৰ পৰা আঁতৰত (নিলগাই) ৰখা যাতে তেনে দুষ্ট ব্যক্তি বা প্রসংগই গ্রহণ কৰা অনৈতিক বা নীতি বহির্ভূত পদক্ষেপসমূহে টেলিভিছন উদ্যোগৰ গৰিমা লাঘব নকৰে।

৯.৫ সম্প্রচাৰ বিষয়ক ওজৰ-আপত্তি নিষ্পত্তিকাৰী পৰিষদ (Broadcast Content Complaint Council / BCCC

সম্প্রচাৰ বিষয়ক ওজৰ-আপত্তি নিষ্পত্তিকাৰী পৰিষদৰ নিচিনা নিয়ন্ত্রক সংস্থাৰ প্রয়োজনীয়তা

দ্রুতগতিত বৃদ্ধি পাই অহা দিনজোৰা কার্যসূচী (24 hours) সাধাৰণ বিনোদনৰ চেনেলসমূহৰ (General Entertainment Channels) প্রসাৰে ভাৰতীয় টেলিভিছনত সংবাদ (news) হীন বিষয়বস্তুৰ পয়োভৰ ঘটালে। এই প্রক্রিয়া বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰা আৰম্ভ হয়। তাৰ লগে লগে টেলিভিছনত প্রদর্শিত হোৱা বিষয়বস্তুৰ নিয়ন্ত্রণ আৰু তাত প্রদর্শিত হোৱা অনুষ্ঠানৰ লগত জড়িত আৰোপ-অভিযোগসমূহৰ পৰীক্ষা আৰু সমাধানৰ প্রসংগই মূৰ দাঙি উঠে। সম্প্রচাৰকৰ সর্বোচ্চ সংস্থা হিচাপে 'ইণ্ডিয়ান ব্রডকাষ্টিং ফাউণ্ডেচন' (IBF)-অৰ সঞ্চালক গোটে মিলিত হৈ কিছুমান স্ব-নিয়ন্ত্রণমূলক নীতি-নির্দেশনা প্রস্তুত কৰি উলিয়ায়। এইদৰে তেওঁলোকে GEC সমূহৰ বাবে এটা নিজস্ব স্বাধীন অভিযোগ বিভাগ (Complaint redressal mechanism) প্রতিষ্ঠা কৰে। এনে এটা বিভাগ খোলাৰ মুখ্য উদ্দেশ্য আছিল যাতে ইয়াৰ দ্বাৰা চেনেলসমূহক কেনে ধৰণৰ বিষয়বস্তু সম্প্রচাৰ কৰিব লাগিব তাৰ নির্দিষ্ট নীতি নির্ধাৰণ, দর্শকসকলৰ কিবা অভিযোগ থাকিলে সেই অভিযোগৰ সমাধান উপায় চিন্তা কৰা আৰু এইটো দিশৰ প্রতি দৃষ্টি দিয়া যাতে সম্প্রচাৰ হোৱা অনুষ্ঠানসমূহৰ সৃজনাত্মক সৌন্দর্য হানি নহয় আৰু বাধাহীনভাৱে সম্প্রচাৰিত হয়।

সম্প্রচাৰ বিষয়ক ওজৰ-আপত্তি নিষ্পত্তিকাৰী পৰিষদ প্রতিষ্ঠিত হোৱাৰ পিছত IBF-এ ইয়াৰ স্ব-নিয়ন্ত্রণমূলক নীতি-নির্দেশনা আৰু অভিযোগ বিভাগ খুলি ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য কার্যকৰী কৰে। ভাৰতীয় টেলিভিছনত মাইলৰ খুঁটি প্রতিষ্ঠা কৰা এই পদক্ষেপে সম্প্রচাৰকসকলৰ পৈণত দৃষ্টিভংগীৰ পৰিচয় বহন কৰাৰ লগতে ভাৰতৰ সংবিধানত মৌলিক অধিকাৰ হিচাপে চিহ্নিত হোৱা বাক্ স্বাধীনতা কিদৰে সম্প্রচাৰকসকলে বাস্তৰ ক্ষেত্রত সংবিধান প্রদত্ত এই মৌলিক অধিকাৰক সংৰক্ষণ কৰিছে। IBF সদস্যভুক্ত চেনেলসমূহৰ অভূতপূর্ব সহযোগিতাৰ বাবে শ্রোতা-

দৰ্শকৰ ৰুচি আৰু আগ্ৰহ অনুসৰি সম্প্ৰচাৰিত হোৱা বিষয়বস্তুৰ সঘন মূল্যায়ন আৰু সালসলনি হ'বলৈ ধৰিছে। এই সংস্থাটোৱে যথাযথ সংশোধনীসহ সম্প্ৰচাৰ বিভাগৰ বাবে থকা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ে গ্ৰহণ কৰা Self-Regulation Guideline-অৰ ২০০৮ চনৰ খচৰাটো গ্ৰহণ কৰিছে। (বাতৰিৰ বাহিৰে) বিভিন্ন চেনেল আৰু সেইদৰে সাময়িকী প্ৰচাৰ কৰা চেনেলসমূহৰ বাবে স্ব-নিয়ন্ত্ৰণৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰি উলিওৱাৰ সময়ত ইয়াৰ ৪০টা অংশীদাৰ গোট, টেলিভিছন উদ্যোগ, চৰকাৰ আৰু অসামৰিক সমাজখনৰ লগত বিচাৰ-পৰামৰ্শ কৰা হয়। এই নীতি-নিৰ্দেশনাই Broadcasting Service Provider (BSP)-ক বিষয়বস্তু পৰিবেশনৰ ক্ষেত্ৰত মানি চলিবলগীয়া নীতিসমূহ আৰু আচৰণবিধি নিৰ্ধাৰণ কৰে। এই সকলোবোৰ আকৌ Cable Television Networks (Regulation) Act, 1995-ৰ অন্তৰ্গত Programme Code-ৰ আওতাৰ ভিতৰত পৰে। অৰ্থাৎ Cable Television Networks (Regulation) Act, 1995 খনেই ওপৰত আলোচনা কৰি অহা বিষয়টোৰ মূল ভিত্তি।

এই নীতি-নিৰ্দেশনাসমূহে ক্ৰম পৰিবৰ্তনশীল সামাজিক পৰিমণ্ডলত সৃষ্টিশীলতাক উৎসাহিত কৰাৰ লগতে টেলিভিছন চেনেলসমূহক গ্ৰহণযোগ্য সামাজিক ধ্যান-ধাৰণাৰ আওতালৈ আনে। এই নীতি-নিৰ্দেশনাৰ উল্লেখনীয় দিশসমূহ হৈছে— 'আত্ম-শাসন' (self-governance), 'আত্ম-নিয়ন্ত্ৰণ' (self-regulation) আৰু 'আত্ম-নিৰীক্ষণ' (self-monitoring)। এই সকলোবোৰ দিশ BCCC-এ চোৱা-চিতা কৰে আৰু ই নিয়ন্ত্ৰকসমূহৰ (regulators) বাবে এটা আদৰ্শ আৰ্হি ৰূপে প্ৰতিপন্ন হৈছে।

সম্প্ৰচাৰ বিষয়ক ওজৰ-আপত্তি নিষ্পত্তিকাৰী পৰিষদৰ স্থাপনা, ভূমিকা আৰু গাঁথনি

২০১১ চনৰ জুনৰ মাহত BCCC প্ৰতিষ্ঠিত হৈছিল। এইটো IBF-অৰ দ্বাৰা স্থাপিত এটা স্বতন্ত্ৰ, স্ব-নিয়ন্ত্ৰিত বিভাগ যিটোৱে GEC সমূহৰ বিৰুদ্ধে থকা বিষয়বস্তু (Content) সম্পৰ্কীয় অভিযোগসমূহ পৰীক্ষা কৰে। অতি কম সময়ৰ ভিতৰতে BCCC ভাৰতৰ বিনোদনধৰ্মী চেনেলসমূহৰ বাবে এটা নিৰ্ভৰযোগ্য আত্ম-নিয়ন্ত্ৰক মাধ্যম হৈ পৰিল। লগতে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰতো ই আগভাগ ল'ব পৰা হ'ল। স্বাধীনতা, নিৰপেক্ষতা, স্বচ্ছতা আৰু স্বায়ত্ততা— এইকেইটাই হৈছে BCCCৰ মূল পৰিচালনা নীতি।

BCCC ইয়াৰ গণতান্ত্ৰিক গাঁথনি আৰু স্বতন্ত্ৰভাৱে কাম-কাজ পৰিচালনা কৰিব পৰা নীতিক লৈ গৌৰৱান্বিত, যিটোৱে এইটো স্পষ্টভাৱে প্ৰতিপন্ন কৰিছে যে টেলিভিছনৰ বাবে আত্ম-নিৰীক্ষণেই আটাইতকৈ উত্তম প্ৰকাৰৰ নিয়ন্ত্ৰণ। ভাৰতীয় গণতন্ত্ৰৰ তিনিটা ঘাই খুঁটা— বিধান মণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকাই BCCC-ৰ কামৰ প্ৰশংসা কৰিছে। অসামৰিক (Civil) সমাজ আৰু প্ৰচাৰ মাধ্যমেও ইয়াক প্ৰশংসা কৰিছে। BCCC-এ টেলিভিছনত প্ৰদৰ্শিত অনুষ্ঠান সম্পৰ্কে দৰ্শক আৰু অন্যান্য অনুষ্ঠানে যেনে— ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়, অসামৰিক সমাজ, স্বয়ংসেৱী সংগঠন আৰু অন্যান্য মানুহৰ কল্যাণকামী প্ৰতিষ্ঠানে প্ৰশংসা কৰি গৈছে। BCCC-ৰ সদস্যসকল প্ৰত্যেক মাহতে এবাৰকৈ মিলিত হয় আৰু এইটো সুনিশ্চিত কৰে যাতে টেলিভিছনৰ কাৰ্যসূচীসমূহ IBF-ৰ আত্ম-নিয়ন্ত্ৰণৰ নীতি-নিৰ্দেশনাৰ দ্বাৰা

পৰিচালিত হয়।

BCCC হৈছে এখন ১৩ জনীয়া পৰিষদ যাৰ সভাপতি আছিল ন্যায়াধিক এ. পি. ছাহ। তেওঁ দিল্লী আৰু মাদ্ৰাছ উচ্চ ন্যায়ালয়ৰ ভূতপূৰ্ব মুখ্য ন্যায়াধিশ আছিল। পৰিষদৰ অন্য ১২ গৰাকী সদস্য সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা ব্যক্তি সমষ্টিৰ মাজৰ পৰা নিৰ্বাচিত কৰা হয়। এওঁলোকে এই আত্ম-নিয়ন্ত্ৰণমূলক গণতান্ত্ৰিক গাঁথনিটোলৈ অৰিহণা আগবঢ়ায়। BCCC-ৰ ১২ গৰাকী প্ৰস্তুত কৰা বিষয়বস্তু বা আন সাধাৰণ বিষয়বস্তুত প্ৰত্যক্ষ কৰা অনুচিত দিশ, যৌনকেন্দ্ৰিক আৰু অশ্লীলতা প্ৰদৰ্শন কৰা বিষয়বস্তু, হিংসা আৰু অপৰাধ, জুৱা খেল, ভৌতিক আৰু অতিপ্ৰাকৃতিক বিষয়বস্তু (horror and occult), মাদক দ্ৰব্য, ধূম্ৰপাণ, ধঁপাত আৰু সুৰা, কাৰোবাৰ প্ৰতি অসন্মান প্ৰদৰ্শনকাৰী ভাষ্য বা মন্তব্য আৰু মান হানিকৰ উক্তি, কাৰোবাৰ সন্মান লাঘবকাৰী বিষয় ইত্যাদি। অভিযোগকাৰীয়ে সেই বিশেষ টেলিভিছন চেনেলটোৰ বিৰুদ্ধে তাৰ Standard and Practices (S & P) বিভাগটোলৈ স্পষ্টকৈ হাতে লিখা অভিযোগনামা প্ৰেৰণ কৰিব লাগিব। ইংৰাজী বা হিন্দী ভাষাত লিখা সেই অভিযোগ-পত্ৰ ডিটিপি কৰাও হ'ব পাৰে। অভিযোগ-পত্ৰত সকলোবোৰ তথ্য যেনে— টেলিভিছন চেনেলটোৰ নাম, আপত্তিজনক বিষয়বস্তুযুক্ত অনুষ্ঠানটো সম্প্ৰচাৰিত হোৱা তাৰিখ আৰু সময়, অনুষ্ঠানটোৰ শিৰোনাম, অভিযোগ উত্থাপিত হোৱা বিষয়বস্তুৰ সবিশেষ, অভিযোগকাৰীয়ে কি কাৰণে বিষয়বস্তুত থকা সেই দিশটো নীতি-নিৰ্দেশনাৰ বিৰুদ্ধে গৈছে আপত্তিজনক বুলি বিবেচনা কৰে, ইত্যাদি। অভিযোগকাৰীয়ে নিজৰ সম্পূৰ্ণ নাম, ঠিকনা, বয়স আৰু ফেক্স নংসহ নিজৰ টেলিফোন নং অভিযোগ-পত্ৰৰ লগত গাঁঠি দিব লাগিব। যদিহে অভিযোগকাৰীজন টেলিভিছন চেনেলটোৰ S & P বিভাগৰ মুৰব্বীগৰাকীৰ সমিধানত সন্তুষ্ট হোৱা নাই, তেতিয়া হ'লে তেওঁ BCCC-ৰ ওচৰলৈ তেওঁৰ সেই অভিযোগ প্ৰেৰণ কৰিব পাৰে। সেইটো কাম তেওঁ টেলিভিছন চেনেলটোৰ পৰা উত্তৰ লাভৰ সময়ৰ পৰা দুসপ্তাহৰ ভিতৰত সেই অভিযোগ লিখিতভাৱে দিব লাগিব। নতুবা চেনেলটোলৈ লিখিত অভিযোগ-পত্ৰ প্ৰেৰণৰ তিনি সপ্তাহৰ ভিতৰত BCCC-ৰ সম্পাদকলৈ লিখিত অভিযোগ প্ৰেৰণ কৰিব পাৰে। অভিযোগটো আপত্তিজনক বিষয়বস্তুযুক্ত অনুষ্ঠানটো সম্প্ৰচাৰিত হোৱা এসপ্তাহৰ ভিতৰত দায়বদ্ধ বিভাগটোলৈ/ টেলিভিছন চেনেলটোলৈ প্ৰেৰণ কৰিব লাগিব।

অভিযোগৰ প্ৰাপ্তি স্বীকাৰৰ পিছত, কাৰ্যালয় চলি থকা তিনিদিনৰ ভিতৰত সভাপতিগৰাকীয়ে অভিযোগটো চালি-জাৰি চাই নিৰ্দেশ প্ৰেৰণ কৰিব। যদিহে সেই অভিযোগটো পাক লগা, তুলুঙা বিধৰ, উদ্দেশ্যপ্ৰণোদিত বা ভিত্তিহীন হয়, তেতিয়া হ'লে সভাপতিগৰাকীয়ে সেই অভিযোগটোক লৈ কোনো কাৰ্যব্যৱস্থা গ্ৰহণ নকৰে, বৰঞ্চ BCCC-ৰ সচিবালয়ক এইটো নিৰ্দেশ দিব যে BCCC-ৰ পৰৱৰ্তী সভাত সেই অভিযোগটোৰ কথা আলোচনা হ'ব লাগে আৰু সেই আলোচনা মৰ্মেহে কিবা সিদ্ধান্ত ল'ব লাগে। যদিহে অভিযোগটো গম্ভীৰ প্ৰকৃতিৰ হয়, তেতিয়াহ'লে দায়বদ্ধ চেনেলটোক সেই আপত্তিজনক বিষয়বস্তুক লৈ চেনেলটোৰ কি অভিমত সেইটো জনাবলৈ BCCC-য়ে পত্ৰ যোগেদি এসপ্তাহৰ সময় দিব। BCCC-ৰ অনুৰোধকল্পে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ Electronic Monitoring Media Centre (EMMC)এ দুদিনৰ

ভিতৰত সেই অভিযোগ থকা CD/tape টোৰ যোগান ধৰিব লাগিব।

যদিহে BCCC নির্দিষ্ট চেনেলটোৰ উত্তৰক লৈ সন্তুষ্ট নহয় আৰু এইটো বিবেচনা কৰে যে চেনেলটোৱে নির্ধাৰণ কৰি দিয়া নীতি-নির্দেশনাক অবমাননা কৰিছে, তেনে অৱস্থাত BCCC-এ বিশেষ চেনেলটোক তেনে ধৰণৰ বিষয়বস্তুক সংশোধিত ৰূপ প্রদান কৰিবলৈ বা বাদ দিবলৈ BCCC-ৰ পৰা সেই বিষয়ক নির্দেশপত্র জাৰি কৰা এসপ্তাহৰ ভিতৰত কার্যকৰী হোৱাকৈ উচিত ব্যৱস্থা গ্রহণৰ নির্দেশ দিয়ে। যদিহে কোনো চেনেল আপত্তিজনক বিষয়বস্তু, বার্তা বা সংবাদ সম্প্রচাৰ কৰা দোষত দোষী সাব্যস্ত হয়— যি বিষয়বস্তুৰ সম্প্রচাৰে ৰাজহুৱা স্বার্থ বা ৰাষ্ট্রৰ সুৰক্ষাত প্রতিবন্ধকতাৰ সৃষ্টি কৰে আৰু আইন আৰু সুৰক্ষা ব্যৱস্থাত গুৰুতৰ বেমেজালি সৃষ্টি কৰিব পাৰে, তেতিয়া হ'লে তেনে বিষয়বস্তুৰ ক্ষেত্রত BCCC-এ তৎকালীনভাৱে কার্যকৰী হোৱাকৈ তেনে কার্যসূচীৰ প্রচাৰ বন্ধ কৰে আৰু চৌবিশ ঘণ্টাৰ ভিতৰত চেনেলটোক সেই বিষয়ে স্পষ্টীকৰণ বিচাৰে যাতে BCCC-ৰ বাবে সেই বিষয়ক চূড়ান্ত নির্দেশ দিয়াত সহায়ক হয়। যদিহে চেনেলটোৱে BCCC-ৰ নির্দেশ অমান্য কৰে, তেতিয়াহ'লে বিষয়টো চৌবিশ ঘণ্টাৰ ভিতৰত তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়ক যথাবিহিতভাৱে জনাব লাগে।

অভিযোগটো পোৱাৰ তিনি সপ্তাহৰ ভিতৰত BCCC-এ চূড়ান্ত সিদ্ধান্ত দিয়ে। যদিহে BCCC-এ নির্দিষ্ট সময়সীমাৰ ভিতৰত অভিযোগটোৰ মীমাংসা কৰিব নোৱাৰে, তেনে অৱস্থাত BCCC-এ সেই বিষয়লৈ তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়ক জনাব লাগে। সেই মর্মে মন্ত্র্যালয়ে বিষয়টোৰ প্রতি দৃষ্টি দিয়ে।

উপস্থিত সদস্যসকলৰ সাধাৰণ বহুমত মর্মে BCCC-ৰ সকলো সিদ্ধান্ত গৃহীত হয়। লিখিত আকাৰে গৃহীত হোৱা সেই, সিদ্ধান্ত চেনেল বিশেষক জনোৱা হয় আৰু চেনেলটোৱে পৰৱর্তী পর্যায়ত কি ব্যৱস্থা গ্রহণ কৰিব লাগে তাকো জনাই দিয়ে।

যদিহে টেলিভিছন চেনেলটোৱে BCCC-ৰ নির্দেশ অমান্য কৰে, তেতিয়াহ'লে BCCC-এ চেনেলটোক পৰৱর্তী ৪৮ ঘণ্টাৰ ভিতৰত বিহিত কার্যব্যৱস্থা গ্রহণৰ আদেশ দিব পাৰে, ক্ষমা প্রার্থনা জনাই এটা বক্তব্য সম্প্রচাৰ কৰিব দিব পাৰে, IBF-অক এটা নির্দেশনা দিব পাৰে যাতে সেই চেনেলটোৱে পাবলগীয়া বকেয়া ধন বিষয়টোৰ মীমাংসা নোহোৱালৈকে মুকলি কৰি নিদিয়া, দোষী সদস্যক বহিষ্কাৰ কৰা ইত্যাদি। পৰিস্থিতি বিশেষে কোনো টেলিভিছন চেনেলে BCCC-ৰ নির্দেশনা অমান্য কৰিলে BCCC-এ তথ্য াৰু সম্প্রচাৰ মন্ত্র্যালয়ক তেনে চেনেলৰ বিৰুদ্ধে আইনগত দিশসমূহ চালিজাৰি চাই ব্যৱস্থা গ্রহণ কৰিবলৈ পৰামর্শ দিব পাৰে। IBF-অলৈ BCCC-এ দিয়া নির্দেশনা মনাটো বাধ্যতামূলক আৰু তাক তাৎক্ষণিকভাৱে ৰূপায়ণ কৰা উচিত।

IBF-ৰ সদস্যভুক্ত সম্প্রচাৰকসকল সেই সংশোধন প্রক্রিয়াৰ আওতাত পৰে। অৱশ্যে, যদি কোনো IBF-ৰ বহির্ভূত সদস্যৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হয়, সেই বিষয়টোৱে তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়লৈ যথাবিহিত ব্যৱস্থা ল'বলৈ প্রেৰণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সম্পূর্ণ অর্থ লিখক— GEC, IBF আৰু BCCC.

.....

.....

প্রশ্ন নং ৫ ঃ কেতিয়া আৰু কিয় BCCC প্রতিষ্ঠা কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৬ ঃ BCCC-ত কোনে আৰু কাৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিব পাৰি?

.....

.....

৯.৬ সংবাদ সম্প্রচাৰকৰ সংস্থা (News Broadcasters Association / NBA)

ভাৰতত ব্যক্তিগত সংবাদ আৰু সাময়িকী বিষয়ৰ সম্প্রচাৰক সংস্থাই আত্ম-নিয়ন্ত্রণমূলক পদক্ষেপ মর্মে সংবাদ সম্প্রচাৰকৰ সংস্থা (News Broadcasters Association) চমুকৈ NBA গঠন কৰে। ইয়াৰ মাধ্যমেদি তেওঁলোকে News Broadcasting Standards (Disputes Redressal) Authority প্রতিষ্ঠা কৰি NBA-ৰ নীতিগত দিশ আৰু সম্প্রচাৰৰ মান সুৰক্ষিত কৰিবলৈ অনুষ্ঠানৰ জন্ম দিলে। এই অনুষ্ঠানটো ২০০৮ চনৰ ২ অক্টোবৰৰ পৰা কার্যকৰী হয়। ভাৰতৰ পূর্বে পৃথিৱীৰ অন্যান্য দেশত বৈদ্যুতিক মাধ্যমৰ লগতে সংবাদ মাধ্যমৰ বিকাশ সাধন হৈছিল। এই আর্হিমূলক পৰিচালন প্রক্রিয়াৰ আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো হ'ল 'স্ব-শাসন' (self-governance) আৰু এইসমূহ 'বিশিষ্ট ব্যক্তিৰ গোটৰ' (jury of peers) পর্যবেক্ষণৰ অধীন। এই ৯ জনীয়া কর্তৃত্বশীল গোটটোৰ সভাপতি অৱসৰপ্রাপ্ত ন্যায়াধীশ জে. এছ বার্মা। তেওঁ ভাৰতৰ ভূতপূর্ব মুখ্য ন্যায়াধীশ কথা ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ ভূতপূর্ব সভাপতি।

সংবাদ সম্প্রচাৰকৰ সংস্থাৰ উদ্দেশ্য

সংবাদ সম্প্রচাৰকৰ সংস্থা ব্যক্তিগত টেলিভিছন সংবাদ আৰু সাময়িক বিষয়ক সম্প্রচাৰকক প্রতিনিধিত্ব কৰে। ভাৰতত ইয়েই বাতৰি আৰু সাময়িক বিষয়সমূহৰ সম্প্রচাৰকৰ সামূহিক কণ্ঠস্বৰ। ই এনেকুৱা এটা অনুষ্ঠান যি তাৰ সদস্যসকলৰ পুঁজিৰ দ্বাৰা পৰিচালিত। NBA-ৰ উদ্দেশ্য হৈছে ব্যক্তিগত বাতৰি আৰু সাময়িক বিষয়ৰ সম্প্রচাৰসকলৰ চকু আৰু কাণ হিচাপে সেৱা আগবঢ়োৱা, সম্প্রচাৰকসকলৰ স্বার্থজনিত বিষয়ত সকলোকে একগোট কৰা আৰু ইয়াৰ হকে প্রচাৰ চলোৱা।

সংবাদ সম্প্রচাৰকৰ সংস্থাৰ লক্ষ্য

NBA-ৰ লক্ষ্য হৈছে ভাৰতৰ টেলিভিছন উদ্যোগ আৰু তাৰ লগত জড়িত আনুষংগিক বিষয়সমূহক সর্বোপৰি সহায়-সহযোগিতা আগবঢ়োৱা, উৎসাহ প্রদান, বিকাশযোগ্য দিশসমূহৰ বিকাশত হাত উজান দিয়া তথা ভাৰতীয় টেলিভিছন উদ্যোগৰ বাতৰি সম্প্রচাৰকসকলৰ স্বার্থ সুৰক্ষিত কৰাৰ লগতে সংৰক্ষণ কৰা। টেলিভিছন উদ্যোগত দৃষ্টিগোচৰ হোৱা নিত্যনতুন পৰিবর্তন আৰু বিকাশযোগ্য দিশৰ প্রতি ইয়াৰ সদস্যবৃন্দৰ মনত সজাগতাৰ ভাব সৃষ্টি কৰাৰ লগতে সর্বসাধাৰণ ৰাইজকো এই বিষয়ে সচেতন কৰি তোলা, সদস্যভুক্ত সম্প্রচাৰকসকলৰ বাবে এক উমৈহতীয়া মঞ্চ হিচাপে কাম কৰা য'ত থিয় হৈ তেওঁলোকে মিলিতভাৱে নিজৰ সাধাৰণ লক্ষ্যত উপনীত হ'ব পাৰে, নিজৰ অভাৱ-অভিযোগসমূহ ব্যক্ত কৰি তাৰ সমাধানসূত্র আৱিষ্কাৰ কৰিব পাৰে, টেলিভিছন উদ্যোগৰ লগত প্রত্যক্ষ বা পৰোক্ষভাৱে জড়িত সকলো ব্যক্তি— সি প্রযোজনাৰ লগত জড়িতই হওক বা সম্প্রচাৰৰ লগত জড়িতই হওক, নতুবা টেলিভিছন ছফ্‌ট্‌ৱেৰৰ লগত জড়িত কাৰিকৰী জ্ঞান থকা ব্যক্তিয়েই নহওক কিয়, সকলোৰে মাজত সমিলমিলৰ ভাব জাগ্রত কৰি টেলিভিছন উদ্যোগৰ লগত জড়িতসকলক বাহিৰা অসাধু ব্যক্তিৰ কু-অভিসন্ধিৰ জালত পৰাৰ পৰা সুৰক্ষিত ৰাখিব পাৰে যাতে এইদৰে সকলোৰে মিলিত প্রয়াসত টেলিভিছন উদ্যোগলৈ বদনাম আনিব পৰা যিকোনো কু-প্রয়াসক হেলাৰঙে প্রতিহত কৰিব পৰা যায়।

NBA-ৰ আঠগৰাকী পৰিচালকে পৰিচালক মণ্ডলী গঠন কৰে। NBA-ৰ সচিবালয়ত এগৰাকী মহা সচিব, এগৰাকী পৰিচালক থকাৰ লগতে ন্যায়িক, বিত্ত আৰু ব্যৱসায়িক পৰামর্শদাতা (উপদেষ্টা)ৰ অৱস্থিতি আছে। এগৰাকী ব্যৱসায়িক প্রতিনিধি এটা বা ততোধিক সংবাদ আৰু/বা সাময়িকী বিষয়ক টেলিভিছন চেনেলৰ মালিক হোৱা পৰিপ্রেক্ষিতত NBA-ৰ সদস্য বা সহসদস্য হ'ব পাৰে। অৱশ্যে এই ক্ষেত্রত তেনে ব্যক্তিয়ে সদস্যভূক্তিৰ বাবে প্রয়োজনীয় অর্হতা অর্জন কৰা হ'ব লাগিব।

অভিযোগ দাখিলৰ প্রক্রিয়া

NBA-ৰ যিকোনো এগৰাকী সদস্য/সহসদস্যই সম্প্রচাৰ কৰা অনুষ্ঠানৰ বিৰুদ্ধে কাৰোবাৰ কিবা অভিযোগ থাকিলে সেয়া কর্তৃত্বশীল কর্তৃপক্ষৰ ওচৰত দাখিল কৰিব পাৰে। অভিযোগ-পত্র লিখিতভাৱে দিব লাগিব— ভাষা হ'ব লাগিব হিন্দী অথবা ইংৰাজী। অভিযোগ পত্রত সকলোবোৰ তথ্য যেনে— টেলিভিছন চেনেলটোৰ নাম, আপত্তিজনক বিষয়বস্তুযুক্ত অনুষ্ঠানটো সম্প্রচাৰিত হোৱা তাৰিখ আৰু সময়, অনুষ্ঠানটোৰ শিৰোনাম, অভিযোগ উত্থাপিত হোৱা বিষয়বস্তুৰ সবিশেষ, অভিযোগৰাকীয়ে কি কাৰণে বিষয়বস্তুত থকা সেই দিশটো নীতি-নির্দেশনাৰ বিৰুদ্ধে গৈছে আৰু আপত্তিজনক বুলি বিবেচনা কৰে ইত্যাদি। কোনো অভিযোগকাৰী ব্যক্তিয়ে নীতি-নির্দেশনা ভংগ কৰা বুলি অভিযোগ উত্থাপন কৰিব পাৰে য'ত অন্তর্ভুক্ত হয় নির্দেশনাত উল্লেখ থকা আত্ম-নিয়ন্ত্রণৰ লগত জড়িত নীতিসমূহ; সেই নীতিসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল নিৰপেক্ষতা আৰু স্থিৰ লক্ষ্য; অপৰাধ সংক্রান্তীয় বাতৰি পৰিবেশন কৰোতে গ্রহণ কৰা নির্মোহ-নিৰপেক্ষ দৃষ্টিভংগী যাতে অপৰাধজনিত আচৰণ আৰু হিংসাক তেনে পৰিবেশিত

বাতৰিয়ে উৎসাহ নোযোগায়। মহিলা আৰু শিশুৰ শাৰীৰিক আৰু মানসিক দিশক প্ৰভাৱিত কৰিব পৰা বা তেওঁলোকৰ বিৰুদ্ধে হিংসাজনিত আচৰণ প্ৰদৰ্শনত উৎসাহ যোগোৱা বাতৰি পৰিবেশনত প্ৰতিবন্ধকতা আৰোপ, যৌনতা আৰু অশ্লীলতা প্ৰদৰ্শনত অংকুশ লগোৱা, ব্যক্তিগত গোপনীয়তাৰ সংৰক্ষণ, ৰাষ্ট্ৰৰ নিৰাপত্তালৈ ভাবুকি অনা বিষয়ৰ বিৰুদ্ধে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ, অন্ধবিশ্বাসজনিত আচৰণ আৰু ষ্টিং অভিযান আদিক নিৰুৎসাহিত কৰা। তেনে অভিযোগ যথাযথ ৰূপত পোৱা চৈধ্য দিনৰ ভিতৰত কৰ্তৃপক্ষই নিৰ্দিষ্ট সম্প্ৰচাৰকৰ বিৰুদ্ধে জাননী জাৰি কৰি তেওঁৰ তেনে নীতি বহিৰ্ভূত আচৰণ প্ৰদৰ্শন কৰাৰ কাৰণ দৰ্শাবলৈ জাননী দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ কেতিয়াৰ পৰা NBA কাৰ্যকৰী হয়?

.....

.....

প্ৰশ্ন নং ৮ ঃ NBA-ৰ মুখ্যপ্ৰধান লক্ষ্যসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ NBA-ৰ গাঁথনি কেনে ধৰণৰ?

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা এইটো জানিব পাৰিলো যে আইন বলৱৎ কৰণৰ প্ৰসংগত ষ্টিং অভিযান এনেকুৱা এটা ছলনাৰ খেল যাৰ যোগেদি অপৰাধ সংঘটিত কৰা ব্যক্তিক প্ৰমাণসহ জব্দ কৰা হয়। এটা স্বাভাৱিক ষ্টিং অভিযানত এজন ন্যায়িক বিষয়া বা ৰাইজৰ মাজৰ কোনো এগৰাকী ব্যক্তি থাকে। সেই ব্যক্তিগৰাকীয়ে সন্দেহজনক ব্যক্তিজনৰ ওপৰত চকু ৰাখিবলৈ তেওঁৰ লগত অপৰাধৰ সহযোগী হিচাপে বা সম্ভাব্য চিকাৰ (Potential victim) হিচাপে থাকে, যাতে তেওঁ সন্দেহজনক অপৰাধীজনৰ অপৰাধৰ লগত জড়িত সাক্ষ্য-প্ৰমাণ গোটাব পাৰে। ষ্টিং অভিযানৰ কাৰ্যকৰীকৰণ অন্য কিছু অসুবিধাও নথকা নহয়। এই ক্ষেত্ৰত সততে আলোচিত হোৱা বিষয়টো হৈছে যে ষ্টিং অভিযানৰ যোগেদি কোনো অপৰাধীক ফান্দত পেলাবলৈ যাওঁতে নীতিগত দিশসমূহৰ লগত আপোচ কৰাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। ষ্টিং অভিযানৰ

বিৰুদ্ধেৰ তীব্র প্রতিক্রিয়াও অভিব্যক্ত হয় যিহেতু ই ব্যক্তিৰ ব্যক্তিগত গোপনীয়তাত আঘাত হানে। কম-বেছি পৰিমাণে প্রায় সকলো দেশতেই এনে কিছুমান আইন আছে যিয়ে ষ্টিং অভিযানৰ লগত জড়িত কার্যকলাপ সীমিত কৰিছে। ষ্টিং অভিযানসমূহ নিয়ন্ত্রণ কৰাৰ বাবে ভাৰতবর্ষত কোনো ধৰণৰ বিশেষ আইন নাই। আজিলৈকে এনে কোনো আইনগত ৰায়ো নাই যিয়ে এনে ধৰণৰ অভিযানক (অভিযান) দিশ নির্দেশনা দিব পাৰে অথবা প্রচাৰ মাধ্যমৰ কার্যকলাপতো অংকুশ লগাব পাৰে। ৰাজহুৱা স্বার্থজনিত আকর্ষণ নহ'লে ইলেক্ট্রনিক প্রচাৰ মাধ্যমে কোনো ব্যক্তি বিশেষৰ ব্যক্তিগত জীৱনত হস্তক্ষেপ কৰাকৈ ষ্টিং অভিযান চলোৱাৰ অধিকাৰ নাপায়। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২১-এ ভাৰতীয় নাগৰিকক দিয়া জীৱন আৰু স্বতন্ত্রতাৰ অধিকাৰৰ ভিতৰুৱা হিচাপে ব্যক্তিগত গোপনীয়তাৰ অধিকাৰ চিহ্নিত

- অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদর্শনে এনে কিছুমান নীতিগত নির্দেশনা অনুসৰণ কৰে যি সংবিধানৰ অনুগত আৰু য'ত জাতি-ধর্মতকৈ অধিক ৰাষ্ট্রীয় ঐক্য-সংহতিক প্রাধান্য দিয়া হয়।
- ২০১১ চনৰ জুন মাহত BCCC প্রতিষ্ঠিত হৈছিল। এইটো IBF-ৰ দ্বাৰা স্থাপিত এটা স্বতন্ত্র, স্ব-নিয়ন্ত্রিত বিভাগ যিটোৱে BEC সমূহৰ বিৰুদ্ধে থকা বিষয়বস্তু (Content) সম্পর্কীয় অভিযোগসমূহ পৰীক্ষা কৰে। অতি কম সময়ৰ ভিতৰতে BCCC ভাৰতৰ বিনোদনধর্মী চেনেলসমূহৰ বাবে এটা নির্ভৰযোগ্য আত্ম-নিয়ন্ত্রক মাধ্যম হৈ পৰিল।
- ভাৰতৰ ব্যক্তিগত সংবাদ আৰু সাময়িকী বিষয়ৰ সম্প্রচাৰক সংস্থাই আত্ম-নিয়ন্ত্রণমূলক পদক্ষেপ মর্মে সংবাদ সম্প্রচাৰকৰ সংস্থা (New Broadcasters Association) চমুকৈ NBA গঠন কৰে। ইয়াৰ মাধ্যমেদি তেওঁলোকে News Broadcasting Standards (Disputes Redressal Authority প্রতিষ্ঠা কৰি NBA-ৰ নীতিগত দিশ আৰু সম্প্রচাৰৰ মান সুৰক্ষিত কৰিবলৈ অনুষ্ঠানৰ জন্ম দিলে। এই অনুষ্ঠানটো ২০০৮ চনৰ ২ অক্টোবৰৰ পৰা কার্যকৰী হয়। NBA-ৰ লক্ষ্য হৈছে ভাৰতৰ টেলিভিছন উদ্যোগ আৰু তাৰ লগত জড়িত আনুষংগিক বিষয়সমূহক সর্বোপৰি সহায়-সহযোগিতা আগবঢ়োৱা, উৎসাহ প্রদান, বিকাশযোগ্য দিশসমূহৰ বিকাশত হাত উজান দিয়া তথা ভাৰতীয় টেলিভিছন উদ্যোগৰ বাতৰি সম্প্রচাৰকসকলৰ স্বার্থ সুৰক্ষিত কৰাৰ লগতে সংৰক্ষণ কৰা।



৯.৮ অধিক জানিবলৈ

1. Dash, Ajay (2007). Freedom of Press. Discovery Publishing House

2. Honourable Lord Justice Leveson(2012). *An Inquiry into the Culture, Practices and Ethics of the Press*

৯.৯ অগ্রগতি খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া ছলনাৰ মাধ্যমেৰে কোনো এজন ব্যক্তিয়ে কৰা অপৰাধৰ বাবে তেওঁক প্রমাণসহ জব্দ কৰা হয়, তেনে অভিযান বা পদক্ষেপক ষ্টিং অভিযান বোলা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ সাম্প্রতিক সময়ত ষ্টিং অভিযান বিতর্কিত বিষয় হৈ পৰিছে; কিয়নো এইটো এতিয়াও সন্দেহৰ বিষয় যে এনে অভিযানত প্রকৃতার্থত অপৰাধীক জালত পেলোৱা হৈছে নে অন্য কোনোবা নিৰপৰাধী এজনক অপৰাধী সজোৱা হৈছে।

৩নং প্রশ্নৰ উত্তৰ ঃ অনুচ্ছেদ ২১

৪নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ বিনোদনধর্মী চেনেল, ভাৰতীয় সম্প্রচাৰ নিগম আৰু সম্প্রচাৰ বিষয়ক ওজৰ-আপত্তি নিষ্পত্তিকাৰী পৰিষদ।

৫নং প্রশ্নৰ উত্তৰ ঃ ২০১১ চনৰ জুনৰ মাহত প্রতিষ্ঠিত হোৱা BCCC, BF-ৰ দ্বাৰা স্থাপিত এটা

স্বতন্ত্র, স্ব-নিয়ন্ত্রিত বিভাগ যিটোৱে GEC সমূহৰ বিৰুদ্ধে থকা বিষয়বস্তু (Content) সম্পর্কীয় অভিযোগসমূহ পৰীক্ষা কৰে।

৬নং প্রশ্নৰ উত্তৰ ঃ যিকোনো ব্যক্তিয়ে এককভাৱেই হওক বা যৌথভাৱেই হওক IBF সদস্যভুক্ত যিকোনো টেলিভিছন চেনেলৰ দ্বাৰা সম্প্রচাৰিত অনুষ্ঠানৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিব পাৰে।

৭নং প্রশ্নৰ উত্তৰ ঃ ২০০৮, ২ অক্টোবৰ।

৮নং প্রশ্নৰ উত্তৰ ঃ NBAৰ লক্ষ্য হৈছে ভাৰতৰ টেলিভিছন উদ্যোগ আৰু তাৰ লগত জড়িত আনুষংগিক বিষয়সমূহক সর্বোপৰি সহায়-সহযোগিতা আগবঢ়োৱা, উৎসাহ প্রদান, বিকাশযোগ্য দিশসমূহৰ বিকাশত হাত উজান দিয়া তথা ভাৰতীয় টেলিভিছন উদ্যোগৰ বাতৰি সম্প্রচাৰকসকলৰ স্বার্থ সুৰক্ষিত কৰাৰ লগতে সংৰক্ষণ কৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ NBA-ৰ আঠগৰাকী পৰিচালকে পৰিচালক মণ্ডলী গঠন কৰে। NBA-ৰ সচিবালয়ত এগৰাকী মহা সচিব, এগৰাকী পৰিচালক থকাৰ লগতে ন্যায়িক, বিত্ত আৰু ব্যৱসায়িক পৰামর্শদাতা (উপদেষ্টা) আছে।



৯.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ষ্টিং অভিযান বুলিলে কি বুজে? ষ্টিং অভিযানৰ নীতিগত দিশসমূহ কি কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ষ্টিং অভিযানৰ লগত জড়িত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আৰু ভাৰতীয় আইনগত দিশসমূহৰ বিষয়ে টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ ষ্টিং অভিযানৰ প্ৰচলনৰ বিষয়ে টোকা প্ৰস্তুত কৰক। কি কাৰণে ইলেক্ট্রনিক প্ৰচাৰ মাধ্যমত ষ্টিং অভিযানে ইমান জনপ্ৰিয়তা লাভ কৰিছে? যুক্তি দৰ্শাই উত্তৰ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সম্প্ৰচাৰ বিষয়ক ওজৰ-আপত্তি নিষ্পত্তিকাৰী পৰিষদ (BCCC)ৰ লক্ষ্য, গাঁথনি আৰু ভূমিকা সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সংবাদ সম্প্ৰচাৰকৰ সংস্থা বুলিলে কি বুজে? ব্যক্তিগত টেলিভিছন চেনেলসমূহৰ নীতিমূলক নিৰ্দেশনাত উল্লেখ থকা অনুসৰি ইয়াৰ উদ্দেশ্য আৰু লক্ষ্য কি?

****

অধ্যায় ১০ ঃ ভাৰতত বৈদ্যুতিক মাধ্যমৰ বাবে আইন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ অল ইণ্ডিয়া ৰেডিঅ'ক নিয়ন্ত্রণকাৰী সম্প্রচাৰ সংহিতা

১০.৪ ভাৰতৰ বৈদ্যুতিক মাধ্যম আইন

১০.৪.১ ভাৰতীয় টেলিগ্রাফ আইন, ১৮৮৫

১০.৪.২ ভাৰতীয় অনাতাঁৰ টেলিগ্রাফী আইন, ১৯৩৩

১০.৪.৩ ভাৰতীয় টেলিসংযোগ নিয়ন্ত্রণ প্রাধিকৰণ আইন, ১৯৯৭

১০.৪.৪ চিনেমাটোগ্রাফ আইন, ১৯৫২

১০.৪.৫ প্রসাৰ ভাৰতী (ভাৰতীয় সম্প্রচাৰ নিগম) আইন ১৯৯০

১০.৪.৬ কেবল টেলিভিছন নেটৱর্'কচ্ (নিয়ন্ত্রণ) আইন ১৯৯৫

১০.৪.৭ ১৯৯৭ চনৰ সম্প্রচাৰ বিধেয়ক

১০.৪.৮ কেবল টেলিভিছন নেটৱর্কচ্ নিয়ন্ত্রণ সংশোধন আইন, ২০০২

১০.৪.৯ সম্প্রচাৰ সেৱা নিয়ন্ত্রণ বিধেয়ক, ২০০৬

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ান

১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- আকাশীতৰঙ্গ ব্যৱহাৰৰ ক্ষেত্রত আকাশবাণী, দূৰদর্শন আৰু কেবল্ টেলিভিছনৰ বাবে থকা বিভিন্ন ধৰণৰ সংহিতা আৰু দিক্ নির্দেশনাবোৰৰ বিষয় জানিব পাৰিব।
- ভাৰতত বৈদ্যুতিক প্রচাৰ মাধ্যমবোৰৰ সৈতে জড়িত আইনবোৰৰ বিষয়ে বুজি পাব।

১০.২ পৰিচয়

আমি পূর্বৰ অধ্যায়টিত ষ্টিং অপাৰেশ্যন (গোপন সংবাদ সংগ্রহ অভিযান)ৰ নৈতিক দিশসমূহ আৰু ব্যক্তিগত টিভি ছেনেলবোৰৰ লগতে, দূৰদর্শন আৰু আকাশবাণীৰ নৈতিক সংহিতাবোৰৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়ত আমি আকাশবাণী, দূৰদর্শন আৰু কেবল টেলিভিছন নেটৱর্'কৰ সম্প্রচাৰ নিয়ন্ত্রণ কৰা বিষয়ে আলোচনা কৰিম। বর্তমান সময়ত সংহিতাবোৰৰ

ক্ষেত্ৰখনত সম্প্ৰচাৰে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। সেয়েহে সমান্তৰালভাৱে কিছুমান নীতি-নিৰ্দ্দেশনা প্ৰস্তুত কৰাটো জৰুৰী যাতে ই ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষা আৰু উন্নয়নত উত্তম সেৱা আগবঢ়াব পাৰে। ভাৰতত সংবাদ মাধ্যম নাইবা ইয়াৰ সম্প্ৰচাৰ বিষয়ক কোনো ধৰণৰ নিৰ্দিষ্ট ৰাষ্ট্ৰীয় নীতি নাই। কিন্তু নিৰ্দিষ্ট বিষয় একোটাক লৈ সময়ে সময়ে উত্থাপিত বিধেয়কবোৰে এই ক্ষেত্ৰত দিক্‌নিৰ্দেশনা প্ৰদানকাৰী এক সামগ্ৰীক নীতিৰ ৰূপ লৈছে।

১০.৩ অল ইণ্ডিয়া ৰেডিঅ'ক নিয়ন্ত্ৰণকাৰী সম্প্ৰচাৰ সংহিতা

আকাশবাণীয়ে তলত দিয়া সম্প্ৰচাৰ সংহিতাবোৰ গ্ৰহণ কৰিছে। কৰ্তব্যৰত কাৰ্যনিৰ্বাহক সকলে এই সংহিতাবোৰ মানি চলি আহিছে। তলত উল্লেখ কৰা কাৰ্যবোৰৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপ কৰা হৈছে-

১। বন্ধু দেশৰ সমালোচনা।

২। ধাৰ্মিক কথাত নাইবা এটা সম্প্ৰদায়ক কৰা আক্ৰমণ।

৩। যিকোনো অশালীন অথবা মানহানিকৰ কথা।

৪। হিংসাত্মক কাৰ্যত উচতনি দিয়া অথবা যিকোনো আইন -শৃংখলা ভংগকাৰী।

৫। যিকোনো সুৰক্ষা পৰিপন্থী কথা আৰু আদালত অৱমাননাকাৰী কথা ।

৬। ন্যায়পালিকা আৰু ৰাষ্ট্ৰপতিৰ সংহতিত কলংক সানিব পৰা কথা।

৭। যিকোনো ব্যক্তিৰ নাম লৈ উপহাস নাইবা সমালোচনা কৰা আৰু ৰাষ্ট্ৰৰ সংহতিক যিকোনো ধৰণে প্ৰভাৱিত কৰা কথা।

৮। টোকাঃ বিদেশৰ বেংক, বিদেশী সামগ্ৰী আৰু অলংকৰ বিষয়ক বিজ্ঞাপন তথা প্ৰৱাসী ভাৰতীয়ৰ নামত জাৰি কৰা টোকা। ভাৰতীয় অংশীদাৰী স্বত্ব আৰু ব্যৱসায়িক ঋণপত্ৰৰ বিজ্ঞাপন আকাশবাণীয়ে বিদেশ সেৱা বিভাগৰ জৰিয়তে প্ৰচাৰ কৰিব পাৰে।

ওপৰত উল্লেখ কৰা সংহিতাবোৰৰ উপৰি আকাশবাণীৰ বাণিজ্যিক বিজ্ঞাপন প্ৰচাৰৰ আন কিছুমান অতিৰিক্ত নিয়মো আছে-

৯। কোনো ৰাজনৈতিক দলৰ নাম লৈ আক্ৰমণ কৰিব নোৱাৰিব।

১০। যিকোনো ৰাজ্য অথবা কেন্দ্ৰৰ শত্ৰুতাপূৰ্ণ সমালোচনা কৰিব নোবাৰিব

১১। হিংসাত্মক কাৰ্যৰ দ্বাৰা সংবিধানক অসন্মান প্ৰদৰ্শন নাইবা সংবিধান সাল সলনিৰ পোষকতা কৰিব নোৱাৰিব, কিন্তু সাংবিধানিক পদ্ধতিৰে পৰিৱৰ্তনৰ পোষকতা কৰা কাৰ্যক কেতিয়াও বাধা দিয়া উচিত নহয়।

১২। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ বাহিৰে কোনো বাহ্যিক জৰুৰীকালীন অৱস্থাত নাইবা কোনো প্ৰাকৃতিক দুৰ্যোগ, যেনে- বানপানী, ভূমিকম্প অথবা ঘূৰ্ণী বতাহ আদিৰ সময়ত সাহায্য বিচাৰি আহ্বান জনাব নোৱাৰিব।

১৩। যিবোৰ বিজ্ঞাপনে কেৱল এটা ব্যক্তিগত প্ৰতিষ্ঠান নাইবা এজন ব্যক্তিকহে লাভান্বিত কৰিব তেনেধৰণৰ প্ৰত্যক্ষ বিজ্ঞাপন প্ৰচাৰ কৰিব নোৱাৰিব।

১৪। সম্প্ৰচাৰৰ সময়ত এনে কোনো ট্ৰেড নাম প্ৰচাৰ কৰা নহ'ব যিবোৰে প্ৰত্যক্ষভাৱে বিজ্ঞাপন প্ৰচাৰ বুজায় (বাণিজ্যিক সেৱাৰ বাহিৰে)

স্পষ্টীকৰণঃ

(ক) এই সংহিতাই বন্ধু দেশৰ চৰকাৰ নাইবা কোনো ৰাজনৈতিক দল নাইবা কেন্দ্ৰীয় চৰকাৰ নাইবা কোনো ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ব্যক্তিগত আক্ৰোশপূৰ্ণ সমালোচনা প্ৰচাৰত বাধা দিয়ে। কিন্তু ওপৰত উল্লেখ কৰা পক্ষবোৰৰ কোনো এটাই গ্ৰহণ কৰা নীতিৰ উল্লেখ আৰু /অথবা নিৰপেক্ষ আলোচনাত কোনো বাধা আৰোপ কৰা নহয়।

(খ) যদি কোনো কেন্দ্ৰ সঞ্চালকে ভাবে যে কোনো এগৰাকী সম্প্ৰচাৰকে উদ্দেশ্য প্ৰণোদিত ভাৱে এক বিশেষ ধৰণে আকাশবাণীৰ সম্প্ৰচাৰ সংহিতাত উল্লেখ থকা কোনো বাধা-নিষেধ উলংঘা কৰিছে, তেন্তে তেওঁ সম্প্ৰচাৰকগৰাকীক নিৰ্দিষ্ট সংহিতাটো আঙুলিয়াই দেখুৱাব। যদি সম্প্ৰচাৰকে কেন্দ্ৰ সঞ্চালকৰ পৰামৰ্শ মানিবলৈ অস্বীকাৰ কৰে আৰু অনুষ্ঠানটোত প্ৰয়োজনীয় সাল-সলনি নকৰে, তেন্তে কেন্দ্ৰ সঞ্চালকে অনুষ্ঠানটো সম্প্ৰচাৰৰ অনুমতি নিদিবও পাৰে।

(গ) যদি আকাশবাণীৰ সম্প্ৰচাৰ সংহিতাৰ ব্যাখ্যা অনুসৰি কোনো সম্প্ৰচাৰ কৰিবলগীয়া কথিকাৰ অনুষ্ঠান এটাক লৈ কোনো এখন ৰাজ্য চৰকাৰৰ কোনো এগৰাকী মন্ত্ৰী আৰু আকাশবাণীৰ কেন্দ্ৰ সঞ্চালকগৰাকীৰ মাজত নিষ্পত্তি কৰিব নোৱাৰা ধৰণৰ মতানৈক্যৰ সৃষ্টি হয়, তেন্তে কেন্দ্ৰ সঞ্চালকগৰাকীয়ে বিষয়টো ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীক অৱগত কৰোৱাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংহিতাৰ উলংঘন ৰোধ কৰিবলৈ কথিকাটোত থকা বিবদমান কথাবোৰ সলনি কৰা অথবা আঁতৰোৱাটো প্ৰয়োজনীয় হয়নে নহয় সেই সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত ল'ব।

টি ভি /ৰেডিঅ'ত নিৰ্বাচন বিষয়ক সংবাদ সম্প্ৰচাৰৰ আচাৰ সংহিতাঃ

- নিৰ্বাচন বিষয়ক সংবাদ সম্প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে সংবাদ প্ৰচাৰত। এই দুয়োটা মাধ্যমৰে প্ৰভাৱ শক্তিশালী। গতিকে ইয়াকোনো এটা বিশেষ পক্ষৰ অনুকূলে ব্যৱহাৰ কৰাৰো থল আছে। সেয়ে নিৰ্বাচন আয়োগে বৈদ্যুতিক সংবাদ মাধ্যমৰ বাবে এক আদৰ্শ আচাৰ-সংহিতা প্ৰস্তুত কৰি উলিয়াইছে যাতে ভোটদাতা আৰু গণতন্ত্ৰৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা যায়।
- তলত নিৰ্বাচনৰ সময়ত বৈদ্যুতিক সংবাদ মাধ্যমৰ কৰণীয় আৰু এৰাই চলিবলগীয়া কাৰ্যসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল-

এৰাই চলিবলগীয়া কাৰ্য ঃ

১। **যিকোনো** নিৰ্বাচনকেন্দ্ৰিক ভাষণ, য'ত হিংসাত্মক, ধৰ্মীয় আঘাতক প্ৰৰোচিত কৰা ভাষা বিৰোধী, জাতিবিৰোধী মনোভাৱ প্ৰকাশ পায়- তেনে ভাষণ বৈদ্যুতিক সংবাদ মাধ্যমে প্ৰচাৰ কৰিব নোৱাৰে।

২। এটা সমষ্টিত কেৱল এগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰক গুৰুত্ব দিব নোৱাৰিব । কিন্তু,

সমষ্টি এটাৰ সকলো প্ৰাৰ্থীক সমানে গুৰুত্ব দিয়াৰো প্ৰয়োজনীয়তা নাথাকে। যিবোৰ সমষ্টিত বেছিকৈ প্ৰাৰ্থী থাকে সেই সমষ্টিবোৰৰ প্ৰধান প্ৰাৰ্থীকেইগৰাকীক গুৰুত্ব দিব লাগে।

৩। **নিম্নলিখিত কথাখিনি সমভাৱে আৰু ন্যায্য ভাৱে সংগ্ৰহ কৰিব লাগেঃ-**

- নিৰ্বাচনী প্ৰচাৰ আৰু প্ৰচাৰ অভিযানত দিয়া ভাষণবোৰ মূল কথাখিনিৰ সংগ্ৰহ।
- প্ৰতীকচিহ্ন, বেনাৰ, পতাকা আদি নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহৃত আহিলা-সামগ্ৰীৰ সংগ্ৰহ।
- প্ৰতিষ্ঠিত আৰু সুনাম থকা অ-ৰাজনৈতিক বৃত্তিজীৱী প্ৰতিষ্ঠানে চলোৱা নিৰ্বাচনী সমীক্ষাৰ ফলাফল সংগ্ৰহ।
- দলবোৰৰ নিৰ্বাচনী ঘোষণাপত্ৰ সংগ্ৰহ (এনে ঘোষণাপত্ৰৰ সমালোচনাত্মক বিশ্লেষণকো সম্পূৰ্ণ বৈধ বুলি ধৰা হয়)
- সমগ্ৰ দেশৰে বিভিন্ন সমষ্টিৰ প্ৰাৰ্থীৰ নাম আৰু তেওঁলোকৰ দৃষ্টিভংগী সংগ্ৰহ।
- ৰাইজৰ বাবে প্ৰয়োজনীয় বিষয়সমূহৰ ক্ষেত্ৰত প্ৰধান ৰাজনৈতিক দলবোৰৰ স্থিতিৰ তথ্য সংগ্ৰহ।
- বিভিন্ন প্ৰধান ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ মাজত চলা বিতৰ্কমূলক অনুষ্ঠানৰ প্ৰচাৰ।
- পূৰ্বৰ ভোটদান পদ্ধতি, বিজয়সূচক ভোটৰ মাজৰ ব্যৱধান, অৱস্থাৰ সঘন পৰিৱৰ্তন আদিৰ বিষয়ে বিশ্লেষণ কৰা।

৪। **প্ৰধান ৰাজনৈতিক দলবোৰৰ লগতে আৰু ন্যায্য ভাবে তথ্য সংগ্ৰহ কৰা মানে হ'লঃ-**

- ৰাজনৈতিক দলবোৰক সমান গুৰুত্ব প্ৰদান কৰা। কোনো এটা দলক আনটো দলতকৈ অধিক গুৰুত্ব প্ৰদান কৰিব নালাগে। বিভিন্ন দলৰ তথ্য সংগ্ৰহৰ মাজত সমতা স্থাপন কৰাটো এদিনতে সম্ভৱ নহ'ব পাৰে। কিন্তু এক যুক্তিসংগত কালৰ ভিতৰত, যেনে- এক সপ্তাহৰ ভিতৰত এই সমতা স্থাপন কৰিব লাগিব।
- সমতা মানে অৱশ্যে এইটো বুজোৱা নহয় যে সকলো প্ৰাৰ্থী অথবা দলকে নিজৰ বক্তব্য প্ৰকাশৰ বাবে শেষ ছেকেণ্ডলৈকে সমান সময় দিয়া হ'ব। কিন্তু তেওঁলোকে বহল অৰ্থত নিজৰ দৃষ্টিভংগী প্ৰকাশৰ বাবে সমান সুবিধা পাব।
- সমতা মানে হ'ল কোনো যুক্তিবাদী লোকৰ মনলৈ এনে ভাৱ নহা যে অন্য ৰাজনৈতিক দলবোৰক বাদ দি মাত্ৰ এটা ৰাজনৈতিক দলক বিশেষভাৱে প্ৰচাৰ চলোৱাৰ সুযোগ দিয়া হৈছে।

৫। **কাৰ্য সম্পাদন প্ৰক্ৰিয়াঃ**

- প্ৰযোজকসকলে সকলো অনুষ্ঠানৰে আছুতীয়া আৰু অতিৰিক্ত বাণীৱদ্ধ ৰূপ লগত ৰখা উচিত যাতে ভৱিষ্যতে কোনো বিৰ্তক হ'লে প্ৰমাণ স্বৰূপে উত্থাপন কৰিব পাৰে।
- নিৰ্বাচন আয়োগৰ হাতত সকলো ধৰণৰ বিতৰ্কৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ অধিকাৰ ন্যস্ত থাকিব।

৬। যিকোনো বিতৰ্কিত সংবাদ অংশ নাইবা সংবাদ কাহিনীৰ ক্ষেত্ৰত চূড়ান্ত ব্যাখ্যা অথবা বিবৃতি দিয়াৰ অধিকাৰ নিৰ্বাচন আয়োগৰ হাতত ন্যস্ত থাকিব।

- সম্প্ৰচাৰ কেন্দ্ৰৰ সৈতে মতভেদ ঘটিলে নিৰ্বাচন আয়োগে মনোনীত কৰা কোনো এক বিশেষ কৰ্তৃপক্ষই সেই মতভেদৰ তাৎক্ষণিকভাৱে মীমাংসা কৰিব ।

পৰৱৰ্ত্তী স্পষ্টীকৰণ-

- কোনো সম্প্ৰচাৰ কেন্দ্ৰই এটা নিৰ্বাচন পৰ্যায়ৰ ভোটদান হৈ যোৱাৰ ৪৮ ঘণ্টাৰ আগতে নিৰ্বাচন ফলাফলৰ পূৰ্বানুমান প্ৰচাৰ কৰিব নোৱাৰ্ব্বি । নিৰ্বাচন পৰ্যায়টো সম্পূৰ্ণ শেষ নোহোৱালৈকে এই নিয়ম প্ৰযোজ্য হ'ব।
- নিৰ্বাচন ফলাফলৰ পূৰ্বানুমান এটা নিৰ্বাচনী পৰ্যায় সম্পূৰ্ণ শেষ নোহোৱালৈকে সম্প্ৰাচাৰ কৰিব নোৱাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আকাশবাণীৰ দুটা সম্প্ৰচাৰ সংহিতাৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ নিৰ্বাচনৰ সময়ত আকাশবাণীয়ে মানি চলা সম্প্ৰচাৰৰ নীতি- নিৰ্দেশনা সমূহ কি কি? যিকোনো দুটা নীতি-নিৰ্দেশনাৰ বিষয়ে উল্লেখ কৰক।

.....

.....

১০.৪ ভাৰতৰ বৈদ্যুতিক সংবাদ মাধ্যম আইন

দ্ৰুত বিকশিত আৰু অনবৰতে পৰিৱৰ্তনশীল প্ৰযুক্তি তথা ক্ৰমৱৰ্দ্ধিত ব্যৱসায়িক বিনিয়োগৰ বাবে সম্প্ৰচাৰ ক্ষেত্ৰখন বিভিন্ন স্বাৰ্থ জড়িত পক্ষৰ বাবে প্ৰতিদ্বন্দ্বিতা থলীত পৰিণত হৈছে। সম্প্ৰচাৰ কোম্পানী, চৰকাৰ, ৰাজহুৱা স্বাৰ্থজড়িত কামত নিয়োজিত দল, সামূহিক ৰেডিঅ' আৰু টেলিভিছন ছেনেলৰ লগতে বহলভাৱে শিতানভুক্ত কৰা 'ৰাইজ' বোলা ভিন্ন আগ্ৰহ তথা ৰুচিৰ শ্ৰোতা-দৰ্শকৰ সমাজখনে সম্প্ৰচাৰ ক্ষেত্ৰখনত সমানে প্ৰভাৱ বিস্তাৰ কৰিবলৈ লৈছে। এই ক্ষেত্ৰখনৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল নতুনকৈ উদ্ভাৱন কৰা তথা পূৰ্বৰে পৰা প্ৰচলিত প্ৰযুক্তিবোৰৰ ক্ষেত্ৰত থকা আইনসংগত নিয়ন্ত্ৰণ ব্যৱস্থাটো। তলৰ শিতানবোৰত সম্প্ৰতি ভাৰতত প্ৰচলিত বিভিন্ন সম্প্ৰচাৰ প্ৰযুক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য ন্যায়িক নীতি- নিৰ্দেশনাবোৰ চমুকৈ আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। ভাৰতীয় সংবিধানৰ সপ্তম অনুসূচীৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক দেশৰ বৈদ্যুতিক সংবাদ মাধ্যমৰ বাবে আইন প্ৰস্তুত কৰাৰ ক্ষমতা দিয়া হৈছে। তলত ভাৰতৰ বৈদ্যুতিক সংবাদ মাধ্যমৰ সৈতে জড়িত কেইখনমান গুৰুত্বপূৰ্ণ আইন চমুকৈ আলোচনা কৰা হ'ল।

১০.৪.১ ভাৰতীয় টেলিগ্ৰাফ আইন, ১৮৮৫

১৯৯০ ৰ দশকত চেটেলাইট টেলিভিছনৰ প্ৰচলন আৰম্ভ হোৱাৰ আগলৈকে সম্প্ৰচাৰ ক্ষেত্ৰখন ভাৰত চৰকাৰৰ বিধিসন্মত একচেটিয়া নিয়ন্ত্ৰণৰ অধীন আছিল। ১৮৮৫ চনত গৃহিত হোৱা ভাৰতীয় টেলিগ্ৰাফ আইনৰ ১২৩ বছৰীয়া ইতিহাসেই হ'ল এই নিয়ন্ত্ৰণৰ উৎকৃষ্ট উদাহৰণ। আইনখনত কোৱা হৈছিল যে ভাৰতৰ চাৰিসীমাৰ ভিতৰত টেলিগ্ৰাফ সেৱা স্থাপন, তদাৰক আৰু কাৰ্যসম্পাদনৰ একচেটিয়া ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত থাকিব। এই আইনখন আৰু ইয়াৰ পৰৱৰ্তী সংশোধনবোৰত টেলিগ্ৰাফৰ বহল সংজ্ঞা দাঙি ধৰি ইয়াত অন্তৰ্নিহিত প্ৰযুক্তিৰ সূক্ষ্ম বৈশিষ্ট্য নিৰ্বিশেষে সকলোবোৰ আটাইতকৈ শেহতীয়া আধুনিক সংযোগ আহিলাকে অন্তৰ্ভুক্ত কৰা হৈছিল। টেলিগ্ৰাফৰ ন্যায়িক সংজ্ঞাতো ইয়াৰ দ্বাৰা টেলিফোন, টেলিভিছন, ৰেডিঅ', অনাতাঁৰ, মোবাইল আৰু ভিডিঅ' যন্ত্ৰক সামৰি লোৱা হ'ব বুলি কোৱা হৈছে। আইনখনৰ জৰিয়তে ৰাজহুৱা জৰুৰী অৱস্থা অথবা ৰাজহুৱা সুৰক্ষাৰ দিশটো জড়িত হৈ থকা বিষয়ত প্ৰয়োজনীয় টেলিগ্ৰাফ সেৱাবিধৰ সাময়িক স্বত্ব নিজৰ হাতত ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰক ক্ষমতা দিয়া হৈছে । আইনৰ ধাৰা ৫ (২) -এ কিছুমান বিশেষ পৰিস্থিতিত টেলিগ্ৰাফ বাৰ্তাবোৰ আইনসংগতভাৱে ধৰা পেলাবলৈও চৰকাৰক অনুমতি দিছে। এনে বিশেষ পৰিস্থিতি কেইটামান হ'ল- ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতিৰ প্ৰতি আহি পৰা ভাবুকি, ৰাষ্ট্ৰৰ নিৰাপত্তা, বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন, ৰাজহুৱা শৃংখলা বৰ্তাই ৰখা আৰু কোনো অপৰাধ সংঘটিত হোৱাত বাধা দিয়া। আইনৰ কোনো চৰ্ত ভংগ কৰিলে নাইবা অনুজ্ঞাপত্ৰৰ বাবদ দিবলগীয়া মাচুল পৰিশোধ নকৰিলে চৰকাৰে টেলিগ্ৰাফ অনুজ্ঞাপত্ৰ বাতিল কৰিব পাৰে।

১০.৪.২ ভাৰতীয় অনাতাঁৰ টেলিগ্ৰাফী আইন, ১৯৩৩

এই আইনখনে সমগ্ৰ ভাৰতত অনাতাঁৰ টেলিগ্ৰাফী সামগ্ৰীৰ স্বত্ব লাভ কৰাৰ প্ৰক্ৰিয়াটো নিয়মানুসাৰে নিয়ন্ত্ৰণ কৰাৰ কথা কয়। 'অনাতাঁৰ টেলিগ্ৰাফী সামগ্ৰী' বুলি ক'লে সেই সকলোবোৰ সামগ্ৰী,যন্ত্ৰ, যন্ত্ৰাংশ আৰু বস্তুৰ কথা বুজোৱা হয় যিবোৰ অনাতাঁৰ সংযোগ স্থাপন কৰিব পৰাকৈ সক্ষম এই আইনৰ ধাৰা ১০ ত যিবোৰ আহিলা-সামগ্ৰীৰ কথা উল্লেখ আছে সেইবোৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে বাধা আৰোপ নিষেধ কৰিব পাৰে। অৱশ্যে ঘৰুৱা কামত ব্যৱহৃত বৈদ্যুতিক সামগ্ৰীবোৰক এই আইনে সামৰি নলয়। কিন্তু এনে আহিলা-সামগ্ৰীবোৰ যদি বিশেষ আৰ্হিৰে তৈয়াৰ কৰা হয় অথবা অনাতাঁৰ সংযোগৰ কামত ব্যৱহাৰ কৰিব পৰাকৈ খাপখুৱাই লোৱা হয় তেন্তে এই আইনমতে তেনে সামগ্ৰী জব্দ কৰা হ'ব পাৰে। অৰ্থাৎ, অনাতাঁৰ টেলিগ্ৰাফী আইন সমাজবিৰোধী কামত ব্যৱহাৰ কৰা সামগ্ৰী যিকোনো স্থানতে জব্দ কৰা হ'ব পাৰে।এই

আইনৰ ৪ নং ধাৰা অনুসৰি কোনো ব্যক্তিয়ে তেতিয়াহে অনাতাঁৰ টেলিগ্ৰাফী সামগ্ৰীসমূহ লাভ কৰিব যেতিয়া তেওঁ এই আইনত সন্নিৱিষ্ট চর্ত অনুসৰি চৰকাৰী অনুজ্ঞা পত্ৰ লাভ কৰিব।

অপৰাধ আৰু জৰিমনা ঃ ভাৰতীয় অনাতাঁৰ টেলিগ্ৰাফী আইনৰ ৩ নং ধাৰাত সন্নিৱিষ্ট নীতি-নিয়মৰ বিৰুদ্ধে গৈ অনাতাঁৰ ট্ৰান্সমিটাৰৰ বাহিৰে অন্য আহিলা-পাতি লগত ৰখা ব্যক্তিক আইনমতে দণ্ড বিহা হ'ব। এই অপৰাধ প্ৰথমবাৰ কৰা সকলক এশ টকালৈকে জৰিমনা বিহা হ'ব পাৰে। দ্বিতীয় অথবা ততোধিকবাৰ একেটা অপৰাধ কৰাসকলক দুশ পঞ্চাশ টকালৈকে জৰিমনা বিহা হ'ব পাৰে।

আইনত ইয়াকো কোৱা হৈছে যে ৩ নং ধাৰাত সন্নিৱিষ্ট নীতি-নিয়মৰ বিৰুদ্ধে গৈ যিকোনো অনাতাঁৰ ট্ৰান্সমিটাৰ লগত ৰখা ব্যক্তিক তিনি বছৰ পর্যন্ত কাৰাদণ্ড বিহা হ'ব পাৰে নাইবা এহেজাৰ টকালৈকে জৰিমনা বিহা হ'ব পাৰে নাইবা দুয়োটা শাস্তিয়েই প্ৰদান কৰা হ'ব পাৰে।

<u>দোষীক মুক্ত কৰি দিবলৈ থকা কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতাঃ</u>

<u>(i) আইনৰ বিধানসমূহ</u> ঃ কেন্দ্ৰীয় চৰকাৰে এই আইনখনৰ অধীনত প্ৰস্তুত কৰা নিয়মৰ দ্বাৰা যিকোনো ব্যক্তি অথবা ব্যক্তিৰ যিকোনো শ্ৰেণীকেই নির্ধাৰিত চর্তাৱলীৰ অধীনত নাইবা সাধাৰণভাৱে অনাতাঁৰ টেলিগ্ৰাফী আহিলা লগত ৰখা গোচৰৰ পৰা ৰেহাই দিব পাৰে।

<u>(ii) অনুজ্ঞা পত্ৰ জাৰিকৰণ</u> ঃ ১৮৮৫ চনৰ ভাৰতীয় টেলিগ্ৰাফ আইন (১৮৮৫ চনৰ আইন ১৩ নং ধাৰা)ৰ অধীনত টেলিগ্ৰাফ কর্তৃপক্ষ গঠন কৰা হৈছে। এই কর্তৃপক্ষই আইন অনুসৰি অনাতাঁৰ টেলিগ্ৰাফী সঁজুলিৰ স্বত্ব লাভ কৰাৰ অনুজ্ঞাপত্ৰ জাৰি কৰে। আইনত উল্লেখ কৰা ধৰণে, চর্ত সাপেক্ষে আৰু নির্দিষ্ট পৰিমাণৰ মাচুলৰ বিনিময়ত এনে অনুজ্ঞাপত্ৰ লাভ কৰিব পৰা যায়।

১০.৪.৩ ভাৰতীয় টেলিসংযোগ নিয়ন্ত্ৰণ প্ৰাধিকৰণ আইন, ১৯৯৭

উল্লিখিত আইনখন ১৯৯৭ চনৰ ২৫ জানুৱাৰীত বলবৎ কৰা হৈছিল। এই আইনৰ অধীনত ভাৰতীয় টেলিসংযোগ নিয়ন্ত্ৰণ প্ৰাধিকৰণ (TRAI) আৰু টেলিসংযোগ বিবাদ নিষ্পত্তি তথা অভিযোগ ন্যায়ধিকৰণ (TDSAT) গঠন কৰা হৈছে। এই আইনখন সমগ্ৰ ভাৰততে প্ৰযোজ্য । ইয়াৰ প্ৰধান কার্যাৱলী হ'ল টেলিসংযোগ সেৱা নিয়ন্ত্ৰণ কৰা, বিবাদ নিষ্পত্তি কৰা, অভিযোগৰ মীমাংসা কৰা, টেলিসংযোগ খণ্ডৰ সেৱা যোগানকাৰী তথা উপভোক্তাৰ স্বার্থ ৰক্ষা কৰা, খণ্ডটোৰ নিয়মানুক্ৰমিক বিকাশ সুনিশ্চিত কৰা আৰু খণ্ডটোৰ সৈতে জড়িত অথবা তাৎক্ষণিকভাৱে সৃষ্টি হোৱা বিষয় / সমস্যাবোৰলৈ চকু দিয়া।

এই আইনৰ অধ্যায় II ত টেলিসংযোগ নিয়ন্ত্ৰণ প্ৰাধিকৰণ গঠনৰ নীতি-নিয়ম

সন্নিৱিষ্ট কৰা হৈছে। এই প্ৰাধিকৰণত এগৰাকী অধ্যক্ষ আৰু দুগৰাকীতকৈ কম নাইবা ছগৰাকীতকৈ অধিক সদস্য থাকিব নোৱাৰিব। অধ্যক্ষ আৰু সদস্যসকলক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিব।TRAI -ৰ মুখ্য কাৰ্যালয় নতুন দিল্লীত অৱস্থিত। উচ্চতম ন্যায়ালয়ৰ বৰ্তমান অথবা প্ৰাক্তন বিচাৰপতি নাইবা কোনো এখন উচ্চ ন্যায়ালয়ৰ বৰ্তমান অথবা প্ৰাক্তন মুখ্য ন্যায়াধীশক অধ্যক্ষৰূপে নিযুক্তি দিয়া হ'ব। টেলিসংযোগ, উদ্যোগ, বিত্ত, হিচাব পৰীক্ষণ, আইন, ব্যৱস্থাপনা আৰু উপভোক্তা সম্পৰ্কীয় কথাৰ বিশেষ জ্ঞান আৰু যিকোনো বৃত্তিগত অভিজ্ঞতা থকা লোকক প্ৰাধিকৰণৰ সদস্য পদত নিযুক্তি দিয়া হ'ব। অধ্যক্ষই কামত যোগদান কৰাৰ দিনটোৰ পৰা পাঁচ বছৰ কাল কাৰ্যনিৰ্বাহ কৰিব লাগিব। এগৰাকী সদস্যই কামত যোগদান কৰাৰ দিনটোৰ পৰা পাঁচ বছৰ কাল অথবা ৬৫ বছৰ বয়সলৈকে, যিটো আগতে হয়, কাৰ্যনিৰ্বাহ কৰিব লাগিব।

<u>প্ৰাধিকৰণৰ প্ৰধান কাৰ্যাৱলী</u>ঃ

১। নতুনকৈ সেৱা আগবঢ়াবলৈ লোৱা কোম্পানীবোৰৰ প্ৰয়োজনীয়তা আৰু সম্প্ৰচাৰ সময় বিষয়ক পৰামৰ্শ দিয়া; সেৱা আগবঢ়াই থকা কোম্পানী এটাক অনুজ্ঞা পত্ৰ লাভৰ নিয়ম আৰু চৰ্তাৱলী অৱগত কৰোৱা।

২। বিভিন্ন সেৱা যোগানকাৰীৰ মাজত প্ৰযুক্তিগত সামঞ্জস্য আৰু ফলপ্ৰসূ আন্তঃসংযোগ নিশ্চিত কৰা।

৩। টেলি সংযোগ সেৱা যোগনিয়াৰ সকলে এই সেৱা প্ৰদানৰ জৰিয়তে আহৰণ কৰা ৰাজহ অন্য যোগনিয়াৰৰ সৈতে ভাগ-বাটোৰাৰা কৰাৰ ব্যৱস্থা গঢ়ি দিয়া।

৪। অনুজ্ঞা পত্ৰৰ নিয়ম আৰু চৰ্তাৱলী নিশ্চিত কৰা।

৫। অনুজ্ঞা পত্ৰৰ নিয়ম আৰু চৰ্তাৱলী পালন নকৰা যোগনিয়াৰৰ অনুজ্ঞা পত্ৰ বাতিলৰ পৰামৰ্শ আগবঢ়োৱা।

৬। বিভিন্ন সেৱা যোগনিয়াৰ কোম্পানীৰ মাজত টেলিসংযোগৰ স্থানীয় আৰু দীৰ্ঘ দূৰত্বৰ সেৱা আগবঢ়োৱাৰ পৰিসীমা আৰু সময়সীমা নিৰ্ধাৰণ তথা নিশ্চিত কৰা।

৭। টেলিসংযোগ সেৱাৰ বিকাশৰ পথ সুচল কৰিবলৈ এনে সেৱাৰ কাৰ্য সম্পাদন প্ৰক্ৰিয়াবোৰ অধিক ফলপ্ৰসূ কৰি তুলিবলৈ প্ৰতিযোগিতাৰ পৰিৱেশ গঢ়ি তোলা।

৮। টেলি সংযোগৰ গ্ৰাহকৰ স্বাৰ্থ ৰক্ষা কৰা।

৯। সেৱা যোগনিয়াৰসকলৰ সেৱাৰ গুণাগুণ নিৰীক্ষণ কৰা আৰু এনে সেৱাৰ নিয়মীয়া সমীক্ষা চলোৱা।

১০। নেটৱৰ্কত ব্যৱহৃত উপকৰণৰ নিৰীক্ষণ আৰু সেৱা যোগান ধৰোঁতা সকলক উপযুক্ত আহিলা-সজুঁলিৰ প্ৰকাৰ ব্যৱহাৰৰ পৰামৰ্শ দিয়া।

১১। নিয়মৰ মাধ্যমেৰে প্ৰদান কৰা আন্তঃসংযোগ চুক্তিপত্ৰসমূহৰ খতিয়ান ৰখা আৰু আইনৰ অধীনস্থ অন্যান্য আনুষংগিক বিষয়ৰ তদাৰক কৰা।

১২। আইনৰ দফা (1) অনুসৰি ৰাইজৰ মাজৰ যিকোনো এগৰাকী সদস্যই পৰীক্ষা কৰি চাব

পৰাকৈ পঞ্জীয়ন খতিয়ান মুকলি কৰি ৰখা। অৱশ্যে, আগ্ৰহী লোকে এই খতিয়ান পৰীক্ষা কৰিবলৈ নিয়ন্ত্ৰণ আইনত সন্নিৱিষ্ট থকা ধৰণে উপযুক্ত মাছুল পৰিশোধ আৰু অন্য প্ৰয়োজনীয় অৰ্হতা পূৰণ কৰিব লাগিব।

১৩। সেৱা যোগনিয়াৰসকলৰ মাজৰ বিবাদ মীমাংসা কৰা।

১৪। টেলিসংযোগ প্ৰযুক্তিৰ বিকাশৰ বাবে বিশেষকৈ আৰু টেলিসংযোগ উদ্যোগৰ বাবে প্ৰয়োজনীয় অন্য বিষয়বোৰৰ বাবে সাধাৰণভাৱে কেন্দ্ৰীয় চৰকাৰক যাৱতীয় পৰামৰ্শ প্ৰদান কৰা।

১৫। নিয়ন্ত্ৰণ আইনে নিৰ্ধাৰণ কৰি দিয়া ধৰণে টেলিসংযোগ সেৱাৰ বিপৰীতে উচিত মাছুল আৰু অন্যান্য মূল্য উচিত হাৰত ঠিক কৰি দিয়া।

১৬। সাৰ্বজনীন সেৱা বাধ্যবাধকতাসমূহৰ ফলপ্ৰসূ পালন নিশ্চিত কৰা।

১৭। কেন্দ্ৰীয় চৰকাৰে অৰ্পণ কৰাৰ দৰে অথবা আইনৰ নীতি অনুসৰি প্ৰয়োজনীয় সকলো প্ৰশাসনিক তথা বিত্তীয় কাৰ্য সম্পাদন কৰা।

১০.৪.৪ চিনেমাটোগ্ৰাফ আইন, ১৯৫২

চিনেমাটোগ্ৰাফ পদ্ধতিৰে নিৰ্মাণ কৰা কথাছবিৰ প্ৰদৰ্শনীৰ প্ৰমাণপত্ৰ দিবলৈ আৰু / অথবা চিনেমাটোগ্ৰাফ পন্থাৰে কৰা প্ৰদৰ্শনী নিয়ন্ত্ৰণ কৰিবলৈ এই আইনখন বলবৎ কৰা হৈছিল।

এই আইনখনৰ I,II , আৰু IV নং অংশকেইটা সমগ্ৰ ভাৰতৰ ক্ষেত্ৰত আৰু III নং অংশটো কেৱল কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰ ক্ষেত্ৰত প্ৰযোজ্য।

এই বিশেষ আইনখনত সংজ্ঞাৱদ্ধ কৰা কেইটামান অভিধা তলত উল্লেখ কৰা হ'ল-

- প্ৰাপ্তবয়স্ক (Adult) মানে হ'ল ১৮ বছৰ সম্পূৰ্ণ কৰা ব্যক্তি।
- বোৰ্ড (Board) মানে হ'ল এই আইনৰ ধাৰা ৩ ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে গঠন কৰা 'বোৰ্ড অৱ ফিল্ম চাৰ্টিফিকেশ্যন'।
- 'চাৰ্টিফিকেট' (Certificate) মানে হ'ল এই আইনৰ ধাৰা ৫ (A) অনুসৰি বোৰ্ডে মঞ্জুৰ কৰা প্ৰমাণপত্ৰ।
- 'চিনেমাটোগ্ৰাফ' (Cinematograph) মানে হ'ল গতিশীল ছবি নাইবা ছবিৰ এলানি শৃংখলা উপস্থাপন কৰিবলৈ প্ৰয়োজন হোৱা সকলো ধৰণৰ আহিলা আৰু যন্ত্ৰ।
- 'জিলা ন্যায়াধীশ' (District Magistrate); কেন্দ্ৰীয় শাসিত নগৰ-চহৰৰ ক্ষেত্ৰত পুলিচ আয়ুক্ত (Commissioner of Police) ।
- 'ফিল্ম' (Film) মানে হ'ল এখন চিনেমাটোগ্ৰাফ কৰা কথাছবি।
- 'স্থান' (Place) বুলিলে গৃহ, অট্টালিকা, তম্বু আদিৰ লগতে বায়ু, স্থল আৰু জল পৰিবহনৰ যিকোনো মাধ্যমৰ কথা বুজোৱা হয়।

- 'বিহিত' (Prescribed) মানে হ'ল এই আইনৰ অধীনৰ কোনো নিয়ম অনুসৰি গ্ৰহণ কৰা ব্যৱস্থা।
- 'আঞ্চলিক বিষয়া' (Regional Officer) মানে হ'ল এই আইনৰ ধাৰা ৫ অনুসৰি কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়া আঞ্চলিক বিষয়াৰ গোট। এই গোটত এগৰাকী আঞ্চলিক বিষয়াৰ লগতে এগৰাকী অতিৰিক্ত আঞ্চলিক বিষয়া আৰু এগৰাকী সহকাৰী আঞ্চলিক বিষয়া থাকে।
- 'ন্যায়াধিকৰণ' (Tribunal) মানে হ'ল এই আইনৰ ধাৰা ৫ (D) ৰ অধীনত গঠন কৰা অভিযোগ নিষ্পত্তিকাৰী ন্যায়াধিকৰণ।

এই আইনখনে 'চেণ্ট্রেল বোৰ্ড অৱ ফিল্ম চাটিফিকেশ্যন' নামৰ এখন বোৰ্ড গঠনৰ নীতি নিৰ্ধাৰণ কৰি দিছে। এই বোৰ্ডত এগৰাকী অধ্যক্ষ আৰু চাৰিগৰাকী অন্য সদস্য থকিব (বোৰ্ডৰ সদস্যৰ সংখ্যা ১২ গৰাকীতকৈ কম আৰু ২৫ গৰাকীতকৈ বেছি হ'ব নোৱাৰিব) । বোৰ্ডৰ সদস্যসকলক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া হ'ব। বোৰ্ডৰ পৰা প্ৰমাণপত্ৰ লৈ যিসকল ব্যক্তিয়ে নিজৰ চলচিত্ৰ পৰ্দাত প্ৰদৰ্শন কৰিব বিচাৰে তেওঁলোকে বোৰ্ডৰ নিৰ্ধাৰিত নিয়ম অনুসৰি আৰ্হি পত্ৰত থকাৰ দৰে আবেদন কৰিব লাগিব। সঠিকভাৱে পৰীক্ষণ কৰাৰ পাচত বোৰ্ডে—

১। চলচিত্ৰ এখন বিনাবাধাই ৰাজহুৱাভাবে প্ৰদৰ্শন কৰাৰ অনুমতি দিব

২। চলচিত্ৰ এখন কেৱল প্ৰাপ্তবয়স্ক দৰ্শকৰ সন্মুখত প্ৰদৰ্শন কৰাৰ অনুমতি দিব

৩। ৰাজহুৱা প্ৰদৰ্শনৰ অনুমতি দিয়াৰ আগতে প্ৰয়োজনীয় বুলি ভবা অংশৰ কৰ্তন অথবা শুধৰণি কৰিবলৈ আবেদনকাৰীক নিৰ্দেশ দিব

নাইবা

৪। চলচিত্ৰ এখনৰ ৰাজহুৱা প্ৰদৰ্শনী পতাৰ অনুমতি দিবলৈ অস্বীকাৰ কৰিব।

চেণ্ট্রেল বোৰ্ড অৱ ফিল্ম চাৰ্টিফিকেশ্যনৰ মুখ্য কাৰ্যালয় মুম্বাইত অৱস্থিত। ইয়াৰ উপৰি বোৰ্ডৰ আন আঠটা আঞ্চলিক কাৰ্যালয় ক্ৰমে ক'লকাতা, চেন্নাই, বাংগালুৰু, তিৰুৱনন্তপুৰম, হায়দৰাবাদ, নতুন দিল্লী, কটক আৰু গুৱাহাটীত অৱস্থিত। চলচিত্ৰ পৰীক্ষা কৰাত আঞ্চলিক কাৰ্যালয়বোৰক উপদেষ্টা মণ্ডলীয়ে সহায় কৰে। উপদেষ্টা মণ্ডলীৰ সদস্যসকলক কেন্দ্ৰীয় চৰকাৰে মনোনীত কৰে। বিভিন্ন ক্ষেত্ৰৰ অভিজ্ঞ ব্যক্তিসকলৰ মাজৰ পৰা মনোনীত উপদেষ্টাসকলে দুবছৰৰ বাবে কাৰ্যনিৰ্বাহ কৰে।

চলচিত্ৰবোৰক সাধাৰণতে ৪ টা শিতানৰ অধীনত স্বীকৃতি দিয়া হয়। আৰম্ভণিতে কেৱল দুটা শিতানৰ প্ৰমাণপত্ৰ দিয়া হৈছিল - 'U' (বাধাহীন সাৰ্বজনীন প্ৰদৰ্শনী) আৰু 'A' (প্ৰায়বয়স্ক দৰ্শকৰ বাবে সীমাৱদ্ধ)। ১৯৮৩ চনৰ জুন মাহতবোৰ্ডে আৰু দুটা শিতান সংযুক্ত কৰে- 'U/A' (১২ বছৰতকৈ কম বয়সৰ শিশুৰ কাৰণে অভিভাৱকৰ নিৰ্দেশনা সাপেক্ষে বাধাহীন সাৰ্বজনীন প্ৰদৰ্শনী) আৰু 'S' (ডাক্তৰ নাইবা বিজ্ঞানী আদিৰ দৰে বিশেষ বুৎপত্তি থকা দৰ্শকৰ বাবে সীমাৱদ্ধ)

বোৰ্ডৰ যিকোনো আদেশৰ বিৰুদ্ধে শুনানী আপীল গ্ৰহণ কৰাৰ উদ্দেশ্যে এই আইনৰ ধাৰা 5 C ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে চৰকাৰী অধিসূচনাৰ জৰিয়তে এখন আপীল ন্যায়াধিকৰণ গঠন কৰিব। ন্যায়ালয়ৰ মুখ্য কার্য্যালয় নতুন দিল্লীত স্থাপন কৰা হ'ব আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধ্যক্ষৰ লগতে অন্য সদস্যসকলক নিযুক্তি দিয়া হ'ব। কিন্তু এনে সদস্যৰ সংখ্যা ৪ গৰাকীতকৈ অধিক হ'ব নোৱাৰিব।

১০.৪.৫ প্ৰসাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম) আইন, ১৯৯০

ভাৰতত ১৯৮০ৰ দশকৰ শেষাৰ্দ্ধত এই চিন্তাৰ উদ্ৰেক হৈছিল যে প্ৰচাৰ-সংবাদ মাধ্যমবোৰ চৰকাৰৰ পৰিৱৰ্তে ৰাজহুৱা নিয়ন্ত্ৰণাধীন হোৱা উচিত।

এটা ৰাজহুৱা বিধিসন্মত নিগম অথবা একাধিক নিগমৰ দ্বাৰা সংবাদ /প্ৰচাৰ মাধ্যম পৰিচালিত হ'ব লাগে। যি প্ৰকৃতিৰেই নিগম নহওক কিয় ইয়াৰ সংবিধান আৰু সংৰচনাই সকলো ধৰণৰ ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক বিষয়ৰ লগতে আন সকলোবোৰ ৰাজহুৱা বিষয়ত নিগমৰ নিৰপেক্ষতা নিশ্চিত কৰিব লাগিব। প্ৰসাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম) আইন, ১৯৯০ খন ১৯৯৭ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা বলবৎ হৈছিল। প্ৰসাৰ ভাৰতী আইনে একে নামৰ (প্ৰচাৰ ভৰতী) এক স্ব-নিয়ন্ত্ৰিত ভাৰতীয় সম্প্ৰচাৰ নিগম গঠনৰ পথ প্ৰশস্ত কৰি দিছিল। আইনখনত নিগমৰ সংৰচনা, কার্যাৱলী, ক্ষমতা আৰু অন্য আনুষংগিক দিশবোৰ নির্ধাৰণ কৰি দিয়া হৈছে। আইনখনত কোৱা হৈছে যে নিগমৰ প্ৰধান কর্তব্য হ'ব ৰাজহুৱা সম্প্ৰচাৰ সেৱাবোৰ সংগঠিত আৰু পৰিচালিত কৰা। এনে সেৱাবোৰে জনসাধাৰণক বিভিন্ন তথ্য অৱগত কৰোৱাব, শিক্ষিত কৰি তুলিব আৰু মনো�ৰঞ্জন প্ৰদান কৰিব। ইয়াৰ উপৰি নিগমে ৰেডিঅ' আৰু টেলিভিছনৰ সমতাপূর্ণ বিকাশ নিশ্চিত কৰিব।

আইনখনে বৈদ্যুতিক সংবাদ/ প্ৰচাৰ মাধ্যম, বিশেষকৈ আকাশবাণী আৰু দূৰদর্শনক অধিক স্ব- নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰদান কৰিছিল। ইয়াৰ পূর্বে আকাশবাণী আৰু দূৰদর্শনে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ একোটা স্বতন্ত্ৰ সংবাদ মাধ্যম গোটৰূপে কাম কৰিছিল। নিগম গঠনৰ আঁৰৰ অভিপ্ৰায় আছিল ইয়াক এক প্ৰকৃতার্থত স্ব-নিয়ন্ত্ৰিত অভিকৰণ ৰূপে গঢ়ি তোলা যাতে ই উদ্ভাৱনীমূলক, গতিশীল আৰু নমনীয় পন্থাৰে সম্প্ৰচাৰ ক্ষেত্ৰখনক উজ্জীৱিত কৰি তোলাৰ লগতে ভাৰসাযোগ্যতাৰ এক নতুন মাত্ৰা প্ৰদান কৰিব পাৰে। এক স্ব-নিয়ন্ত্ৰিত অভিকৰণৰূপে নিগমে দেশৰ গণতান্ত্ৰিক পৰম্পৰা আৰু অনুষ্ঠান সমৃদ্ধ কৰি তুলিব পৰা ধৰণে কাম কৰিব, দেশৰ জনতা আৰু সংসদৰ প্ৰতি দায়ৱদ্ধ হৈ ৰ'ব আৰু দেশৰ ভিন্ন পৰম্পৰা, ভাষা, সংস্কৃতি আৰু সামাজিক শ্ৰেণীৰ কথা মনত ৰাখি কাম কৰি যাব।

১৯৯০ চনৰ প্ৰসাৰ ভাৰতী আইনে নির্ধাৰণ কৰি দিয়া প্ৰসাৰ ভাৰতী নিগমৰ প্ৰধান উদ্দেশ্যবোৰ হ'ল-

- দেশৰ অখণ্ডতা আৰু সংহতি বৰ্তাই ৰখা আৰু সংবিধানত অন্তৰ্ভুক্ত প্ৰমূল্যবোৰৰ পোষকতা কৰা;
- ৰাষ্ট্ৰীয় সংহতিৰ পোষকতা কৰা;
- শিক্ষা খণ্ডত বিশেষ মনোযোগ দিয়া আৰু সাক্ষৰতা, কৃষি, গ্ৰামোন্নয়ন, পাৰিপাৰ্শ্বিক, স্বাস্থ্য তথা পৰিয়াল কল্যাণৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰ ঘটোৱা;
- নাৰী বিষয়ক সমস্যা/দিশবোৰৰ প্ৰতি সজাগতাৰ সৃষ্টি কৰা, শিশু- বয়োজ্যেষ্ঠ আৰু সমাজৰ অন্য দুৰ্বল শ্ৰেণীৰ লোকৰ সুৰক্ষাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা;
- বিভিন্ন সংস্কৃতি, ক্ৰীড়া, খেল-ধেমালি আৰু যুৱা প্ৰসংগবোৰক উপযুক্তভাৱে সামৰি লৈ সংবাদ পৰিৱেশন কৰা;
- সামাজিক ন্যায়ৰ পোষকতা কৰা, শ্ৰমজীৱী শ্ৰেণীৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা, সংখ্যালঘু আৰু জনজাতি সম্প্ৰদায়বোৰৰ অধিকাৰ সুৰক্ষিত ৰখা;
- গৱেষণাৰ পোষকতা কৰা, সম্প্ৰচাৰ প্ৰযুক্তিৰ বিকাশ ঘটাই সম্প্ৰচাৰ সা-সুবিধা উন্নত তথা সম্প্ৰসাৰিত কৰা।

১৯৯১ চনৰ আইনখন বিস্তৃতভাৱে পুনৰীক্ষণ কৰা হৈছিল। পুনৰীক্ষণৰ সময়ত কিছুমান কাৰ্যসম্পাদন কেন্দ্ৰিক অসুবিধা ধৰা পৰিছিল। ব্যক্তিগত নীতি, মানৱ শক্তি নিয়োগ আৰু নিগম বিষয়ক চৰকাৰী নীতি- নিৰ্দেশনাবোৰৰ বাবে এই অসুবিধাবোৰৰ সৃষ্টি হৈছিল। আইনখনত এখন সম্প্ৰচাৰ পৰিষদ গঠনৰ সুবিধা অন্তৰ্ভুক্ত কৰা হৈছিল। পৰিষদত এগৰাকী সভাপতি আৰু ১৪ গৰাকী সদস্য থাকে। তেওঁলোকক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। পৰিষদে ভাৰতীয় নাগৰিকৰ মুক্ত, যথাৰ্থ আৰু বস্তুনিষ্ঠ তথ্য জনাৰ অধিকাৰ অক্ষুণ্ণ ৰখাটো নিশ্চিত কৰিব লাগে। সম্প্ৰচাৰ পৰিষদে এই দিশবোৰৰ পটভূমিত নিগমে সম্প্ৰচাৰ কৰা অনুষ্ঠানবোৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ বিবেচনা কৰি চাই প্ৰসাৰ ভাৰতীক উপযুক্ত পৰামৰ্শ আগবঢ়াব।

এই আইন অনুসৰি আকাশবাণী আৰু দূৰদৰ্শনৰ কাম-কাজ চলাই নিবলৈ কেন্দ্ৰীয় চৰকাৰে আহৰণ কৰা সকলো সম্পত্তি তথা পুঁজি নিগমলৈ হস্তান্তৰ কৰা হৈছে। আইনখনে আকাশবাণী আৰু দূৰদৰ্শনৰ কৰ্মচাৰীসকলৰ লগতে অন্য আনুষংগিক বিষয়বোৰো নিগমলৈ হস্তান্তৰ কৰিছে। আইনখনৰ অধীনত এখন মকৱল বোৰ্ড গঠন কৰা হ'ব আৰু এই বোৰ্ডে নিগমৰ বিষয়া তথা অন্য কৰ্মচাৰীৰ নিযুক্তিত আৱশ্যকীয় দিহা- পৰামৰ্শ আগবঢ়াব।

১০.৪.৬ কেবল্ টেলিভিছন নেটৱৰ্ক্ (নিয়ন্ত্ৰণ) আইন, ১৯৯৫

কেবল্ টেলিভিছন নেটৱৰ্ক্ (নিয়ন্ত্ৰণ) আইন, ১৯৯৫ গৃহিত কৰা প্ৰধান উদ্দেশ্য আছিল দেশৰ কেবল টেলিভিছন নেটৱৰ্কৰ কাম- কাজবোৰ নিয়ন্ত্ৰণ কৰা আৰু এই ক্ষেত্ৰখনৰ সৈতে জড়িত নাইবা ঘটনাক্ৰমে উদ্ভৱ হোৱা বিভিন্ন বিষয় অথবা সমস্যা

সমাধানৰ উপায় বিচাৰি উলিওৱা। ভাৰত গণৰাজ্য হোৱাৰ ৪৬ বছৰৰ পাচত ভাৰতীয় সংসদে গৃহিত কৰা এই আইনখন ভাৰতীয় ৰাজপত্ৰত প্ৰকাশিত হৈছিল (অতিৰিক্ত, অংশ II , ধাৰ ৩ (1), তাৰিখঃ ২৫ মার্চ, ১৯৯৫ । এই আইনখন এখন বিশেষ দণ্ডবিধি আৰু ই সমগ্ৰ ভাৰততে প্ৰযোজ্য।

আইনখনত ৫ টা অধ্যায় আৰু ২৩ টা ধাৰা আছে। প্ৰথম অধ্যায়ত আইনখনৰ পৰিসৰ আৰু প্ৰসাৰৰ লগতে আইনখনত ব্যৱহৃত অভিধাবোৰৰ অর্থ উল্লেখ কৰা হৈছে। দ্বিতীয় অধ্যায়ৰ বিষয় হ'ল 'কেবল্ টেলিভিছন নেটৱৰ্কৰ নিয়ন্ত্ৰণ'। তৃতীয় অধ্যায়ৰ বিষয় হ'ল 'কিছুমান বিশেষ যন্ত্ৰ আহিলা জব্দ আৰু বাজেয়াপ্তকৰণ'। চতুর্থ অধ্যায়ত 'অপৰাধ আৰু শাস্তি' সম্পর্কে আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ত বিভিন্ন সান-মিহলি নীতি-নিয়ম সন্নিৱিষ্ট কৰা হৈছে।

আইনখনৰ মতে কেবল টেলিভিছন নেটৱৰ্কৰ সেৱা আগবঢ়াব খোজাসকলে প্ৰথমে নিজৰ নাম পঞ্জীয়নভুক্ত কৰিব লাগিব। কেবল টেলিভিছন নেটৱৰ্ক্ (নিয়ন্ত্ৰণ) সংশোধিত আইন, ২০০০(২০০০ চনৰ ৰ ছেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হোৱা) ৰ মতে প্ৰতিগৰাকী কেবল সেৱা যোগনিয়াৰে দূৰদর্শনৰ অতি কমেও দুটা চেটেলাইট ছেনেল আৰু সেৱা আগবঢ়াই থকা ৰাজ্যখনৰ এটা আঞ্চলিক ভাষাৰ ছেনেলৰ অনুষ্ঠান সম্প্ৰচাৰক নিজৰ 'প্ৰাইম বেণ্ড' (প্ৰধান সম্প্ৰচাৰিত ছেনেল তালিকা)ত স্থান দিব লাগিব। আইনখনত ইয়াকো কোৱা হৈছে যে ১৯৯৪ চনৰ কেবল টেলিভিছন নেটৱৰ্ক নীতিৰ ৬ আৰু ৭ নম্বৰ নিয়মত উল্লেখ কৰা অনুষ্ঠান তথা বিজ্ঞাপন সংহিতা উলংঘা কৰি কোনো ব্যক্তিৰে যিকোনো কেবল সেৱাৰ জৰিয়তে কোনো অনুষ্ঠান অথবা বিজ্ঞাপন সম্প্ৰচাৰ অথবা পুনঃসম্প্ৰচাৰ কৰাৰ অধিকাৰ নাই।

১০.৪.৭ ১৯৯৭ চনৰ সম্প্ৰচাৰ বিধেয়ক

১৯৯৭ চনৰ সম্প্ৰচাৰ বিধেয়কৰ জৰিয়তে ভাৰতীয় সম্প্ৰচাৰ অভিকৰণ (Broadcasting Authority of India) নাম দিয়া এক স্বতন্ত্ৰ কর্তৃপক্ষ গঠনৰ পথ সুচল কৰি তোলা হৈছিল। এই অভিকৰণে ভাৰতত সম্প্ৰচাৰ সেৱা আগবঢ়াই নিয়া আৰু নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব পালন কৰে। এই কর্তৃপক্ষই অবিৰত উত্তৰাধিকাৰ ক্ৰমত কাম কৰি যায়। কর্তৃপক্ষৰ হাতত থকা ক্ষমতাৰ সহায়ত ই অন্য কোনো পক্ষৰ সৈতে চুক্তিৰদ্ধ হ'ব পাৰে অথবা কর্তৃপক্ষৰ নামত কাৰোবাক অভিযুক্ত কৰা হ'ব পাৰে।

ভাৰতীয় সম্প্ৰচাৰ অভিকৰণৰ অধ্যক্ষগৰাকীক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী তথা ভাৰতীয় প্ৰেছ কাউন্সিলৰ অধ্যক্ষৰ পৰামর্শ অনুযায়ী এই অভিকৰণৰ অধ্যক্ষক নিযুক্তি দিয়া হয়। অভিকৰণত সর্বাধিক ১১ গৰাকী অংশকালীন সদস্য থাকিব। এই সদস্য সকলক কেন্দ্ৰীয় চৰকাৰে, টেলিসংযোগ বিভাগৰ চৰকাৰী ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ সচিব আৰু এগৰাকী সচিব প্ৰধানে নিযুক্তি দিয়ে।

অভিকৰণৰ অধ্যক্ষ গৰাকী পূৰ্ণকালীন সদস্য হ'ব আৰু তেওঁ পাঁচ বছৰৰ বাবে কাৰ্যনিৰ্বাহ কৰিব। স্বনামধন্য ব্যক্তিসকলৰ মাজৰ পৰা অধ্যক্ষগৰাকীৰ নাম বাছনি কৰা হয়। প্ৰশাসন, আইন, সম্প্ৰচাৰ, কম্পিউটাৰ প্ৰোগ্ৰেমিং, অভিযান্ত্ৰিক, সাংবাদিকতা আদি ক্ষেত্ৰত ৰপ্ত বছৰতকৈও অধিক কাল কাম কৰাৰ অভিজ্ঞতা থকা ব্যক্তিক এই পদৰ বাবে বাছনি কৰা হয় অংশকালীন সদস্যসকলে তিনি বছৰৰ বাবে কাৰ্যনিৰ্বাহ কৰিব লাগে। তেওঁলোকক দ্বিতীয় বাৰৰ বাবে নিযুক্তি দিয়া হ'ব পাৰে। বছৰত অতি কমেও আঠবাৰ কৰ্তৃপক্ষৰ সদস্যসকল বৈঠকত মিলিত হ'ব।

অভিকৰণৰ কাৰ্যাৱলী হ'লঃ

১। সম্প্ৰচাৰ সেৱা চলাই নিয়াৰ উদ্দেশ্যেৰে চৰকাৰৰ অনাতাঁৰ উপদেষ্টাৰ দ্বাৰা মুকলি কৰি দিয়া ফ্ৰিকুৱেন্সী অথবা ফ্ৰিকুৱেন্সী বেণ্ডবোৰৰ বাবে ফ্ৰিকুৱেন্সী পৰিকল্পনা যুগুত কৰা।

২। সম্প্ৰচাৰ সেৱাৰ অনুজ্ঞাপত্ৰ দিয়া।

৩। সমগ্ৰ ভাৰততে যথেষ্ট সংখ্যক ভিন্ন বৈশিষ্ট্যৰ সম্প্ৰচাৰ সেৱা সুলভ কৰি তোলা।

৪। উচ্চ গুণমানবিশিষ্ট সেৱা আৰু গ্ৰাহকৰ আগ্ৰহৰ তথা ৰুচি পূৰা পৰা ভিন্নধৰ্মী অনুষ্ঠানৰ সম্প্ৰচাৰ নিশ্চিত কৰা।

৫। অনুষ্ঠান সংহিতা আৰু মান নিৰ্ধাৰণ কৰা।

৬। সংহিতা উলংঘন আৰু অনুজ্ঞাৰ চৰ্ত ভংগ কৰাৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা।

৭। অনুষ্ঠানৰ সংকেত গ্ৰহণৰ এক যুক্তিসংগত গুণমান বতাঁহ ৰাখিবলৈ কাৰিকৰী আৰু অন্য গুণমান নিৰ্ধাৰিত কৰা।

তলত উল্লেখ কৰা বিষয়বোৰত দিহা-পৰামৰ্শ দিবলৈ অভিকৰণে এখন বিশেষজ্ঞ সমিতি গঠন কৰিব পাৰেঃ

১। অনুষ্ঠানবোৰত কোনো ব্যক্তিৰ প্ৰতি কৰা অন্যায় আৰু অযুক্তিকৰ আচৰণ আৰু অনুষ্ঠানবোৰত আগতীয়া সাৱধানবাণী নিদিয়াকৈ অন্তৰ্ভুক্ত কৰা গোপনীয়তা ভংগকাৰী অংশৰ বিৰুদ্ধে ল'বলগীয়া ব্যৱস্থা গ্ৰহণ।

২। হিংসা, যৌন আচৰণ আদি অনুষ্ঠানত অন্তৰ্ভুক্ত কৰাৰ সময়ত মানি চলিবলগীয়া নীতি-নিয়ম নিৰ্ধাৰণ; অৰ্থাৎ, বৃহত্তৰ দৰ্শকৰ মনোভাৱৰ প্ৰতি লক্ষ্য ৰাখি অনুষ্ঠানবোৰৰ ধৰি ৰাখিবলগীয়া শালীনতাৰ মান নিৰ্ধাৰণ।

বিধেয়কখন উত্থাপন কৰাৰ আঁৰৰ উদ্দেশ্য আৰু কাৰণঃ

১। বিগত কেইবছৰমানত সম্প্ৰচাৰ জগতখন, বিশেষকৈ চেটেলাইট সম্প্ৰচাৰ জগতখনলৈ বৈপ্লৱিক পৰিৱৰ্তন আহিছে। ভাৰতীয় আকাশমাৰ্গত দেশৰ নাগৰিকৰ বাবে অসংখ্য চেটেলাইট টেলিভিছ্ন ছেনেলে অনুষ্ঠান সম্প্ৰচাৰ কৰি আছে। এই সকলোবোৰ ছেনেলেই বিদেশী আৰু এই ছেনেলবোৰৰ আটাইবোৰ অনুষ্ঠান ভাৰতৰ বাহিৰৰ পৰা 'আপলিংক' কৰা হয়। ইয়াত ভাৰতৰ কোনো আইনবিহিত নীতি-নিয়ম মানি চলা নহয়। ইয়াৰ বিপৰীতে ভাৰতৰ উদ্যোগী আৰু কোম্পানীবোৰক এতিয়ালৈকে নিজাকৈ ৰেডিঅ'

অথবা টেলিভিছন কেন্দ্ৰ স্থাপনৰ অনুমতি দিয়া হোৱা নাই।

২। এনে অনিয়ন্ত্ৰিত টেলিভিছন অনুষ্ঠানবোৰৰ প্ৰভাৱ সম্পৰ্কে সংসদৰ বাহিৰে-ভিতৰে বিভিন্নজনে উদ্বিগ্নতা প্ৰকাশ কৰিছে। ভাৰতীয় উদ্যোগী আৰু কোম্পানীবোৰক ইয়াৰ সৈতে ফেৰ মাৰিবলৈ অনুমতি নিদিয়াৰ বিষয়টোৱেও সমানে চৰ্চিত হৈছিল। এই দিশত থকা একমাত্ৰ ন্যায়িক আহিলাবিধ হ'ল ১৮৮৫ চনৰ ভাৰতীয় টেলিগ্ৰাফ আইন। কিন্তু এই আইনখনে কোনো ধৰণে আধুনিক সম্প্ৰচাৰ মাধ্যমবোৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰে। সকলোবোৰ অগ্ৰণী গণতান্ত্ৰিক দেশেই সম্প্ৰচাৰ মাধ্যম নিয়ন্ত্ৰণ কৰিবলৈ বিশেষ আইন বলবৎ কৰিছে। ভাৰতত এই সম্প্ৰচাৰ বিধেয়কখনৰ উত্থাপন হ'ল এই দিশত লোৱা প্ৰথমটো ব্যৱস্থা।

৩। এই কথাও উপলব্ধি কৰা হৈছিল যে কেৱল ৰাজহুৱা সেৱা সম্প্ৰচাৰকৰ দ্বাৰা দৰ্শকৰ প্ৰয়োজনীয়তা আৰু চাহিদা পূৰণ কৰিব পৰা নাযাব। অনুষ্ঠানৰ বৈচিত্ৰ্য আৰু জনপ্ৰিয়তাৰ বাবে দেশৰ বিভিন্ন অঞ্চলৰ বিভিন্ন সামাজিক শ্ৰেণীৰ লোকৰ ৰুচিৰ কথা মনত ৰাখিব লাগিব। দেশৰ মহান গণতান্ত্ৰিক পৰম্পৰাই ইয়াৰ নাগৰিককো তথ্য সমৃদ্ধ হোৱাৰ অধিকাৰ প্ৰদান কৰিছে। সেয়েহে নাগৰিকক তথ্য, শিক্ষা আৰু মনোৰঞ্জনৰ দিশত বিকল্প পছন্দৰ এক বিশাল ক্ষেত্ৰ গঢ়ি দিব লাগিব। দেশৰ সম্প্ৰচাৰ ক্ষেত্ৰখনত ব্যক্তিগত সম্প্ৰচাৰকৰ অন্তৰ্ভুক্তিৰে এই কাম কৰিব পৰা যাব।

৪। বিধেয়কখনৰ জৰিয়তে এটা স্ব-নিয়ন্ত্ৰিত সম্প্ৰচাৰ অভিকৰণ গঠনৰ প্ৰস্তাৱ কৰা হৈছিল। এই অভিকৰণে ভাৰতৰ সম্প্ৰচাৰ সেৱা সুচল আৰু নিয়ন্ত্ৰণ কৰিব। তেতিয়াহে এই সেৱা গুণগত উৎকৰ্ষ, সেৱা ব্যয় আৰু নতুন প্ৰযুক্তিৰ ব্যৱহাৰৰ দিশেৰে অন্যৰ সৈতে ফেৰ মাৰিব পৰা বিধৰ হ'ব। লগতে ই সামাজিক পৰিৱৰ্তন, ভাৰতীয় সংস্কৃতিৰ সৈতে জড়িত প্ৰমূল্যবোৰৰ পোষকতা কৰা আৰু দেশৰ এক আধুনিক দৃষ্টিভংগী গঢ়াৰ এক অনুঘটকৰ ভূমিকা পালন কৰিব। অভিকৰণে সম্প্ৰচাৰৰ সংবেদনশীল ক্ষেত্ৰখনত প্ৰচলিত একচেটিয়া আধিপত্যৰ ধাৰাটো প্ৰতিহত কৰি দৰ্শকৰ সংবাদ আৰু দৃষ্টিভংগীৰ বহল ক্ষেত্ৰ এখন দিব পাৰিব।

১০.৪.৮ কেবল্ টেলিভিছন নেটৱৰ্ক্ (নিয়ন্ত্ৰণ) সংশোধন আইন, ২০০২

উপভোক্তাৰ পৰা পোৱা কিছুমান অভিযোগৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ১৯৯৫ চনৰ কেবল্ টেলিভিছন নেটৱৰ্ক আইনখনৰ সংশোধন কৰি ২০০২ চনৰ পৰা কেবল টেলিভিছন নেট্ৱৰ্ক্ (নিয়ন্ত্ৰণ) সংশোধন আইনখন প্ৰৱৰ্তন কৰিছে।

বৰ্তমান এক গুৰুতৰ ৰাজহুৱা অসন্তুষ্টিৰ কাৰণ হ'ল কেবল গ্ৰাহক ভুক্তি মূল্যৰ সঘন বৃদ্ধি। সম্প্ৰচাৰক আৰু কেৱল সেৱা যোগান ধৰোঁতাসকলে এই গ্ৰাহকভুক্তি মূল্য অন্যায়ভাৱে নিৰ্ধাৰণ কৰি একো একোটা অঞ্চলভিত্তিক একচেটিয়া সেৱা বিতৰণ প্ৰণালী চলাই আছে। দৰ্শকে প্ৰিয় ছেনেলবোৰ উপভোগ কৰিবলৈ বৰ্দ্ধিত হাৰত মূল্য পৰিশোধ

কৰাৰ গত্যন্তৰ নাই। আকৌ, এই ক্ষেত্ৰত চৰকাৰে হস্তক্ষেপ কৰিব পৰাকৈ কোনো প্ৰশাসনিক অথবা ন্যায়িক আহিলা নাই। সেয়েহে চৰকাৰে কেবল সেৱাৰ যোগান ধৰোঁতাসকলক গ্ৰাহক ভুক্তিৰ মূল্য কমাবলৈ অথবা এটা বিশেষ ব্যৱস্থাৰ মাজেৰে টেলিভিছন সংকেতবোৰ সম্প্ৰচাৰ অথবা পুনঃ সম্প্ৰচাৰ কৰিবলৈ ক'ব নোৱাৰে। এনে ব্যৱস্থাত গ্ৰাহকে কেৱল সেইবোৰ ছেনেলৰ বাবেহে মূল্য ভৰিব যিবোৰ ছেনেল তেওঁ উপভোগ কৰিবলৈ আগ্ৰহী। ইয়াৰ উপৰি দেশত প্ৰকৃত দৰ্শকৰ সংখ্যা জনাৰ কোনো ভাৰসাযোগ্য খতিয়ান নাছিল বাবে কেবল্ সেৱা যোগান ধৰোঁতা, একাধিক সেৱা আগবঢ়াওঁতা (MSOs) আৰু সম্প্ৰচাৰকসকলে সদায় প্ৰকৃত দৰ্শকতকৈ যথেষ্ট কম দৰ্শকৰ হিচাপ আগবঢ়াইছিল। ই চৰকাৰৰ ৰাজহ সংগ্ৰহত বিৰূপ প্ৰভাৱ পেলাইছিল। চৰকাৰৰ হস্তক্ষেপ বিচাৰি ৰাজহুৱা দাবী বৃদ্ধি পোৱাৰ বাবে চৰকাৰে সমস্যাটো অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰি চাবলৈ বাধ্য হৈছিল।

ওপৰৰ কথাবোৰ আলোচনা কৰিয়েই ১৯৯৫ চনৰ কেবল্ টেলিভিছন নেটৱৰ্ক্ (নিয়ন্ত্ৰণ) আইনখনৰ সংশোধন ঘটাই ইয়াতে তলৰ কথাবোৰ সন্নিৱিষ্ট কৰা হৈছিল-

(i) মূল্য পৰিশোধিত ছেনেলৰ অনুষ্ঠান উপভোগ কৰিবলৈ এটা সম্বোধনসাধ্য ব্যৱস্থা টেলিভিছন চেটবোৰৰ সৈতে সংলগ্ন কৰি ল'বলৈ চৰকাৰে পৰ্যায়ক্ৰমে জাননী জাৰী কৰি দৰ্শকক বাধ্য কৰাব পাৰিব।

(ii) 'বিনামূলীয়া সম্প্ৰচাৰ' (Free to Air) তালিকাত সন্নিৱিষ্ট ছেনেলবোৰৰ নাম অঞ্চল অনুসৰি জাননীৰ জৰিয়তে সকলোকে জনোৱা হ'ব। এই ছেনেলবোৰ প্ৰতিগৰাকী গ্ৰাহকেই পুৰণি টেলিভিছন গ্ৰাহক যন্ত্ৰবোৰৰ মাধ্যমেৰে উপভোগ কৰিব পাৰিব। এই ছেনেলবোৰ সম্বোধনসাধ্য ব্যৱস্থাৰ অন্তৰ্গত নহয়।

(iii) দৰ্শকে আগৰে পৰা ব্যৱহাৰ কৰি থকা টেলিভিছন চেটবোৰতেই উপভোগ কৰাৰ সুযোগ পোৱা এই 'বিনামূলীয়া সম্প্ৰচাৰ' তালিকাৰ ছেনেলবোৰ কেবল সেৱা যোগান ধৰোঁতাসকলেও মূল্য পৰিশোধ কৰা ছেনেলবোৰৰ সৈতে একেলগে আগবঢ়াব লাগিব।

(iv) নিৰ্দিষ্ট সময়ৰ অন্তৰালত ভাৰতীয় মান নিৰ্ধাৰক ব্যু'ৰ'ই এই সম্বোধনসাধ্য ব্যৱস্থাটোৰ কাৰিকৰী মান আৰু পাৰদৰ্শিতা পৰিমাপবোৰ নিৰ্ধাৰণ কৰি দিয়ে। ইয়াৰ ফলত ব্যৱস্থাটোত শেহতীয়া প্ৰযুক্তিগত সা-সুবিধা সংলগ্ন কৰি ইয়াক এক উন্নততৰ ৰূপ দিব পৰা যায়।

(v) চৰকাৰে নিৰ্দিষ্ট সময়ৰ ব্যৱধানত 'মৌলিক সেৱা স্তৰ' (basic service tier) ৰ ছেনেল উপভোগ কৰাৰ নামত দৰ্শকে সৰ্বাধিক কিমান মূল্য পৰিশোধ কৰিব লাগিব সেয়া ঠিক কৰি দিয়ে। এই সেৱা স্তৰটোত বিনামূলীয়া বুলি সদৰি কৰা ছেনেলবোৰো থাকে। ইয়াৰ উপৰি এই স্তৰত মুঠ কিমানটা ছেনেল থাকিব আৰু দেশৰ কোনোটো অঞ্চল, কোনখন ৰাজ্য, নগৰ, চহৰৰ দৰ্শকে কিমান সৰ্বাধিক মূল্য পৰিশোধ কৰি এই স্তৰৰ ছেনেলবোৰৰ সেৱা গ্ৰহণ কৰিব সেয়াও চৰকাৰে নিৰ্ধাৰণ কৰি দিয়ে।

এই সংশোধনীবোৰে চৰকাৰক উপভোক্তাৰ স্বাৰ্থ যেতিয়াই যেনেদৰে প্ৰয়োজন

হয় তেতিয়াই তেনেদৰে ৰক্ষা কৰাৰ ব্যৱস্থা লোৱাৰ ক্ষমতা প্ৰদান কৰিছে।

১০.৪.৯ সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ বিধেয়ক, ২০০৬

ভাৰতৰ নীতি নিৰ্ধাৰকসকলে বিভিন্ন সময়ত এয়া অনুভৱ কৰিছিল যে আকাশী তৰংগবোৰ ৰাজহুৱা সম্পত্তি। সেয়েহে, ৰাষ্ট্ৰীয় তথা ৰাজহুৱা স্বাৰ্থত এই তৰংগৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা উচিত। বিশেষকৈ যিমানদূৰ সম্ভৱ আকাশী তৰংগৰ জৰিয়তে প্ৰবাহিত হোৱা বিষয়বস্তুবোৰৰ উপযুক্ত বিতৰণ নিশ্চিত কৰাৰ বাবে এনে নিয়ন্ত্ৰণৰ প্ৰয়োজন আছে। এই কথাটোলৈ লক্ষ্য ৰাখি চৰকাৰে সময় সময়ে নানা নিৰ্দেশনা জাৰি কৰিবলৈ ল'লে। সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণৰ এনে নিৰ্দেশনাবোৰত কেন্দ্ৰীয় কেবিনেটৰ মঞ্জুৰী থাকে। ইয়াৰ লগতে এই নিৰ্দেশনাবোৰক পূৰ্বৰ কোনো তাৰিখৰ পৰা বলবৎ কৰিব পৰাকৈ এটা বিধিসন্মত ৰূপ দিয়াৰ প্ৰয়োজনীয়তাও অনুভৱ কৰা হৈছিল।

সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ বিধেয়কৰ উদ্দেশ্য ঃ

২০০৬ চনত উত্থাপিত সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ বিধেয়কখন হ'ল সম্প্ৰচাৰ সংকেত প্ৰবাহ আৰু বিষয়বস্তুৰ এক শৃংখলাৱদ্ধ ৰূপৰ পোষকতা কৰা, এনে প্ৰবাহ আৰু বিষয়বস্তুৰ সম্প্ৰচাৰ সুচল কৰি তোলাৰ লগতে এইবোৰক উন্নততৰ ৰূপত বিকশাই তোলাৰ প্ৰয়াস। ইয়াৰ উপৰি বিধেয়কখনৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ মনোৰঞ্জনমূলক, সংবাদ ভিত্তিক, দৃষ্টিভংগী কেন্দ্ৰিক আৰু তথ্য ভিত্তিক অনুষ্ঠান যুক্তিসংগত, বস্তুনিষ্ঠ তথা প্ৰতিযোগিতামূলক ভাৱে পৰিৱেশন কৰিব পৰাকৈ ভাৰতৰ সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ কৰাৰো প্ৰয়াস চলোৱাৰ কথা ভবা হৈছিল। ইয়াৰ আন এক উদ্দেশ্য আছিল ৰাজহুৱা প্ৰদৰ্শনী আৰু এনেদৰে প্ৰদৰ্শিত অনুষ্ঠানৰ সৈতে জড়িত ৰাজহুৱা বিষয়বোৰৰ পৰা কিমানখিনি তথ্য- সমল বিষয়বস্তুৰূপে ব্যৱহাৰ কৰিব পৰা যায় সেই ক্ষেত্ৰতো নিয়ন্ত্ৰণ ৰখা। বিধেয়কত ভাৰতীয় সম্প্ৰচাৰ নিয়ন্ত্ৰণ অভিকৰণ নামৰ এক স্বতন্ত্ৰ কৰ্তৃপক্ষ গঠনৰ কথা কোৱা হৈছে। এই অভিকৰণে ভাৰতৰ সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ কৰাৰ লগতে ইয়াৰ বিকাশৰ পথ সুচল কৰি তুলিবলৈ কাম কৰি যাব।

বিধেয়কখনৰ জৰিয়তে অনুজ্ঞা পত্ৰ প্ৰদান ব্যৱস্থা, ৰাজহুৱা স্বাৰ্থ ৰক্ষা আৰু কেন্দ্ৰীয় চৰকাৰক দিয়া ক্ষমতা সমূহঃ

বিধেয়কখনত কোৱা হৈছে যে অনুজ্ঞা পত্ৰ অবিহনে কোনেও সম্প্ৰচাৰ সেৱা আগবঢ়াব নোৱাৰে। বিধেয়কখন আইনৰূপে বলবৎ হোৱাৰ পাচত কোনেও সম্প্ৰচাৰ সেৱা, অনুষ্ঠান নাইবা ছেনেল নিয়ন্ত্ৰণ কৰিবলৈ এই আইনত অন্তৰ্ভুক্ত কৰা বিহিত নীতি-নিৰ্দেশনাৰ বাহিৰলৈ গৈ অনুজ্ঞা পত্ৰ অথবা যাৱতীয় অনুমতি অথবা যথাবিহিত পঞ্জীয়ন নোহোৱাকৈ কোনো একক অনুষ্ঠান নাইবা ছেনেলৰ জৰিয়তে অনুষ্ঠান সম্প্ৰচাৰ অথবা সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিব নোৱাৰিব।

ৰাজহুৱা স্বাৰ্থ ৰক্ষাত কেন্দ্ৰীয় চৰকাৰৰ কেনে ক্ষমতা থাকিব বিধেয়কখনত

সেয়াও উল্লেখ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে যিকোনো মূহুৰ্ততে জৰুৰী বুলি ভাবিলে অথবা ৰাজহুৱা স্বাৰ্থৰ অনুকূল বুলি ভাবিলে যিকোনো সম্প্ৰচাৰ সেৱাৰে অনুজ্ঞাপত্ৰ বাতিল কৰিবলৈ, অনুজ্ঞাপত্ৰ প্ৰদানকাৰী কৰ্তৃপক্ষক অথবা সেৱা যোগান ধৰোঁতাক তৎক্ষণাত সম্প্ৰচাৰ বন্ধ কৰাৰ নিৰ্দেশ দিব পাৰে। কোনো বন্ধু ৰাষ্ট্ৰৰ সৈতে থকা সম্পৰ্কত আঘাত হানিব পৰা, ৰাজহুৱা শৃংখলাৰ ক্ষতি কৰিব পৰা, সাম্প্ৰদায়িক ঐক্য বিনস্ত কৰিব পৰা নাইবা ৰাষ্ট্ৰৰ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা সম্প্ৰচাৰৰ ক্ষেত্ৰত চৰকাৰে এনে নিৰ্দেশ জাৰি কৰিব পাৰে। অনুজ্ঞা পত্ৰ প্ৰদানকাৰী কৰ্তৃপক্ষই সেৱা যোগানকাৰীৰ অনুজ্ঞা পত্ৰ সাময়িকভাৱে ৰদ্ কৰিব পাৰে নাইবা বাতিল কৰিব পাৰে আৰু প্ৰয়োজন সাপেক্ষে সেৱা অথবা ছেনেলৰ সম্প্ৰচাৰ বন্ধ কৰাৰ নিৰ্দেশ দিব পাৰে। সেৱা যোগান ধৰোঁতাসকলে তাৎক্ষণিকভাৱে এনে সকলোবোৰ অথবা বিশেষ নিৰ্দেশ মানি চলিব লাগে।

প্ৰস্তাৱিত বিধেয়কৰ অধীনত গঠন কৰিবলগীয়া ভাৰতীয় সম্প্ৰচাৰ নিয়ন্ত্ৰণ প্ৰাধিকৰণটো হ'ব এটা কৰ্প'ৰেট অভিকৰণ। এই অভিকৰণটোৱে অবিৰত উত্তৰাধিকাৰ ক্ৰমত কাম কৰি যাব। ইয়াৰ উমৈহতীয়া চীল- মোহৰে অভিকৰণটোক সম্পত্তি আহৰণ, মালিকীস্বত্ব নিজ হাতত ৰখা আৰু মালিকীস্বত্ব এৰি দিয়াৰ ক্ষমতা প্ৰদান কৰিব। এনে সম্পত্তি স্থাৱৰ নাইবা অস্থাৱৰ দুয়ো ধৰণৰ হ'ব পাৰে। নিকায়টোৱে অন্যৰ সৈতে চুক্তিৱদ্ধ হ'ব পাৰিব আৰু প্ৰাধিকৰণৰ হৈ কাৰোবাক আইনীভাৱে অভিযুক্ত কৰিব পাৰিব অথবা অইনেও প্ৰাধিকৰণৰ নাম প্ৰয়োগ কৰি অভিযোগ উত্থাপন কৰিব পাৰিব। প্ৰাধিকৰণৰ এগৰাকী অধ্যক্ষ তথা সৰ্বাধিক ছগৰাকী পূৰ্ণকালীন সদস্য থাকিব। তেওঁলোকক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিব। প্ৰাধিকৰণৰ মুখ্য কাৰ্যালয় নতুন দিল্লীত থাকিব।

চৰকাৰৰ দ্বাৰা বিহিত নীতি নিৰ্দেশনা অনুসৰি অভিকৰণে বিভিন্ন শিতানৰ সেৱা যোগান ধৰোঁতাক অনুজ্ঞা পত্ৰৰ সৈতে জড়িত চৰ্তাৱলী সম্পৰ্কে অৱগত কৰোৱাব। অভিকৰণে কাৰ্য সম্পাদন কৰোঁতে লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰক বিধিৱদ্ধ নীতি-নিৰ্দেশনা অথবা বিধান আদি সলনি কৰাৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। চৰকাৰে অভিকৰণক জনোৱা অন্য ধৰণৰ বিষয়তো অভিকৰণে নিজৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। বিধেয়কৰ ধাৰা ৪ অনুসৰি অভিকৰণৰ হাতত টিভি আৰু ৰেডিঅ' ছেনেলৰ নাম পঞ্জীয়ন কৰাৰ ক্ষমতা থাকিব। সেৱা যোগানকাৰীৰ বাবে সেৱাৰ গুণগত মান নিৰ্ধাৰণ কৰি দিয়াৰ ক্ষমতাও অভিকৰণক অৰ্পণ কৰা হৈছে। সম্প্ৰচাৰ সেৱাৰ গ্ৰাহকসকলৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে অভিকৰণে মাজে সময়ে সেৱা যোগনিয়াৰসকলৰ কাম-কাজৰ সমীক্ষা কৰিব। সম্প্ৰচাৰ সেৱাৰ ন্যায্য, সমতাপুৰ্ণ আৰু অ-বৈষম্যমূলক সুলভতা নিশ্চিত কৰিবলৈ অভিকৰণে চৰ্ত যুগুত তথা নিৰ্ধাৰণ কৰিব।

<u>বিধেয়কখনৰ অধীনত কেবল্ টিভি সেৱা যোগান ধৰোঁতাৰ বাবে ধাৰ্য কৰা বাধ্যতামূলক নীতিবোৰ</u> ঃ

বিধেয়কখনত প্ৰতিগৰাকী কেবল্ টিভি সেৱা যোগান ধৰোঁতাই 'লোকসভা'

তথা 'ৰাজ্যসভা' ছেনেল দুটাৰ বাধ্যতামূলক সম্প্ৰচাৰ কৰিব লাগিব বুলি কোৱা হৈছে। এই দুটা চেনেলক 'প্ৰাইম বেণ্ড'ত অন্তৰ্ভুক্ত কৰাৰ লগতে তেওঁলোকে অতি কমেও আন দুটা চেটেলাইট দূৰদৰ্শন ছেনেল আৰু যিকোনো এখন ৰাজ্যৰ এটা আঞ্চলিক ছেনেলকো স্থান দিব লাগিব। ১৯৯০ চনৰ প্ৰসাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম) আইনৰ ধাৰা ৩ (1) অনুসৰি গঠন কৰা প্ৰসাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম)-এ আনুষ্ঠানিক ৰাজপত্ৰিত জাননীৰ জৰিয়তে কেবল সেৱা যোগান ধৰোঁতা সকলে কিমানটা অতিৰিক্ত দূৰদৰ্শন ছেনেলৰ অনুষ্ঠান সম্প্ৰচাৰ তথা পুনঃ সম্প্ৰচাৰ কৰিব লাগিব, এই ছেনেলবোৰৰ সংকেত গ্ৰহণ তথা প্ৰেৰণৰ পদ্ধতি আৰু দূৰদৰ্শনৰ আটাইবোৰ ছেনেলৰ নাম অৱগত কৰাইছে।

২০০৬ চনৰ সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ বিধেয়কখনত ব্যক্তিগত ছেনেলৰ সেৱা সম্প্ৰচাৰকো নিয়ন্ত্ৰণ কৰা হৈছে। বিহিত সম্প্ৰচাৰ নিৰ্দেশাৱলীকে ধৰি প্ৰস্তুতিপৰ্ব চলি থকা নতুন বিষয়বস্তুৰ দ্বাৰা সংহিতাৰ নীতি-নিয়ম উলংঘা কৰা সকলৰ বাবে অনুজ্ঞাপত্ৰ বাতিল আৰু জৰিমনা আদিৰ দৰে শাস্তিৰ ব্যৱস্থা কৰা হৈছে। এই আইনৰ বিৰুদ্ধে গৈ সম্প্ৰচাৰ সেৱা আগবঢ়োৱা , বিতৰণ কৰা অথবা গ্ৰহণ কৰা যিকোনো ব্যক্তিকে অবৈধ সম্প্ৰচাৰ নিয়মৰ অধীনত জগৰীয়া কৰা হ'ব পাৰে। পঞ্জীয়নভুক্ত নকৰা যিকোনো ছেনেলৰ সম্প্ৰচাৰ, অনুজ্ঞাপত্ৰ নথকা যিকোনো ছেনেলৰ সম্প্ৰচাৰ, অনুমতি নথকা নাইবা অনুমতি উলংঘাকাৰী সেৱা অথবা বিষয়বস্তু বিতৰণ তথা সম্প্ৰচাৰ কৰা যিকোনো অনুষ্ঠানৰ ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব পাৰে। প্ৰথমবাৰ দোষী সাব্যস্ত হ'লে তিনি বছৰলৈকে কাৰাদণ্ড অথবা ২৫ লাখ টকালৈকে জৰিমনা বিহা নাইবা দুয়োটা শাস্তি বিহা হ'ব পাৰে। একেটা দোষতে দ্বিতীয়বাৰ দোষী সাব্যস্ত হ'লে ৫ বছৰ পৰ্যন্ত কাৰাবাস, ৫০ লাখ টকালৈকে জৰিমনা অথবা দুয়োটা শাস্তি বিহা হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ১৯৯০ চনৰ প্ৰসাৰ ভাৰতী আইনৰ যিকোনো দুটা উদ্দেশ্য লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ ১৯৯৭ চনৰ সম্প্ৰচাৰ বিধেয়কখন উত্থাপনৰ আঁৰৰ কাৰণবোৰ কি আছিল? যিকোনো দুটা কাৰণ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ ১৯৯৭ চনত বিধেয়কত প্ৰস্তাৱ কৰা ভাৰতীয় সম্প্ৰচাৰ অভিকৰণৰ দুটা কাৰ্যৰ বিষয়ে লিখক।

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ


- সৰ্বোচ্চ ন্যায়ালয়ে ১৯৯৫ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে ইউনিয়ন অৱ ইণ্ডিয়া বনাম ক্ৰিকেট এচ'চিয়েশ্যন অৱ বেংগলৰ গোচৰু এক ৰায়দান দিছিল যে আকাশীতৰঙ্গবোৰ (ৰেডিঅ' দূৰদৰ্শন আদি) ৰাইজৰ সম্পত্তি, ইয়াত একাধিপত্য গ্ৰহণযোগ্য নহয়। আকাশীতৰঙ্গ (airwaves) প্ৰসাৰণৰ ক্ষেত্ৰত ব্যক্তিবিশেষ বা চৰকাৰৰ একাধিপত্য নাথাকিব। অন্যথা ৰাইজে মুকলিকৈ কথা কোৱাৰ অধিকাৰ বাধাগ্ৰস্ত হ'ব।
- চৰকাৰক নিৰ্দেশনা দিয়া হৈছিল যে চৰকাৰে তাৎক্ষণিক ভাৱে এখন কমিটি গঠন কৰিব লাগে যাতে ই আকাশীতৰঙ্গৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত সমাজৰ সকলো আৰু সামাজিক স্বাৰ্থজনিত সকলো দিশ চোৱাচিতা কৰিবৰবাবে গঠন কৰিব পৰা যায়।
- প্ৰসাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম) আইন, ১৯৯০ খন ১৯৯৭ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা বলবৎ হৈছিল।
- প্ৰসাৰ ভাৰতী আইনখনত কোৱা হৈছে যে সম্প্ৰচাৰ নিগমৰ প্ৰধান কৰ্তব্য হ'ব ৰাজহুৱা সম্প্ৰচাৰ সেৱাবোৰ সংগঠিত আৰু পৰিচালিত কৰা। এনে সেৱাবোৰে জনসাধাৰণক বিভিন্ন তথ্য অৱগত কৰোৱাব, শিক্ষিত কৰি তুলিব আৰু মনো�ৰঞ্জন প্ৰদান কৰিব। ইয়াৰ উপৰি নিগমে ৰেডিঅ' আৰু টেলিভিছনৰ সমতাপূৰ্ণ বিকাশ নিশ্চিত কৰিব।
- কেবল্ টেলিভিছন নেটৱ'ৰ্ক্ (নিয়ন্ত্ৰণ) আইন, ১৯৯৫ গৃহিত কৰা প্ৰধান উদ্দেশ্য আছিল দেশৰ কেবল টেলিভিছন নেটৱ'ৰ্কৰ কাম- কাজবোৰ নিয়ন্ত্ৰণ কৰা আৰু এই ক্ষেত্ৰখনৰ সৈতে জড়িত নাইবা ঘটনাক্ৰমে উদ্ভৱ হোৱা বিভিন্ন বিষয় অথবা সমস্যা সমাধানৰ উপায় বিচাৰি উলিওৱা।
- ১৯৯৭ চনৰ সম্প্ৰচাৰ বিধেয়কৰ জৰিয়তে ভাৰতীয় সম্প্ৰচাৰ অভিকৰণ (Broadcasting Authority of India) নাম দিয়া এক স্বতন্ত্ৰ কৰ্তৃপক্ষ গঠনৰ পথ সুচল কৰি তোলা হৈছিল।
- ২০০৬ চনত উত্থাপিত সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ বিধেয়কখন হ'ল সম্প্ৰচাৰ সংকেত প্ৰবাহ আৰু বিষয়বস্তুৰ এক শৃংখলাৱদ্ধ ৰূপৰ পোষকতা কৰা, এনে প্ৰবাহ আৰু বিষয়বস্তুৰ সম্প্ৰচাৰ সুচল কৰি তোলাৰ লগতে এইবোৰক উন্নততৰ ৰূপত বিকশাই তোলাৰ প্ৰয়াস। ইয়াৰ উপৰি বিধেয়কখনৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ মনোৰঞ্জনমূলক, সংবাদ ভিত্তিক, দৃষ্টিভংগী কেন্দ্ৰিক আৰু তথ্য ভিত্তিক অনুষ্ঠান যুক্তিসংগত, বস্তুনিষ্ঠ তথা প্ৰতিযোগিতামূলক ভাৱে পৰিৱেশন কৰিব পৰাকৈ ভাৰতৰ সম্প্ৰচাৰ সেৱা নিয়ন্ত্ৰণ কৰাৰো প্ৰয়াস চলোৱাৰ কথা ভবা হৈছিল।



১০.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1. Aggarwal, Vir Bala, V.S Gupta (2002) Handbook of Journalism and Mass Communication. New Delhi : Concept Publishing Company
2. Gupta, V. (1999). Communication Technology, Media Policy & National Development. New Delhi: Concept Publishing Company.
3. Thakurta, P. G. (2015). Media Ethics. New Delhi: Oxford University Press.
4. Kumar, Keval J. (2006) Mass Communication in India. Mumbai : Jaico Publishing House
5. Singhal, A., & Rogers, E. M. (2001). India's Communication Revolution: from bullock carts to cyber marts. New Delhi: Sage Publishing.



১০.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ আকাশবাণীৰ প্ৰসাৰণ নীতি নিয়ন্ত্ৰণত থকা দুটা বাধানিষেধ হ'ল-

(ক) বন্ধুত্বপূৰ্ণ দেশৰ সমালোচনা

(খ) ধাৰ্মিক কথাত আঘাত কৰা বা এটা জাতিক আক্ৰমণ কৰা

২ নং প্ৰশ্ন উত্তৰ ঃ ১। যিকোনো নিৰ্বাচনকেন্দ্ৰিক ভাষণ, য'ত হিংসাত্মক, ধৰ্মীয় আঘাতক প্ৰৰোচিত কৰা ভাষা বিৰোধী, জাতিবিৰোধী মনোভাৱ প্ৰকাশ পায়- তেনে ভাষণ বৈদ্যুতিক সংবাদ মাধ্যমে প্ৰচাৰ কৰিব নোৱাৰে।

২। এটা সমষ্টিত কেৱল এগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰক গুৰুত্ব দিব নোৱাৰিব । কিন্তু, সমষ্টি এটাৰ সকলো প্ৰাৰ্থীক সমানে গুৰুত্ব দিয়াৰো প্ৰয়োজনীয়তা নাথাকে। যিবোৰ সমষ্টিত বেছিকৈ প্ৰাৰ্থী থাকে সেই সমষ্টিবোৰৰ প্ৰধান প্ৰাৰ্থীকেইগৰাকীক গুৰুত্ব দিব লাগে।

৩ নং প্ৰশ্ন উত্তৰ ঃ (ক) দেশৰ অখণ্ডতা আৰু সংহতি বৰ্তাই ৰখা আৰু সংবিধানত অন্তৰ্ভুক্ত প্ৰমূল্যবোৰৰ পোষকতা কৰা;

(খ) ৰাষ্ট্ৰীয় সংহতিৰ পোষকতা কৰা;

৪ নং প্ৰশ্ন উত্তৰ ঃ (ক) বিগত কেইবছৰমানত সম্প্ৰচাৰ জগতখন, বিশেষকৈ চেটেলাইট সম্প্ৰচাৰ জগতখনলৈ বৈপ্লৱিক পৰিৱৰ্তন আহিছে। ভাৰতীয় আকাশমাৰ্গত দেশৰ

নাগৰিকৰ বাবে অসংখ্য চেটেলাইট টেলিভিছন ছেনেলে অনুষ্ঠান সম্প্ৰচাৰ কৰি আছে। এই সকলোবোৰ ছেনেলেই বিদেশী আৰু এই ছেনেলবোৰৰ আটাইবোৰ অনুষ্ঠান ভাৰতৰ বাহিৰৰ পৰা 'আপলিংক' কৰা হয়। ইয়াত ভাৰতৰ কোনো আইনবিহিত নীতি-নিয়ম মানি চলা নহয়। ইয়াৰ বিপৰীতে ভাৰতৰ উদ্যোগী আৰু কোম্পানীবোৰক এতিয়ালৈকে নিজাকৈ ৰেডিঅ' অথবা টেলিভিছন কেন্দ্ৰ স্থাপনৰ অনুমতি দিয়া হোৱা নাই।

(খ) এনে অনিয়ন্ত্ৰিত টেলিভিছন অনুষ্ঠানবোৰৰ প্ৰভাৱ সম্পৰ্কে সংসদৰ বাহিৰে-ভিতৰে বিভিন্নজনে উদ্বিগ্নতা প্ৰকাশ কৰিছে। ভাৰতীয় উদ্যোগী আৰু কোম্পানীবোৰক ইয়াৰ সৈতে ফেৰ মাৰিবলৈ অনুমতি নিদিয়াৰ বিষয়টোৱেও সমানে চৰ্চিত হৈছিল। এই দিশত থকা একমাত্ৰ ন্যায়িক আহিলাবিধ হ'ল ১৮৮৫ চনৰ ভাৰতীয় টেলিগ্ৰাফ আইন। কিন্তু এই আইনখনে কোনো ধৰণে আধুনিক সম্প্ৰচাৰ মাধ্যমবোৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰে। সকলোবোৰ অগ্ৰণী গণতান্ত্ৰিক দেশেই সম্প্ৰচাৰ মাধ্যম নিয়ন্ত্ৰণ কৰিবলৈ বিশেষ আইন বলবৎ কৰিছে। ভাৰতত এই সম্প্ৰচাৰ বিধেয়কখনৰ উত্থাপন হ'ল এই দিশত লোৱা প্ৰথমটো ব্যৱস্থা।

৫ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতত প্ৰসাৰণ অধিকাৰীৰ ক্ষেত্ৰত দুটা কাৰ্য্য হ'ল-

(ক) প্ৰসাৰ সেৱাৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান কৰা।

(খ) সমগ্ৰ ভাৰততে বহুলভাৱে প্ৰসাৰণ সেৱা উপলব্ধ হোৱাটো নিশ্চিত কৰা।

গ্ৰাহকসকল হ'ল মানুহৰ দল যি সঞ্চাৰণৰ জৰিয়তে কেবল টেলিভিশ্যন নেটৱৰ্ক দেৱা গ্ৰহণ কৰে।



১০.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ২ ঃ আকাশবাণীৰ যিকোনো দুটা সম্প্ৰচাৰ সংহিতাৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ কেবল টেলিভিছন নেটৱ'ৰ্ক আইন, ১৯৯৫ খন কিয় সংশোধন কৰাৰ প্ৰয়োজন?

(খ) চুটি প্ৰশ্ন- (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰসাৰ ভাৰতী আইন, ১৯৯০ খনৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন- (প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ নিৰ্বাচনৰ সময়ত দূৰদৰ্শন আৰু আকাশবাণীয়ে মানি চলা সম্প্ৰচাৰ নীতি-নিৰ্দ্দেশনাবোৰ কি কি?

প্ৰশ্ন ২ ঃ সম্প্ৰচাৰ বিধেয়ক, ১৯৯৭ৰ উদ্দেশ্যবোৰ কি কি আছিল?

****

অধ্যায় : ১১ : ফটো সাংবাদিকতাৰ নীতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ফটো সাংবাদিকতাৰ নীতিৰ গুৰুত্ব

১১.৪ ফটোৰ সৈতে কাম কৰা সাংবাদিকৰ বাবে থকা দিক্ নির্দেশাৱলী

১১.৫. অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্রগতিৰ খতিয়ান

১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ফটো সাংবাদিকতাৰ নীতিৰ গুৰুত্ব বুজি পাব
- ফটোৰ সৈতে কাম কৰা সাংবাদিকৰ বাবে থকা দিক্ নির্দেশাৱলীবোৰ পৰীক্ষা

কৰিব পাৰিব।

১১.২ পৰিচয়

পূর্বৰ অধ্যায়টিত আমি বৈদ্যুতিক সংবাদ মাধ্যমৰ সৈতে জড়িত বিভিন্ন আইন সম্পর্কে আলোচনা কৰিছিলোঁ। এইটো অধ্যায় আমি ফটো সাংবাদিকতাৰ নীতিৰ গুৰুত্ব সম্পর্কে আপোনাক এটা সম্যক ধাৰণা দিম।

১১.৩ ফটো সাংবাদিকতাৰ নীতিৰ গুৰুত্ব

ইউ এছ নিউজ এণ্ড ৱর্ল্ড ৰিপোর্টৰ আলোকচিত্র বিভাগৰ সঞ্চালক ষ্টিভ লার্ছনৰ মতে, "আলোকচিত্র হৈছে কোনো এক বাস্তৱ মুহূর্তৰ অভিলেখ। যদি আমি এই অভিলেখ পৰিৱর্তন কৰিব বিচাৰো তেন্তে সেয়া আমাৰ ভুল। আমি ইয়াৰ সৈতে সহমতত উপস্থিত হ'ব লাগিব। ইয়াতেই আলোকচিত্র এখনৰ ক্ষমতা লুকাই থাকে।" বাস্তৱক প্রতিনিধিত্ব কৰা আলোকচিত্র এখন সত্যৰ পৰা বিচলিত হ'লে ইয়াৰ বার্তা আৰু মাধ্যমটো বিকৃত হ'ব হ'ৱার্ড চাপনিকে (Howard Chapnick) ফটো সাংবাদিকতাৰ নীতিত বিশ্বাসযোগ্যতা আৰু দায়ৱদ্ধতাৰ সন্নিৱিষ্ট কৰাত জোৰ দিছে। তেওঁ মন্তব্য কৰিছে যে এই বিশ্বাসযোগ্যতা বর্তাই নাৰাখিলে সাংবাদিকতাৰ প্রভাৱ আৰু আত্ম-সন্মান তথা যোগাযোগৰ এটা আহিলা হিচাপে আলোকচিত্রৰ গুৰুত্ব হ্রাস পাব।

ফটো সাংবাদিকতাৰ ক্ষেত্রত বিষয়, পৰিৱেশ, সংস্কৃতি, ঘটনাস্থলীত ফটো সাংবাদিকগৰাকীৰ উপস্থিতি আৰু বৃহত্তৰ প্রসংগত ফটোসমূহৰ প্রভাৱ আদি বাস্তৱ সন্মতভাৱে চিন্তা কৰি তাৎক্ষণিকভাৱে আলোকচিত্র সম্পর্কীয় সিদ্ধান্ত ল'ব লাগে। এই সকলো প্রসংগৰ মাজতে আলোকচিত্র এখনৰ চূড়ান্ত প্রভাৱৰ বিষয়ে নীতি সন্মতভাৱে সিদ্ধান্ত গ্রহণ কৰাটো দৰকাৰ। এগৰাকী ফটো সাংবাদিকে বিষয়ৰ ওপৰত নীতিসন্মতভাৱে মনোযোগ দিব লাগে আৰু বিষয়বস্তুৰ সঠিক উপস্থাপন কৰিব লাগে। লগতে তেওঁ দর্শকৰ সংবেদনশীলতা আৰু অনুধাৱন শক্তি সম্পর্কেও অৱগত হ'ব লাগে। ডিজিটেল সম্পাদনাৰ দ্বাৰা আলোকচিত্রত কাৰাচাজি কৰাৰ বিষয়তো নীতিগত কথা জড়িত হৈ আছে। ৰাপো জগুৰিয়ে (Rrapo Zguri) তেওঁৰ 'Digital Custom Model Ethics Guidelines' ৰ সামৰণিত উল্লেখ কৰা কেইটামান নীতি উলংঘনকাৰী কার্য হৈছে :

- ঘটনা ঘটাৰ অৱস্থাটো পৰিৱর্তন হোৱাকৈ ফটো সম্পাদনা কৰা; বিষয়বস্তুৰ (subjects) মুখাৱয়বৰ প্রকাশভংগি, অংগিভংগী, সাজপাৰ, দেহাংশ আৰু ব্যক্তিগত সামগ্রী আদি পৰিৱর্তন কৰা
- বয়স বঢ়োৱা নাইবা কমোৱা
- ফটোৰ গুণ অথবা চাহিদাৰ অতিমূল্যায়ন অথবা অৱমূল্যায়ন অথবা নন্দনতাত্ত্বিকভাৱে পৰিৱেশ সলনি কৰিবলৈ আচল ফটোখনৰ সান-সলনি ঘটোৱা
- এনেদৰে বিশেষ প্রভাৱ প্রয়োগ আৰু ৰং সলনি কৰা যত ই কোনো ঢাক খাই থকা প্রকৃত ঘটনাৰ এক অংশ নে ডিজিটেলি সম্পাদন কৰি সলনি কৰা হৈছে সেয়া দর্শকৰ বাবে অস্পষ্ট কৰি তোলা
- অন্য ডিজিটেল সম্পাদনা প্রক্রিয়া ব্যৱহাৰ কৰা য'ত ঘটনা, অংশগ্রহণকাৰী নাইবা প্রসংগই দর্শকক ভুল পথে লৈ যায়।

আলোকচিত্রত থকা অস্পষ্ট ছাপ, স্বাক্ষৰ, ছীল-মোহৰ আৰু ষ্টুডিঅ'ৰ নাম আদি সত্যতাৰ প্রমাণ দিব পৰা উপাদানসমূহ মচি দিয়া

- ক্ষতিগ্রস্ত অংশ বাদ দিবলৈ আলোকচিত্রৰ আকাৰ সৰু কৰা; কেতিয়াবা এই প্রক্রিয়াই ঘটনাৰ পটভূমি অথবা বস্তুনিষ্ঠতা সলনি কৰে।

ৰাজনৈতিক ষড়যন্ত্র, এটা ঘটনাৰ মিছা ব্যাখ্যা দিব বিচৰা, ব্যক্তিগত ক্ষেত্রত প্রৱেশ কৰা, সন্মান হানি কৰা, স্বত্বাধিকাৰ ভংগ কৰা আদিত আলোকচিত্র সম্পাদনাৰ অপব্যৱহাৰ সম্পর্কীয় নীতিৰ বিষয়টো উত্থাপিত হয়। আলোকচিত্রবোৰ এগৰাকী আলোকচিত্র গ্রহণকাৰীৰ ব্যক্তিনিষ্ঠতা, বিশ্বাস, দৃষ্টিভংগী, নির্দিষ্ট সীমাৱদ্ধতা, অন্ধবিশ্বাস, আগ্রহ, ব্যক্তিগত ৰুচি- অভিৰুচিৰ দ্বাৰা প্রভাৱিত হয় বাবে ইয়াত ব্যক্তিনিষ্ঠতা আৰু বস্তুনিষ্ঠতাৰ কথাও আহি পৰে। ইয়ে উপস্থাপনৰ বিষয়টোও আনে, যিহেতু বেলেগ বেলেগ সংবাদ গোষ্ঠীৰ সম্পাদকীয় নীতি ভিন্নতাই এই দিশটোৰ ওপৰত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।এই প্রক্রিয়াত নির্দিষ্ট সীমাৱদ্ধতা (stereotypes) আৰু অন্ধবিশ্বাস হ'ল একোটা নির্ণায়ক কাৰক। দর্শকৰ প্রয়োজন পূৰণ কৰা আৰু বজাৰত ব্যাপক চাহিদা থকা এনেধৰণৰ নীতিৰ আধাৰত তোলা আলোকচিত্রই প্রচলিত সীমাৱদ্ধতাকেই দৃঢ়তাৰে

প্ৰতিপন্ন কৰে।

'দ্য এছোচিয়েট প্ৰেছ এ ফটো সাংবাদিকসকলৰ বাবে কেতবোৰ নিয়মাৱলী লৈ আহিছে আৰু এই নিয়মাৱলী সমূহ সকলো ফটো সাংবাদিকৰ বাবে সাধাৰণ নিৰ্দেশাৱলী হৈ পৰিছে। নিয়মাৱলী সমূহ হৈছে:

"এছোচিয়েট প্ৰেছ'ৰ ফটোই সদায় সত্য ক'ব লাগিব । আমি ডিজিটেলি অথবা আন কোনো প্ৰকাৰে এখন আলোকচিত্ৰৰ বিষয়বস্তু সালসলনি নকৰোঁ।

এখন আলোকচিত্ৰৰ বিষয়বস্তু ফটোশ্বপ অথবা আন কোনো উপায়েৰে সলনি কৰা নাযাব। আলোকচিত্ৰটোৰ পৰা কোনো উপাদান ডিজিটেল উপায়েৰে আঁতৰাই নিয়া অথবা যোগ কৰাটো অনুচিত। ফটোশ্বপ অথবা আন কোনো সম্পাদনা আহিলাৰ দ্বাৰা ব্যক্তিৰ মুখাৱয়ব অথবা পৰিচয় অস্পষ্ট কৰি দিয়া নহ'ব। কে ৱল কেমেৰাৰ ছেঞ্চৰত থকা ধুলি-বালি আৰু স্কেন কৰা নেগেটিভ অথবা প্ৰতিলিপিত থকা চিন নোহোৱা কৰাৰ বাবে ক্লনিং আহিলা ব্যৱহাৰ কৰিব পাৰিব।

ফটোশ্বপত সৰু সুৰা ঠিক-ঠাক কৰাটো গ্ৰহণযোগ্য। ইয়াৰ ভিতৰত আছে ক্ৰপিং, ডজিং আৰু বার্নিং (পুৰণি প্ৰযুক্তিত ডার্কৰুমত আলোকচিত্ৰটো ধোৱাৰ নিচিনা), গ্ৰে-স্কেললৈ পৰিৱৰ্তন কৰা যাতে আলোকচিত্ৰখনৰ খাঁটি গুণ ঘূৰাই আনিব পাৰি ইত্যাদি। গাঢ়তা, কানট্ৰাষ্ট, ৰং, প্ৰাৱল্য স্তৰ (saturation levels) আদিৰ দ্বাৰা প্ৰকৃত পৰিৱেশটো পৰিৱৰ্তন কৰি দিয়াটো গ্ৰহণযোগ্য নহ'ব। ৰার্নিং অথবা আগ্ৰাসী ট'নিং ব্যৱহাৰ কৰি কোনো আলোকফটোৰ পৃষ্ঠভূমি ডিজিটেল পদ্ধতিৰে অস্পষ্ট নাইবা নাইকিয়া কৰিব নোৱাৰিব। আলোকচিত্ৰৰ পৰা 'ৰেড আই' আঁতৰোৱাৰ অনুমতি নাই।

এছোচিয়েট প্ৰেছৰ কোনো কৰ্মচাৰীৰ মনত এই পদ্ধতি ব্যৱহাৰৰ বিষয়ত যদি কোনো সন্দেহৰ সৃষ্টি হয়, তেন্তে তেওঁ যিকোনো এখন ফটো অন্য সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰাৰ পূৰ্বে জ্যেষ্ঠ আলোকচিত্ৰ সম্পাদকৰ সৈতে যোগাযোগ কৰিব।

যেতিয়া আমি কোনো উৎসই সলনি কৰি দিয়া, উদাহৰণ স্বৰূপে মুখাৱয়ব অস্পষ্ট কৰি যোগান ধৰা, ফটোসমূহ আইনলৈ প্ৰেৰণ কৰিম তেতিয়া শিৰোনামটোতসেই কথাৰ স্পষ্ট ব্যাখ্যা থাকিব। এনেধৰণৰ ফটো প্ৰেৰণ কৰাৰ পূৰ্বে এগৰাকী জ্যেষ্ঠ ফটো সম্পাদকে অনুমোদন জনাব লাগিব।

ইয়াত বর্ণনা কৰা ধৰণবোৰৰ বাহিৰে আমি কোনো ঘটনাক মঞ্চস্থ, বিশেষ অথবা পুনৰুপস্থাপন নকৰোঁ। আমি যেতিয়া ষ্টুডিঅ'ত ভিডিঅ' ভংগিমাত প্ৰদর্শন পৰিৱেশ সম্পৰ্কীয় ফটোৰ অথবা আলোকচিত্ৰ শ্ৰুট কৰোঁ, এই ক্ষেত্ৰত সেই মূহূর্তটো বাতৰি সংগ্ৰহ কৰি থকা অৱস্থাত স্ফতঃস্ফূর্তভাৱে তোলা বুলি দর্শকৰ মনত বিশ্বাস জন্মোৱাৰ প্ৰয়াস কৰিব নালাগিব। মানুহৰ আলোকচিত্ৰ, ফেশ্বন বিষয়ক অথবা গৃহসজ্জাৰ আলোকচিত্ৰ আদি তোলাৰ সময়ত ব্যৱহৃত যিকোনো বাহ্যিক আহিলাৰ বিষয়ে আলোকচিত্ৰখনৰ বর্ণনা আৰু বিশেষ নির্দেশনা বাকচত স্পষ্টকৈ উল্লেখ কৰিব লাগিব যাতে দর্শকে ইয়াক প্ৰৱঞ্চনাৰ প্ৰয়াস বুলি গণ্য কৰাৰ অৱকাশ নাপায়।

নেশ্যনেল প্ৰেছ ফটোগ্ৰাফার্ছ এছোচিয়েশ্যনে তলত উল্লেখ কৰা নীতি -নির্দেশনাবোৰ

মানি চলে:

- দৃশ্য মাধ্যমৰ সাংবাদিক আৰু যি সকলে দৃশ্য সংবাদ প্ৰযোজনা কৰে, তেওঁলোক দৈনন্দিন কৰ্তব্যৰত জীৱনত নিম্নোক্ত মানসমূহ ৰক্ষা কৰাৰ ক্ষেত্ৰত দায়বদ্ধ-
- বিষয় উপস্থাপন কৰাৰ ক্ষেত্ৰত নিৰ্ভুলতা আৰু বোধগম্যতা বৰ্তাই ৰখা
- বিশেষ ভংগিমাত কৃত্ৰিমভাৱে তোলা আলোকচিত্ৰৰ দ্বাৰা প্ৰতাৰিত হোৱাৰ পৰা নিজকে আঁতৰাই ৰখা
- আলোকচিত্ৰ তোলা অথবা এটা ঘটনা বাণীৱদ্ধ কৰাৰ সময়ত সম্পূৰ্ণভাৱে নীতি মানি চলা আৰু ফটোৰ প্ৰসংগ যোগ কৰা। কোনো ব্যক্তি অথবা গোটক নিৰ্দিষ্ট চিন্তাগণ্ডীৰে বিচাৰ কৰাটো এৰি চলা। কামত ব্যক্তিগত পক্ষপাতিত্বমূলক আচৰণ চিনাক্ত কৰা আৰু তাক এৰাই চলিবলৈ প্ৰয়াস কৰা।
- সকলো বিষয়কেই (subjects) সন্মান সহকাৰে ব্যৱহাৰ কৰা। দুৰ্বল, অপৰাধ নাইবা দুখজনক ঘটনাৰ বলি হোৱা জনৰ প্ৰতি বিশেষ বিবেচনা দেখুওৱা। কাৰোবাৰ ব্যক্তিগত মুহূৰ্ত অথবা দুখত অনধিকাৰ প্ৰৱেশ কৰাৰ সময়ত ৰাজহুৱা জীৱনত তেনে ঘটনা সদৰি কৰাৰ কোনো যুক্তিসংগত প্ৰয়োজন আছেনে নাই তাৰ বিচাৰ কৰা।
- আলোকচিত্ৰ গ্ৰহণ কৰাৰ সময়ত কোনো ঘটনাক ইচ্ছাকৃতভাৱে সলনি কৰা অথৱা প্ৰভাৱিত কৰা কোনো অৱদান আগবঢ়োৱা।

আলোকচিত্ৰৰ বিষয়বস্তু আৰু প্ৰসংগৰ মাজত সম্পাদনাৰ সময়ত অখণ্ডতা বৰ্তাই ৰাখিব লাগিব। ফটোৰ সালসলনি অথবা দৰ্শকক বিপথে পৰিচালনা কৰা অথবা বিষয়ক ভুল ব্যাখ্যা কৰাকৈ কোনো শব্দ অথবা ধ্বনি যোগ কৰা অথবা সলনি নকৰা।

- অংশগ্ৰহণ কৰা অথৱা তথ্য যোগান ধৰাৰ বাবে বিষয় অথবা উৎসক কোনো ধন অথৱা পুৰস্কাৰ নিদিয়া
- সংবাদ গ্ৰহণ আৰু পৰিৱেশনক প্ৰভাৱিত কৰিব বিচৰাসকলৰ পৰা কোনো উপহাৰ, অনুগ্ৰহ অথবা ক্ষতিপূৰণ গ্ৰহণ নকৰা
- অন্য সাংবাদিকৰ প্ৰচেষ্টাক ইচ্ছাকৃতভাৱে ক্ষতি নকৰা

আলোকচিত্ৰ আৰু ফটোৰ অখণ্ডতাৰ বিষয়ক নীতি-নিৰ্দেশনাসন্দৰ্ভত দ্য নিউয়ৰ্ক টাইমছে মন্তব্য কৰিছে যে 'আমাৰ পৃষ্ঠাসমূহত ছপা কৰা বাস্তৱতাক চিত্ৰায়িত কৰা ফটোসমূহ সকলো ক্ষেত্ৰতে আচল হ'ব লাগিব। দৃশ্যৰ পৰা অথবা দৃশ্যৰ সৈতে কোনো ব্যক্তি বস্তুক যোগ কৰা অথবা বাদ দিয়া, পুনঃসজ্জা, পৰিৱৰ্তন কৰা, বিকৃত কৰা অথবা গুচাই দিব (স্বীকৃত ক্ৰপিঙৰ জৰিয়তে ওপৰঞ্চি অংশবাদ দিয়াৰ বাহিৰে) পৰা নাযাব। স্পষ্টতা অনাৰ বাবে অথবা সঠিক প্ৰতিলিপিকৰণৰ বাবে পূৰ্বৰ ডাৰ্কৰুম মত ব্যৱহৃত বাৰ্নিং আৰু ড'জিং পদ্ধতিৰ নিচিনা ন্যূনতম ৰং বিন্যাস আৰু গ্ৰে স্কেল ব্যৱহাৰ কৰাতে সীমাৱদ্ধ থাকিব লাগিব। সংবাদ পৰিস্থিতিৰ ফটো বিশেষ ভংগিমাত কৃত্ৰিমভাৱে তুলিব পৰা নাযাব। কলাজ, মণ্টাজ, অংকিত ফটো, ফেশ্যন অথৱা গৃহ সজ্জাৰ দৃষ্টান্তমূলক ফটো, কাল্পনিক পৰিস্থিতি আৰু প্ৰদৰ্শনৰ বেলিকা কোনো চলনাৰ আশ্ৰয় লোৱাৰ মনোভাৱৰ

পৰা মুক্ত হৈ কেনেদৰে এই কৌশলটো প্ৰয়োগ কৰা হৈছে সেয়া পাঠক দৰ্শকৰ আগত প্ৰকাশ কৰিব লাগিব। যদিহে আলোকচিত্ৰ সম্পাদনাক লৈ সামান্যতমো সন্দেহ থাকে তেন্তে শিৰোনাম আৰু কৃতিত্ব প্ৰদানেৰে সেয়া আমি স্বীকাৰ কৰিম। ব্যতিক্ৰমৰ ক্ষেত্ৰত ডিজাইন ডাইৰেক্টৰ, মাষ্টাৰহেড এডিটৰ অথবা নিউজ ডেস্কৰ সৈতে এই সন্দৰ্ভত যাৱতীয় পৰামৰ্শ ল'ব লাগিব।

ভিন ভিন সংবাদ প্ৰতিষ্ঠানে সংবাদ উপস্থাপনৰ নীতিমানিচলাৰ ওপৰত জোৰ প্ৰদান কৰিছে। শব্দতকৈ ছবিয়ে শক্তিশালী প্ৰতিক্ৰিয়া সৃষ্টি কৰে বাবে দৃশ্য বিৱৰণৰ মাজেৰে ছবি যোগাযোগৰ এক শক্তিশালী আহিলা হৈ পৰে। গতিকে এই দৰ্শসাধ্য মাধ্যমটোৰ মাজেৰে বিশ্বস্ত বাস্তৱ আৰু সত্য প্ৰদৰ্শনকাৰী আলোকচিত্ৰ প্ৰকাশ কৰোঁতে সঠিক সাংবাদিকতাৰ নীতি প্ৰয়োগ কৰাটো জৰুৰী।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ফটোসাংবাদিকতাত নীতি মানি চলাটো কিয় প্ৰয়োজনীয়?

.....

.....

প্ৰশ্ন নং ২ ঃ সম্পাদকীয় নীতিবোৰে কেনেদৰে ফটোসাংবাদিকতাক প্ৰভাৱিত কৰিব পাৰে?

.....

.....

১১.৪ ফটোৰ সৈতে কাম কৰা সাংবাদিকৰ বাবে নীতি নিৰ্দেশনা -

সাংবাদিক আৰু সংবাদ মাধ্যম কৌশলৰ পৰামৰ্শদাতা ডেভিদ ব্ৰিৰেৰে সাংবাদ মাধ্যম পৰ্টেলৰ সহায়ক কৰাৰ বাবে তলত ফটোৰ সৈতে কাম কৰা সাংবাদিকৰ বাবেহোৱাকৈ নীতি কিছুমান নিৰ্দেশনা তালিকাভুক্ত কৰিছে।

১। নিৰ্ভুলতা: এখন আলোকচিত্ৰ তোলাৰ সময়, তাৰিখ, স্থান, পৰিস্থিতি আৰু সামৰি লোৱা ঘটনাটোত জড়িত সকলো পক্ষ সঠিক নথি ৰাখিব লাগে। সঠিক উৎস, শক্তিশালী সাক্ষ্য প্ৰমাণযুক্ততা, পৰীক্ষাসাধ্যতা, দ্ব্যৰ্থতাহীনতা, স্পষ্টতা আদিৰ বিষয়ে গৱেষণা কৰক। ফটো সাংবাদিকে কেৱল হতচকিত কৰা, দুঃখজনক আৰু আৱেগ-বিহ্বল কৰিব পৰা ফটো তুলিব নালাগে। এনে কৰিলে কোনো অবাঞ্ছিত ঘটনাৰ বলি হোৱাজনৰ অসহায় অৱস্থাৰ সুযোগ লোৱা হ'ব আৰু দুঃখৰ প্ৰকৃত কাৰণ উন্মোচিত নহ'ব। আপাতঃ সত্যটোকে গ্ৰহণ কৰি ল'ব নালাগে দুটা নিৰপেক্ষ উৎসৰ সহায়ত ঘটনাৰ পুংখানুপুংখ বিশ্লেষণ কৰিব লাগে। ফটো সাংবাদিকসকল এই কথাত সজাগ হৈ থাকিব লাগে যে এনেকুৱা এচাম লোক আছে যিয়ে নিজৰ উদ্দেশ্য সিদ্ধিৰ বাবে একোটা অনুষ্ঠানৰ আয়োজন কৰিবলৈ সাজু হৈ থাকে। সেয়েহে কোনোবাই যদি অতি

আকর্ষণীয় ফটোগ্রহণৰ সুযোগ দিব বিচাৰে ফটো সাংবাদিকসকল সাৱধান হ'ব লাগে। আলোকচিত্রই বাস্তৱক যথাযথভাৱে প্রতিফলিত কৰিব লাগে। বাস্তৱক বিকৃত কৰিব নালাগে। আনহাতে, এতিয়াও চকুত নপৰাকৈ থকা কোনো ক্ষতি, অৱমাননা কৰা কোনো দিশ, এটা প্রকাশ যোগ্য এবাৰেই ঘটা ঘটনাক কেতিয়াও অৱজ্ঞা কৰা অনুচিত। ফটো সাংবাদিকসকল তেওঁলোকৰ জ্ঞান সম্পর্কত সম্পূর্ণ খোলা, সাধু আৰু স্পষ্ট হ'ব লাগিব, তেওঁলোকৰ দৃষ্টিৰ অন্তৰালত থকা সমগ্র কাহিনীটো নাজানিলে সেই কথা স্পষ্টকৈ প্রকাশ কৰিব লাগিব। কোনো বিশেষ দলক অনুসৰণ নকৰি তেওঁলোকে কোনো গোপন উদ্দেশ্য পুহি ৰখা কাৰোবাৰ দ্বাৰা পৰিচালিত হ'ব পাৰে। ফটো সাংবাদিকসকলে বিশ্বাসযোগ্য সম্পর্ক গঢ়ি তুলিব লাগে যাতে তেওঁলোকে সত্য আৰু অসত্যৰ মাজৰ পার্থক্য বুজি পাব পাৰে। হতচকিত কৰিব পৰা কোনো এটা সাংস্কৃতিক ভাৱে অপৰিচিত পটভূমি অথবা পৰিৱেশৰ সৈতে জড়িত ঘটনাৰ ফটোয়ন কৰাৰ সময়ত ফটো সাংবাদিকসকল সাৱধান হোৱা উচিত। কাৰোবাৰ বাবে আচৰিত যেন লগাটো কাৰোবাৰ বাবে এটা জটিল কাহিনীৰ উপাদানৰ প্রতিফলন হ'ব পাৰে। সম্পাদনা আৰু সাল-সলনি কৰাৰ মাজত এটা পার্থক্য থকা উচিত। উত্তেজনা সৃষ্টি কৰাৰ বাবে এটা কাহিনীৰ বিশেষ ভংগিমাৰে কৃত্রিম আলোকফটো নুতুলিব। এগৰাকী ফটো সাংবাদিকৰ কাম হৈছে যথার্থ ঘটনাৰ প্রতিবেদন দিয়া। এখন দুখঃ জনক, উত্তেজনাময়, আৱেগিক ফটোই অবাঞ্চিত ঘটনাৰ বলি হোৱাজনৰ ক্ষতি কৰিব পাৰে আৰু দুখৰ প্রকৃত কাৰণ উন্মোচন কৰাত ব্যর্থ হ'ব পাৰে।

২। প পাতহীনতা: আৱেগ-জড়িত ঘটনা এটাৰ ফটোয়ন কৰা সময়ত ফটো সাংবাদিকগৰাকী সাৱধান হ'ব লাগিব। নহ'লে উদ্দেশ্য সফল নহ'ব আৰু ভাল নহৈ বেয়াহে হ'ব। যদি সাংবাদিকগৰাকীয়ে এটা ঘটনাৰ বিৱৰণ দিব বিচাৰে তেন্তে তেওঁ ছবিখনৰ বর্ণনা অংশত তাক স্পষ্ট কৰা উচিত। এটা কাহিনীৰ সকলো প্রসংগিক দিশ সামৰা উচিত যাতে ই দর্শকক এটা যুক্তিসংগত আৰু তথ্যযুক্ত সিদ্ধান্তত উপনীত হোৱাত সহায় কৰে। এখন আলোকফটো অন্যায় আৰু অত্যাচাৰৰ বিৰুদ্ধে ৰাজহুৱা বিতর্ক সৃষ্টিৰ চালিকা শক্তি হৈ উঠা উচিত। নিৰপেক্ষ আৰু বস্তুনিষ্ঠ হোৱা মানে অন্ধবিশ্বাসী নহৈ ন্যায়পৰায়ণ হোৱা আৰু ভাৰসাম্যতা বজাই ৰখাটোক বুজায়। এগৰাকী ফটো সাংবাদিকে তেওঁৰ ব্যক্তিগত দৃষ্টিভংগীৰ উর্দ্ধলৈ যাব পাৰিব লাগিব আৰু ঘটনা এটা আনৰ দৃষ্টিৰে চাব পাৰিব লাগিব। নহ'লে তেওঁৰ কামটো এক পক্ষীয় আৰু সীমিত সুযোগযুক্ত হৈ পৰিব। তেওঁ নিশ্চিত কৰিব লাগিব যাতে কেমেৰাৰ লেন্সৰ মাজেৰে বিস্তৃত দিশৰ মতামত প্রতিফলিত হোৱাৰ লগতে পৰস্পৰ বিৰোধী দৃষ্টিভংগী উদঘাটন কৰিব পৰা যায় আলোকচিত্রত কোনো উল্লেখযোগ্য দৃষ্টিভংগী যাতে বাদ পৰি নাযায় তাৰ বাবে তেওঁ সতর্ক হ'ব লাগে।

৩। **পচণ্ড, শালীনতা, অৱমাননা ঃ** জনস্বার্থ জড়িত ঘটনা এটাৰ বিৱৰণ দি থকাৰ সময়ত এগৰাকী ফটোসাংবাদিকে কাৰোবাক অৱমাননা কৰিবলৈ ভয় কৰিব নালাগিব। দর্শকক সত্য বুজোৱাৰ পৰিৱর্তে হতচকিত কৰিব পৰা চাঞ্চল্যৰ সৃষ্টি কৰা অথবা প্রভাৱিত কৰিবলৈ দর্শকক ফটোকল্প প্রকাশৰ পৰা এগৰাকী ফটো সাংবাদিক বিৰত থাকিব লাগিব।

৪। ব্যক্তিগত গোপনীয়তা আৰু সন্মতি: এগৰাকী ব্যক্তিৰ, বিশেষকৈ দুর্বল ব্যক্তিৰ, ব্যক্তিগত গোপনীয়তাৰ প্রতি সন্মান জনাওক। তেওঁলোকৰ অৱস্থা আপোনাৰ বৃত্তিৰ বাবে উন্নতিৰ জখলা হ'ব নালাগিব। এগৰাকী ফটো সাংবাদিকে যাৰ ফটো গ্রহণ কৰা হৈছে সেইসমূহ ক'ত কেনেদৰে ব্যৱহাৰ কৰা হ'ব সেই কথা উৎসক জনোৱাটো নিশ্চিত কৰিব লাগিব। ফটো সমূহ ছপা আৰু অনলাইন সম্প্রচাৰত ব্যৱহাৰ কৰা ছবিবোৰত থকা লোকসকলক এই কথা নিশ্চয়কৈ বুজাব লাগিব যে এই ফটোসমূহ চিৰদিনৰ বাবে অন্য মানুহে বিচাৰি উলিয়াব পৰা স্থানত জমা হৈ থাকিব।

৫। অখণ্ডতা ঃ কাৰোবাক উপলুঙা বা অপমানিত কৰাৰ বাবে কোনো আলোকচিত্র কেতিয়াও উন্মুক্ত নকৰিব। কাৰণ, তেওঁলোকে আলোকচিত্রসমূহে লৈ অহা বিপর্যয়ৰ সৈতে চিৰদিন জীয়াই থাকিব লগীয়া হ'ব পাৰে। এগৰাকী ফটো সাংবাদিকে মনত ৰাখিব লাগিব যে তেওঁ ৰাজহুৱা বিতর্ক সম্পর্কীয় তথ্য জনোৱাৰ বাবে এগৰাকী দৃশ্য মাধ্যমৰ সাংবাদিক হিচাপে কাম কৰিছে, নিজৰ গৌৰৱ বখানিবলৈ অথবা নিজকে ভাল সজোৱাৰ বাবে নহয়। ফটো খন ভালদৰে গ্রহণ কৰিবলৈ গৈ তেওঁ নিজৰ বিষয়ক (subject)কেতিয়াও বিপদজনক পৰিস্থিতিলৈ ঠেলি দিব নালাগিব। কোনো এটা নির্দিষ্ট কাৰণত তোলা ফটোৰ বাবে তেওঁ কাৰোপৰা ধন, প্রতিশ্রুতি অথবা অনুগ্রহ গ্রহণ কৰিব নোৱাৰিব। ফটো সাংবাদিকতা সম্পর্কীয় কেইটামান সমস্যা তলত আলোচনা কৰা হ'ল।

নিক উটৰ 'নাপাম গার্ল' (Napalm Girl) নামৰ ১৯৭২ চনত পুলিৎজাৰ (Pulitzer) বঁটা প্রাপ্ত আলোকফটোখনে আমেৰিকান যুদ্ধৰ এখন মর্মভেদী ছবি তুলি ধৰিছিল। এই আলোকচিত্রখনে এগৰাকী নাবালিকাৰ সম্পূর্ণ নগ্নতাক সন্মুখৰ পৰা ধৰি ৰখা বাবে বহু বিতর্কৰ বিষয় হৈ পৰিছিল।এই আলোকচিত্রখন নিউয়র্ক টাইমছৰ প্রথম পৃষ্ঠাত ছপা হৈছিল। কিছুমানে এই ফটোখনৰ সপক্ষে যুক্তিদর্শাই কৈছিল যে যদিওবা এই ফটোখনে এগৰাকী নাবালিকাৰ ব্যক্তিগত গোপনীয়তাক আঘাত কৰিছে তথাপি এই ফটোখনত অংকিত হোৱা যুদ্ধৰ মর্মভেদী ছবিখনে সত্যক বৃহত্তৰ জনতাৰ কাষলৈ লৈ গৈছে।

ফটো সাংবাদিকতাৰ নীতি অমান্য কৰা কেলংকাৰীৰ নায়ক এজন হ'ল ব্রায়ান ৰাল্স্কি। এইজন ফটো সাংবাদিকে ডিজিটেলি সলনি কৰি এখন ফটো লজ এঞ্জেলেছ টাইমচ্ সম্পাদকৰ হাতত প্রদান কৰিছিল আৰু এই সম্পর্কে সম্পাদকক অৱগত কৰা নাছিল। ফ্রেংক ভান ৰিপাৰে তেওঁৰ Manipulating Truth, Losing Credibility শীর্ষক The Washington Post বাতৰি কাকতখনত প্রকাশিত কেনেদৰে ২০০৩ৰ মার্চ মাহত ৰালস্কিক এটা বৃটিছ সেনা গোটৰ সৈতে নিয়োজিত কৰা হৈছিল, ৰাল্স্কিয়ে তাত কেনেদৰে ডিজিটেল ফটো সাংবাদিকতাৰ দায়িত্ব পালন কৰিছিল সেয়া বর্ণনা কৰিছে। ৰাল্স্কিয়ে যেতিয়া তেওঁ তোলা চিত্রবোৰৰ নিজৰ কম্পিউটাৰলৈ লৈ গৈছিল তেতিয়া তেওঁ এনে এখন আলোকচিত্র পাইছিল যিখনক তেওঁ নিজে তোলা ছবি এখনত কৃত্রিমভাৱে আৰোপিত কৰিব পাৰে। এখন ফটোত এজন বৃটিছ সৈনিকে এদল ইৰাকী নাগৰিকক লুকাই পৰিবলৈ সংকেত দিছিল। কাৰণ, তেওঁলোকে গুলিয়া গুলী চলি থকা ঠাইলৈ আহি আছিল। আনখন ফটোত এগৰাকী ইৰাকী ব্যক্তিয়ে এটি শিশুক লৈ এঠাইত

ঠিয় হৈ আছিল আৰু একেগৰাকী সৈনিক তেওঁলোকৰ কাষত ঠিয় হৈ আছিল। সৈনিকজনে কিন্তু কোনো সংকেত দি থকা নাছিল। ৰাল্‌স্কিয়ে দুয়োখন ফটোক একলগ কৰাৰ পাচত এনেকুৱা লাগিছিল যে সৈনিকজনে শিশুটি লৈ থকা ব্যক্তিগৰাকীক আঁঠু কাঢ়িবলৈ সংকেত দিছে।

ৰাল্‌স্কিৰ দ্বাৰা সাল-সলনি কৰা আলোকচিত্ৰ নিউজকমৰ ৱেব নেটৱৰ্কৰ মাধ্যমেৰে গৈ Hartford Courant আৰু Chicago Tribune ৰ দৰে সংবাদপত্ৰত প্ৰকাশিত হৈছিল। এই ভুৱা বাতৰিটো কাৰো চকুত ধৰা নপৰাকৈ ৰৈ গ'লহেতেন যদিহে The Hartford Courant কাকতৰ এজন কৰ্মচাৰীয়ে লক্ষ্য নকৰিলেহেঁতেন যে আলোকচিত্ৰৰ পটভূমিত থকা এজন লোকক দুবাৰ দুঠাইত দেখা গৈছে। সত্যটো ওলাই পৰাৰ পাছত ৰালস্কিক কামৰ পৰা অব্যহতি দিয়া হৈছিল।

এনেধৰণৰ আৰু এটা ঘটনা সংঘটিত হৈছিল 2004 চনৰ আমেৰিকান নিৰ্বাচনত। সেই সময়ত এটা বাতৰি ওলাইছিল যে ছিনেটৰ জন কেৰী আৰু সমাজকৰ্মী জেন ফণ্ডাই একেটা ভিয়েটনাম যুদ্ধ বিৰোধী সমদলত ভাষণ প্ৰদান কৰিছিল। এখন আলোকচিত্ৰত কেৰী আৰু ফণ্ডাক একেখন মঞ্চতেই একেলগে দেখা গৈছিল। নিৰ্বাচনৰ সময়ছোৱাত এইখন আলোকচিত্ৰই বিভিন্ন সংবাদপত্ৰ আৰু আলোচনীত স্থান লাভ কৰিছিল। নিৰ্বাচনত এই জালিয়াতিৰ এটা গভীৰ প্ৰভাৱ পৰিলহেতেঁন। যেতিয়াই এটা গোপন বিষয়ৰ সৈতে সত্যৰ জালিয়াতি কৰি সংবাদ পৰিৱেশনৰ কথা আহি পৰে তেতিয়াই ফটো সাংবাদিকতাৰ নীতিক লৈ এটা প্ৰশ্নৰ উদ্ৰেক ঘটে। দৃশ্য মাধ্যমৰ দ্বাৰা যথাৰ্থ সত্য প্ৰকাশ কৰাত ফটো সাংবাদিকতাৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ঃ ৩ 'নাপাম গাৰ্ল' শীৰ্ষক আলোকচিত্ৰখনৰ সৈতে জড়িত নৈতিক বিষয়বোৰ কি আছিল?

.....

.....

প্ৰশ্ন নং ঃ ৪ আলোকচিত্ৰৰ সাল-সলনি ঘটোৱা ব্ৰায়ান ৰাল্‌স্কি ঘটনাটোৰ বিষয়ে এটি চমুটোকা লিখক।

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাস্তৱক প্রতিনিধিত্ব কৰা আলোকচিত্র এখন সত্যৰ পৰা বিচলিত হ'লে ইয়াৰ বার্তা আৰু মাধ্যমটো বিকৃত হ'ব।
- ফটো সাংবাদিকতাৰ ক্ষেত্রত বিষয়, পৰিৱেশ, সংস্কৃতি, ঘটনাস্থলীত ফটো সাংবাদিকগৰাকীৰ উপস্থিতি আৰু বৃহত্তৰ প্রসংগত ফটোসমূহৰ প্রভাৱ আদি বাস্তৱ সন্মতভাৱে চিন্তা কৰি তাৎক্ষণিকভাৱে আলোকফটো সম্পর্কীয় সিদ্ধান্ত ল'ব লাগে। এই সকলো প্রসংগৰ মাজতে আলোকচিত্র এখনৰ চূড়ান্ত প্রভাৱৰ বিষয়ে নীতি সন্মতভাৱে সিদ্ধান্ত গ্রহণ কৰাটো দৰকাৰ।
- এগৰাকী ফটো সাংবাদিকে বিষয়ৰ ওপৰত নীতিসন্মতভাৱে মনোযোগ দিব লাগে আৰু বিষয়বস্তুৰ সঠিক উপস্থাপন কৰিব লাগে। লগতে তেওঁ দর্শকৰ সংবেদনশীলতা আৰু অনুধাৱন শক্তি সম্পর্কেও অৱগত হ'ব লাগে। ডিজিটেল সম্পাদনাৰ দ্বাৰা আলোকচিত্রটোত কাৰাচাজি কৰাৰ বিষয়তো নীতিগত কথা জড়িত হৈ আছে। ফটো সাংবাদিকে কেৱল হতচকিত কৰা, দুঃখজনক আৰু আৱেগ-বিহ্বল কৰিব পৰা ফটো তুলিব নালাগে। এনে কৰিলে কোনো অবাঞ্ছিত ঘটনাৰ বলি হোৱাজনৰ অসহায় অৱস্থাৰ সুযোগ লোৱা হ'ব আৰু দুঃখৰ প্রকৃত কাৰণ উন্মোচিত নহ'ব।
- দৃশ্য মাধ্যমৰ দ্বাৰা যথার্থ সত্য প্রকাশ কৰাত ফটো সাংবাদিকতাৰ এটা গুৰুত্বপূর্ণ দায়িত্ব আছে।




১১.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Arthur Asa Berger (2007) : Seeing is believing: An Introduction to Visual Communication. McGraw Hill Education

2. Daniel R. Bersak (2006) : Ethics in Photojournalism: Past, Present, and Future. Massachusetts Institute of Technology, Department of Comparative Media Studies, website: http://web.mit.edu/drb/Public/PhotoThesis/

3. David Brewer (2016) Guidelines for journalists working with images. Media Helping Media http://www.mediahelpingmedia.org/training-resources/editorial-ethics/527-editorial-ethics-for-photojournalists



১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শব্দতকৈ ছবিয়ে শক্তিশালী প্রতিক্রিয়া সৃষ্টি কৰে বাবে দৃশ্য বিৱৰণৰ মাজেৰে ছবি যোগাযোগৰ এক শক্তিশালী আহিলা হৈ পৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ বেলেগ বেলেগ সংবাদ গোষ্ঠীৰ সম্পাদকীয় নীতি ভিন্নতাই এই দিশটোৰ ওপৰত এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।এই প্রক্রিয়াত নির্দিষ্ট সীমাৱদ্ধতা (stereotypes) আৰু অন্ধবিশ্বাস হ'ল একোটা নির্ণায়ক কাৰক। দর্শকৰ প্রয়োজন পূৰণ কৰা আৰু বজাৰত ব্যাপক চাহিদা থকা এনেধৰণৰ নীতিৰ আধাৰত তোলা আলোকচিত্রই প্রচলিত সীমাৱদ্ধতাকেই দৃঢ়তাৰে প্রতিপন্ন কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ নিক উটৰ 'নাপাম গার্ল' (Napalm Girl) নামৰ ১৯৭২ চনত পুলিৎজাৰ (Pulitzer)বঁটা প্রাপ্ত আলোকচিত্রখনে আমেৰিকান যুদ্ধৰ এখন মর্মভেদী ছবি তুলি ধৰিছিল। এই আলোকচিত্রখনে এগৰাকী নাবালিকাৰ সম্পূর্ণ নগ্নতাক সন্মুখৰ পৰা ধৰি ৰখা বাবে বহু বিতর্কৰ বিষয় হৈ পৰিছিল।এই আলোকচিত্রখন নিউয়র্ক টাইমছৰ প্রথম পৃষ্ঠাত ছপা হৈছিল। কিছুমানে এই ফটোখনৰ সপক্ষে যুক্তিদর্শাই কৈছিল যে যদিওবা এই ফটোখনে এগৰাকী নাবালিকাৰ ব্যক্তিগত গোপনীয়তাক আঘাত কৰিছে তথাপি এই ফটোখনত অংকিত হোৱা যুদ্ধৰ মর্মভেদী ছবিখনে সত্যক বৃহত্তৰ জনতাৰ কাষলৈ লৈ গৈছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্রায়ান ৱালস্কিয়ে ডিজিটেলি সলনি কৰি এখন ফটো লজ এঞ্জেলেছ টাইমচ্ সম্পাদকৰ হাতত প্রদান কৰিছিল আৰু এই সম্পর্কে সম্পাদকক অৱগত কৰা নাছিল। ৱালস্কিৰ দ্বাৰা সাল-সলনি কৰা আলোকচিত্র নিউজকমৰ ৱেব নেটৱর্কৰ মাধ্যমেৰে গৈ hartford Courant আৰু Chicago Tribune ৰ দৰে সংবাদপত্রত প্রকাশিত হৈছিল। এই ভুৱা বাতৰিটো কাৰো চকুত ধৰা নপৰাকৈ ৰৈ গ'লহেতেন যদিহে The Hartford কাকতৰ এজন কর্মচাৰীয়ে লক্ষ্য নকৰিলেহেঁতেন যে আলোকচিত্রখনৰ পটভূমিত থকা এজন লোকক দুবাৰ দুঠাইত দেখা গৈছে। সত্যটো ওলাই পৰাৰ পাছত ৱালস্কিক কামৰ পৰা অব্যহতি দিয়া হৈছিল।



১১.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ প্রতিবেদন প্রস্তুত কৰাৰ সময়ত এগৰাকী ফটো সাংবাদিকে কি কি নৈতিক মান বজাই ৰাখিব লাগে?

প্রশ্ন ২ ঃ আলোকচিত্রক কিয় যোগাযোগৰ এটা শক্তিশালী মাধ্যম বোলা হয়?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ফটো সাংবাদিকতাই কেনেদৰে সংবাদ প্রতিবেদন প্রস্তুত প্রক্রিয়ালৈ পৰিৱর্তন আনিছে?

প্রশ্ন ২ ঃ ফটো সাংবাদিকসকলে সন্মুখীন হোৱা পক্ষপাতদুষ্ট আৰু নিৰপেক্ষ সাংবাদিকতাৰ সমস্যাসমূহ কি কি?

প্রশ্ন ৩ ঃ সংবাদ মাধ্যমে বাছনি কৰা আলোকচিত্রসমূহে সম্প্রদায়, আমাৰ মূল্যবোধ আৰু দৃষ্টিভংগীক কেনেদৰে প্রকাশ কৰে?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ফটো সাংবাদিকে মানিবলগীয়া নৈতিক আৰু বৃত্তিগত নির্দেশাৱলীসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ফটো সাংবাদিকতাৰ নীতি আলোচনা কৰি ইয়াৰ সৈতে জড়িত চাৰিটা ঘটনা উপস্থাপন কৰক ।

****

অধ্যায়-১২ ঃ সংবাদ মাধ্যম নীতি আৰু আইন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ মানহানি (Defamation)

১২.৩.১ মানহানিৰ প্ৰকাৰ

১২.৩.২ মানহানি আৰু আইন

১২.৩.৩ মানহানিৰ গোচৰত জড়িত বিভিন্ন ব্যক্তিৰ দায়িত্ব

১২.৪ আদালত কক্ষৰ সংবাদ প্ৰতিবেদন প্ৰস্তুতকৰণ

১২.৫ প্ৰতিলিপিস্বত্ব (Copyright)

১২.৬ উৎসৰ সুৰক্ষা

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্ৰগতিৰ খতিয়ান

১২.১০ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মানহানি আৰু ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ বুজি পাব
- আদালত কক্ষৰ সংবাদ প্ৰস্তুতকৰণৰ মৌলিক দিশবোৰ বিশ্লেষণ কৰিব পাৰিব
- সংবাদ প্ৰস্তুতকৰণৰ লগত জড়িত প্ৰতিলিপি স্বত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সংবাদ উৎসসমূহৰ সুৰক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।

১২.২ পৰিচয়

আগৰ অধ্যায়টোত বৈদ্যুতিক মাধ্যমৰ লগত জড়িত কিছুমান আইন সম্পৰ্কে আমি আলোচনা কৰিলোঁ। এই অধ্যায়টিত আমি মানহানিৰ ধাৰণা আৰু ইয়াৰ বিভিন্ন প্ৰকাৰ, আদালত কক্ষৰ সংবাদ প্ৰস্তুতকৰণৰ মৌলিক জ্ঞান, প্ৰতিলিপিস্বত্বৰ সমস্যাসমূহ আৰু সংবাদ উৎসসমূহৰ সুৰক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিম।

এতিয়া আমি প্ৰচাৰ মাধ্যমৰ যুগত বাস কৰি আছো। আমি সময়ে সময়ে তথ্যৰ সমুদ্ৰত সোমাই পৰোঁ আৰু বহুতো সময়ত আমি বিশ্বাসযোগ্য উৎস নথকা সংবাদৰ মুখামুখি হওঁ। দায়িত্বহীন নাইবা প্ৰমাণৰ অযোগ্য উৎসৰ পৰা অহা এনে সংবাদে অপবাদ কঢ়িয়াব পাৰে যিটো ব্যক্তি নাইবা প্ৰতিষ্ঠান এটাৰ সুখ্যাতিৰ কাৰণে ক্ষতিকাৰক। সামাজিক মাধ্যম (ছচিয়েল মিডিয়া) ৰ দ্ৰুত প্ৰসাৰে ইয়াৰ ব্যৱহাৰকাৰীসকলক যিকোনো বিষয়ত যিকোনো কথা তৎক্ষণাত প্ৰকাশ

কৰাৰ আৰু বিভিন্ন ঘটনা সন্দর্ভত মন্তব্য দানৰ সুযোগ দিছে। সামাজিক মাধ্যমবোৰ নাগৰিকসকলৰ অংশগ্রহণৰ দিশেৰে ফলপ্রসু ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলৰ দূৰভিসন্ধিমূলক অভিপ্রায়ৰ পৰা কেতিয়াবা সৎ মানুহৰ সম্ভ্রমক ৰক্ষা কৰাটো জটিল হৈ পৰে। ইয়াতেই মাধ্যম নীতিৰ প্রয়োজনীয়তা আহি পৰে। এনে নীতিয়ে বেয়া অনুশীলনৰ পৰা ভাল অনুশীলনক পৃথক কৰে আৰু আমাৰ সিদ্ধান্ত গঠনত পথ প্রদর্শকৰ কাম কৰে। প্রতিবেদন পঠোৱাটো সংবাদ সংগ্রহৰ এটা গুৰুত্বপূর্ণ প্রক্রিয়াত পৰিণত হৈছে। ভাৰতৰ নিচিনা গণতান্ত্রিক দেশ এখনত ন্যায়পালিকা হৈছে সর্বোচ্চ বিধান পৰিষদ আইন আৰু ন্যায়। ই দেশৰ প্রক্রিয়াটো নিয়াৰ আগবঢ়াই। দায়িত্ব পালন কৰে । কিন্তু টি.আৰ.পি. (Television Rating Point (TRP) সংগ্রহৰ দৌৰতব্যস্ত প্রচাৰ মাধ্যমবোৰে মাজে সময়ে বিচাৰধীন কোনো বিষয়ৰ প্রতিবেদন প্রকাশ কৰাৰ ক্ষেত্রত কিছুমান নীতি-নিয়ম আওকাণ কৰি উচিত - অনুচিতৰ সীমা উলংঘনৰ চেষ্টা কৰে। এই কাৰণে, আদালত কক্ষৰসংবাদ প্রস্তুত কৰাৰ সমস্যা আৰু নিয়মসমূহৰ লগত ন্যায্য আৰু সমতাপূর্ণ প্রতিবেদন প্রস্তুত কৰাত সহায়কাৰী উৎসসমূহৰ সুৰক্ষা সুবিধাসমূহ বুজাটো অতি প্রয়োজনীয়।

১২.৩ মানহানি

মানহানি হৈছে কথিত নাইবা লিখিত ৰূপত ইচ্ছাকৃতভাৱে কৰা মিছা তথ্যৰ সম্প্রচাৰ যিয়ে কোনো ব্যক্তিৰ খ্যাতিক আঘাত কৰে। খ্যাতি আৰু সুনামক ব্যক্তিৰ মূল্যবান সম্পত্তি বুলি গণ্য কৰা হয়। মানহানি বিচাৰৰ যোগ্য এক অপৰাধ। কোনো ব্যক্তি সম্পর্কে আইনী সমর্থন নাইবা কৈফিয়ৎ নোহোৱাকৈ এটা মিছা নাইবা অপবাদমূলক বিবৃতিৰ প্রচাৰ নাইবা প্রকাশ কৰিলে মানহানিৰ অপৰাধ সংঘটি হয় বুলি ধৰাহয়। অপবাদমূলক বিবৃতি হৈছে এনে কোনো মন্তব্য যিটোৰে ব্যক্তি এগৰাকীক ঘৃণা, উপহাস নাইবা অৱজ্ঞাৰ পাত্র কৰে নাইবা যিটো তেওঁক অন্যলোকে এৰাই চলাৰ কাৰণ হয় নাইবা তেওঁক কার্যালয়, জীৱিকা অর্জনৰ ক্ষেত্র নাইবা ফোনৰ মাধ্যমেৰে আঘাত হনাৰ সম্ভাৱনা থাকে। কৌটিল্যৰ 'অর্থশাস্ত্র'ত মানহানিক 'ভকৰুস্যাম' (Vakarushyam) বুলি অভিহিত কৰা হৈছে। তেওঁ 'মানহানি'ৰ কাৰণে শাস্তিৰ বিধান দিছে। যি নহওঁক, এটা অপবাদমূলক বিবৃতি কেৱলমাত্র অপমান নাইবা অপব্যৱহাৰতকৈ পৃথক। অপমানে ব্যক্তিৰ মর্যাদা নাইবা আত্ম-সন্মানত আঘাত হানে, কিন্তু মানহানিয়ে ব্যক্তিয়ে অন্যৰ পৰা লাভ কৰা শ্রদ্ধা নাইবা সন্মান, যিবোৰৰ বাবে তেওঁকে অইনে চিনি পায়, সেইবোৰ বৈশিষ্ট্যৰ ক্ষতি হয়।

১২.৩.১ মানহানিৰ প্রকাৰ

মানহানি দুই প্রকাৰৰ ঃ লিখিত আৰু কথিত(মৌখিক)। মানহানিৰ সাধাৰণ উৎপত্তিৰ অন্তৰালৰ কাৰণবোৰ হ'ল অপযশ ৰটনা(slander) আৰু কুৎসা ৰটনা (libel) কৰা। অপযশ ৰটনা হ'ল অস্থায়ী ক্ষন্তেকীয়া ৰূপৰ বিবৃতি, যেনে -ভাষণ আৰু কুৎসা ৰটনা হ'ল কোনো এক স্থিৰ প্রচাৰ মাধ্যমেৰে কৰা ক্ষতিকাৰক বিবৃতি। বিশেষকৈ লিখিত ৰূপত আৰু ছবি চিহ্ন নাইবা বৈদুতিক সম্প্রচাৰৰ ৰূপত এনে বিবৃতি প্রচাৰ কৰা হয়।

দুয়োটাই একেধৰণৰ আইনী বিচাৰৰ অধীন। কুৎসা ৰটনা আৰু অপযশ ৰটনাৰ মাজত থকা মৌলিক পার্থক্যটো হ'ল ইয়াৰ 'ৰূপ'। অর্থাৎ যিটো ৰূপত মানহানিৰে বিষয়বস্তুটো প্রচাৰ কৰা হৈছে। যদি মানহানিকাৰক মন্তব্যবোৰ অস্থায়ী ৰূপত, যেনে- কথিত শব্দ নাইবা ধ্বনি, প্রতীকি ভাষা, অংগিভংগি ইত্যাদিৰ দ্বাৰা প্রকাশ কৰা হৈছে। তেন্তে ই অপযশ ৰটনা(slander) । যদি তুলনামূলকভাৱে অধিক দীর্ঘস্থায়ী ৰূপতমানহানিকৰ মন্তব্য প্রচাৰ কৰা হয়, যেনে- লিখিত মাধ্যম , বোলছবি , কম্পেক্ট ডিস্ক (CD) ডিভিডি (DVD)· ইন্টাৰনেট ইত্যাদিৰ দৰে ভার্চুৱেল ক্ষেত্র আদি, তেন্তে ইয়াক কুৎসা ৰটনা (libel) বুলি বিবেচনা কৰা হয়। সৰল অর্থত মৌখিক মানহানিক অপযশ ৰটনা (slander) বুলি জনা যায় আৰু লিখিত মানহানিক কুৎসা ৰটনা (libel) বুলি জনা যায়।

১২.৩.২ মানহানি আৰু আইন

ব্যক্তিৰ সুনাম (খ্যাতি, নৈতিক মর্যাদা আৰু বৃত্তিগত মর্যাদাক) অন্যায় আক্রমণৰ পৰা ৰক্ষণাবেক্ষণ দিবলৈ আইন আছে। সংবাদদাতা, প্রকাশক আৰু শব্দৰ মাধ্যমেৰে জীৱিকা উপার্জন সকলো ব্যক্তিকে মানহানিৰ আইনে সুৰক্ষা প্রদান কৰে।তেওঁলোকক গুৰুতৰ এক বিপদৰ পৰা ৰক্ষা কৰিবৰ কাৰণে এই আইনে সুযোগ দিয়ে। সুনামৰ অধিকাৰ এটা নিশ্চিত অধিকাৰ আৰু ব্যক্তিৰ সুনাম ধ্বংস কৰিবলৈ চলোৱা আক্রমণক নাগৰিক নাইবা অপৰাধমূলক বিষয় হিচাপে ল ’ব পৰা যায়। নাগৰিক আইনত ইয়াক ক্ষতিপূৰণৰ দ্বাৰা প্রতিকাৰ সাধ্য অপৰাধ (tort)বুলি কোৱা হয়। অপৰাধ অর্থাৎ, এই কাৰণে আর্থিক ক্ষতিপূৰণৰ দাবী জনাব পাৰি।

ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৪৯৯) অপৰাধ আইনৰ আধাৰত মানহানিৰক অর্থ এই বুলি বর্ণনা কৰা হৈছে, "কোনোবাই কথিত পঠন উদ্দেশ্যত ব্যৱহাৰ কৰা শব্দৰ দ্বাৰা আনকোনো ব্যক্তিক ক্ষতি কৰাৰ মানসেৰে যদি নিন্দা নাইবা কোনো কথা প্রচাৰ কৰে নাইবা ইংগিতৰ সহায়ত নাইবা দৃশ্যমান উপস্থাপনৰ জৰিয়তে কোনো মৌখিক নাইবা লিখিত মন্তব্য কৰে যিবোৰে ব্যক্তিগৰাকীৰ ক্ষতি কৰিব পাৰে বুলি জানে অথবা বিশ্বাস কৰে , তেন্তে তাক মানহানি বোলে। গতিকে মানহানিৰ অপৰাধ সাব্যস্ত কৰিবলৈ তিনিটা অপৰিহার্য কথা প্রমান কৰিব লাগে।

(১) কোনো ব্যক্তিৰ দ্বাৰা নিন্দা কৰাটোৰ (অস্তিত্ব) থাকিব লাগিব।

(২) এনেকুৱা নিন্দা কথিত নাইবা লিখিত নাইবা ইংগিত নাইবা দৃশ্যমান বিৱৰণ হ ’ব পাৰে।

(৩) কোনো ব্যক্তিৰ সুনামক আঘাত কৰাৰ মানসেৰে নাইবা ব্যক্তিৰ সুনামক আঘাত হানিব বুলি বিশ্বাস কৰি এনে মন্তব্য কৰিব লাগিব।

মানহানি বিষয়ক নাগৰিক আইন এতিয়াও 'টর্ট আইন' (Tort Law) নাইবা 'ইংলিছ সাধাৰণ আইন' (English Common Law) ৰ নিয়মৰ দ্বাৰা পৰিচালিত। এই অপৰাধৰ বাবে

চাৰিটা অপৰিহার্য কথা প্রমাণিত কৰিব লাগিব-

(১) বিবৃতিটো মানহানিকাৰক

(২) অভিযোগকাৰী ব্যক্তিৰ লগত বিবৃতিটোৰ সম্পর্ক আছে।

(৩) অভিযুক্তৰ দ্বাৰা বিবৃতিটো প্রকাশিত হৈছে।

(৪) বিবৃতিটো বাস্তৱিকতে অসত্য ।

যি নহওক, ভাৰতীয় দণ্ডসংহিতাই কিছুমান যোগ্যতাৰ বিশেষাধিকাৰ (Qualified Privileges) (১-১০) ক মানহানিৰ ব্যতিক্রম বুলি নির্দেশ জাৰি কৰিছে । মানহানিৰ গোচৰত বর্ণিত কিছুমান বিষয়ত অভিযুক্তই আত্মপক্ষ সমর্থনত যুক্তি দাঙি ধৰিব পাৰে। যোগ্যতাৰ বিশেষাধিকাৰ (Qualified Privileges) ৰ মুখ্য নীতিসমূহ হৈছে-

(১) নিজৰ কর্তব্য (দায়িত্ব) পালনৰ সময়ত কৰা বিবৃতি; সেয়া আইনী, সামাজিক নাইবা নৈতিক দায়িত্ব হ'ব পাৰে।

(২) সার্বজনীন নাইবা জনসাধাৰণৰ স্বার্থ ৰক্ষাৰ বাবে কৰা বিবৃতি।

(৩) ৰাজহুৱা কামকাজৰ ন্যায্য প্রতিবেদন; ন্যায়িক, সংসদীয় কার্যপ্রণালী আৰু জনসভাৰ নিচিনা চৰকাৰী কার্যক্রমণিকাৰ নিখুঁত বিৱৰণ। এইবোৰ ক্ষেত্রত বিশেষাধিকাৰৰ বাবে বিবেচিত হ'বলৈ বিবৃতিটো কোনো ধৰণৰ বিদ্বেষহীনভাৱে প্রস্তুত কৰা হ'ব লাগিব।

সাম্প্রতিক বছৰবিলাকত, সংবাদ মাধ্যমৰ বাঢ়ি অহা ভূমিকাৰ প্রতি লক্ষ্য ৰাখিবোৰত জনসাধাৰণৰ মুক্ত বাক স্বাধীনতা আৰু মত প্রকাশৰ স্বাধীনতাৰ অধিকাৰৰ সৈতে তেওঁলোকৰ ব্যক্তিগত খ্যাতি অক্ষুণ্ণ ৰখাৰ

অধিকাৰৰ ভাৰসাম্যতা বজাই ৰখাৰ প্রয়োজনীয়তাও বাঢ়িছে ইয়াৰ এক প্রচেষ্টা হিচাপে মানহানি বিধি-বিধান প্রস্তুত প্রণয়ন কৰা হৈছে । কিন্তু ভাৰতীয় মানহানি বিধেয়ক খন এতিয়াও আইনত পৰিণত নোহোৱাকৈ সংসদত পৰি আছে। যি নহওঁক, বাক আৰু মত প্রকাশৰ স্বাধীনতা তথা সংবাদ মাধ্যমৰ স্বাধীনতাৰ কাৰণে মানহানিক এটা গুৰুত্বপূর্ণ সীমাৱদ্ধতা বুলি ভাৰতীয় সংবিধানত উল্লেখ কৰা হৈছে। ই বাক স্বাধীনতাৰ মৌলিক অধিকাৰৰ মুক্ত অনুশীলনৰ আটাইতকৈ ফলপ্রসূ আৰু ক্ষতিপূৰণ আদায় দিবলগীয়া প্রতিবন্ধক। ই সংবিধানৰ ১৯ (২) নং অনুচ্ছেদত সন্নিৱিষ্ট অধিকাৰসমূহৰ মাজৰ এটা। ভাৰতীয় দণ্ডসংহিতাৰ (ধাৰা ৫০০) আধাৰত মানহানিৰ শাস্তি হৈছে দুবছৰৰ কাৰাদণ্ড, জৰিমনা নাইবা দুয়োটা। সম্প্রতি কার্যকৰী হোৱা তথ্য প্রযুক্তি আইন, ২০০০ (Information Technology Act, 2000) ৰ আধাৰত মানহানিৰ বাবে দুবছৰলৈকে কাৰাদণ্ড হ'ব পাৰে।

১২.৩.৩ মানহানিৰ গোচৰত জড়িত বিভিন্ন ব্যক্তিৰ দায়িত্ব

লেখক (Author) ঃ এটা প্রৱন্ধ নাইবা এখন কিতাপৰ লেখকজন প্রকাশিত ৰচনাত

থকা যিকোনো অবৈধতাৰ ,যেনে- অশ্লীলতা, বাবে হ'ব পৰা মানহানিৰ কাৰণে প্ৰাথমিকভাৱে দায়ী।

বৰঙণি আগবঢ়াওঁতা (Contributor) ঃ যদি অন্য কোনোবাই বৰঙণি হিচাপে আগবঢ়োৱা লেখনিত কোনো ধৰণৰ আইনী ভুল থাকে তেন্তে তেওঁ ইয়াৰ বাবে দায়ী হ'ব।

সম্পাদক ঃ সম্পাদকে তেওঁৰ বাতৰি কাকত, আলোচনী ইত্যাদিত কোনো ধৰণৰ বেআইনী বিষয় প্ৰকাশ কৰিলে তেওঁ ব্যক্তিগতভাৱে তাৰ কাৰণে দায়ী হ'ব।

বাতৰি কাকত বিক্ৰেতা /কিতাপ বিক্ৰেতাঃ নাগৰিক আইনৰ আধাৰত মানহানিকাৰক যিকোনো প্ৰকাশিত বিষয়বস্তু বিক্ৰীৰ কাৰণে এজন বিক্ৰেতা দায়ী নহয় যদি তেওঁ সেইটো মানহানিকাৰক বুলি প্ৰকৃততে নাজানিছিল নে প্ৰয়োজনীয় চেষ্টাৰ বলত হয়তো সেইটো মানহানিকাৰক বুলি জানিব পাৰিলেহেঁতেন সেয়া বিচাৰ কৰি চোৱা হয়। ভাৰতীয় দণ্ডসংহিতাৰ ধাৰা ৫০২০) অপৰাধ আইনৰ অধীনত তেওঁক তেতিয়া হে দোষী বুলি ধৰা হ'ব যদিহে তেওঁ বিক্ৰী কৰা বস্তুটোৰ মানহানিকাৰক উপাদানৰ বিষয়ে বিক্ৰী কৰাৰ সময়ত জানিছিল।

মুদ্ৰক ঃ আপত্তিজনক বিষয় নাইবা বস্তু মুদ্ৰণ কৰাৰ কাৰণে মুদ্ৰকজনক ব্যক্তিগতভাৱে দায়ী বুলি ধৰা হয়। স্বত্বাধিকাৰী নাইবা মালিকঃ স্বত্বাধিকাৰী নাইবা মালিকক তেওঁৰ কাকত, আলোচনী ইত্যাদিত কোনো বিষয় প্ৰকাশৰ কাৰণে তেতিয়াহে দায়ী কৰাব পৰা যাব যেতিয়া ইয়াৰ যথার্থ প্ৰমাণ থাকিব যে তেওঁ মানহানিকৰ লেখা এটা প্ৰকাশৰ কাৰণে দায়ী নাইবা তেনে লেখা প্ৰকাশৰ কাৰণে বাছনি কৰাৰ বাবে দায়ী। প্ৰকাশকঃ প্ৰকাশকগৰাকী তেওঁৰ কাকত নাইবা আলোচনী ইত্যাদিত এনে যিকোনো বস্তু প্ৰকাশ কৰাৰ কাৰণে দায়ী যিবোৰ মানহানিকৰ।

প্ৰতিবেদনকাৰীঃ প্ৰতিবেদনকাৰীক মুদ্ৰক, প্ৰকাশক, সম্পাদকৰ নিচিনাকৈ দায়ী কৰা হ'ব পাৰে যদিহে তেওঁ প্ৰকাশৰ বাবে পঠোৱা বস্তুবোৰে কাৰোবাৰ চাৰিত্ৰিক দিশক আঘাত কৰিব পৰা মানহানিকাৰক হয়।

মানহানি - সাম্প্ৰতিক আইন

তথ্য প্ৰযুক্তি আইন, ২০০০ (Information Technology Act, 2000) ঃ 'ইমেইল'ৰ জৰিয়তে মানহানি কৰিলে সেয়া ক্ষতিপূৰণৰ সৈতে শাস্তিলাভৰ যোগ্য অপৰাধ। কাৰোবাক ভয় দেখুওৱাৰ অপৰাধত দুবছৰলৈকে কাৰাদণ্ড হব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মানহানিৰ প্ৰকাৰসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ২ ঃ কুৎসা ৰটনা (libel) আৰু অপযশ ৰটনাৰ (slander) ৰ মাজৰ প্ৰভেদ কি ?

.....

.....

১২.৪ আদালত কক্ষৰ সংবাদ প্ৰতিবেদন প্ৰস্তুতকৰণ

নিৰপেক্ষ আৰু সমতাপূৰ্ণ প্ৰতিবেদনৰ জৰিয়তে সংবাদ মাধ্যম আজিকালি গণতন্ত্ৰৰ প্ৰহৰীত পৰিণত হৈছে। প্ৰতিবেদন এটা গুৰুত্বপূৰ্ণ কাৰ্য ইয়াৰ দ্বাৰা সত্যক মানুহৰ মাজত সংবাদ আৰু মতামতৰ আকাৰত পৰিৱেশন কৰা হয়। সাধাৰণতে শ্ৰ্টহেন্ড (shorthand), মেছিন শ্ৰ্টহেন্ড (machine shorthand) নাইবা কণ্ঠ শুনি লিখা সঁজুলিৰ ব্যৱহাৰেৰে কথিত নাইবা বাণীৰদ্ধ কৰা ভাষণবোৰৰ লিখিত প্ৰতিলিপিপ্ৰস্তুত কৰা হয়। আদালতৰ শুনানি, এজাহাৰ আৰু আন কাৰ্যালয় সম্বন্ধীয় প্ৰতিবেদন সমূহৰ প্ৰতিলিপি তৈয়াৰৰ কাম কৰা ব্যক্তিক আদালতৰ প্ৰতিবেদন প্ৰস্তুতকাৰী নাইবা আদালতৰ শ্ৰুতিলেখক বুলি জনা যায় যন্ত্ৰত টাইপ(ষ্টেনোটাইপ কৰোঁতা, শ্ৰ্টহেন্ড্ প্ৰতিবেদক নাইবা আইন প্ৰতিবেদক বুলিও জনা যায়)।

ভাৰতীয় গণতন্ত্ৰৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ হৈছে ন্যায়পালিকা । ই চৰকাৰ আৰু জনসাধাৰণৰ মাজৰ ক্ষমতাৰ ভাৰসাম্যতা বৰ্তাই ৰাখে। বিচাৰ সংক্ৰান্তীয় কাৰ্যৰ প্ৰতিবেদন প্ৰস্তু কৰিবলৈ নাইবা প্ৰতিবেদন প্ৰস্তুত কৰাৰ কাৰণে আদালতত উপস্থিত থাকিবলৈ সংবাদদাতাসকলে কিছুমান নিয়ম মানি চলিব লাগে । এই নিয়মবোৰ সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য। যদি কোনোবাই কিবা প্ৰকাৰে ন্যায়িক কাৰ্যত বাধা প্ৰদান কৰে নাইবা ক্ষতিসাধন কৰে নাইবা ন্যায়ালয়ৰ প্ৰশাসনত হস্তক্ষেপ কৰে তেনেহলে ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা হয় । ই এক ফৌজদাৰী অপৰাধ নাইবা নাগৰিক অপৰাধ নাইবা দুয়োটা হ'ব পাৰে। এনেকুৱা কাৰ্য নাইবা আচৰণ আদালত অৱমাননা আইন, ১৯৭১ (Contempt of Courts Act, 1971) ৰ অধীনত বিচাৰ কৰা হয়।

আদালত অৱমাননা আইন ১৯৭১ (Contempt of Courts Act, 1971)ৰ ধাৰা ২ (a) ত উল্লেখ আছে যে অৱমাননা দুই ধৰণৰ হ'ব পাৰে ঃ নাগৰিক নাইবা ফৌজদাৰী। ধাৰা ২ (b) য়ে নাগৰিক অৱমাননাৰ বিষয়ে বৰ্ণনা কৰিছে। নাগৰিক অৱমাননাই আদালতৰ কোনো ৰায়, ফৰমান, আজ্ঞালেখ, নিৰ্দেশ, আদেশ নাইবা কোনো কাৰ্যৰ ইচ্ছাকৃত অবাধ্যতাক নাইবা আদালতত দিয়া কোনো প্ৰতিশ্ৰুতিৰ ইচ্ছাকৃত উলংঘনক বুজায়। ধাৰা ২ (c) ত ফৌজদাৰী অৱমাননাৰ বিষয়ে উল্লেখ আছে। ই কোনো বিষয়ৰ প্ৰকাশ নাইবা এনে কোনো কাৰ্য যি আদালতৰ অধিকাৰটোৱে নাইবা ন্যায়ালয়ৰ প্ৰশাসনক হেয় কৰে নাইবা হেয় কৰাৰ ইচ্ছা প্ৰকাশ কৰে নাইবা কোনো কাৰ্যত হস্তক্ষেপ কৰে নাইবা হস্তক্ষেপ কৰাৰ ইচ্ছা প্ৰকাশ কৰে।

আদালত অৱমাননা আইন, ১৯৭১ (Contempt of Courts Act, 1971) ৰ ধাৰা ২ (c) ই ফৌজদাৰী অৱমাননাৰ বৰ্ণনা কৰি কৈছে ঃ " (c) ফৌজদাৰী অৱমাননাই কোনো বিষয়ৰ

প্রকাশ (লিখিত নাইবা মৌখিক ৰূপত ব্যৱহৃত ভাষাৰ দ্বাৰা নাইবা চিহ্নৰ দ্বাৰা নাইবা কোনো দৃশ্য-শ্রব্য বিৱৰণৰ দ্বাৰা নাইবা আইন কোনো উপায়েৰে) নাইবা এনে কোনো কার্যৰ মাজৰ যিকোনো এটাক বুজায় যিটোৱে

(i) আদালতৰ অধিকাৰক কলংকিত কৰে নাইবা কলংকিত কৰাৰ ইচ্ছা প্রকাশ কৰে নাইবা হেয় কৰে নাইবা হেয় কৰাৰ ইচ্ছা প্রকাশ কৰে;

(ii) ন্যায়ালয়ৰ কোনো কার্য চলি থকাৰ সময়ত পক্ষপাতিত্ব নাইবা হস্তক্ষেপ কৰে নাইবা হস্তক্ষেপ কৰাৰ ইচ্ছা প্রকাশ কৰে; নাইবা

(iii) অন্য কোনো উপায়ে ন্যায়ালয়ৰ প্রশাসনত হস্তক্ষেপ কৰে নাইবা হস্তক্ষেপ কৰাৰ ইচ্ছা প্রকাশ কৰে নাইবা বাধা প্রদান কৰে নাইবা বাধা প্রদান কৰাৰ ইচ্ছা প্রকাশ কৰে।

এই আইনৰ এই বিধানৰ আধাৰত বিস্তৃতভাৱে দুই ভিন্ন ক্ষেত্রত সাংবাদিকসকল ফৌজদাৰী অৱমাননাৰ গোচৰৰ সন্মুখীন হ'ব পাৰে। প্রথমতে, যেতিয়া কোনো ধৰণৰ প্রৱন্ধই ন্যায়তন্ত্রৰ মর্যাদাক কলংকিত কৰে নাইবা কলংকিত কৰাৰ ইচ্ছা প্রকাশ কৰে নাইবা হীন কৰে। ই কোনো বিচাৰপতি , ন্যায়ালয়ৰ কোনো কার্যনির্বাহক ইত্যাদিৰ ওপৰত কৰা মন্তব্য নাইবা টিপ্পনী আদিক সামৰি লয়। দ্বিতীয়তে, যেতিয়া কোনো নিষ্পত্তিহীন গোচৰ সন্দর্ভত প্রকাশ কৰা প্রতিবেদনে বিচাৰৰ ফলাফলক প্রভাৱান্বিত কৰাৰ থল থাকে।

আদালত অৱমাননা ধাৰা ১৯৭১ (Contempt of Courts Act, 1971) ৰ ধাৰা ৭ ত উল্লেখ আছে যে আদালতৰ কার্য সম্বন্ধীয় কোনো তথ্যৰ প্রকাশ নাইবা কেমেৰাত বন্দী কৰা আদালতৰ অৱমাননা নহয়। কিন্তু প্রকাশ কৰা বিষয়টো ন্যায়ালয়ৰ কার্যাৱলীৰ ন্যায্য আৰু সম্পূর্ণ সত্য প্রতিবেদন হ'ব লাগিব। যি নহওক , তলত দিয়া চাৰিটা ক্ষেত্রত এনেকুৱা প্রকাশ অৱমাননালৈ পর্যবসিত হ'ব পাৰে-

(১) যদি এনেদৰে তথ্য প্রকাশ কৰাটো কোনো সাময়িকভাৱে বলবৎ কৰা আইনৰ বিৰুদ্ধাচৰণ হয়।

(২) যদি সার্বজনীন নীতিৰ আধাৰত আদালতে এনে কৰাটো মানা কৰিছে।

(৩) যদি বিষয়টো দেশৰ সুৰক্ষা নাইবা জনসাধাৰণৰ আইন-শৃংখলাৰ লগত জড়িত হৈ আছে।

(৪) যদি তথ্যবোৰ কোনো গোপন প্রক্রিয়া, আৱিষ্কাৰ নাইবা উদঘাটনৰ লগত জড়িত হৈ আছে।

অৱমাননাৰ আচৰণৰ কোনো এক্ক সূত্র নাই যিটোৱে অৱমাননাৰ ফলত সৃষ্টি হ'ব পৰা সকলো দিশ সামৰি লয়। প্রতিষ্ঠিত গোচৰ ভিত্তিক আইন অনুসৰি তলৰ আচৰণবোৰক আদালতৰ অৱমাননা বুলি গণ্য কৰা হয় ঃ

(a) বিচাৰকলৈ জোতা দলিওৱা

(b) আদালতৰ চৌহদত কোনো উকিল অথৱা আইনজীৱীক চৰিওৱা

(c) আদালতত আত্মপক্ষ সমর্থনৰ আবেদনৰ জৰিয়তে বিচাৰ ব্যৱস্থাক হেয় কৰা

অথবা হীন কৰি দেখুওৱা

(d) কোনো লেখনি প্ৰকাশৰ দ্বাৰা বিচাৰকৰ ওপৰত ব্যক্তিগত আক্ৰমণ চলোৱা

আদালত অৱমাননা আইন ১৯৭১ (Contempt of Courts Act, 1971) ৰ অধীনত এনে বহুতো পৰিৱেশ আছে যিবোৰক আদালত অৱমাননাৰ অপৰাধ বুলি গণ্য কৰা যায়। সাংবাদিক সকলৰ কৰ্ত্তব্য হৈছে তেওঁলোকৰ কাৰ্য নাইবা আচৰণে যাতে কোনোধৰণৰ অৱমাননাৰ সৃষ্টি নকৰে সেয়া সুনিশ্চিত কৰা । অন্যথা তেওঁলোকৰ বিৰুদ্ধে ধাৰাটোৰ অধীনত গোচৰ চলিব পাৰে আৰু তেওঁলোক জগৰীয়া হ'ব পাৰে।

শাস্তি (Punishment) ঃ আদালত অৱমাননা আইন ১৯৭১ (Contemt of Court Act, 1971) ৰ ধাৰা ১২ এ অৱমাননাৰ শাস্তিৰ বিধান বৰ্ণনা কৰিছে। ইয়াত উল্লেখ আছে যে অপৰাধীৰ এটা নির্দিষ্ট সময় সীমাৰ কাৰণে সহজ কাৰাদণ্ড হ'ব পাৰে । এনে কাৰাদণ্ড ছয়মাহলৈকে হ'ব পাৰে নাইবা জৰিমনা বিহা হ'ব পাৰে। জৰিমনা দুহেজাৰ টকাপর্যন্ত হ'ব পাৰে নাইবা কাৰাবাস আৰু জৰিমনা দুয়োটা হ'ব পাৰে। যি নহওঁক, দোষীক দোষমুক্ত কৰি দিয়া হ'ব পাৰে নাইবা তেওঁক বিহা শাস্তিহে মাফ কৰি দিয়া যাব পাৰে যদি তেওঁ আদালতত সন্তুষ্ট হোৱাকৈ ক্ষমা প্ৰার্থনা বিচাৰে। অর্থাৎ, এগৰাকী ব্যক্তি যদি নাগৰিক আইন অৱমাননাৰ অপৰাধত অপৰাধী আৰু আদালতে এইটো ভাৱে যে কেৱলমাত্র টকা জৰিমনা কৰাই পর্যাপ্ত নহয় , তেন্তে ব্যক্তিগৰাকীক সর্বোচ্চ ছমাহৰ সময়ৰ কাৰণে অসামৰিক কাৰাগাৰলৈ প্রেৰণ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আদালতৰ অৱমাননা বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৪ ঃ আদালতৰ অৱমাননাৰ প্রকাৰসমূহ কি কি?

.....

.....

১২.৫ প্রতিলিপিস্বত্ব

প্রতিলিপিস্বত্ব হৈছে সেইটো অধিকাৰ যিটোৱে ব্যক্তিক তেওঁ নিজে লিখা ৰচনা এখনৰ বৌদ্ধিক অধিকাৰ প্রদান কৰে। প্রতিলিপিস্বত্বই লেখকৰ মৌলিক কাম অন্যায় নাইবা অনৈতিকভাৱে কোনোবাই দখল নাইবা অধিকাৰ কৰাৰ বিপক্ষে সুৰক্ষা প্রদান কৰে। ভাৰততে ১৯৫৭ চনৰ প্রতিলিপিস্বত্ব আইন (Copyright Act of 1957) মানি চলা হয়। এই আইনৰ

ভিত্তি হ'ল ১৯১৪ চনৰ প্ৰতিলিপিস্বত্ব আইন (Copyright Act of 1914) ।

১৯৫৮ চনৰ জানুৱাৰী মাহৰ পৰা প্ৰতিলিপিস্বত্ব আইন, ১৯৫৭ (Copyright Act,1957) খন কাৰ্যকৰী কৰা হৈছিল। তেতিয়াৰ পৰা এই আইনখন ৫ বাৰ সংশোধন কৰা হৈছে। সংশোধন চনবোৰ হৈছে - ১৯৮৩, ১৯৮৪, ১৯৯২, ১৯৯৪ আৰু ২০১২।

প্ৰতিলিপিস্বত্ব আইন, ১৯৫৭ (Copyright Act of 1957) ৰ আগলৈকে আমাৰ দেশত ১৯১৪ চনৰ প্ৰতিলিপিস্বত্ব আইনখন(Copyright Act of 1914) প্ৰচলিত আছিল। অৱশ্যে এই আইনখন মূলতঃ বৃটিছ প্ৰতিলিপিস্বত্ব আইন, ১৯১১ (British Copyright Act,1911) ৰ ভাৰতীয় সংস্কৰণ আছিল। প্ৰতিলিপিস্বত্ব আইন, ১৯৫৭ (Copyright Act, 1957) খনো ১৯৫৬ চনৰ গ্ৰেট বৃটেইনৰ প্ৰতিলিপিস্বত্ব আইনৰ দ্বাৰা বহুলাংশে প্ৰভাৱিত। প্ৰতিলিপিস্বত্ব আইন, ১৯৫৭ (Copyright Act, 1957) খন প্ৰচলিত সাধাৰণ আইনৰ জৰিয়তে চলাই থকা হৈছে।

প্ৰতিলিপিস্বত্ব আইনে প্ৰথমতে কোন স্বত্বোধিকাৰী, মালিক, লেখক নাইবা সম্পাদক সেয়া নিৰ্ণয় কৰে। যদি কোনো সংগঠন, সমিতি, সংস্থা নাইবা প্ৰতিষ্ঠানৰ কৰ্মচাৰীয়ে তেওঁৰ কৰ্ম নাইবা সেৱাৰ চৰ্ত হিচাপে গোচৰাধীন প্ৰকাশনৰ কামটো কৰে, তেন্তে সেই সংগঠন, সমিতি, সংস্থা নাইবা প্ৰতিষ্ঠানটোকহে সেই কামৰ বাবে জগৰীয়া কৰা হ'ব পাৰে, কৰ্মচাৰীজনক নহয়।

আইনখনে প্ৰাথমিকভাৱে পুনৰায় কামটো প্ৰস্তুত কৰিবলৈ, প্ৰযোজনা কৰিবলৈ, প্ৰকাশ কৰিবলৈ, পৰিৱেশন কৰিবলৈ, অনুবাদ কৰিবলৈ, প্ৰচাৰ কৰিবলৈ, সম্প্ৰচাৰ কৰিবলৈ নাইবা লেখনি, চিত্ৰাংকন,ভাস্কৰ্য, ফটোগ্ৰাফ, কাৰ্টুন, প্ৰদৰ্শনী ইত্যাদিত বাই-লাইন (by-line) প্ৰদানৰ জৰিয়তে নাইবা বাই-লাইন নিদিয়াকৈ প্ৰেৰণ কৰাৰ মালিকীস্বত্ব অধিকাৰ প্ৰদান কৰে। এই অধিকাৰসমূহ প্ৰথম মালিকগৰাকীৰ হাতত ন্যস্ত থাকে।

মালিকে তেওঁৰ মৌলিক কামটো মূল্যৰ বিনিময়ত অথবা বিনামূলীয়াকৈ ব্যৱহাৰ কৰাৰ অনুমতি দিয়াৰ অধিকাৰ লাভ কৰে। তেওঁৰ কামটো হস্তান্তৰ কৰা, বিক্ৰী কৰা, প্ৰতিহত কৰা , নিজাকৈ ৰখা আৰু কোনো ব্যক্তিক দি দিয়াৰ অধিকাৰ থাকে। অপ্ৰকাশিত কোনো কামৰ প্ৰতিলিপিস্বত্ব কামটো প্ৰকৃততে প্ৰকাশিত হোৱাৰ পাচৰ পৰাহে কাৰ্যকৰী হ'ব। চৰকাৰী প্ৰকাশন বোৰৰ কোনো প্ৰতিলিপিস্বত্ব নাথাকে। সেই কাৰণে সাংবাদিকসকলে তেওঁলোকৰ কামত এনেকুৱা প্ৰকাশনৰ পূৰ্ণ সুযোগ লয়।

লেখকৰ গোটেই জীৱন আৰু ষাঠি বছৰলৈকে প্ৰতিলিপিস্বত্বৰ অধিকাৰ থাকে। চিনেমাৰ ক্ষেত্ৰত এই অধিকাৰ ২০ বছৰ আৰু সম্প্ৰচাৰৰ কাৰণে ২৫ বছৰ ধাৰ্য কৰা হৈছে।

প্ৰতিলিপিস্বত্ব আইনৰ ধাৰা ১১ মতে কেন্দ্ৰীয় চৰকাৰে এগৰাকী অধ্যক্ষ আৰু অতি কমেও দুগৰাকী আৰু সৰ্বাধিক ১৪ গৰাকী সদস্য থকা এখন প্ৰতিলিপি স্বত্ব বোৰ্ড গঠন কৰিব লাগে।

প্ৰতিলিপিস্বত্ব বোৰ্ড হ'ল এটা অৰ্ধ-ন্যায়িক গোট। ১৯৫৮ চনৰ চেপ্টেম্বৰ মাহত এই

বোর্ডখন গঠন কৰা হৈছিল। বোর্ডৰ বিচাৰ ব্যৱস্থাই গোটেই ভাৰতবর্ষকে সামৰি লয়। প্রতিলিপিস্বত্বৰ পঞ্জীয়নকৰণ, প্রতিলিপিস্বত্ব প্রদান, জনগণৰ পৰা আঁতৰাই ৰখা কাম প্রকাশৰ অনুজ্ঞা মঞ্জুৰ কৰা, ভাৰতীয় অপ্রকাশিত ৰচনা অনুবাদ কার্যৰ প্রস্তুতিৰখা প্রকাশ আৰু কিছুমান বিশেষ উদ্দেশ্যধর্মী কামক লৈ হোৱা উদ্ভৱ বিবাদ নিষ্পত্তিকৰণৰ কাম এই বোর্ডৰ ওপৰত ন্যস্ত কৰা হৈছে। কিছুমান অন্যান্য বিষয়ৰ গোচৰো প্রতিলিপিস্বত্ব আইন, ১৯৫৭ (Copyright Act, 1957) ৰ অধীনত এই বোর্ড ওচৰলৈ নিষ্পত্তিৰ বাবে প্রেৰণ কৰা হয়।

প্রতিলিপিস্বত্ব পঞ্জীয়ক গৰাকী প্রতিলিপিস্বত্ব বোর্ডৰ সচিব হ'ব লাগিব। প্রতিলিপিস্বত্ব আইনৰ ধাৰা ১২ ই প্রতিলিপিস্বত্ব বোর্ডৰ ক্ষমতাসমূহ নির্দ্ধাৰিত কৰিছে । ফৌজদাৰী বিচাৰসংহিতা, ১৯৭৩ ৰ ধাৰা ৩৪৫ আৰু ৩৪৬ ত সন্নিৱিষ্ট উদ্দেশ্যৰ কাৰণে ইয়াক নাগৰিক আদালত বুলিও অভিহিত কৰা হয়। তদুপৰি বোর্ডৰ সকলো কার্যা ভাৰতীয় দণ্ডসংহিতাৰ ধাৰা ১৯৩ আৰু ২২৮ ৰ বেষ্টনীত ন্যায়ালয়ৰ কার্যাৱলী বুলি মানি লোৱা হ'ব।

২০১৫ চনৰ ২ জুন তাৰিখে কার্যকৰী হোৱাকৈ প্রতিলিপিস্বত্ব (সংশোধনী) আইন, ২০১২ খনবলবৎ কৰা হৈছে। ইয়াৰ ধাৰা ১১ ৰ আধাৰত এগৰাকী অধ্যক্ষ আৰু আন দুগৰাকী সদস্যক লৈ এটা পূর্ণকালীন প্রতিলিপিস্বত্ব বোর্ড গঠন কৰে । ইয়াৰ মুখ্য কার্যালয় দিল্লীত অৱস্থিত ।

শাস্তি (Punishment) ঃ আইনখনৰ ধাৰা ৬৩ ৰ অধীনত ব্যক্তিক দোষী সাব্যস্ত হোৱা এবছৰলৈকে কাৰাদণ্ড বিহা হ'ব পাৰে নাইবা জৰিমনা বিহা হ'ব পাৰে নাইবা দুয়োটাই বিহা হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ প্রতিলিপিস্বত্ব (Copyright) কি ?

.....

.....

প্রশ্ন নং ৬ ঃ প্রতিলিপিস্বত্ব উলংঘনৰ কাৰণে কি শাস্তি বিহা হ'ব পাৰে?

.....

.....

১২.৬ উৎসৰ সুৰক্ষা

সংবাদ মাধ্যমৰ স্বাধীনতাৰ এক প্রাথমিক চর্ত হৈছে সংবিধানৰ ধাৰ ১৯ অনুসৰি সাংবাদিকতামূলক উৎসবোৰক সুৰক্ষা দিয়া। এনেকুৱা সুৰক্ষা অবিহনে উৎসসমূহে হয়তো সংবাদ মাধ্যমক জনসাধাৰণৰ স্বার্থ জড়িত বিষয়বোৰৰ তথ্য জনাবলৈ অনিচ্ছা প্রকাশ কৰিব। ফলস্বৰূপে গণ-প্রহৰী হিচাপে সংবাদ মাধ্যমৰ যি গুৰুত্বপূর্ণ ভূমিকা আছে তাৰ পতন ঘটিব

পাৰে আৰু সংবাদমাধ্যমৰ যথার্থ আৰু নির্ভৰযোগ্য তথ্য প্রদান কৰাৰ যি ক্ষমতা আছে সেয়া বেয়াকৈ ক্ষতিগ্রস্ত হ'ব। কিছুমান আন্তর্জাতিক সংস্থায়ো সাংবাদিক সকলৰ সংবাদৰ উৎসসমূহ গোপনীয়তা ৰক্ষাৰ অধিকাৰক দৃঢ়ভাৱে সমর্থন কৰিছে। এই সংস্থাসমূহৰ ভিতৰত আছে - ইউৰোপীয়ান সংসদ (European Parliament), ইউৰোপ পৰিষদৰ মন্ত্রীসভাৰ সমিতি (Committee of Ministers of the Council of Europe) ,মানৱাধিকাৰ আৰু জন অধিকাৰবিষয়ক আফ্রিকান আয়োগ (African Commission on Human and People's Rights, ACHPR) ইত্যাদি। ইউৰোপ সুৰক্ষা আৰু সহযোগ সংগঠন (The Organization for Security and Co-operation in Europe, OSCE)ৰ সদস্য ৰাষ্ট্রবোৰে ১৯৮৬-১৯৮৯ চনৰ পৰৱর্তী ভিয়েনা বৈঠক (Vienna Follow-up Meeting)ৰ সামৰণি নথিত উল্লেখ কৰিছিল ঃ "সাংবাদিকসকল বিশেষ স্থানত প্রৱেশাধিকাৰ বিচৰাত আৰু বিশেষ উৎসৰ সৈতে সম্পর্ক বর্তাই ৰাখিবলৈ মুক্ত। জনসাধাৰণৰ সৈতে সম্পর্ক ৰক্ষাত আৰু তথ্যৰ ব্যক্তিগত উৎসসমূহৰ ক্ষেত্রত তেওঁলোকৰ বৃত্তিগত গোপনীয়তাৰ প্রয়োজনীয়তাক সন্মান জনোৱা উচিত।

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৯ ৰ অধীনত সাংবাদিকসকলৰ বাক স্বাধীনতা আৰু মত প্রকাশৰ স্বাধীনতাক সুৰক্ষা প্রদান কৰাৰ অধিকাৰ দিয়া হৈছে। এগৰাকী সাংবাদিকক তেওঁৰ সংবাদ উৎসসমূহৰ প্রকাশ কৰিবলৈ বাধ্য কৰোৱা উচিত নহয়। কিন্তু কোনো ভাৰতীয় আইনৰ অধীনত এই সুৰক্ষা অধিকাৰটো বলবৎ কৰা হোৱা নাই। ভাৰতীয় প্রেছ কাউন্সিল আইন (Press Council of India Act) ৰ ধাৰা ১৫(২) ই সাংবাদিকসকলক তেওঁলোকৰ উৎসসমূহ প্রকাশ কৰাৰ পৰা সুৰক্ষা প্রদান কৰে যদিও ই কেৱল কাউন্সিলৰ ভিতৰচ'ৰাত হোৱা আইনী কার্যাৱলীৰ ক্ষেত্রতহে প্রযোজ্য। যদি আদালতে সংবাদ মাধ্যমক তেওঁলোকৰ উৎসসমূহ প্রকাশ কৰাটো আৱশ্যক বুলি কয় তেন্তে আদালতৰ মজিয়াত সাংবাদিকসকলে তেওঁলোকৰ উৎসসমূহৰ গোপনীয়তা ৰক্ষাৰ ক্ষেত্রত কোনো সুৰক্ষা লাভ নকৰে। এনে কোনো ভাৰতীয় আইন নাই যিখনে সাংবাদিকসকলক তেওঁলোকৰ সংবাদ উৎসসমূহ প্রকাশ কৰিবলৈ অস্বীকাৰ কৰাৰ অধিকাৰ প্রদান কৰিছে। সাংবাদিকসকলক বিশ্বাস কৰি উৎসবোৰে তথ্যৰ গোপনীয়তা ভংগ নহ'ব বুলি আশা কৰে। কিন্তু যদি সাংবাদিকগৰাকীক ভূক্তভোগীয়ে উৎস সদৰিক ৰিবলৈ কয়, তেন্তে তেওঁ সেই কাম অস্বীকাৰ কৰিব নোৱাৰে।

যিবোৰ পৰিস্থিতিত আদালতে সাংবাদিক এগৰাকীক তেওঁৰ সংবাদ উৎসসমূহ সদৰি কৰিবলৈ বাধ্য কৰাব পাৰে সেইবিলাক হ'ল জনগণৰ সমস্যাৰ লগত জড়িতপৰিস্থিতি। যেতিয়া জনস্বার্থ ৰক্ষা কৰাটো জৰুৰী হয় আৰু জনস্বার্থৰ সন্মুখততথ্য উৎস উন্মুক্ত কৰাটো কম মূল্যবান হৈ পৰে তেতিয়া উৎসসমূহ সদৰি কৰিব পাৰি। ইয়াৰ উপৰি আদালতে উৎসৰ তেতিয়া বিচাৰিব পাৰে যেতিয়াকোনো সংবাদটো চৰকাৰী কার্যালয় নাইবা চৰকাৰী কার্যালয়ৰ কোনো কর্মচাৰী বিষয়ক হয় আৰু যদি অভিযোগটো গুৰুতৰ ধৰণৰ হয়। ইয়াৰ উপৰি যদি কোনো ব্যক্তিৰ বিৰুদ্ধে মানহানিকৰ লেখনি প্রকাশ হয় , তেতিয়া আদালতে হয়তো সাংবাদিকগৰাকীক তেওঁৰ সংবাদৰ উৎস সদৰি কৰিবলৈ বাধ্য কৰাব পাৰে।

সংবাদ মাধ্যমক উৎস সদৰি নকৰিবলৈ অধিকাৰ প্রদান কৰা কোনো আইন নাই। প্রচলিত নিয়ম অনুসৰি সাংবাদিকসকলে তেওঁলোকৰ সংবাদ উৎসৰ সদৰি কৰিবলৈ বাধ্য নহয়। কিন্তু য'ত চৰকাৰী স্বার্থ জড়িত হৈ আছে, সাংবাদিকসকলক তেওঁলোকৰ সংবাদ তেনে ক্ষেত্রত উৎস প্রকাশ কৰিবলৈ গোচৰ চলি থকা আদালতেবাধ্য কৰাব পাৰে।

যেতিয়া আদালতে কোনো তথ্যৰ উৎস জানিব বিচাৰে, সাংবাদিকসকলে তেতিয়া উৎস জনাবলৈ বাধ্য হৈ পৰে। যদি কোনো সাংবাদিকে তথ্যৰ উৎস সদৰি নকৰে তেন্তে ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা হয়। আদালত অৱমাননা আইন, ১৯৭১ (Contempt of Courts Act, 1971) ৰ অধীনত সাংবাদিকগৰাকীক আদালতে শাস্তি বিহিব পাৰে।

যদি সাংবাদিক এগৰাকীয়ে আদালতৰ শাস্তিৰ পৰা নিজকে ৰক্ষা কৰিব বিচাৰে তেন্তে কিয় তেওঁ সংবাদৰ উৎস প্রকাশ্য কৰা নাই সেয়া জনাই ক'ব পাৰে যে তথ্যটো তেওঁক বিশ্বাসৰ ভিত্তিত দিয়া হৈছিল আৰু যদি ইয়াৰ উৎস প্রকাশ কৰা হয় তেন্তে পৰৱর্তী সময়ত আৰু তেওঁ কোনো ধৰণৰ তথ্য লাভ নকৰে। ই ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৯(১) ত সন্নিৱিষ্ট তেওঁৰ বাক আৰু মত প্রকাশৰ স্বাধীনতাক খর্ব কৰিব। লগতে সাংবাদিকগৰাকীয়ে আন সকলো ধৰণৰ সাক্ষ্য প্রমাণ দেখুৱাব পাৰে যিবোৰৰ জৰিয়তে তেওঁ দাখিল কৰা প্রতিবেদনত থকা সিদ্ধান্তত উপনীত হৈছে। সকলোবোৰ সাক্ষ্য প্রমাণ জমা দিয়াৰ পাচত তেওঁ আদালতক প্রমাণ নাইবা তথ্যৰ উৎস প্রকাশ নকৰিবলৈ অনুৰোধ জনাব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ এগৰাকী সাংবাদিকে কেতিয়া তেওঁৰ সংবাদৰ উৎসসমূহ প্রকাশ কৰিব লাগে ?

.....

.....

প্রশ্ন নং ৮ ঃ যদি আদালতে আদেশ জাৰি কৰাৰ পিচতো সাংবাদিক এগৰাকীয়ে তেওঁৰ সংবাদৰ উৎসসমূহ প্রকাশ নকৰে তেন্তে কি হ'ব পাৰে?

.....

.....



১২.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- মানহানি দুই প্রকাৰৰ ঃ লিখিত আৰু কথিত(মৌখিক)। মানহানিৰ সাধাৰণ উৎপত্তিৰ অন্তৰালৰ কাৰণবোৰ হ'ল অপযশ ৰটনা(slander) আৰু কুৎসা ৰটনা (libel) কৰা। অপযশ ৰটনা হ'ল অস্থায়ী ক্ষত্তেকীয়া ৰূপৰ বিবৃতি, যেনে -ভাষণ আৰু কুৎসা ৰটনা

হ'ল কোনো এক স্থিৰ প্ৰচাৰ মাধ্যমেৰে কৰা ক্ষতিকাৰক বিবৃতি।


- ধাৰা ৫০০ আধাৰত মানহানিৰ শাস্তি হৈছে দুবছৰৰ কাৰাদণ্ড, জৰিমনা নাইবা দুয়োটা। সম্প্ৰতি কাৰ্যকৰী হোৱা তথ্য প্ৰযুক্তি আইন, ২০০০ (Information Technology Act, 2000) ৰ আধাৰত মানহানিৰ বাবে দুবছৰলৈকে কাৰাদণ্ড হ'ব পাৰে।
- যদি কোনোবাই কিবা প্ৰকাৰে ন্যায়িক কাৰ্যত বাধা প্ৰদান কৰে নাইবা ক্ষতিসাধন কৰে নাইবা ন্যায়ালয়ৰ প্ৰশাসনত হস্তক্ষেপ কৰে তেনেহলে ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা হয় । ই এক ফৌজদাৰী অপৰাধ নাইবা নাগৰিক অপৰাধ নাইবা দুয়োটা হ'ব পাৰে।
- আদালত অৱমাননা আইন ১৯৭১ (Contempt of Courts Act, 1971)ৰ ধাৰা ২ (a) ত উল্লেখ আছে যে অৱমাননা দুই ধৰণৰ হ'ব পাৰে ঃ নাগৰিক নাইবা ফৌজদাৰী।
- আদালত অৱমাননা আইন ১৯৭১ (Contempt of Courts Act, 1971) ৰ ধাৰা ১২ এ অৱমাননাৰ শাস্তিৰ বিধান বৰ্ণনা কৰিছে। ইয়াত উল্লেখ আছে যে অপৰাধীৰ এটা নিদিষ্ট সময় সীমাৰ কাৰণে সহজ কাৰাদণ্ড হ'ব পাৰে ।
- প্ৰতিলিপিস্বত্বই লেখকৰ মৌলিক কাম অন্যায় নাইবা অনৈতিকভাৱে কোনোবাই দখল নাইবা অধিকাৰ কৰাৰ বিপক্ষে সুৰক্ষা প্ৰদান কৰে। ভাৰতত ১৯৫৭ চনৰ প্ৰতিলিপিস্বত্ব আইন (Copyright Act of 1957) মানি চলা হয়। এই আইনৰ ভিত্তি হ'ল ১৯১৪ চনৰ প্ৰতিলিপিস্বত্ব আইন (Copyright Act of 1914) ।
- লেখকৰ গোটেই জীৱন আৰু যাটি বছৰলৈকে লেখস্বত্বৰ অধিকাৰ থাকে। চিনেমাৰ ক্ষেত্ৰত ই বিছ্ (২০) বছৰ আৰু সম্প্ৰচাৰৰ কাৰণে ই পচিশ্ (২৫) বছৰলৈকে থাকে।
- লেখকৰ গোটেই জীৱন আৰু ষাঠি বছৰলৈকে প্ৰতিলিপিস্বত্বৰ অধিকাৰ থাকে। চিনেমাৰ ক্ষেত্ৰত এই অধিকাৰ ২০ বছৰ আৰু সম্প্ৰচাৰৰ কাৰণে ২৫ বছৰ ধাৰ্য কৰা হৈছে।
- ধাৰাটোৰ ভাগ ৬৩ ৰ আধাৰত, এজন ব্যক্তিক কাৰাদণ্ডৰ শাস্তিৰে বিহিত কৰিব পাৰে যি এ বছৰলৈকে দীঘল হ'ব পাৰে নাইবা জৰিমনা কৰিব পাৰে নাইবা দুয়োটাই।
- ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৯ ৰ অধীনত সাংবাদিকসকলৰ বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাক সুৰক্ষা প্ৰদান কৰাৰ অধিকাৰ দিয়া হৈছে। এগৰাকী সাংবাদিকক তেওঁৰ সংবাদ উৎসসমূহৰ প্ৰকাশ কৰিবলৈ বাধ্য কৰোৱা উচিত নহয়। কিন্তু কোনো ভাৰতীয় আইনৰ অধীনত এই সুৰক্ষা অধিকাৰটো বলবৎ কৰা হোৱা নাই।
- যিবোৰ পৰিস্থিতিত আদালতে সাংবাদিক এগৰাকীক তেওঁৰ সংবাদ উৎসসমূহ সদৰি কৰিবলৈ বাধ্য কৰাব পাৰে সেইবিলাক হ'ল জনগণৰ সমস্যাৰ লগত জড়িতপৰিস্থিতি।
- যেতিয়া আদালতে কোনো তথ্যৰ উৎস জানিব বিচাৰে, সাংবাদিকসকলে তেতিয়া উৎস জনাবলৈ বাধ্য হৈ পৰে। যদি কোনো সাংবাদিকে তথ্যৰ উৎস সদৰি নকৰে তেন্তে ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা হয়। আদালত অৱমাননা আইন, ১৯৭১ (Contempt of Courts Act, 1971) ৰ অধীনত সাংবাদিকগৰাকীক আদালতে শাস্তি বিহিব পাৰে।



১২.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Aggarwal, Vir Bala, V.S Gupta (2002). Handbook of Journalism and Mass Communication. New Delhi: Concept Publishing Company
2. Kumar, Keval J. (2006) Mass Communication in India. Mumbai : Jaico Publishing House
3. Prasad, K. (2008). Media Laws & Ethics. Delhi: B R Publishing Corporation.
4. Thakurta, P.G. (2015). Media Ethics. New Delhi: Oxford University Press.



১২. ৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় দণ্ডসংহিতাৰ ধাৰা ৪৯৯ ত দুই প্ৰকাৰৰ মানহানিৰ উল্লেখ আছে - লিখিত আৰু কথিত(মৌখিক)। মানহানিৰ সাধাৰণ উৎপত্তিৰ অন্তৰালৰ কাৰণবোৰ হ'ল অপযশ ৰটনা(slander) আৰু কুৎসা ৰটনা (libel) কৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অপযশ ৰটনা হ'ল অস্থায়ী ক্ষন্তেকীয়া ৰূপৰ বিবৃতি, যেনে -ভাষণ আৰু কুৎসা ৰটনা হ'ল কোনো এক স্থিৰ প্ৰচাৰ মাধ্যমেৰে কৰা ক্ষতিকাৰক বিবৃতি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃযদি কোনোবাই কিবা প্ৰকাৰে ন্যায়িক কাৰ্যত বাধা প্ৰদান কৰে নাইবা ক্ষতিসাধন কৰে নাইবা ন্যায়ালয়ৰ প্ৰশাসনত হস্তক্ষেপ কৰে তেনেহলে ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা হয় । ই এক ফৌজদাৰী অপৰাধ নাইবা নাগৰিক অপৰাধ নাইবা দুয়োটা হ'ব পাৰে। এনেকুৱা কাৰ্য নাইবা আচৰণ আদালত অৱমাননা আইন, ১৯৭১ (Contempt of Courts Act, 1971) ৰ অধীনত বিচাৰ কৰা হয়।

আদালত অৱমাননা আইন ১৯৭১ (Contempt of Courts Act, 1971)ৰ ধাৰা ২ (a) ত উল্লেখ আছে যে অৱমাননা দুই ধৰণৰ হ'ব পাৰে ঃ নাগৰিক নাইবা ফৌজদাৰী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আদালত অৱমাননা আইন ১৯৭১ (Contempt of Courts Act, 1971)ৰ ধাৰা ২ (a) ত উল্লেখ আছে যে অৱমাননা দুই ধৰণৰ হ'ব পাৰে ঃ নাগৰিক নাইবা ফৌজদাৰী। ধাৰা ২ (b) য়ে নাগৰিক অৱমাননাৰ বিষয়ে বৰ্ণনা কৰিছে। নাগৰিক অৱমাননাই আদালতৰ কোনো ৰায়, ফৰমান, আজ্ঞালেখ, নিৰ্দেশ, আদেশ নাইবা কোনো কাৰ্যৰ ইচ্ছাকৃত অবাধ্যতাক নাইবা আদালতত দিয়া কোনো প্ৰতিশ্ৰুতিৰ ইচ্ছাকৃত উলংঘনক বুজায়। ধাৰা ২ (c) ত ফৌজদাৰী অৱমাননাৰ বিষয়ে উল্লেখ আছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিলিপিস্বত্ব হৈছে সেইটো অধিকাৰ যিটোৱে ব্যক্তিক তেওঁ

নিজে লিখা ৰচনা এখনৰ বৌদ্ধিক অধিকাৰ প্ৰদান কৰে। প্ৰতিলিপিস্বত্বই লেখকৰ মৌলিক কাম অন্যায় নাইবা অনৈতিকভাৱে কোনোবাই দখল নাইবা অধিকাৰ কৰাৰ বিপক্ষে সুৰক্ষা প্ৰদান কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ আইনখনৰ ধাৰা ৬৩ ৰ অধীনত ব্যক্তিক দোষী সাব্যস্ত হোৱা এবছৰলৈকে কাৰাদণ্ড বিহা হ'ব পাৰে নাইবা জৰিমনা বিহা হ'ব পাৰে নাইবা দুয়োটাই বিহা হ'ব পাৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ পৰিস্থিতিত আদালতে সাংবাদিক এগৰাকীক তেওঁৰ সংবাদ উৎসসমূহ সদৰি কৰিবলৈ বাধ্য কৰাব পাৰে সেইবিলাক হ'ল জনগণৰ সমস্যাৰ লগত জড়িতপৰিস্থিতি। যেতিয়া জনস্বাৰ্থ ৰক্ষা কৰাটো জৰুৰী হয় আৰু জনস্বাৰ্থৰ সন্মুখততথ্য উৎস উন্মুক্ত কৰাটো কম মূল্যবান হৈ পৰে তেতিয়া উৎসসমূহ সদৰি কৰিব পাৰি।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া আদালতে কোনো তথ্যৰ উৎস জানিব বিচাৰে, সাংবাদিকসকলে তেতিয়া উৎস জনাবলৈ বাধ্য হৈ পৰে। যদি কোনো সাংবাদিকে তথ্যৰ উৎস সদৰি নকৰে তেন্তে ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা হয়। আদালত অৱমাননা আইন, ১৯৭১ (Contempt of Courts Act, 1971) ৰ অধীনত সাংবাদিকগৰাকীক আদালতে শাস্তি বিহিব পাৰে।



১২.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ আদলত অৱমাননা কৰাৰ শাস্তি কি?

প্ৰশ্ন ২ ঃ সাংবাদিক গৰাকীয়ে তেওঁৰ সংবাদ উৎসসমূহৰ সুৰক্ষিত ৰাখিবলৈ কি যুক্তি আগবঢ়াব পাৰে?

(খ) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংবাদ মাধ্যমৰ স্বাধীনতাৰ বোৰক প্ৰাথমিক চৰ্ত হৈছে সাংবাদিকতামূলক উৎস সুৰক্ষা প্ৰদান কৰা" - এই উক্তিটো উদাহৰণেৰে সৈতে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতীয় প্ৰতিলিপিস্বত্ব বোৰ্ড (Copyright Board of India) ৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্নঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কি পৰিস্থিতিত সাংবাদিক গৰাকীয়ে আদালত অৱমাননাৰ অভিযোগৰ সন্মুখীন হ'ব পাৰে?

প্ৰশ্ন ২ ঃ ইণ্টাৰনেট কেনেকৈ মানহানিৰ কাৰণ হ'ব পাৰে? উদাহৰণেৰে সৈতে ব্যাখ্যা কৰক।

****

অধ্যায়-১৩ ঃ জনসম্পর্ক আৰু বিজ্ঞাপনৰ নীতি

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ জনসম্পর্ক ৰক্ষাত নীতিৰ গুৰুত্ব
১৩.৪ জনসম্পর্ক ৰক্ষাৰ বৃত্তিৰ বাবে থকা নীতি সংহিতা
১৩.৫ আভ্যন্তৰীণ জনসম্পর্ক ঃ নৈতিক সিদ্ধান্ত গঠনত সাংগঠনিক সংৰচনাৰ প্ৰভাৱ
১৬.৬ বিজ্ঞাপন সংহিতা আৰু নীতি
১৩.৭ বিজ্ঞাপন দাতাৰ বাবে থকা নীতি সংহিতা
১৩.৮ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India / ASCI)
১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১০ অধিক জানিবলৈ
১৩.১১ অগ্রগতিৰ খতিয়ান
১১.১২ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনসম্পর্কত নৈতিকতাৰ প্ৰয়োজনীয়তা বুজি পাব
- জনসম্পর্কৰ নৈতিক সংহিতা সম্পর্কে আলোচনা কৰিব পাৰিব
- বিজ্ঞাপনৰ নৈতিক সংহিতা বিশ্লেষণ কৰিব পাৰিব
- বিজ্ঞাপনকাৰীসকলে পালন কৰা নৈতিক সংহিতাবোৰ বর্ণনা কৰিব পাৰিব।

১৩.২ পৰিচয়

জনসম্পর্ক সকলোবোৰ ক্ৰম বিকশিত প্ৰতিষ্ঠানৰ যোগাযোগৰ এটা অবিচ্ছেদ্য অংশ হৈ পৰিছে। প্ৰতিষ্ঠান এটাৰ আভ্যন্তৰীণ আৰু বাহ্যিক জনগণৰ মাজত যোগাযোগৰ মাধ্যম হিচাপে আৰু প্ৰতিষ্ঠানটোৰ উজ্বল ভাৱমূৰ্তি বজাই ৰাখিবলৈ জনসম্পর্কৰ অনুশীলন কৰোঁতে যিহেতু বিভিন্ন ধৰণৰ মাধ্যম ব্যৱহাৰ কৰা হয়, সেয়েহে নৈতিকতাৰ এই ক্ষেত্ৰত কাম-কাজ আৰু বিষয়বস্তু সূচাৰুৰূপে আগবঢ়াই নিয়াৰ নির্দেশক নীতি ৰূপে ব্যৱহৃত হ'ব পাৰে।

একেদৰে, বিজ্ঞাপনৰ ক্ষেত্ৰতো নৈতিকতাই নির্দেশক নীতি হিচাপে কাম কৰে। আজিকালি সকলো ধৰণৰ বিজ্ঞাপন যথেষ্ট প্ৰতিযোগিতামূলক হৈ পৰিছে । কাৰণ ,প্ৰায় সকলো

বিজ্ঞাপনে পঢ়ুৱৈ, শ্ৰোতা নাইবা দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰে। সেয়েহে মাজে সময়ে প্ৰতিযোগিতাৰ বজাৰত নিজকে শীৰ্ষস্থানত ৰাখিবলৈ বিজ্ঞাপনকাৰীসকলে সত্য আৰু যথাৰ্থতাৰ মূল নীতিসমূহৰ ক্ষেত্ৰত আপোচ কৰাৰ প্ৰৱণতা দেখুৱায়।

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জনসংযোগ আৰু বিজ্ঞাপনত কিয় নৈতিকতা ইমান গুৰুত্বপূৰ্ণ আৰু সেইবিলাক কেনেকৈ মানি চলিব লাগে সেয়া জানিব পাৰিব।

১৩.৩ জনসম্পর্ক ৰক্ষাত নীতিৰ গুৰুত্ব

জনসম্পৰ্ক ৰক্ষাত নৈতিকতাৰ প্ৰয়োজনীয়তা আলোচনা কৰাৰ আগতে আমি নৈতিকতা (ethics) শব্দটোৰ সাধাৰণ অৰ্থটোনো কি তাক বুজি লওঁ আহক । নৈতিকতাৰ ইংৰাজী প্ৰতিশব্দ 'ethics' শব্দটো গ্ৰীক শব্দ 'ethos' ৰ পৰা ওলোৱা আৰু ইয়াক সমাৰ্থকভাৱে নৈতিক চৰিত্ৰ (moral behaviour) নাইবা নৈতিক গুণ (moral qualities) বুজাবলৈ ব্যৱহাৰ কৰা হয়। নীতিশাস্ত্ৰই শুদ্ধ নাইবা ভুল,ভাল নাইবা বেয়া মানৰ চৰিত্ৰ গঠনকাৰী উপাদানবোৰৰ অধ্যয়ন কৰে। নৈতিকতা হৈছে নৈতিক নিয়মাৱলী নাইবা সংহিতাৰ এনে এক সমষ্টি যিটোৱে শুদ্ধ আৰু ভুল নাইবা ভাল আৰু বেয়া নিৰ্দ্ধাৰণ কৰি সমাজৰ ভিতৰতত আমাক উচিত সিদ্ধান্ত গ্ৰহণ আৰু কাৰ্য সম্পাদন কৰাৰ নিৰ্দেশনা দিয়ে।

জনসম্পৰ্ক ৰক্ষাত নৈতিকতাই অবিৰতভাৱে বাধাৰ সন্মুখীন হয়। এই বাধা সেৱা গ্ৰহণকাৰী (client) ৰ দ্বাৰাও সৃষ্ট হ'ব পাৰে নাইবা সাধাৰণ জনগণৰ দ্বাৰাও সৃষ্ট হ'ব পাৰে। উদ্যোগৰ আৰম্ভ হোৱা দিনৰ পৰাই সাধাৰণ বিশ্বাস প্ৰচলিত হৈ আহিছে যে জনসম্পৰ্ক (PR) হৈছে ভাৱমূৰ্ত্তি ব্যৱস্থাপনা পদ্ধতি (Image Management)। ইয়াত উপভোক্তাৰ লাভালাভ মাজে সময়ে গোপনে বাবে সত্য নাইবা পৰিৱৰ্তিত কৰাটো এক অভ্যাসত পৰিণত হয়। কিন্তু জনসম্পৰ্কৰ সঁচা অৰ্থই এইটো নুবুজায়।

জনসম্পৰ্ক এক বিশাল উদ্যোগ আৰু ই ভিন্ন প্ৰকাৰৰ প্ৰতিষ্ঠানক সেৱা আগবঢ়ায়। সেই প্ৰতিষ্ঠানসমূহ চৰকাৰী নাইবা বেচৰকাৰী দুয়োটা খণ্ডৰে হ'ব পাৰে। উদাহৰণস্বৰূপে ব্যৱসায়, উদ্যোগ, চৰকাৰী সংস্থা, সেৱা প্ৰতিষ্ঠান, ধাৰ্মিক নাইবা শৈক্ষিক প্ৰতিষ্ঠান, চিকিৎসালয় ইত্যাদিয়ে জনসম্পৰ্ক ৰক্ষা কৰি চলে। এই প্ৰতিষ্ঠানসমূহে নিজ লক্ষ্যত উপনীত হ'বলৈ জনসাধাৰণ নাইবা নিজৰ লক্ষ্য দলৰ সৈতে, বিশেষকৈ সমাজৰ লগত ফলপ্ৰসূ তথা দৃঢ় সম্পৰ্ক স্থাপন কৰাৰ প্ৰয়োজন আছে। জনসম্পৰ্কৰক্ষীসকলে সংযোগকাৰী হিচাপে সেৱা আগবঢ়ায়। তেওঁলোকে প্ৰতিষ্ঠানগত উদ্দেশ্যসমূহক যুক্তিযুক্ত আৰু জনগণৰ গ্ৰহণযোগ্য নীতিলৈ ৰূপান্তৰ কৰাত সহায় কৰে।

প্ৰতিষ্ঠানৰ বিষয়ে যি তথ্য জনসম্পৰ্কৰক্ষীয়ে যোগান ধৰে সকলো ক্ষেত্ৰতে ইয়াৰ উৎস অৱশ্যেই উল্লেখ কৰিব লাগে। এই উৎসবোৰ বস্তুনিষ্ঠ হ'ব নালাগে আৰু উদ্দেশ্যপ্ৰণোদিত প্ৰচাৰ নাইবা বাণিজ্যিক প্ৰচাৰৰ পৰা মুক্ত হ'ব লাগে। জনসম্পৰ্ক ৰক্ষাৰ দায়িত্বত থকা সকলে পাৰস্পৰিক বুজাপৰাৰ মাজেৰে প্ৰতিষ্ঠানৰ ভাৱমূৰ্তি (image) সৃষ্টিৰ দায়িত্ব পালন কৰে।

সেয়েহে তেওঁলোকে সত্য আৰু সততাৰ ভিত্তিত স্থাপিত উপযুক্ত তথ্য বিতৰণ কৰিব লাগে। অসত্য তথ্যৰ ওপৰত ভিত্তি কৰি নাইবা মনেসজা কাহিনীৰ নিৰ্বাচিত প্ৰদৰ্শনীৰ দ্বাৰা ভাৱমূৰ্তি প্ৰতিষ্ঠাৰ চেষ্টা কৰিব নালাগে। সংঘাত নাইবা সংকটৰ মুহূৰ্ততো জনসম্পৰ্কই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া হয়। এনে সময়ত মধ্যস্থতাকাৰী হিচাপে জনসম্পৰ্কৰক্ষী সকলে কৰ্মচাৰী আৰু সমাজ দুয়োপক্ষৰ বিশ্বাস জিনিব লাগে। এনে মুহূৰ্তত ব্যক্তিগত মিলাপ্ৰীতিয়ে সহায়কৰ ভূমিকা পালন কৰে। এনে মিলাপ্ৰীতি হ'ল বিশ্বাস আৰু সদিচ্ছা গঢ়াৰ প্ৰয়োজনীয় উপাদান। একমাত্ৰ এগৰাকী সৎ জনসম্পৰ্কৰক্ষাকাৰীয়েহে নৈতিকতা বোধৰ সহায়ত সকলোৰে সৈতে সুসম্পৰ্ক স্থাপন কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নৈতিকতা বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ২ ঃ জনসম্পৰ্ক ৰক্ষাত নৈতিকতা কিয় প্ৰয়োজনীয়?

.....

.....

১৩.৪ জনসম্পৰ্ক ৰক্ষাৰ বৃত্তিৰ বাবে থকা নীতি সংহিতা

অধিকাংশ বৃত্তিয়েই ইয়াৰ সৈতে জড়িতসকলৰ আচৰণৰ স্বীকৃত প্ৰথা স্থাপন কৰিবলৈ বৃত্তিগত আচৰণৰ একোখন সংহিতা তৈয়াৰ কৰে। জনসম্পৰ্ক বৃত্তিটোৰো এনে এক নৈতিক সংহিতা আছে। জনসম্পৰ্ক বৃত্তিধাৰীসকলে সিদ্ধান্ত গ্ৰহণত কেতিয়াবা ওপৰঞ্চি দোদুল্যমান সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয় । তেওঁলোকৰ সিদ্ধান্তই (১) চৰকাৰী স্বাৰ্থ, (২) কৰ্মচাৰীসকল, (৩) প্ৰতিষ্ঠানৰ বৃত্তিগত নৈতিক সংহিতা আৰু (৪) তেওঁলোকৰ ব্যক্তিগত মূল্যবোধক প্ৰতিফলিত তথা সন্তুষ্ট কৰিব লাগে। আদৰ্শ পৃথিৱী এখনত এই চাৰিওটা দিশত কেতিয়াও মতবিৰোধৰ সৃষ্টি নহয় নাইবা সংঘাত নঘটে। বাস্তৱত, কিন্তু এই দিশকেইটাই প্ৰায়েই সংঘাতৰ সৃষ্টি কৰে।

ব্যক্তিয়ে কেনেকৈ তেওঁৰ নৈতিকতাৰ সৈতে আপোচ কৰে তাৰ উদাহৰণ সমূহৰ ভিতৰত আছে নিয়োগকৰ্তা হৈ নাইবা নিয়োগকৰ্তাৰ বাবে মিছা মতা, উপঢৌকন নাইবা উপহাৰ গ্ৰহণ কৰা, বিভ্ৰান্তিকৰ সংবাদ লিখা, তথ্য লুকুৱাই ৰখা আৰু সম্ভাব্য ক্ষতিকাৰক পৰিস্থিতি সম্পৰ্কে সংবাদ তৈয়াৰ কৰা।

১৯৬৮ চনৰ ২১ মাৰ্চত ভাৰতীয় জনসম্পৰ্ক বৃত্তিজীৱী সমাজে (Public Relations Society of India (PRSI) ইয়াৰ নতুন দিল্লীত অনুষ্ঠিত জাতীয় অভিৱৰ্তনত

জনসম্পর্কৰ আন্তর্জাতিক নৈতিক সংহিতা গ্রহণ কৰে । সংহিতাৰ নিয়মাৱলীবোৰ হ'ল—

(ক) জনসম্পর্কৰক্ষী সকলে জনগণক তেওঁলোকৰ সম্পূর্ণ মর্যাদা লাভত আৰু তেওঁলোকৰ অখণ্ড অধিকাৰসমূহ, যিবোৰ "মানৱাধিকাৰৰ সার্বজনীন ঘোষণা" (Universal Declaration of Human Rights)ত সন্নিৱিষ্ট উপভোগ কৰিবলৈ সক্ষম কৰিতোলাৰ নৈতিক আৰু সাংস্কৃতিক চর্তবোৰ সফল কৰাত বৰঙণি যোগাব লাগিব।

(খ) জনসম্পর্কৰক্ষীসকলে যোগাযোগৰ এনে নমুনা আৰু মাধ্যম স্থাপন কৰিব লাগিব যিবোৰে অত্যাৱশ্যকীয় তথ্যৰ মুক্ত প্রবাহৰ পোষকতা কৰি প্রতিগৰাকী জনসম্পর্ক ৰক্ষাকাৰীকে এয়া অনুভৱ কৰাত সহায় কৰিব যে তেওঁক সদায় প্রত্যেক কথা জনাই থকা হৈছে। ইয়াৰ উপৰি ই বৃত্তিটোৰ সৈতে তেওঁ ব্যক্তিগতভাবে জড়িত হৈ থকাৰ সজাগতাবোধৰ লগতে ব্যক্তিগত দায়িত্ব আৰু আন সদস্যসকলৰ লগত থকা তেওঁৰ একতাৰ বিষয়ে সচেতন কৰি ৰাখিব লাগিব।

(গ) জনসম্পর্ক ৰক্ষাকাৰীয়ে নিজকে সকলো সময় আৰু সকলো পৰিৱেশত এনেকুৱা পদ্ধতিৰে পৰিচালিত কৰিব লাগিব যাতে তেওঁ যিসকলৰ সংস্পর্শলৈ আহে তেওঁলোকৰ বিশ্বাসৰ পাত্র হ'ব পাৰে আৰু আস্থা লাভ কৰিব পাৰে।

(ঘ) জনসম্পর্ক ৰক্ষীয়ে এইটো সদায় মনত ৰাখিব লাগিব যে তেওঁৰ বৃত্তি (কাম) আৰু ইয়াৰ লগত জড়িত জনগণৰ সম্পর্কই তেওঁৰ আচৰণকো ব্যক্তিগত জীৱনত নিয়ন্ত্রণ কৰি বৃত্তিটোৰ সামগ্রিক পৰিচয়ক প্রভাৱিত কৰিব।

এই সংহিতা অনুসৰি জনসম্পর্ক বৃত্তিধাৰীসকলে তলৰ কথাবোৰ পালন কৰাৰ প্রতিশ্রুতি দিব লাগে —

(১) বৃত্তিগত দাযিত্ব পালন কৰি থকাৰ সময়ত তেওঁ "মানৱাধিকাৰৰ সার্বজনীন ঘোষণা"ৰ নীতি আৰু নিয়মসমূহ মানি চলিব;

(২) মানৱীয় মর্যাদাৰ প্রতি উপযুক্ত সন্মান প্রদর্শন আৰু ইয়াক ৰক্ষা কৰাৰ লগতে ব্যক্তিৰ নিজকে নিজে বিচাৰ কৰি চোৱাৰ অধিকাৰক স্বীকৃতি দিব;

(৩) প্রকৃত অর্থত আলাপ- আলোচনা কৰিব পৰাকৈ নৈতিক, মনোবৈজ্ঞানিক আৰু বৌদ্ধিক চর্তসমূহ প্রতিষ্ঠা কৰিব আৰু সংশ্লিষ্ট পক্ষবোৰৰ সমস্যা তথা মতামত ব্যক্ত কৰাৰ অধিকাৰক স্বীকৃতি দিব।

(৪) জনসম্পর্ক ৰক্ষাকাৰীসকলে সকলো পৰিস্থিতিতে এনেকুৱা আচৰণ কৰিব যাতে বিষয় এটাত জড়িত হৈ থকা পক্ষবোৰৰ নিজ নিজ স্বার্থ ৰক্ষা পৰে ঃ অর্থাৎ, তেওঁ সেৱা আগবঢ়োৱা প্রতিষ্ঠান আৰু সংশ্লিষ্ট জনগণ স্বার্থ ৰক্ষা কৰাটো জনসম্পর্ক ৰক্ষীৰ কর্তব্য।

(৫) এগৰাকী জনসম্পর্ক ৰক্ষীয়ে তেওঁৰ প্রতিজ্ঞা আৰু প্রতিশ্রুতি মানি চলিব, সকলো ধৰণৰ ভুল বুজাবুজি এৰাই চলি নিজ দায়িত্ব সম্পন্ন কৰিব। সকলো পৰিস্থিতিতে আনুগত্য আৰু সংহতি দেখুৱাব যাতে তেওঁৰ অতীত নাইবা বর্তমানৰ সেৱা গ্রহণকাৰী নাইবা নিয়োগকর্তাৰ লগতে যিসকলে তেওঁৰ কর্মৰ দ্বাৰা প্রভাৱান্বিত হয় সকলোৰে বিশ্বাস অক্ষুণ্ণ ৰাখিব পাৰে।

নৈতিক সংহিতাই জনসম্পর্ক বৃত্তিধাৰীসকলক তলৰ কার্যসমূহৰ পৰা বিৰত থাকিবলৈ নির্দেশ দিয়ে—

(১) অন্য প্রয়োজনত সত্যক গোপন কৰা;

(২) প্রতিষ্ঠিত আৰু নিৰূপণযোগ্য যথার্থতাৰ আধাৰত স্থাপিত নোহোৱা তথ্য প্রচাৰ কৰা;

(৩) অনৈতিক নাইবা অসৎ নাইবা মানৱীয় মর্যাদা আৰু একতাৰ ক্ষতি কৰিব পৰা কোনো কার্য নাইবা ব্যৱসায়ত লিপ্ত হোৱা ;

(৪) অৱচেতন প্রৰোচনা সৃষ্টি কৰিবলৈ প্রবঞ্চনামূলক পদ্ধতি নাইবা কৌশলৰ ব্যৱহাৰ কৰা - এনে প্রৰোচনা ব্যক্তিয়ে তেওঁৰ স্বাধীন ইচ্ছাত নিয়ন্ত্রণ কৰিব নোৱাৰে বাবে এনে প্রৰোচনাৰ বলি হৈ কৰা কার্যৰ বাবে ব্যক্তিক দায়ী বুলি ধৰিব পৰা নাযায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ভাৰতীয় জনসম্পর্ক বৃত্তিজীৱী সমাজে [(Public Relations Society of India (PRSI)] গ্রহণ কৰা যিকোনো দুটা সংহিতাৰ বিষয়ে লিখক।

.....

.....

.....

.....

১৩.৫ আভ্যন্তৰীণ জনসম্পর্কঃ নৈতিক সিদ্ধান্ত গঠনত সাংগঠনিক সংৰচনাৰ প্রভাৱ

জনসম্পর্ক ৰক্ষাৰ অনুশীলনত প্রতিষ্ঠান এটাৰ গঠন প্রণালীয়ে সাধাৰণ কার্যাৱলী আৰু সিদ্ধান্ত গ্রহণত প্রভাৱ পেলায়। প্রতিষ্ঠান এটাৰ গঠন প্রণালী অনুসৰি জনসম্পর্ক ৰক্ষাৰ অনুশীলন ভিন ভিন হ'ব পাৰে। মাজে সময়ে জনসম্পর্কৰক্ষীৰ কার্যাৱলীয়ে প্রতিষ্ঠান এটাৰ অইন বিভাগসমূহৰ কার্যাৱলীৰ ওপৰত হস্তক্ষেপ কৰে নাইবা মাজে সময়ে জনসম্পর্কৰক্ষী বিভাগে প্রয়োজন অনুসৰি অতিৰিক্ত কার্য পালন কৰিব লাগে।

প্রতিষ্ঠান ভেদে সাংগঠনিক সংস্কৃতি ভিন ভিন হ'ব পাৰে। প্রতিটো সংস্কৃতিয়ে কিছুমান বিশেষ উপায় অৱলম্বন কৰি সিদ্ধান্ত গ্রহণ কৰে। এইটো বুজা জটিল যে এটা প্রতিষ্ঠানত ন্যায়নিষ্ঠ ব্যক্তিবিশেষে নৈতিক আচৰণ নির্ধাৰিত কৰেনে সাংগঠনিক সংস্কৃতিয়ে ব্যক্তিৰ নৈতিক আচৰণ নির্ধাৰণ কৰে আৰু কোনটোক অগ্রাধিকাৰ দিয়া হয়। এটা প্রতিষ্ঠান, যিটোৰ মুখ্য কার্যবাহী বিষয়া (CEO) গৰাকী যদি নীতি- নিয়মৰ প্রতি অমনোযোগী হয় , তেন্তে প্রতিষ্ঠানটোত নৈতিকতাই সাফল্য লাভ কৰিব পাৰিবনে? যদি মুখ্য কার্যবাহী বিষয়া এগৰাকী ন্যায়নিষ্ঠ নেতৃত্বৰ উদাহৰণ হয় আৰু আগৰে পৰা অনৈতিকভাৱে চলি অহা এটা প্রতিষ্ঠানৰ

দায়িত্বভাৰ গ্ৰহণ কৰে,তেন্তে কি হ'ব? জনসম্পর্কৰ এনেকুৱা প্ৰশ্নবোৰৰ সৈতে গভীৰ সম্পর্ক আছে । কাৰণ, ই আভ্যন্তৰীণ আৰু বাহ্যিক দুয়ো প্ৰকাৰৰ জনগণৰ সৈতে যোগাযোগ ৰক্ষাৰ দায়িত্ব পালন কৰাৰ লগতে উপভোক্তা বৰ্দ্ধনত সহায়কাৰী উদ্দেশ্যসমূহত সফলতা লাভত প্ৰতিষ্ঠান এটাৰ সহায়কৰ দায়িত্ব পালন কৰিব লাগে।

যি কি নহওঁক, বিশেষজ্ঞসকলে সাধাৰণতে এইটো বিশ্বাস কৰে যে নৈতিকতাত গুৰুত্ব দিয়া প্ৰতিষ্ঠানগত সংস্কৃতি এটা ব্যক্তিবিশেষতকৈ বেছি গুৰুত্বপূৰ্ণ। এই পটভূমিত আভ্যন্তৰীণ গৱেষণাৰ জৰিয়তে প্ৰতিষ্ঠানটোৰ আদৰ্শসমূহ শিকাত সহায় কৰিবলৈ প্ৰশংসনীয় আদৰ্শসমূহৰ পোষকতা কৰিবলৈ আৰু অগ্ৰাধিকাৰ দিবলৈ জনসম্পর্কই গধুৰ দায়িত্ব পালন কৰে। নৈতিকতাক মূল আধাৰ হিচাপে লৈ এটা প্ৰতিষ্ঠানভিত্তিক সংস্কৃতি গঢ়ি তুলিবলৈ যথেষ্ট সময় আৰু প্ৰচেষ্টাৰ প্ৰয়োজন। জনসম্পর্কৰক্ষী বিভাগে কেৱলমাত্ৰ প্ৰতিষ্ঠানগত আদৰ্শৰ গুৰুত্ব সম্পর্কেই নহয় নৈতিক বিশ্লেষণত্তে গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ লগতে সিদ্ধান্ত গঠন সম্পর্কীয় যোগাযোগ ৰক্ষা কৰিবলৈ অবিৰতভাৱে প্ৰতিজ্ঞাৱদ্ধ হৈ ৰয়।

য'ত নৈতিকতাৰ বিতর্কক স্থান দিয়া হয় তেনেকুৱা এটা প্ৰতিষ্ঠানত প্ৰতিষ্ঠানগত সংস্কৃতি এটা গঢ় দিবলৈ প্ৰতিষ্ঠানৰ আদৰ্শসমূহৰ পুংখানুপুংখ আলোচনা চলা উচিত। তাৰ পাচত সেই আদৰ্শসমূহৰ অবিৰতপুনৰাবৃত্তি ঘটাব লাগে যাতে সকলো কৰ্মচাৰীয়ে আদৰ্শবোৰৰ বিষয়ে গম পায় । ফলত সেই আদৰ্শসমূহৰ আলোচনাই অগ্ৰাধিকাৰ পাব। সাধাৰণতে জনসম্পর্ক কাৰ্যবাহী নাইবা জনসম্পর্কৰক্ষী বিভাগৰ আভ্যন্তৰীণ সংযোগ বিশেষজ্ঞৰ দ্বাৰাই নৈতিকতাৰ প্ৰশিক্ষণ দিয়া হয়। আভ্যন্তৰীণ সংযোগ সম্ভৱ কৰি তোলা যোগাযোগৰ মাধ্যম, যেনে- আলোচনী, বাতৰিকাকত, ব্লগ (blog) আদিৰ জৰিয়তে জনসম্পর্ক কাৰ্যবাহীসকলে প্ৰতিষ্ঠান একোটাৰ আভ্যন্তৰীণ সদস্যসকলৰ মাজত বৰ্তমানে প্ৰচলিত আদৰ্শসমূহ বুজাবলৈ আৰু প্ৰতিষ্ঠানভিত্তিক সংস্কৃতিত কাংক্ষিত নৈতিক আদৰ্শসমূহৰ প্ৰতিস্থাপনৰ কাম কৰিব পাৰে।

এটা প্ৰতিষ্ঠানত জনসম্পর্কৰক্ষী বিভাগে নৈতিকতাৰ আন এক উপায় অৱলম্বন কৰিব পাৰে। নৈতিক সিদ্ধান্ত গঠনত জনসম্পর্কৰক্ষী বিভাগে উচ্চপর্যায়ৰ পৰিচালকবৰ্গক পৰামর্শ আগবঢ়াব পাৰে। জনসম্পর্কৰক্ষী বিভাগৰ উপদেষ্টাই জনগণৰ আদৰ্শসমূহ জানিব পৰাকৈ উপযুক্ত কৰ্তৃত্ব লাভ কৰে। উপদেষ্টাগৰাকীয়ে জনগণৰ মতামতসমূহক প্ৰতিষ্ঠানটোৰ কৌশলগত সিদ্ধান্ত আৰু পৰিকল্পনাত অন্তর্ভুক্ত কৰিব পাৰে। তেওঁ এই বিষয়সমূহ মুখ্য কাৰ্যবাহী বিষয়াৰ (CEO) লগত আলোচনা কৰিব আৰু কেনেকৈ নৈতিক সিদ্ধান্ত এটাই প্ৰতিষ্ঠানটোৰ সুনামক প্ৰভাৱিত কৰিব পাৰে সেয়া বুজাব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ প্ৰতিষ্ঠান এটাৰ সাংগঠনিক গঠন প্ৰণালীয়ে জনসম্পর্কৰক্ষী বৃত্তিধাৰীসকলৰ নৈতিক সিদ্ধান্ত গ্ৰহণত প্ৰভাৱ পেলায়নে?

.....

.....

প্রশ্ন নং ৫ ঃ জনসম্পর্কৰক্ষীৰ বৃত্তিধাৰী এগৰাকীয়ে কেনেকৈ এটা নৈতিক সাংগঠনিক সংস্কৃতি গঢ় দিব পাৰে ?

.....

.....

১৩.৬ বিজ্ঞাপন সংহিতা আৰু নীতি

বিজ্ঞাপন এটা গুৰুত্বপূৰ্ণ ধাৰণা । ইয়াৰ দ্বাৰা প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰে ৰাজহ উপার্জন কৰি আছে। প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰ আজিকালি লাভদায়ক উদ্যোগত পৰিণত হৈছে। ইয়াৰ লগে লগে বিজ্ঞাপনো আন এটা ৰাজহ উপার্জনকাৰী বৃহৎ উদ্যোগত পৰিণত হৈছে।

নতুন সামগ্রী বজাৰত মুকলি কৰিবলৈ আৰু পুৰণি সামগ্রীৰ উপভোক্তাসকলৰ বিশ্বাস জয় কৰি সামগ্রী এবিধৰ নতুন গুণাগুণ প্রদর্শন কৰি গ্রাহকক ধৰি ৰাখিবলৈ বিজ্ঞাপনে সুন্দৰ মঞ্চ এখন তৈয়াৰ কৰে। কিন্তু প্রতিযোগিতাত ফেৰ মাৰিবলৈ মাজে সময়ে বিজ্ঞাপনবিলাকক তথ্য নাইবা উপস্থাপনৰ ক্ষেত্রত গ্রাহকক বিপথে পৰিচালিত কৰাৰ দোষত সমালোচনা কৰা হয়। উপভোক্তাৰ অনাকাংক্ষিত অভ্যাস গঢ়ি তোলা আৰু মাজে সময়ে উপভোক্তাবাদী সংস্কৃতিৰ প্রচলনক উৎসাহিত কৰাৰ কাৰণে বিজ্ঞাপনক জগৰীয়া কৰা হয়। যদিও বিজ্ঞাপন উদ্যোগে আত্ম নিয়ন্ত্রণৰ জৰিয়তে পৰিস্থিতি চম্ভালি লোৱাৰ প্রতিশ্রুতি দিয়ে তথাপিও এই ক্ষেত্রখনত কটকটীয়া আইনী নিয়ন্ত্রণৰ চাহিদা বর্তমানে বাঢ়ি গৈছে।

আমাৰ দেশত ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ্ (Advertising Standards Council of India, ASCI) আছে। ই হ'ল বিজ্ঞাপন সংস্থাসমূহৰ এটা ছত্র পৰিষদ। পৰিষদে উপভোক্তাক বিপথে পৰিচালিত কৰিব পৰা বিজ্ঞাপনসমূহৰ প্রচাৰ ৰোধ কৰাৰ উদ্দেশ্যেৰে বিজ্ঞাপনৰ কিছুমান বিশেষ সংহিতা প্রস্তুত কৰিছে। উপভোক্তা অভিযোগ পৰিষদৰ দ্বাৰা সংহিতাবোৰ কার্য ৰূপায়িত কৰা হয় । সংহিতা উলংঘন কৰাৰ অভিযোগ যিকোনো ব্যক্তিয়ে দাখিল কৰিব পাৰে আৰু এই অভিযোগ পৰিষদে তদন্ত কৰে। পৰিষদত মুঠ ১৮ গৰাকী সদস্য থাকে । ইয়াৰে ৮ গৰাকী সদস্যক বিজ্ঞাপনৰ লগত জড়িত নথকা বৃত্তিৰ পৰা বাচনি কৰা হয়।

ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা হৈছে (The Advertising Agencies Association of India, AAAI) বিজ্ঞাপন ক্ষেত্রখনৰ আন এটা প্রতিনিধিত্বমূলক সংস্থা। বিজ্ঞাপনৰ উচ্চ মান বজাই ৰাখিবলৈ এই সংস্থাটোৱেও কিছুমান বিশেষ সংহিতা গ্রহণ কৰিছে। ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা (AAAI) হৈছে বিজ্ঞাপন এজেন্সীবোৰৰ আনুষ্ঠানিক ৰাষ্ট্রীয় সংস্থা । বিজ্ঞাপন সংস্থাসমূহৰ স্বার্থ অক্ষুণ্ণ ৰাখিবলৈ ১৯৪৫ চনত এই সংস্থাটো গঠন কৰা

হৈছিল। সংস্থাটোৰে ইয়াৰ প্ৰতিষ্ঠিত নীতিসমূহৰ জৰিয়তে বৃত্তিজীৱী মানসিকতাৰ পোষকতা কৰে । বিজ্ঞাপনকাৰীৰ এনে মানসিকতাই সংস্থা আৰু বিভিন্ন মাধ্যমৰ মাজত সুস্থ বাণিজ্যিক অনুশীলন সম্ভৱ কৰি তোলে।

বৰ্তমান যথেষ্ট সংখ্যক সৰু, মজলীয়া আৰু বৃহৎ আকাৰৰ বিজ্ঞাপন সংস্থাৰ সদস্যেৰে সৈতে ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা (AAAI)ই সঁচাকৈয়ে বিজ্ঞাপন এজেন্সীসমূহৰ প্ৰতিনিধিৰ ৰূপ লৈছে। ভাৰতৰ প্ৰায় ৮০% বিজ্ঞাপন ব্যৱসায়ী ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থাৰ সদস্য । এনেদৰে ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা (AAA) ই সকলো ধৰণৰ মঞ্চত (বিজ্ঞাপনকাৰী,প্ৰচাৰ মাধ্যমৰ মালিক আৰু তেওঁলোকৰ সংস্থা তথা চৰকাৰ) বিজ্ঞাপন উদ্যোগৰ উচ্চতম গোট আৰু মুখপাত্ৰত পৰিণত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ প্ৰয়োজনীয় বিজ্ঞাপন সংহিতা কিয়?

.....

.....

প্ৰশ্ন নং ৭ ঃ ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা (AAAI) বুলিলে কি বুজে ?

.....

.....

১৩.৭ বিজ্ঞাপন দাতাৰ বাবে থকা নীতি সংহিতা

ভাৰতীয় বিজ্ঞাপন মান নিৰ্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) গ্ৰহণ কৰা সংহিতাবোৰ প্ৰধানতঃ চাৰি প্ৰকাৰৰ। প্ৰকাৰকেইটা হ'ল — **(ক) সত্যনিষ্ঠ উপস্থাপন, (খ) জনসাধাৰণৰ কাৰণে ক্ষতিহীন, (গ) ক্ষতিকৰ সামগ্ৰী/পৰিস্থিতিৰ বিৰুদ্ধে থকা সংহিতা, (ঘ) ন্যায়সংগত প্ৰতিযোগিতা**

(ঘ) সত্যনিষ্ঠ উপস্থাপনঃ

বিজ্ঞাপনৰ দ্বাৰা কৰা দাবী নাইবা উপস্থাপনৰ সত্যতা তথা সততা নিশ্চিত কৰিবলৈ আৰু উপভোক্তাক বিপথে পৰিচালনা কৰা বিজ্ঞাপনসমূহৰ প্ৰচাৰত বাধা দিবলৈ থকা সংহিতাবোৰ এনেধৰণৰ —

(১) বিজ্ঞাপনসমূহ সত্য হ'ব লাগিব।সকলো ধৰণৰ বৰ্ণনা, দাবী আৰু তুলনাৰ নিৰপেক্ষভাৱে নিৰ্ধাৰণ কৰিব পৰা তথ্যৰ লগত সম্পৰ্ক থাকিব লাগিব আৰু সেই সকলোবিলাক প্ৰমাণিত কৰাৰ যোগ্য হ'ব লাগিব। যেতিয়াই ভাৰতীয় বিজ্ঞাপন মাননিৰ্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) নিৰ্দেশ দিয়ে তেতিয়াই

বিজ্ঞাপনকাৰীয়ে এই প্ৰমাণবোৰ দাখিল কৰিব লাগে।

(২) বিজ্ঞাপনৰ দাবীসমূহ স্বাধীন গৱেষণা নাইবা মূল্যায়নৰ দ্বাৰা সমৰ্থিত নাইবা এনে উৎসৰ আধাৰত প্ৰতিষ্ঠিত বুলি স্পষ্টভাৱে উল্লেখ কৰিলে এনে উৎস আৰু তাৰিখ বিজ্ঞাপনত সংলগ্ন কৰি দিব লাগিব।

(৩) বিজ্ঞাপনসমূহত অনুমতি অবিহনে এনে কোনো ব্যক্তি, ব্যৱসায় নাইবা প্ৰতিষ্ঠানৰ নাম উল্লেখ থাকিব নালাগে যিটোৱে বিজ্ঞাপনত দেখুওৱা সামগ্ৰীবিধক অনায্য সুবিধা লোৱাৰ সুযোগ অথবা সুফল দিয়ে কিম্বা সেই ব্যক্তি, ব্যৱসায় নাইবা প্ৰতিষ্ঠানক উপহাস কৰে নাইবা বদনাম কৰাৰ কিম্বা দুৰ্নাম ৰটাৰ প্ৰৱণতা দেখুৱায়। যদি আৰু যেতিয়া ভাৰতীয় বিজ্ঞাপন মান নিৰ্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) দাবী কৰে,তেন্তে প্ৰয়োজন অনুসৰি বিজ্ঞাপনকাৰী আৰু বিজ্ঞাপন সংস্থাই বিজ্ঞাপনত উল্লেখ কৰা ব্যক্তি, ব্যৱসায় নাইবা প্ৰতিষ্ঠানৰ পৰা লাভ কৰা স্পষ্ট অনুমোদন পত্ৰ দেখুৱাব লাগে।

(৪) বিজ্ঞাপনসমূহে কেতিয়াওঁ সত্যক বিকৃত কৰিব নালাগে নাইবা কথা গোপন নাইবা উহ্য ৰাখি উপভোক্তাক বিপথে পৰিচালিত কৰিব নালাগে । বিজ্ঞাপনসমূহত এনেকুৱা কোনো উক্তি নাইবা দৃশ্যমান উপস্থাপন থকা অনুচিত যিবিলাকে প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে নাইবা সত্য উহ্য ৰাখি নাইবা দ্ব্যৰ্থতাৰ সহায়ত নাইবা অতিৰঞ্জিত প্ৰকাশৰ দ্বাৰা উপভোক্তাক বিজ্ঞাপনত দেখুওৱা সামগ্ৰীটোৰ বিষয়ে নাইবা বিজ্ঞাপনকাৰীৰ বিষয়ে নাইবা অন্য কোনো সামগ্ৰী নাইবা বিজ্ঞাপনকাৰীৰ বিষয়ে বিপথে পৰিচালিত কৰে।

(৫) বিজ্ঞাপনসমূহ উপভোক্তাৰ বিশ্বাসক ক্ষতি কৰা ধৰণে প্ৰস্তুত কৰা উচিত নহয় নাইবা উপভোক্তাৰ সীমিত অভিজ্ঞতা নাইবা জ্ঞানৰ সুযোগ লোৱা অনুচিত। কোনো বিজ্ঞাপনকে অতিৰঞ্জিত ভাৱে এনে কোনো দাবী কৰাৰ অনুমতি দিয়া নহয় যিটোৱে উপভোক্তাৰ মনত গুৰুতৰ নাইবা গভীৰ হতাশাৰ সৃষ্টি কৰিবপাৰে।

(৬) উপভোক্তাৰ দৃষ্টি আকৰ্ষণ নাইবা উপভোক্তাক আহ্লাদিত কৰাৰ উদ্দেশ্যে বিজ্ঞাপনত স্পষ্ট, প্ৰকাশ্য অসত্য নাইবা অতিৰঞ্জিত দৃশ্য প্ৰদৰ্শনৰ অনুমতি প্ৰদান কৰা হয়। কিন্তু সেইবোৰে হাস্য ৰসৰ উদ্ৰেক কৰিব লাগিব নাইবা দৰ্শকে অতিৰঞ্জিত বুলি গম পাব লাগিব। এনে বিজ্ঞাপন আক্ষৰিক অৰ্থ প্ৰকাশ কৰাৰ প্ৰয়াস হ'ব নালাগিব নাইবা বিজ্ঞাপনত প্ৰদৰ্শিত সামগ্ৰী বিধৰ মিছা দাবী হ'ব নালাগিব।

(৭) বস্তু নাইবা সেৱাৰ সাৰ্বজনীন উৎপাদন আৰু বিতৰণ ব্যৱস্থা এটাত নিৰ্মিত বিজ্ঞাপনত প্ৰকাশ পোৱা প্ৰতিজ্ঞা নাইবা প্ৰতিশ্ৰুতিৰ পৰিপূৰ্ণতাত আকস্মিক তথা অনিচ্ছাকৃত আসোঁৱাহ ৰৈ যোৱাটো সম্ভৱ। এনে আকস্মিক আৰু অনিচ্ছাকৃত আসোঁৱাহৰ বাবে বিজ্ঞাপনটোক এই সংহিতাৰ আধাৰত বাতিল কৰিব পৰা নাযাব।

(খ) জনসাধাৰণৰ কাৰণে ক্ষতিহীনঃ

বিজ্ঞাপনসমূহে প্ৰচলিত সাধাৰণৰ শিষ্টতাৰ মান যাতে অৱমাননা নকৰে তাক সুনিশ্চিত কৰিবলৈ তলৰ সংহিতাবোৰ মানি চলা হয় —

বিজ্ঞাপনসমূহত অশিষ্ট, অমার্জিত একো থাকিব নালাগে। বিশেষকৈ বিজ্ঞাপনত নাৰীক উপস্থাপনৰ ক্ষেত্রত কোনো অমার্জিত, অশ্লীল দৃশ্য থাকিব নালাগে । সাধাৰণভাৱে প্রচলিত শিষ্টতা আৰু ভদ্রতাৰ মানৰ বিপৰীতে যোৱা বিজ্ঞাপনক সমাজৰ বাবে গুৰুতৰ আৰু অপকাৰী বুলি গণ্য কৰা হ'ব।

(গ) ক্ষতিকৰ সামগ্রী/পৰিস্থিতিৰ বিৰুদ্ধে থকা সংহিতা ঃ

যিবোৰ পৰিস্থিতি নাইবা সামগ্রীক সমাজৰ কাৰণে ক্ষতিকাৰক নাইবা বিপদজনক বুলি বিবেচনা কৰা হয় নাইবা ব্যক্তিবিশেষৰ কাৰণে ,বিশেষকৈ অপ্রাপ্তবয়স্কসকলৰ কাৰণে অনুপযুক্ত বুলি বিবেচনা কৰা হয় তেনেবোৰ পৰিস্থিতি নাইবা সামগ্রী কিছু পৰিমাণে নাইবা বহুলভাৱে সমাজৰ কাৰণে গ্রহণযোগ্য নহ'ব পাৰে। তেনে পৰিস্থিতিত নাইবা তেনেবোৰ সামগ্রীৰ বাবে বিচাৰহীনভাৱে বিজ্ঞাপন ব্যৱহাৰ কৰাৰ বিৰুদ্ধে নাইবা তেনেবোৰ পৰিস্থিতি আৰু সামগ্রীৰ বিচাৰহীন প্রচাৰ ৰোধ কৰিবলৈ থকা সংহিতাবোৰ হ'ল—

(১) এনেকুৱা কোনো বিজ্ঞাপন প্রচাৰৰ অনুমতি দিয়া নহয় যিবোৰেঃ

(ক) জনগণক অপৰাধ কৰিবলৈ প্ররোচিত কৰে নাইবা উত্তেজিত কৰাৰ প্রয়াস কৰে নাইবা জনগণক বিশৃংখলতা আৰু বিদ্রোহ প্রদর্শন নাইবা অসহিষ্ণুতা প্রচাৰ কৰাৰ কাৰণে প্ররোচিত কৰাৰ প্রয়াস কৰে।

(খ) কোনো জাতি, বর্ণ, শ্রেণী, গাৰ ৰং, লিংগ নাইবা জাতীয়তাক বিদ্রূপ কৰে।

(গ) আকাংক্ষিতৰূপে অপৰাধমূলক কাম-কাজ দেখুৱায় নাইবা প্রত্যক্ষভাৱে নাইবা পৰোক্ষভাৱে জনগণক অপৰাধমূলক কাম-কাজত লিপ্ত হ'বলৈ উৎসাহিত কৰে নাইবা উদ্গনি দিয়ে। বিশেষকৈ অপ্রাপ্তবয়স্কসকলক এনে বিজ্ঞাপনে প্রভাৱিত কৰিব পাৰে নাইবা সিহঁতক কোনো অপৰাধ কৰাৰ পন্থা (Modus Operandi) ৰ যোগান ধৰিব পাৰে।

(ঘ) কোনো বিদেশী ৰাষ্ট্রৰ সৈতে থকা বন্ধুত্বপূর্ণ সম্পর্ক বেয়াকৈ ক্ষতিগ্রস্ত কৰে।

(২) অপ্রাপ্তবয়স্কসকলৰ উদ্দেশ্যে প্রস্তুত কৰা কোনো বিজ্ঞাপনৰ বর্ণনাতে হওঁক নাইবা আন যিকোনো ক্ষেত্রতেই হওক এনে একো কথাৰ উল্লেখ থাকিব নালাগে যিটোৱে তেওঁলোকৰ শাৰীৰিক, মানসিক নাইবা নৈতিক ক্ষতি কৰাৰ সম্ভাৱনা থাকে নাইবা যিটোৱে তেওঁলোকৰ দুর্বলতাৰ সুযোগ ল'ব পাৰে।

(৩) কোনো ধৰণৰ উপযুক্ত কাৰণ নোহোৱাকৈ বিজ্ঞাপনসমূহে বিপজ্জনক কার্য প্রদর্শন নকৰিব নাইবা ইয়াৰ উল্লেখ নকৰিব নাইবা নিৰাপত্তাৰ প্রতি অসন্মান প্রদর্শন নকৰিব নাইবা নিৰাপত্তা আওকাণ কৰা কার্যক উৎসাহিত নকৰিব।

(৪) বিজ্ঞাপনসমূহত এনেকুৱা একোৱেই থকা উচিত নহয় যিটোৱে আইন উলংঘা কৰে নাইবা আইনীভাৱে সংগত প্রয়োজনীয় কোনো তথ্য উহ্য ৰাখে।

(৫) বিজ্ঞাপনসমূহে এনেকুৱা কোনো সামগ্রীৰ প্রচাৰ কৰিব নালাগে যিবোৰক আইনীভাৱে নিষিদ্ধ ঘোষণা কৰা হৈছে।

(৬) যিবোৰ সামগ্রীৰ বিজ্ঞাপন প্রস্তুত কৰাটো আইনীভাৱে অথবা এই সংহিতাৰ দ্বাৰা

নিষিদ্ধ ঘোষিত হৈছে নাইবা তেনে বিজ্ঞাপন প্রস্তুত কৰাৰ কামটো সীমাৱদ্ধ কৰা হৈছে ,তেনে সামগ্রীৰ বিজ্ঞাপনসমূহে নিষিদ্ধকৰণ উলংঘা কৰা উচিত নহয়। এনেকুৱা সামগ্রীৰ বিজ্ঞাপনত এনে কোনো অভিপ্রায় দেখুওৱা অনুচিত আচলতে সেইবিলাক অন্য সামগ্রীৰ বিজ্ঞাপন আৰু এই সামগ্রীবোৰ আইনীভাৱে অথবা এই সংহিতাৰ দ্বাৰা নিষিদ্ধ ঘোষিত হোৱা নাই অথবা ইয়াৰ প্রচাৰ সীমাৱদ্ধ কৰা হোৱা নাই।

বিজ্ঞাপন সীমাৱদ্ধ অথবা নিষিদ্ধ কৰা সামগ্রী এবিধৰ দৰে লগা আন কোনো এবিধ সামগ্রীৰ বিশেষ বিজ্ঞাপন দৰাচলতে নিষিদ্ধ সামগ্রী বিধৰেই পৰোক্ষ বিজ্ঞাপন নেকি সেয়া বিচাৰ কৰাৰ সময়ত তলৰ কথাকেইটাত উচিত মনোযোগ দিব লাগে —

(ক) অভিযোগ উত্থাপিত হোৱা বিজ্ঞাপনটোৰ জৰিয়তে প্রতাৰণাপূর্ণ ভাৱে নিষিদ্ধ সামগ্রীবিধৰ প্রচাৰ কৰাৰ অভিপ্রায় চলিছে নেকি, নিষিদ্ধ ঘোষিত নোহোৱা সামগ্রীবিধ যুক্তিসংগত পৰিমাণে উৎপাদন আৰু বিতৰণ কৰা হৈছে নে নাই, অভিযোগ উত্থাপিত হোৱা বিজ্ঞাপনটোত ব্যৱহৃত মাধ্যম আৰু লক্ষ্য বজাৰৰ মানৰ লগত সামগ্রীবিধৰ সম্পর্ক কেনে ইত্যাদি।

(খ) অভিযোগ উত্থাপিত হোৱা বিজ্ঞাপনটোত এনে কোনো প্রত্যক্ষ নাইবা পৰোক্ষ সংকেত (clue) আছে নেকি নাইবা এনে কোনো ইংগিত আছে নেকি যিটোৱে উপভোক্তাক প্রচাৰৰ পৰা আইনীভাৱে আঁতৰত ৰখা অথবা এই সংহিতাৰ দ্বাৰা নিষিদ্ধ ঘোষিত কৰা অথবা সীমাৱদ্ধ কৰা কোনো সামগ্রীৰ প্রত্যক্ষ নাইবা পৰোক্ষ বিজ্ঞাপন বুলি বুজাত সহায় কৰে।

(গ) যেতিয়া কোনো এটা বিজ্ঞাপনৰ প্রচাৰ অত্যন্তই আৱশ্যকীয়, তেনেক্ষেত্রত আন এবিধ নিষিদ্ধ সামগ্রীৰ ক্ষেত্রত প্রযোজ্য ব্রেণ্ড অথবা কোম্পানীৰ নামটো এই বিজ্ঞাপনটোত ব্যৱহাৰ কৰাটো নিষিদ্ধ কৰাৰ কাৰণ হ'ব নোৱাৰে। কিন্তু নতুন সামগ্রীবিধৰ বিজ্ঞাপনটো ওপৰৰ (ক) আৰু (খ) ৰ চর্ত অনুসৰি নিষিদ্ধ ঘোষিত হ'ব নালাগিব।

(ঘ) ন্যায়সংগত প্রতিযোগিতা

প্রতিযোগিতাৰ বজাৰত যাতে বিজ্ঞাপনসমূহে স্বচ্ছতা অৱলম্বন কৰে আৰু বজাৰত পছন্দ অনুসৰি উপভোক্তাৰ প্রয়োজনক লক্ষ্য কৰি লোৱা হয় তথা সর্বসাধাৰণে স্বীকৃতি দিয়া প্রতিযোগিতামূলক বৈশিষ্ট্যৰ সিদ্ধান্তবোৰ মানি বিজ্ঞাপন প্রস্তুত কৰাটো সুনিশ্চিত কৰিবলৈ তলৰ সংহিতাবোৰ মানি চলা হয় —

(১) অইন উৎপাদনকাৰী নাইবা যোগান ধৰোঁতাৰ সৈতে নাইবা অইন সামগ্রীৰ সৈতে নিজৰ সামগ্রী বিধ অন্তর্ভুক্ত কৰি প্রতিনাম তথা সামগ্রীৰ উল্লেখ আৰু তুলনা থকা বিজ্ঞাপনসমূহ জনসাধাৰণৰ সজাগতা বৃদ্ধি আৰু উন্নত প্রতিযোগিতাৰ স্বার্থত কেতিয়াবা প্রচাৰ কৰিবলগীয়া হয়। কিন্তু এনে বিজ্ঞাপনসমূহে তলৰ চর্তকেইটা পূৰণ কৰিব লাগিব -

(ক) বিজ্ঞাপনকাৰীয়ে নিজৰ সামগ্রীবিধৰ কোনবোৰ বৈশিষ্ট্যক প্রতিদ্বন্দ্বী সামগ্রী এবিধৰ কোনবোৰ বৈশিষ্ট্যৰ লগত তুলনা কৰিছে সেইটো পৰিষ্কাৰকৈ প্রকাশ কৰিব লাগিব।

(খ) তুলনাৰ বিষয়বস্তু এনেকৈ বাছনি কৰিব নালাগে যে ই বিজ্ঞাপনকাৰীক এক কৃত্রিম লাভ প্রদান কৰে; নাইবা বিজ্ঞাপনটোৰ দ্বাৰা প্রকৃত দামতকৈও এটা ভাল দাম আগবঢ়োৱা হৈছে বুলি দেখুওৱা প্রয়াস কৰিব নালাগে।

(গ) তুলনাবোৰ তথ্যভিত্তিক, সম্পূর্ণ শুদ্ধ আৰু প্রমাণিত কৰাৰ যোগ্য হ'ব লাগিব।

(ঘ) তুলনাৰ ফলত উপভোক্তা বিপথে পৰিচালিত **হ'ব নালাগিব**। বিজ্ঞাপনত দেখুওৱা সামগ্রী বিধেই হওক নাইবা যিবিধ সামগ্রীৰ লগত ইয়াৰ তুলনা কৰা হৈছে সেইবিধ সামগ্রীয়েই হওক, ইয়াৰ দ্বাৰা উপভোক্তা প্রৱঞ্চনাৰ বলি হ'ব নোৱৰিব।

(ঙ) বিজ্ঞাপনটোৱে অইন সামগ্রীক, বিজ্ঞাপনকাৰীক নাইবা বিজ্ঞাপনক অন্যায়ভাৱে কলঙ্কিত কৰিব,আক্রমণ কৰিব নাইবা প্রত্যক্ষভাৱে আৰু পৰোক্ষভাৱে অপযশ জাপি দিব নোৱাৰিব।

(২) বিজ্ঞাপনসমূহে অন্য ব্যৱসায়, কোম্পানী নাইবা প্রতিষ্ঠানৰ নাম অথবা উপাধি অহেতুক ভাৱে ব্যৱহাৰ কৰিব নালাগে, নাইবা অইন কোনো ব্যৱসায় নাইবা ইয়াৰ বাণিজ্যিক চিহ্ন (ট্রেডমার্ক) নাইবা প্রতীকৰ লগত জড়িত সুনামৰ সুবিধা ল'ব নালাগে নাইবা এনে ব্যৱসায় অথবা ট্রেডমার্কৰ বিজ্ঞাপন প্রচাৰৰ দ্বাৰা লাভ কৰা সুনাম নিজৰ নামত প্রয়োগ কৰিব নালাগে।

(৩) বিজ্ঞাপনসমূহত কোনো অইন বিজ্ঞাপনকাৰীৰ পূর্বে প্রচাৰিত বিজ্ঞাপনৰ সাধাৰণ বিন্যাস, পাণ্ডুলিপি, শ্লোগান, দৃশ্যমান উপস্থাপন, সংগীত নাইবা ধ্বনিৰ সদৃশ প্রভাৱ থাকিব নালাগে । ই নতুন বিজ্ঞাপনটোৱে কুম্ভিলক বৃত্তি (plagiarism) গ্রহণ কৰা বুলি সাব্যস্ত কৰিব।



অগ্রগতি নিৰী ণ

প্রশ্ন নং ৮ ঃ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) গ্রহণ কৰা সংহিতাবোৰৰ প্রকাৰ চাৰিটা কি কি?

.....

.....

প্রশ্ন নং ৯ ঃ স্বচ্ছ প্রতিযোগিতা সুনিশ্চিত কৰিবলৈ বিজ্ঞাপনৰ ক্ষেত্রত প্রযোজ্য দুটা সংহিতাৰ বিষয়ে লিখক?

.....

.....

১৩.৮ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ

ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India, ASCI) খন ১৯৮৫ চনত প্রতিষ্ঠা কৰা হৈছিল। বিজ্ঞাপনত উপভোক্তাৰ

স্বাৰ্থ ৰক্ষা সুনিশ্চিতকৰণৰ দ্বাৰা বিজ্ঞাপনত আত্ম-নিয়ন্ত্ৰণৰ উদ্দেশ্য ফলৱতী কৰাৰ প্ৰতিজ্ঞাৰে ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল। ই বিজ্ঞাপন উদ্যোগৰ নিজাববীয়া পৰিচালনাৰে চলা এক স্বেচ্ছাসেৱী প্ৰতিষ্ঠান। ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে বিজ্ঞাপনত জনগণৰ বিশ্বাস অটুট ৰখা আৰু এই বিশ্বাসৰ মাত্ৰা বৃদ্ধি কৰা। ভাৰতীয় বিজ্ঞাপন মান নিৰ্ধাৰক পৰিষদ (Advertising Standards Council of India, ASCI) খন বিজ্ঞাপনৰ লগত জড়িত চাৰিটা বিভাগৰ সহায় আৰু সমৰ্থন মৰ্মে গঠন কৰা হৈছিল। বিভাগ চাৰিটা হ'ল - বিজ্ঞাপনকাৰী (Advertisers), বিজ্ঞাপন এজেন্সী (Advertising Agencies), প্ৰচাৰ মাধ্যম (Media) (ছপামাধ্যম আৰু পৰিৱেশন মাধ্যম ইত্যাদি) আৰু আন আন জনসংযোগ স্থাপনকাৰী সংস্থাসমূহ, যেনে- বজাৰ গৱেষণা কোম্পানি ইত্যাদি।

উপভোক্তা অভিযোগ পৰিষদ (The Consumer Complaints Council) হ'ল ভাৰতীয় বিজ্ঞাপন মান নিৰ্ধাৰক পৰিষদ (Advertising Standards Council of India, ASCI)ৰ অন্তৰাত্মা। এই পৰিষদখন হ'ল উচ্চ প্ৰশংসাযোগ্য ব্যক্তিৰ এটা গোট । তেওঁলোকৰ নিষ্ঠাপূৰ্ণ কামে ভাৰতীয় বিজ্ঞাপন মান নিৰ্ধাৰক পৰিষদৰ (Advertising Standards Council of India, ASCI) কাৰ্য আৰু বিজ্ঞাপনত আত্ম-নিয়ন্ত্ৰণৰ আন্দোলন গতিশীল কৰি তোলা প্ৰক্ৰিয়াটোক এক নতুন মাত্ৰা প্ৰদান কৰিছে।

ভাৰতীয় বিজ্ঞাপন মান নিৰ্ধাৰক পৰিষদৰ (Advertising Standards Council of India, ASCI) ৱেবছাইটত উল্লেখ কৰা মতে -

(১) তলত দিয়া উদ্দেশ্য সমূহ পূৰণ কৰাৰ আশাৰে ভাৰতত বিজ্ঞাপনৰ মান পৰ্যবেক্ষণ, নিয়ন্ত্ৰণ আৰু প্ৰচাৰ কৰিবলৈ পৰিষদে বান্ধি লোৱা লক্ষ্যবোৰ হ'লঃ

(ক) বিজ্ঞাপনৰ জৰিয়তে উত্থাপন কৰা দাবীসমূহ আৰু বিজ্ঞাপনত দেখুওৱা বস্তুৰ সত্যতা তথা সততা সুনিশ্চিত কৰি উপভোক্তাক বিপথে পৰিচালিত কৰা বিজ্ঞাপনসমূহৰ প্ৰচাৰ ৰোধ কৰা।

(খ) সৰ্বসাধাৰণৰ দ্বাৰা গ্ৰহণযোগ্য শিষ্টতাৰ আদৰ্শ আৰু মান যাতে বিজ্ঞাপনে উলংঘা নকৰে সেয়া সুনিশ্চিত কৰা ।

(গ) সাধাৰণতে সমাজৰ কাৰণে ক্ষতিকাৰক নাইবা ব্যক্তিবিশেষৰ কাৰণে ক্ষতিকাৰক নাইবা যিবোৰ সামগ্ৰিকভাৱে সমাজৰ কাৰণে গ্ৰহণযোগ্য নহয়, তেনেকুৱা সামগ্ৰী নাইবা সেৱাৰ প্ৰচাৰৰ উদ্দেশ্যে বিচাৰহীনভাৱে ব্যৱহৃত বিজ্ঞাপনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা।

(ঘ) বিজ্ঞাপনসমূহে প্ৰতিযোগিতাত যাতে স্বচ্ছতা মানি চলে আৰু সাধাৰণতে গ্ৰহণযোগ্য প্ৰতিযোগিতাৰ অনুশাসন মূলক বৈশিষ্ট্য যাতে পালন কৰে সেয়া সুনিশ্চিত কৰা।

(২) ভাৰতত বিজ্ঞাপন সংহিতা বিধিৱদ্ধ কৰা, গ্ৰহণ কৰা , সময়ে সময়ে এই বিধিসমূহৰ সংশোধন কৰা আৰু এই বিধিসমূহ কাৰ্যকৰী কৰা, পৰিচালনা কৰা, উন্নত কৰা তথা মানুহৰ মাজত প্ৰচাৰ কৰা।

(৩) বিজ্ঞাপনৰ স্বচ্ছ, সাৰ্থক, নৈতিক তথা সবল নীতি আৰু কাৰ্য প্ৰচাৰ কৰা, বৰ্তাই ৰখা আৰু ৰক্ষা কৰা।

(৪) বিজ্ঞাপন প্রচাৰ কৰোঁতাসকলৰ মাজত আৰু সমাজত বহলভিত্তিক স্বচ্ছ, সবল, তথা নৈতিক আদর্শপুষ্ট বিজ্ঞাপনৰ সুফলসমূহৰ উন্নত জ্ঞান প্রচাৰ কৰা।

(৫) বিজ্ঞাপনৰ লগত জড়িত বিষয়সমূহত সংশ্লিষ্ট কোম্পানীৰ সদস্যসকলৰ প্রতিনিধিত্ব সুনিশ্চিত কৰা, তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়া, তথ্যৰ সম্ভেদ দিয়া আৰু তেওঁলোকক বাট দেখুওৱা।

(৬) বিজ্ঞাপনত নিয়োজিত আৰু জড়িত হৈ থকা ব্যক্তি তথা কোম্পানীসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰা আৰু প্রচাৰ চলোৱা।

ৰাষ্ট্রীয় বিজ্ঞাপন নিৰীক্ষণ (National Advertising Monitoring Service / NAMS)ঃ

বিপথে পৰিচালিত কৰা আৰু উপভোক্তাৰ স্বার্থ হানি কৰা বিজ্ঞাপনসমূহৰ সংখ্য কম কৰাৰ প্রক্রিয়াটো অধিক শক্তিশালী কৰাৰ কাৰণে ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India, ASCI) এ ৰাষ্ট্রীয় পর্যায়ত অবিৰতভাৱে বিজ্ঞাপনসমূহৰ ওপৰত দৃষ্টি ৰাখিবলৈ এটা অগ্রণী পদক্ষেপ ঘোষণা কৰিছিল । সেয়া হৈছে ৰাষ্ট্রীয় বিজ্ঞাপন নিৰীক্ষণ সেৱা (National Advertising Monitoring Service/NAMS) গঠনৰ এই ব্যৱস্থা অনুসৰি ২০১৭ চনলৈকে এডএক্স ইন্ডিয়া (AdEx India) ই ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India/ ASCI) ৰ সমর্থনত প্রশিক্ষণ প্রাপ্ত কর্মীৰ দ্বাৰা নতুনকৈ মুক্তি লাভ কৰা টেলিভিছ্ন আৰু বাতৰিকাকতৰ বিজ্ঞাপনসমূহ অবিৰতভাৱে পৰীক্ষা কৰিছিল। এই সেৱাই বিশেষকৈ অপ্রমাণিত, বিপথে পৰিচালিত কৰা আৰু বিজ্ঞাপনত দাবী কৰা মিছা গুণাগুণবোৰে ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India/ASCI) ৰ সংহিতা উলংঘন কৰে নেকি সেয়া পৰীক্ষা কৰি চাইছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India/ASCI) খন কোনকেইটা বিভাগৰ সহায়ত গঠন কৰা হৈছিল?

.....

.....

প্রশ্ন নং ১১ ঃ বিজ্ঞাপনৰ আত্ম-নিয়ন্ত্রণ পদ্ধতি নিৰীক্ষণকাৰী গোট হিচাপে ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India/ASCI) ৰ দুটা লক্ষ্য উল্লেখ কৰক।

.....

.....



১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নীতিশাস্ত্রই শুদ্ধ আৰু ভুল, নাইবা ভাল আৰু বেয়া মানৱ চৰিত্র গঠনকাৰী উপাদানবোৰৰ অধ্যয়ন কৰে। নৈতিকতা হৈছে নৈতিক নিয়মাৱলী অথবা সংহিতাৰ এনে এক সমষ্টি যিটোৱে শুদ্ধ আকু ভুল নাইবা ভাল আৰু বেয়া নির্দ্ধাৰণ কৰি সমাজৰ ভিতৰত আমাক উচিত সিদ্ধান্ত গ্রহণ আৰু কার্য সম্পাদন কৰাৰ নির্দেশনা দিয়ে।
- জনসম্পর্কৰক্ষী সকলে সংযোগ স্থাপনকাৰী হিচাপে সেৱা আগবঢ়ায় । তেওঁলোকে প্রতিষ্ঠানগত উদ্দেশ্যসমূহ যুক্তিযুক্ত আৰু জনগণৰ গ্রহণযোগ্য নীতিলৈ ৰূপান্তৰ কৰাত সহায় কৰে। জনসম্পর্কৰক্ষীয়ে প্রতিষ্ঠানৰ বিষয়ে যি তথ্য যোগান ধৰে সকলো ক্ষেত্রতে ইয়াৰ উৎস অৱশ্যেই উল্লেখ কৰিব লাগে। এই উৎসবোৰ বস্তুনিষ্ঠ হ'ব নালাগে আৰু উদ্দেশ্য প্রণোদিত প্রচাৰ নাইবা বাণিজ্যিক প্রচাৰৰ পৰা মুক্ত হ'ব লাগে।
- জনসম্পর্ক ৰক্ষাৰ দায়িত্বত থকা সকলে পাৰস্পৰিক বুজাপৰাৰ মাজেৰে প্রতিষ্ঠানৰ ভাৱমূর্তি (image) সৃষ্টিৰ দায়িত্ব পালন কৰে। সেয়েহে তেওঁলোকে সত্য আৰু সততাৰ ভিত্তিত স্থাপিত উপযুক্ত তথ্য বিতৰণ কৰিব লাগে। অসত্য তথ্যৰ ওপৰত ভিত্তি কৰি নাইবা মনেসজা কাহিনীৰ নির্বাচিত প্রদর্শনীৰ দ্বাৰা ভাৱমূর্তি প্রতিষ্ঠাৰ চেষ্টা কৰিব নালাগে।
- জনসম্পর্ক বৃত্তিধাৰীসকলে সিদ্ধান্ত গ্রহণত কেতিয়াবা ওপৰঞ্চি দোদুল্যমান সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় । তেওঁলোকৰ সিদ্ধান্তই (১) চৰকাৰী স্বার্থ, (২) কর্মচাৰীসকল, (৩) প্রতিষ্ঠানৰ বৃত্তিগত নৈতিক সংহিতা আৰু (৪) তেওঁলোকৰ ব্যক্তিগত মূল্যবোধক প্রতিফলিত তথা সন্তুষ্ট কৰিব লাগে।
- প্রতিষ্ঠান এটাৰ গঠন অনুসৰি জনসম্পর্ক ৰক্ষাৰ অনুশীলন ভিন ভিন হ'ব পাৰে। মাজে সময়ে জনসম্পর্কৰক্ষী কার্যাৱলীয়ে প্রতিষ্ঠান এটাৰ অইন বিভাগসমূহৰ কার্যাৱলীৰ ওপৰত হস্তক্ষেপ কৰে নাইবা মাজে সময়ে জনসম্পর্কৰক্ষী বিভাগে প্রয়োজন অনুসৰি অতিৰিক্ত কার্য পালন কৰিব লাগে।
- জনসম্পর্ক বৃত্তিধাৰীসকলে প্রতিষ্ঠান এটাৰ প্রকৃতি ভালদৰে বুজাটো বৰকৈ প্রয়োজনীয় ।কাৰণ, তেওঁলোকে আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োপ্রকাৰৰ জনগণৰ সৈতে যোগাযোগ ৰক্ষাৰ দায়িত্ব পালন কৰিব লাগে আৰু প্রতিষ্ঠানৰ উপভোক্তা বৃদ্ধিত সহায়কাৰী উদ্দেশ্যসমূহ সফলকৰাৰ দায়িত্ব পালন কৰিব লাগে।
- নতুন সামগ্রী বজাৰত মুকলি কৰিবলৈ আৰু পুৰণি সামগ্রীৰ উপভোক্তাসকলৰ বিশ্বাস জয় কৰি সামগ্রী এবিধৰ নতুন গুণাগুণ প্রদর্শন কৰি গ্রাহকক ধৰি ৰাখিবলৈ বিজ্ঞাপনে সুন্দৰ মঞ্চ এখন তৈয়াৰ কৰে। কিন্তু প্রতিযোগিতাত ফেৰ মাৰিবলৈ মাজে সময়ে বিজ্ঞাপনবিলাকক ইয়াৰ তথ্য নাইবা উপস্থাপনৰ ক্ষেত্রত গ্রাহকক বিপথে পৰিচালিত

কৰাৰ দোষত সমালোচনা কৰা হয়।

- আমাৰ দেশত ভাৰতীয় বিজ্ঞাপন মান নির্ধাকৰ পৰিষদ (Advertising Standards Council of India, ASCI) আছে। ই হ'ল বিজ্ঞাপন সংস্থাসমূহৰ এটা ছত্র পৰিষদ। পৰিষদে উপভোক্তাক বিপথে পৰিচালিত কৰিব পৰা বিজ্ঞাপনসমূহৰ প্রচাৰ ৰোধ কৰাৰ উদ্দেশ্যেৰে বিজ্ঞাপনৰ কিছুমান বিশেষ সংহিতা প্রস্তুত কৰিছে।
- ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) গ্রহণ কৰা সংহিতাবোৰ প্রধানতঃ চাৰি প্রকাৰৰ। প্রকাৰকেইটা হ'ল— (ক) সত্যনিষ্ঠ উপস্থাপন, (খ) জনসাধাৰণৰ কাৰণে ক্ষতিহীন, (গ) ক্ষতিকৰ সামগ্রী/পৰিস্থিতিৰ বিৰুদ্ধে থকা সংহিতা আৰু (ঘ) ন্যায়সংগত প্রতিযোগিতা
- ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা হৈছে (The Advertising Agencies Association of India, AAAI) বিজ্ঞাপন ক্ষেত্রখনৰ আন এটা প্রতিনিধিত্বমূলক সংস্থা। বিজ্ঞাপনৰ উচ্চ মান বজাই ৰাখিবলৈ এই সংস্থাটোৱেও কিছুমান বিশেষ সংহিতা গ্রহণ কৰিছে। ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা (AAAI) হৈছে বিজ্ঞাপন এজেন্সীবোৰৰ আনুষ্ঠানিক ৰাষ্ট্রীয় সংস্থা। বিজ্ঞাপন সংস্থাসমূহৰ স্বার্থ অক্ষুণ্ণ ৰাখিবলৈ ১৯৪৫ চনত এই সংস্থাটো গঠন কৰা হৈছিল। সংস্থাটোৱে ইয়াৰ প্রতিষ্ঠিত নীতিসমূহৰ জৰিয়তে বৃত্তিজীৰী মানসিকতাৰ পোষকতা কৰে। বিজ্ঞাপনকাৰীৰ এনে মানসিকতাই বিজ্ঞাপনকাৰী সংস্থা আৰু বিভিন্ন মাধ্যমৰ মাজত সুস্থ বাণিজ্যিক অনুশীলন সম্ভৰ কৰি তোলে।
- ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India, ASCI) বিজ্ঞাপন উদ্যোগৰ নিজাবৰীয়া পৰিচালনাৰে চলা এটা স্বেচ্ছাসেৰী প্রতিষ্ঠান। ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে বিজ্ঞাপনত জনগণৰ বিশ্বাস অটুট ৰখা আৰু এই বিশ্বাসৰ মাত্রা বৃদ্ধি কৰা।
- বিপথে পৰিচালিত কৰা আৰু উপভোক্তাৰ স্বার্থ হানি কৰা বিজ্ঞাপনসমূহৰ সংখ্যা কম কৰাৰ প্রক্রিয়াটো অধিক শক্তিশালী কৰাৰ কাৰণে ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) ৰাষ্ট্রীয় পর্যায়ত অবিৰতভাৱে বিজ্ঞাপনসমূহৰ ওপৰত দৃষ্টি ৰাখিবলৈ এটা অগ্রণী পদক্ষেপ ঘোষণা কৰিছিল । সেয়া হৈছে ৰাষ্ট্রীয় বিজ্ঞাপন নিৰীক্ষণ সেৱা (National Advertising Monitoring Service, NAMS ৰ গঠন।




১৩.১০ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Aggarwal, Vir Bala, V.S Gupta (2002) Handbook of Journal-

ism and
Mass Communication. New Delhi: Concept Publishing Company
2. Prasad, K. (2008). Media Laws & Ethics. Delhi: B R Publishing Corporation.
3. Thakurta, P.G. (2015). Media Ethics. New Delhi: Oxford University Press.
4. Kumar, Keval J. (2006) Mass Communication in India. Mumbai : Jaico Publishing House



১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নৈতিকতাৰ ইংৰাজী প্রতিশব্দ 'ethics' শব্দটো গ্রীক শব্দ 'ethos' ৰ পৰা ওলোৱা ইয়াক সমার্থকভাৱে নৈতিক চৰিত্র (moral behaviour) নাইবা নৈতিক গুণ (moral qualities) বুজাবলৈ ব্যৱহাৰ কৰা হয়। নীতিশাস্ত্রই শুদ্ধ নাইবা ভুল আৰু ভাল নাইবা বেয়া মানৱ চৰিত্র গঠনকাৰী উপাদানবোৰৰ অধ্যয়ন কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ জনসম্পর্ক ৰক্ষাৰ দায়িত্বত থকা সকলে পাৰস্পৰিক বুজাপৰাৰ মাজেৰে প্রতিষ্ঠানৰ ভাৱমূর্তি (image) সৃষ্টিৰ দায়িত্ব পালন কৰে। সেয়েহে তেওঁলোকে সত্য আৰু সততাৰ ভিত্তিত স্থাপিত উপযুক্ত তথ্য বিতৰণ কৰিব লাগে। অসত্য তথ্যৰ ওপৰত ভিত্তি কৰি নাইবা মনেসজা কাহিনীৰ নির্বাচিত প্রদর্শনীৰ দ্বাৰা ভাৱমূর্তি প্রতিষ্ঠাৰ চেষ্টা কৰিব নালাগে। সংঘাত নাইবা সংকটৰ মুহূর্ততো জনসম্পর্কই এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলগীয়া হয়। এনে সময়ত মধ্যস্থতাকাৰী হিচাপে জনসম্পর্কৰক্ষী সকলে কর্মচাৰী আৰু সমাজ দুয়োপক্ষৰ বিশ্বাস জিনিব লাগে। এনে মুহূর্তত ব্যক্তিগত মিলাপ্রীতিয়ে সহায়কৰ ভূমিকা পালন কৰে। এনে মিলাপ্রীতি হ'ল বিশ্বাস আৰু সদিচ্ছা গঢ়াৰ প্রয়োজনীয় উপাদান। একমাত্র এগৰাকী সৎ জনসম্পর্ক ৰক্ষাকাৰীয়েহে নৈতিকতা বোধৰ সহায়ত সকলোৰে সৈতে সুসম্পর্ক স্থাপন কৰিব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জনসম্পর্ক বৃত্তিধাৰীসকলে তলৰ কথাবোৰ পালন কৰাৰ প্রতিশ্রুতি দিব লাগে -

(১) বৃত্তিগত দাযিত্ব পালন কৰি থকাৰ সময়ত তেওঁ "মানৱাধিকাৰৰ সার্বজনীন ঘোষণা"ৰ নীতি আৰু নিয়মসমূহ মানি চলিব;

(২) মানৱীয় মর্যাদাৰ প্রতি উপযুক্ত সন্মান প্রদর্শন আৰু ইয়াক ৰক্ষা কৰাৰ লগতে ব্যক্তিৰ নিজকে নিজে বিচাৰ কৰি চোৱাৰ অধিকাৰক স্বীকৃতি দিব·

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রতিষ্ঠান ভেদে সাংগঠনিক সংস্কৃতি ভিন ভিন হ'ব পাৰে। প্রতিটো সংস্কৃতিয়ে কিছুমান বিশেষ উপায় অৱলম্বন কৰি সিদ্ধান্ত গ্রহণ কৰে। এইটো বুজা জটিল যে

এটা প্ৰতিষ্ঠানত ন্যায়নিষ্ঠ ব্যক্তিবিশেষে নৈতিক আচৰণ নিৰ্ধাৰিত কৰেনে সাংগঠনিক সংস্কৃতিয়ে ব্যক্তিৰ নৈতিক আচৰণ নিৰ্ধাৰণ কৰে আৰু কোনটোক অগ্ৰাধিকাৰ দিয়া হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণতে জনসম্পৰ্ক কাৰ্যবাহী নাইবা জনসম্পৰ্কৰক্ষী বিভাগৰ আভ্যন্তৰীণ সংযোগ বিশেষজ্ঞৰ দ্বাৰাই নৈতিকতাৰ প্ৰশিক্ষণ দিয়া হয়। আভ্যন্তৰীণ সংযোগ সম্ভৱ কৰি তোলা যোগাযোগৰ মাধ্যম, যেনে- আলোচনী, বাতৰিকাকত, ব্লগ (blog) আদিৰ জৰিয়তে জনসম্পৰ্ক কাৰ্যবাহীসকলে প্ৰতিষ্ঠান একোটাৰ আভ্যন্তৰীণ সদস্যসকলৰ মাজত বৰ্তমানে প্ৰচলিত আদৰ্শসমূহ বুজাবলৈ আৰু প্ৰতিষ্ঠানভিত্তিক সংস্কৃতিত কাংক্ষিত নৈতিক আদৰ্শসমূহ প্ৰতিষ্ঠাপনৰ কাম কৰিব পাৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিযোগিতাত ফেৰ মাৰিবলৈ মাজে সময়ে বিজ্ঞাপনবিলাকক তথ্য নাইবা উপস্থাপনৰ ক্ষেত্ৰত গ্ৰাহকক বিপথে পৰিচালিত কৰাৰ দোষত সমালোচনা কৰা হয়। উপভোক্তাৰ অনাকাংক্ষিত অভ্যাস গঢ়ি তোলা আৰু মাজে সময়ে উপভোক্তাবাদী সংস্কৃতিৰ প্ৰচলনক উৎসাহিত কৰাৰ কাৰণে বিজ্ঞাপনক জগৰীয়া কৰা হয়। যদিও বিজ্ঞাপন উদ্যোগে আত্মনিয়ন্ত্ৰণৰ জৰিয়তে পৰিস্থিতি চম্ভালি লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে তথাপিও এই ক্ষেত্ৰখনত কটকটীয়া আইনী নিয়ন্ত্ৰণৰ চাহিদা বৰ্তমানে বাঢ়ি গৈছে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা হৈছে (The Advertising Agencies Association of India, AAAI) বিজ্ঞাপন ক্ষেত্ৰখনৰ আন এটা প্ৰতিনিধিত্বমূলক সংস্থা। বিজ্ঞাপনৰ উচ্চ মান বৰ্তাই ৰাখিবলৈ এই সংস্থাটোৱেও কিছুমান বিশেষ সংহিতা গ্ৰহণ কৰিছে। ভাৰতীয় বিজ্ঞাপন এজেন্সী সংস্থা (AAAI) হৈছে বিজ্ঞাপন এজেন্সীবোৰৰ আনুষ্ঠানিক ৰাষ্ট্ৰীয় সংস্থা । বিজ্ঞাপন সংস্থাসমূহৰ স্বাৰ্থ অক্ষুণ্ণ ৰাখিবলৈ ১৯৪৫ চনত এই সংস্থাটো গঠন কৰা হৈছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় বিজ্ঞাপন মান নিৰ্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) গ্ৰহণ কৰা সংহিতাবোৰ প্ৰধানতঃ চাৰি প্ৰকাৰৰ। প্ৰকাৰকেইটা হ'ল—

(ক) সত্যনিষ্ঠ উপস্থাপন, (খ) জনসাধাৰণৰ কাৰণে ক্ষতিহীন, (গ) ক্ষতিকৰ সামগ্ৰী/পৰিস্থিতিৰ বিৰুদ্ধে থকা সংহিতা, (ঘ) ন্যায়সংগত প্ৰতিযোগিতা

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (১) বিজ্ঞাপনসমূহ সত্য হ'ব লাগিব আৰু সকলো ধৰণৰ বৰ্ণনা, দাবী তথা তুলনাৰ নিৰপেক্ষভাৱে নিৰ্ধাৰণ কৰিব পৰা তথ্যৰ লগত সম্পৰ্ক থাকিব লাগিব আৰু সেই সকলোবিলাক প্ৰমাণিত কৰাৰ যোগ্য হ'ব লাগিব। যেতিয়াই ভাৰতীয় বিজ্ঞাপন মাননিৰ্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) নিৰ্দেশ দিয়ে তেতিয়াই বিজ্ঞাপনকাৰীয়ে এই প্ৰমাণবোৰ দাখিল কৰিব লাগে।

(২) বিজ্ঞাপনৰ দাবীসমূহ স্বাধীন গৱেষণা নাইবা মূল্যায়নৰ দ্বাৰা সমৰ্থিত নাইবা এনে উৎসৰ আধাৰত প্ৰতিষ্ঠিত বুলি স্পষ্টভাৱে উল্লেখ কৰিলে এনে উৎস আৰু তাৰিখ বিজ্ঞাপনত সংলগ্ন কৰি দিব লাগিব।

১০ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰকপৰিষদ (Advertising Standards Council of India, ASCI) খন বিজ্ঞাপনৰ লগত জড়িত চাৰিটা বিভাগৰ সহায় আৰু সমর্থন মর্মে গঠন কৰা হৈছিল। বিভাগ চাৰিটা হ'ল - বিজ্ঞাপনকাৰী (Advertisers), বিজ্ঞাপন এজেন্সী (Advertising Agencies), প্রচাৰ মাধ্যম (Media) (ছপা মাধ্যম আৰু পৰিৱেশন মাধ্যম ইত্যাদি) আৰু আন আন জনসংযোগ স্থাপনকাৰী সংস্থাসমূহ, যেনে- বজাৰ গৱেষণা কোম্পানি ইত্যাদি।

১১ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদৰ (Advertising Standards Council of India, ASCI) ৱেবছাইটত উল্লেখ কৰা মতে -

(১) তলত দিয়া উদ্দেশ্য সমূহ পূৰণ কৰাৰ আশাৰে ভাৰততে বিজ্ঞাপনৰ মান পর্যবেক্ষণ, নিয়ন্ত্রণ আৰু প্রচাৰ কৰিবলৈ পৰিষদে বান্ধি লোৱা লক্ষ্যবোৰ হ'লঃ

(ক) বিজ্ঞাপনৰ জৰিয়তে উত্থাপন কৰা দাবীসমূহ আৰু বিজ্ঞাপনত দেখুওৱা বস্তুৰ সত্যতা তথা সততা সুনিশ্চিত কৰা উপভোক্তাক বিপথে পৰিচালিত কৰা বিজ্ঞাপনসমূহৰ প্রচাৰ ৰোধ কৰা।

(খ) সর্বসাধাৰণৰ দ্বাৰা গ্রহণযোগ্য শিষ্টতাৰ আদর্শ আৰু মান যাতে বিজ্ঞাপনে উলংঘা নকৰে সেয়া সুনিশ্চিত কৰা ।



১৩.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্নঃ

প্রশ্ন ১ ঃ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদে (Advertising Standards Council of India, ASCI) বুলিলে কি বুজে?

(খ)ৰাষ্ট্রীয় বিজ্ঞাপন নিৰীক্ষণ সেৱা (National Advertising Monitoring Service / NAMS) কি?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্রশ্ন ১ ঃ আমাক কিয় বিজ্ঞাপন সংহিতাৰ প্রয়োজন?

প্রশ্ন ২ ঃ এগৰাকী জনসম্পর্কৰক্ষী কার্যবাহীৰ কাৰণে নৈতিক সাংগঠনিক সংস্কৃতি এটা গঠন কৰাটো কিয় প্রয়োজনীয় আৰু কেনেকৈ এনে সংস্কৃতি গঠন কৰিব পৰা যায়?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্রশ্ন ১ ঃ ভাৰতীয় জনসম্পর্ক বৃত্তিজীৰী সমাজে (Public Relations Society of India / PRSI) গ্রহণ কৰা নৈতিক সংহিতা বোৰ লিখক।

প্রশ্ন ২ ঃ ভাৰতীয় বিজ্ঞাপন মান নির্ধাৰক পৰিষদ (Advertising Standards Council of India / ASCI) এ গ্রহণ কৰা বিজ্ঞাপনকাৰীসকলৰ সংহিতাবোৰ লিখক।

অধ্যায় ১৪ ঃ অনলাইন সাংবাদিকতাৰ নীতি

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ চাইবাৰস্পেচত গোপনীয়তা
১৪.৪ সাংবাদিক আৰু ৰেব প্রযুক্তি
১৪.৫ অনলাইন সাংবাদিকতাৰ নৈতিক প্রত্যাহ্বানসমূহ - তথ্য সংগ্রহ, সংবাদ প্রস্তুতকৰণ, অনলাইন তথ্য উপস্থাপন আৰু বিতৰণ
১৪.৬ অনলাইন সংবাদ মাধ্যমৰ সাংগঠনিক সংৰচনা আৰু সংযোগ
১৪.৭ সংযোগ মাধ্যম সমধর্মিতাৰ সামাজিক সমস্যা
১৪.৮ বিশ্বজনীন সংযোগ
১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১০ অধিক জানিবলৈ
১৪.১১ অগ্রগতিৰ খতিয়ান
১৪.১২ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- চাইবাৰস্পেচত গোপনীয়তাৰ ধাৰণাটো বুজিবলৈ সক্ষম হ'ব
- অনলাইন সাংবাদিকতাৰ নৈতিক প্রত্যাহ্বানসমূহ জানিব পাৰিব
- সংযোগ মাধ্যমৰ সমধর্মিতাৰ সামাজিক সমস্যাবোৰ বিশ্লেষণ কৰিব পাৰিব
- বিশ্বজনীন সংযোগ সম্পর্কে আন আহৰণ কৰিব পাৰিব।

১৪.২ পৰিচয়

আগৰ অধ্যায়ত আমি জনসম্পর্ক আৰু বিজ্ঞাপনৰ ক্ষেত্রত মানি চলিবলগীয়া নৈতিক দিশবোৰৰ গুৰুত্ব সন্দর্ভত আলোচনা কৰিলোঁ। সেই আলোচনাৰ পৰা গম পালোঁ এই যে নীতিসমূহ হৈছে নৈতিক আদর্শ কিছুমানৰ সমষ্টি। এই আদর্শবোৰে আমাক সমাজত সিদ্ধান্ত গ্রহণৰ বেলিকা পথ প্রদর্শন কৰাৰ লগতে; ভুলৰ মাজৰ পৰা শুদ্ধটোক আৰু বেয়াৰ মাজৰ পৰা ভালটোক বাছনি কৰাত সহায় কৰে। এই অধ্যায়টিত আমি অনলাইন সাংবাদিকতাত এনে নীতিৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম।

আমি জানো যে আজিকালি অনলাইন মাধ্যম সমূহ দ্রুত গতিৰে বৃদ্ধি পাবলৈ ধৰিছে আৰু স্বাভাৱিকতেই সকলোবোৰ ডিজিটেল প্রক্রিয়াৰে অধীন হৈ পৰিছে। অনলাইন

মাধ্যমবোৰে মাউচৰ এটা মাত্ৰ ক্লিকতেই দৃশ্য-শ্ৰাব্য সকলো তথ্যকে আগবঢ়াই দিয়ে। দৈনন্দিন জীৱনত ক্ৰমাৎ বৃদ্ধি পাই অহা ইন্টাৰনেটৰ ব্যৱহাৰে অনলাইন মাধ্যমসমূহক মানুহৰ অধিক কাষ চপাই নিছে। 'অনলাইন মাধ্যমৰে জৰিয়তে যিকোনো লোকেই সাংবাদিক অথবা কথক (story teller) হ'ব পাৰে'- এই কথাটো সঁচা, কিন্তু ই বিভিন্ন প্ৰত্যাহ্বানো কঢ়িয়াই আনিব পাৰে। যেনে- আনৰ ৰচনা চোৰ কৰা, বৰ্ণিত ঘটনাত সত্যতাৰ অভাৱ, অতিমাত্ৰা প্ৰচাৰ-প্ৰসাৰ, ভূৱা বৰ্ণনা, ভুল তথ্যৰ সৰবৰাহ, অশ্লীলতা, অসৌজন্যতা, গোপনীয়তা ভংগ আৰু সৰু ল'ৰা-ছোৱালীৰ ওপৰত ইন্টাৰনেটৰ বিৰূপ প্ৰভাৱ ইত্যাদি।

সঁচাৰ বিপৰীতে যেতিয়া মিছাৰ প্ৰচাৰ কৰিবলৈ মানুহে ইন্টাৰনেটৰ ব্যৱহাৰ কৰিবলৈ ল'লে তেতিয়াৰ পৰাই এই প্ৰত্যাহ্বানবোৰে গা কৰি উঠিছে। ক'ৰবাত যেন অনলাইন সাংবাদিকতাৰ দায়ৱদ্ধতাৰ প্ৰসংগটো মানুহৰ দৃষ্টিত অস্পষ্ট হৈ পৰিছে। আচলতে এনে সময়তেই ন্যায়নিষ্ঠ বিধি-বিধান (ethics) কিছুমান মানি চলাৰ প্ৰয়োজন হয়, যিবোৰে অনলাইন সাংবাদিকতাক সঠিক পথ প্ৰদৰ্শন কৰিব পাৰে।

১৪.৩ চাইবাৰস্পেচত গোপনীয়তা

অনলাইন সাংবাদিকতাৰ ক্ষেত্ৰত চাইবাৰস্পেচত গোপনীয়তাৰ প্ৰসংগটো সঘনে উত্থাপিত হৈ থাকে। যদিও সাধাৰণ দৃষ্টিত ই সৰ্বজনগ্ৰাহ্য যে প্ৰতিগৰাকী ব্যক্তিৰেই গোপনীয়তাৰ অধিকাৰ আছে; তথাপি এই অধিকাৰ বিভিন্ন পৰিস্থিতিত ভংগ হ'ব পাৰে। এই পৰিস্থিতিবোৰনো কি সেয়া আকৌ আন এক বিতৰ্কৰ বিষয়।

ইংৰাজী privacy শব্দটোৰ সমাৰ্থক অসমীয়া প্ৰতিশব্দ হিচাপে আমি ইয়াত'গোপনীয়তা' শব্দটো ব্যৱহাৰ কৰিছোঁ। privacy শব্দটোৰ সৃষ্টি হৈছে লেটিন privatus শব্দৰ পৰা। যাৰ অৰ্থ হৈছে 'সুকীয়াকৈ থকা' আৰু 'নিজৰ' একান্ত এনেকৈয়ো ক'ব পাৰি যে ই হৈছে এগৰাকী ব্যক্তি অথবা কোনো এক মানৱ গোটৰ একান্তভাৱে থকাৰ অথবা নিজৰ বিষয়ে তথ্য সদৰি কৰাৰ পৰা বিৰত থকাৰ সামৰ্থ আৰু এই সামৰ্থৰ সহায়ত ব্যক্তি অথবা গোটটোৱে নিজৰ বিষয়ে যিখিনি বিচাঁৰে সিমানখিনি তথ্যহে সদৰি কৰে। গোপনীয়তাৰ ধাৰণাটো মানুহ, সংস্কৃতি আৰু দেশভেদে বেলেগ বেলেগ হ'ব পাৰে। গোপনীয়তাক বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি। যেনে ঃ ব্যক্তিগত, তথ্যগত, প্ৰতিষ্ঠানগত, আধ্যাত্মিক আৰু বৌদ্ধিক গোপনীয়তা।

বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈছে গোপনীয়তাক আমি কিয় মূল্য দিয়া আৰু সুৰক্ষা প্ৰদান কৰা উচিত। আগতে উল্লেখ কৰি অহাৰ দৰে ব্যক্তিগত সম্পৰ্কৰ ক্ষেত্ৰত গোপনীয়তাৰ আৱশ্যক আছে। এই গোপনীয়তাই ব্যক্তিগত তথ্যৰ প্ৰৱাহ নিয়ন্ত্ৰণাধীন কৰি ৰাখে। ব্যক্তিৰ মৰ্যাদা আৰু স্বতন্ত্ৰতাৰ ক্ষেত্ৰত গোপনীয়তা এক উল্লেখযোগ্য

দিশ। যিকোনো এক গোপনীয়তা জনচক্ষুৰ সমুখত মুকলি কৰাৰ ক্ষেত্ৰত মানুহৰ এক যুক্তিসংগত প্ৰত্যাশা থাকে।

মানৱ অধিকাৰ বিষয়ক ইউৰোপীয় সন্মিলনৰ ৮ নং অনুচ্ছেদৰ উল্লেখ কৰি মানৱাধিকাৰৰ ইউৰোপীয় সদন (The European Court of Human Right) এ কয় যে এগৰাকী ব্যক্তিৰ সকলো ধৰণৰ সম্পৰ্ক তথা ব্যক্তিত্ব আৰু গোপনীয়তা বাহিৰা হস্তক্ষেপৰ পৰা সুৰক্ষিত হৈ ৰ'ব লাগে।

অনলাইন মাধ্যম তথা চাইবাৰস্পেচত গোপনীয়তাৰ বিষয়টো বৰ্তমানৰ আলোচনাৰ এক শেহতীয়া দিশ হৈ পৰিছে। আমি সকলোৱে জানো যে অনলাইন মাধ্যমত গোপনীয়তাৰ উলংঘন ঘটাৰ যথেষ্ট সম্ভাৱনা আছে। কিয়নো সামাজিক মাধ্যম (Social Media) সমূহৰ জৰিয়তে আজিকালি যিকোনো ব্যক্তিয়েই সংবাদ পৰিৱেশক, বিষয়বস্তু (content) প্ৰস্তুত কৰোঁতা তথা কথক (Story teller) ৰ ভূমিকা ল'ব পাৰে। মাউচৰ এটা মাত্ৰ ক্লিকৰ যোগেদিয়েই যিকোনো তথ্য আজিৰ তাৰিখত ৰাজহুৱা কৰিব পাৰি। সেয়েহে, কেতিয়াবা গোপনীয়তা উলংঘন আৰু চাইবাৰ অপৰাধৰ আঁৰৰ অপৰাধীজনক ধৰা পেলোৱাটো একপ্ৰকাৰ দুঃসাধ্য হৈ পৰে। তাৰোপৰি, আজিলৈকে যিহেতু চাইবাৰ আইনৰ কথাবোৰ আন্তঃৰাষ্ট্ৰীয় স্তৰত একে হৈ উঠা নাই, গতিকে একেটা বস্তু যদি আজি ভাৰতত নিষিদ্ধ, সি হয়তো অইন দেশত বিনা বাধাই প্ৰচলিত। আকৌ, একোটা বিষয়বস্তু (content) হয়তো বাধাহীনভাৱে সকলোতে প্ৰচলিত হৈ আছে।

ফেইচবুক আৰু টুইটাৰৰ দৰে সামাজিক মাধ্যমসমূহৰ ক্ৰমবৰ্দ্ধিত অবাধ ব্যৱহাৰে মানুহক ব্যক্তিগত তথ্য বিলাই দিয়াৰ সুবিধা প্ৰদান কৰিছে সঁচা, কিন্তু সেই তথ্যবোৰ কোনে প্ৰাপ্ত কৰিব পাৰিব তাৰ ওপৰত নিয়ন্ত্ৰণৰ অভাৱ। কেতিয়াবা তেনে তথ্যবোৰ কোনো তৃতীয় পক্ষই অনুকৰণ আৰু ব্যৱহাৰ কৰিব পাৰে। কিন্তু, অভিযোগ দাখিল কৰাৰ পাচতো তৃতীয় পক্ষক চিনি উলিওৱাটো এক প্ৰকাৰ দুৰ্ব্বহ হ'ব পাৰে। অনলাইন মাধ্যমৰ জৰিয়তে অজানিতে হ'লেও মুকলি কৰি দিয়া ব্যক্তিগত তথ্য কিছুমান চাইবাৰ অপৰাধীৰ হাতত পৰিব পাৰে আৰু সেইবোৰৰ ব্যৱহাৰেৰে অপৰাধী একোজনে কাৰোবাৰ অনলাইন গোপনীয়তা ভংগ কৰিব পাৰে। এইবোৰ কাৰণতেই অচিনাকী ৱেবছাইট একোটা চাওঁতে বা কোনো লিংকত ক্লিক্ কৰোঁতে আমি যথেষ্ট সাৱধান হোৱা আৱশ্যক।

শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিছে যে 'গোপনীয়তাৰ অধিকাৰ' প্ৰতিগৰাকী ভাৰতীয় নাগৰিকৰে এক মৌলিক অধিকাৰ। এই ঘোষণাৰ লগে লগে সংবাদ মাধ্যমৰ ভূমিকা আৰু ধাৰণালৈ এক পৰিৱৰ্তন আহিছে। এতিয়াৰে পৰা চাইবাৰস্পেচত গোপনীয়তাৰ প্ৰসংগটোক কোনেও পাতলীয়াকৈ ল'ব নোৱাৰিব। গোপনীয়তা খুঁচৰি ফুৰাৰ ফলত যদি অপযশৰ সৃষ্টি হয়, তেন্তে সেয়া

সংবাদকর্মীগৰাকীৰ এক গুৰুতৰ অপৰাধ হ'ব পাৰে। তথ্য প্ৰযুক্তি আইন, ২০০০ (The information technology act, 2000) খনে এইক্ষেত্ৰত এক সবল ভূমিকা পালন কৰি আহিছে।



অগ্ৰগতি নিৰী ণ

প্ৰশ্ন নং ১ - Privacy শব্দটোৰ দ্বাৰা আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ২ - অনলাইন মাধ্যমসমূহত আজিকালি গোপনীয়তা কেনেদৰে সংকটৰ সন্মুখীন হৈছে?

.....

.....

১৪.৪ সাংবাদিক আৰু ৰেব প্ৰযুক্তি

দৈনন্দিন জীৱনত তথ্য আহৰণ আৰু বিতৰণ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে বিবেচিত হৈছে আৰু তথ্যসমৃদ্ধ নাগৰিক এগৰাকীকহে সবল নাগৰিক হিচাপে বিবেচনা কৰা হয়। দৰ্শক, পঢ়ুৱৈ আৰু শ্ৰোতাৰ যোগ্যতাৰ ওপৰত ভিত্তি কৰি তথ্যৰ এক সুসংৱদ্ধ বিতৰণ ব্যৱস্থাকেই আমি সাংবাদিকতা বুলি ধৰি ল'ব পাৰোঁ। এটা ধাৰাবাহিক ব্যৱস্থা হিচাপে সাংবাদিকতাই নৱ প্ৰযুক্তিৰ সহায়ত যথেষ্ট বিকাশ লাভ কৰিছে। এই বিকাশে সংবাদ উদ্যোগটোকো গভীৰভাৱে প্ৰভাৱিত কৰিছে। সংবাদ প্ৰস্তুত আৰু পৰিৱেশনৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তিয়ে তাৎপৰ্যপূৰ্ণ সহায় আগবঢ়াইছে।

বৰ্তমান সময়ত সাংবাদিকতাৰ ক্ষেত্ৰখনত কাৰ্যতঃ ৰেব প্ৰযুক্তিৰ ব্যৱহাৰ হ'ব ধৰিছে। বাতৰি একোটাৰ প্ৰস্তুতি আৰু পৰিৱেশনৰ ক্ষেত্ৰত ৰেব প্ৰযুক্তিয়ে প্ৰভূত সুবিধা আগবঢ়ায়। সাংবাদিকতাৰ ক্ষেত্ৰত ৰেব প্ৰযুক্তিয়ে কঢ়িয়াই অনা কিছুমান সুবিধা হৈছেঃ

(ক) বাতৰি, প্ৰৱন্ধ আদি বিভিন্ন ধৰণৰ লেখনীৰ জৰিয়তে খবৰ কিছুমানক সুসংৱদ্ধভাৱে প্ৰস্তুত কৰি তোলাই হৈছে সাংবাদিকতা। এগৰাকী সংবাদদাতাই কোনো বাতৰি প্ৰস্তুত কৰাৰ পাচত অন্য তথ্যৰ বাবে ৰেবছাইটৰ সহায় ল'ব পাৰে।

(খ) আজিৰ তীব্ৰ প্ৰতিযোগিতামূলক জগতত একোগৰাকী সংবাদকর্মীক দ্ৰুত যোগাযোগ ব্যৱস্থা এটাৰ প্ৰয়োজন হয় । এনে ব্যৱস্থাই তেওঁক তথ্য আহৰণৰ উৎসৰ লগতে সহকর্মী আৰু ঊৰ্দ্ধতন কর্তৃপক্ষৰ লগত তথ্য ভাগ-বাটোৰাৰাৰ বাবে সংযোজিত কৰি ৰাখিব পাৰে। ইণ্টাৰনেট ব্যৱহাৰ কৰি এতিয়া যিকোনো ব্যক্তিয়েই ই-মেইলৰ জৰিয়তে

তথ্য প্ৰেৰণ আৰু গ্ৰহণ কৰিব পাৰে। ই এক দ্ৰুত আৰু বিশ্বাসযোগ্য ব্যৱস্থা। সংবাদকৰ্মী এগৰাকীয়ে কাম এটা সম্পাদন কৰাৰ নিৰ্দ্ধাৰিত সময় (deadline) মানি চলিব লাগে। এই ক্ষেত্ৰত অনলাইন মাধ্যম হিচাপে ই-মেইল অথবা অন্যান্য ব্যৱস্থাবোৰে দ্ৰুত আৰু উন্নত যোগাযোগ ব্যৱস্থাৰ সুবিধা আগবঢ়ায়।

(গ) সংবাদ এটা প্ৰস্তুতিৰ সময়ত প্ৰয়োজন হোৱা গৱেষণাৰ ক্ষেত্ৰতো বিভিন্ন ৱেবছাইটে সংবাদকৰ্মীক সহায় কৰিব পাৰে।

(ঘ) যিসকল সংবাদকৰ্মীয়ে সমাগত অনুষ্ঠানবোৰৰ বিষয়ে জানিব খোজে, তেওঁলোকে এটা মাত্ৰ মাউচ ক্লিকতেই প্ৰেছ ইনফৰ্মেচন ব্যুৰো অথবা ৰাজ্য চৰকাৰৰ ৱেবছাইটৰ পৰা তথ্য আহৰণ কৰিব পাৰে।

(ঙ) আজিকালি বহুতো বাতৰি ছেনেলে টুইটাৰৰ দৰে সামাজিক মাধ্যমত চৰ্চিত হৈ থকা প্ৰসংগবোৰ সংগ্ৰহ কৰে আৰু সেইবোৰক নিজ ছেনেলৰ সংবাদ শিৰোনামত ঠাই দিয়ে।

(চ) ৱেব প্ৰযুক্তিয়ে সকলো নাগৰিককে নিজৰ যুক্তি আৰু মতামত দাঙি ধৰিবলৈ ক্ষমতা প্ৰদান কৰিছে আৰু এনেকৈয়ো এগৰাকী সংবাদকৰ্মী হোৱাৰ পথ উজু হৈ পৰিছে।

(ছ) ৱেব প্ৰযুক্তিয়ে সংযোগ মাধ্যমসমূহক এক গণতান্ত্ৰিক ৰূপ দিয়াই নহয়,এইবোৰৰ বিকেন্দ্ৰীকৰণো কৰিছে। ইয়াৰ উপৰি সংযোগ ব্যৱস্থাক স্ব-ৰূপ প্ৰদান (customization of communication) কৰিব পৰা হৈছে।

ইন্টাৰনেটৰ বহুল ব্যৱহাৰে সংবাদকৰ্মীক এক নতুন ধৰণৰ সাংবাদিকতাৰ সৈতে চিনাকী কৰাই দিছে। সেয়া হৈছে ডিজিটেল সাংবাদিকতা। দৃশ্য, শ্ৰাব্য অথবা আখৰ সম্বলিত যিকোনো ধৰণৰ সংবাদক ইন্টাৰনেটৰ জৰিয়তে প্ৰচাৰ কৰাকে আমি ডিজিটেল সাংবাদিকতা বুলি ক'ব পাৰোঁ। যিহেতু এনে সংবাদ ছপা আৰু বিতৰণ কৰিবলগীয়া নহয়, সেয়েহে পৰম্পৰাগত সাংবাদিকতাতকৈ ই অধিক দ্ৰুত ।বৰ্তমানৰ ৱেবছাইটবোৰ ৱেব ২.০ প্ৰযুক্তিৰ আধাৰত বিকশাই তোলা হয় (যেনে ঃ ফেইচবুক, ব্লগ আদি)। ফলত সেইবোৰত সকলোৱে অংশ ল'ব পৰা হৈছে। আজিকালি মানুহে ইন্টাৰনেটত যিকোনো সংবাদ বিষয়ক আলোচনাত ভাগ ল'ব পাৰে আৰু লগে লগে মন্তব্যও প্ৰদান কৰিব পাৰে।

সংবাদকৰ্মীসকলে 'হেশ্ব্ টেগ্' (#) ব্যৱহাৰ কৰি নিজৰ অথবা অন্যান্য সংবাদবোৰ অনুসৰণ কৰিব পাৰে আৰু পঢ়ুৱৈ অথবা শ্ৰোতা- দৰ্শকৰ সঁহাৰিৰ বিষয়ে জানিব পাৰে। হেশ্ব্ টেগৰ ব্যৱহাৰেৰে সাংবাদিকে ইন্টাৰনেটৰ কোনো এটা তথ্য অথবা কাহিনী অনুসৰণ কৰা, বিভিন্ন উৎসৰ পৰা একোটা নিৰ্দিষ্ট সংবাদ সন্দৰ্ভত তথ্য সংগ্ৰহ কৰা আৰু দৰ্শক, পঢ়ুৱৈ তথা শ্ৰোতাৰ সঁহাৰিৰ হিচাপ ৰখা আদি কামবোৰ সহজতে কৰিব পাৰে।

ডিজিটেল সাংবাদিকতাৰ বিশ্বাসযোগ্যতাৰ ক্ষেত্ৰত কিছু অসুবিধাও নথকা নহয়।

ডিজিটেল মাধ্যমেৰে ইণ্টাৰনেটত যিকোনো লোকেই যিকোনো বিষয়বস্তুৰ তথ্য প্ৰস্তুত কৰি আপলোড কৰিব পাৰে। এনে তথ্যৰ বিশ্বাসযোগ্যতা সন্দেহাতীত নহয়। কিছুমানে কেতিয়াবা উদ্দেশ্য প্ৰণোদিতভাৱে মিছা কাহিনী একোটাক সঁচা বুলি ইণ্টাৰনেটত প্ৰচাৰ কৰে আৰু এনে কাহিনী বনজুইৰ দৰে ফেইচবুক তথা অন্যান্য সামাজিক মাধ্যমসমূহত বিয়পি পৰে। যাৰ বাবে কেতিয়াবা যুক্তি আৰু মিথ্যাৰ মাজৰ প্ৰভেদ অস্পষ্ট হৈ পৰে।



অগ্ৰগতি নিৰী ণ

প্ৰশ্ন নং ৩ ডিজিটেল সাংবাদিকতা মানে আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ৪ সামাজিক মাধ্যমত একোটা বাতৰিয়ে কেনেকৈ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে?

.....

.....

১৪.৫ অনলাইন সাংবাদিকতাৰ নৈতিক প্ৰত্যাহ্বানসমূহ তথ্য সংগ্ৰহ, সংবাদ প্ৰস্তুতকৰণ, অনলাইন তথ্য উপস্থাপন আৰু বিতৰণ

আমি ইতিমধ্যে কেনেকৈ বিশ্বাসযোগ্যতা সৃষ্টিৰ ক্ষেত্ৰত অনলাইন সাংবাদিকতা প্ৰত্যাহ্বানৰ সন্মুখীন হয় আৰু প্ৰত্যাহ্বান সৃষ্টিও কৰে সেইবিষয়ে চমুকৈ আলোচনা কৰিছোঁ। এনে প্ৰত্যাহ্বানবোৰৰ বাবে সত্যতা আৰু মিথ্যাৰ মাজৰ প্ৰভেদ ৰেখাডাল অস্পষ্ট হৈ পৰে। সংবাদ মাধ্যম উদ্যোগত নব্য প্ৰযুক্তিৰ ক্ৰমবিকাশে অনলাইন সাংবাদিকতাৰ বিভিন্ন সুবিধা মুকলি কৰি দিছে সঁচা, কিন্তু একে সময়তে নৈতিকতাৰ দিশতো বিভিন্ন প্ৰশ্ন আৰু সন্দেহৰ অৱতাৰণা কৰিছে।

পৰম্পৰাগত সাংবাদিকতাৰ দৰে অনলাইন সাংবাদিকতাতো সাধাৰণতে একেবোৰ নীতিগত বিধি-বিধানেই খাটে। ৰিপ'র্টিং কৰাৰ সময়ত সাংবাদিকসকলে নিম্নোলিখিত নীতিসমূহ পালন কৰিব লাগে -

- তথ্য সংগ্ৰহ, প্ৰতিবেদন প্ৰস্তুত আৰু পৰিৱেশনৰ ক্ষেত্ৰত সাংবাদিকসকল স্বচ্ছ, সৎ আৰু সাহসী হোৱা উচিত।
- তথ্য সংগ্ৰহ কৰোঁতে প্ৰতিটো উৎসৰে নিশ্চয়তা পৰীক্ষা কৰি লোৱা উচিত যাতে অবাঞ্ছনীয় ভুলৰ পৰা আঁতৰি থাকিব পাৰি। ইচ্ছাকৃতভাৱে বিকৃত কৰা

অনলাইন সাংবাদিকতাৰ নী

সংবাদ কেতিয়াও গ্রহণযোগ্য হ'ব নোৱাৰে।

- তথ্যৰ উৎস একোটাক যথাসম্ভৱ চিনি লোৱা আৰু চিনাই দিয়া দৰকাৰ। বিশ্বস্ত উৎসৰ পৰা সঠিক তথ্য জনাৰ অধিকাৰ ৰাইজৰ আছে।
- গোপনীয়তাৰ প্রতিশ্রুতি দিয়াৰ আগেয়ে তথ্য উৎসৰ উদ্দেশ্যৰ বিষয়ে ভালদৰে অৱগত হৈ লোৱাটো প্রয়োজনীয়।
- সংবাদ শিৰোনাম, নিউজ টিজাৰ্চ আৰু প্রচাৰকার্য, ফটো, ভিডিঅ', অডিঅ', গ্রাফিক্স, শব্দ, উক্তি আদিৰ কোনোটোৱেইযাতে ভুল কথা নাইবা বার্তাৰ প্রতিনিধিত্ব নকৰে সেয়া নিশ্চিত কৰা উচিত। অপ্রাসঙ্গিক কথা অথবা বিষয়বস্তু একোটাত আলোকপাত কৰা নাইবা জোৰকৈ গ্রহণযোগ্যতা সৃষ্টিৰ প্রয়াস কৰা অনুচিত।
- বাতৰি একোটাৰ যথার্থতা, ফটো অথবা ভিডিঅ'বোৰক কেতিয়াও বিকৃত কৰা অনুচিত।
- কোনো এক নির্দিষ্ট সাংস্কৃতিক মূল্যবোধক ভালদৰে অধ্যয়ন কৰি লোৱা উচিত আৰু সেই মূল্যবোধ আনৰ ওপৰত জাপি দিয়া নাইবা অন্য কোনোধৰণে প্রয়োগ কৰাৰ পৰা বিৰত থাকিব লাগে।
- জাতি, লিঙ্গ, বয়স, ধর্ম, সাম্প্রদায়িকতা, ভৌগোলিক অৱস্থিতি, যৌন অভিবিন্যাস, অক্ষমতা, শাৰীৰিক অৱয়ব অথবা সামাজিক স্থিতিক লৈ থাকিব পৰা যিকোনো গতানুগতিক তুচ্ছ চিন্তাক সাংবাদিকে নিজৰ মন -মগজুৰ পৰা আঁতৰাই ৰাখিব লাগিব।
- সংবাদ প্রতিবেদন আৰু ওকালতিৰ মাজত প্রভেদ ৰখা উচিত। বিশ্লেষণ আৰু মন্তব্যসমূহ সদায় সত্যৰ পক্ষত হোৱা উচিত আৰু ভ্রান্ত ধাৰণা বিয়পোৱা অনুচিত।
- বাতৰি আৰু বিজ্ঞাপন দুয়োটাৰে মাজত প্রভেদ ৰখা উচিত। দুয়োটাৰ মাজৰ প্রভেদ ৰেখাডাল অস্পষ্ট কৰিব পৰা, দুয়োটাৰে সানমিহলি ঘটাই উপাদান সৃষ্টি কৰাৰ পৰা বিৰত থাকিব লাগে।
- সৰু ল'ৰা-ছোৱালী আৰু পূর্বে অভিজ্ঞতা নথকা বিষয় কিছুমানক লৈ কাম কৰোঁতে বিষয়টোৰ সংবেদনশীলতাৰ প্রতি বিশেষ নজৰ ৰখা উচিত।
- কোনো দুর্যোগ অথবা বিপদত পৰা লোকৰ সাক্ষাৎকাৰ নাইবা ফটো লওঁতে আৰু সেইবোৰ ব্যৱহাৰ কৰোঁতে সংবেদনশীলতা আৰু সাৱধানতা প্রদর্শন কৰা উচিত।

এইবোৰৰ উপৰি অনলাইন সাংবাদিকতাৰ ক্ষেত্রত আৰু কিছুমান নৈতিক সূত্র প্রযোজ্য হয়। যেনে ঃ

- কুম্ভিলক বৃত্তি সম্পূর্ণৰূপে এৰাই চলিব লাগে। কুম্ভিলক বৃত্তি বুলি কওঁতে অইনে লিখা কোনো প্রৱন্ধ অথবা তাৰ অংশ বিশেষ কপি-পেষ্ট কৰা, ফটো,

গ্রাফিক্স, ভিডিঅ' আৰু ৰচনাৰ এক বৃহৎ অংশ কিছুমান নিজৰ লেখনী অথবা ৱেব পে'জত ব্যৱহাৰ কৰাটোক বুজায়।

- সাংবাদিকে যদি কোনো ৱেবছাইটৰ পৰা তথ্য সংগ্রহ কৰে, তেন্তে সেই ৱেবছাইটৰ লিংক তেওঁৰ ৰচনাত উল্লেখ কৰিব লাগে।
- কোনোবাই কৈছে বুলিয়েই যিকোনো কথা এটা সঁচা বুলি মানি লোৱাৰ বিপৰীতে সংবাদ এটা প্রস্তুত কৰোঁতে সেই কথা নাইবা ঘটনাৰ সত্যাসত্য পৰীক্ষা কৰি লোৱা দৰকাৰ।
- সাংবাদিকে কোনো ব্যক্তি এগৰাকীৰ বিষয়ে লিখি প্রচাৰ কৰাৰ আগতে ই-মেইল নাইবা ফোনৰ যোগেদি ব্যক্তিগৰাকীৰ সৈতে যোগাযোগ কৰি তেওঁৰ মন্তব্য জানি লোৱাটো আৱশ্যক। যদি সেই ব্যক্তিগৰাকী অথবা বিষয়বস্তু সন্দর্ভত কিবা ব্লগ অথবা ৱেব লিংক থাকে, তেন্তে সাংবাদিকগৰাকীয়ে সেইবোৰ নিজৰ লেখনীত উল্লেখ কৰা উচিত। তেনে কৰিলে আগ্রহী পঢ়ুৱৈ সকলে লিংকত ক্লিক্ কৰি বিষয়টোৰ সৈতে জড়িত অন্যান্য কথাবোৰ জানিব পাৰিব।
- অনলাইন মাধ্যমত হাস্য-ব্যংগ ৰচনাবোৰ খুবেই জনপ্রিয়। কোনোবাই যদি তেনে ৰচনা আপল'ড কৰে তেন্তে তাত উল্লেখ থকা উচিত যে সেই ৰচনা কেৱল মনোৰঞ্জনৰ বাবেহে, সেয়া হুবহু সত্য নহয়।

গতি বনাম নির্ভুলতা ঃ

সাধাৰণতে অনলাইন সাংবাদিকতাৰ সতে জড়িত কর্মীসকলে গতি আৰু নির্ভুলতাকলৈ এক দোমোজাত পৰিবলগীয়া হয়। অনলাইন সাংবাদিকতাৰ ক্ষেত্রত কামবোৰ ততাতৈয়াকৈ কৰিবলগীয়া হয় বাবেই সাংবাদিকসকলে কেতিয়াবা তথ্য একোটাৰ নির্ভুলতা পৰীক্ষা কৰিবলৈ পাহৰে নাইবা কামটো ৰৈ যায়। ঘটনা এটা ঘটাৰ নিমিষতে তাক বাতৰিৰ ৰূপত প্রচাৰ কৰিবলগীয়া হয় বাবে প্রাথমিক সূত্রৰ পৰাই তথ্যবোৰ সংগ্রহ কৰা হয়। এনে কৰাৰ ফলত তথ্যসমূহত বিসংগতি অথবা নির্ভুলতাৰ অভাৱে দেখা দিব পাৰে।

এনে সাংবাদিকতাৰ ক্ষেত্রত বিজ্ঞাপন প্রচাৰৰ হেঁচা ল'বলগীয়া হোৱাটো এক নীতিগত সমস্যা হিচাপে দেখা দিয়ে। অনলাইন সাংবাদিকতাত হাইপাৰ লিংক অথবা ৱেব লিংক সমূহ যথেষ্ট মূল্যৱান আৰু উপযোগী উপাদান। কিন্তু সেয়াও বহু সময়ত অনিশ্চয়তাৰে পূর্ণ নাইবা কাৰোবাক ৰুষ্ট কৰাৰ সম্ভাৱনা কঢ়িয়াব পাৰে। এনে সম্ভাৱনাক নৈতিকভাৱে (ethically) পৰিচালনা কৰিবলৈ হলে লিংকত থকা ৱেবছাইটটোৰ বিষয়বস্তু আৰু গুণগত মান ভালদৰে বিচাৰ কৰি লোৱা উচিত। ইয়াৰ উপৰি ইন্টাৰনেট ব্যৱহাৰকাৰীজনক এই কথা অৱগত কৰিব লাগে যে লিংকত ক্লিক কৰিলে খোল খোৱা অন্য ৱেবছাইটবোৰ মূল সংবাদ ৱেবছাইটটোৰ অংশ নহয়।

অনলাইন সাংবাদিকতাৰ নী



অগ্রগতি নিৰী ণ

প্রশ্ন নং ৫ অনলাইন সাংবাদিকতাৰ সৈতে জড়িত দুটা নৈতিক দিশৰ বিষয়ে লিখক।

.....

.....

প্রশ্ন নং ৬ অনলাইন সংবাদকর্মীসকল কেনেধৰণৰ দোমোজাৰ সন্মুখীন হ'বলগীয়া হয়?

.....

.....

১৪.৬ অনলাইন সংবাদ মাধ্যমৰ সাংগঠনিক সংৰচনা আৰু সংযোগ

অনলাইন মাধ্যম এটাৰ প্রতিষ্ঠানগত গাঁথনি (organizational structure) ৰ সতে অন্যান্য সংবাদ প্রতিষ্ঠান সমূহৰ বহুখিনি সাদৃশ্য আছে। ছপা অথবা বৈদ্যুতিক, সকলোবোৰ সংবাদ প্রতিষ্ঠানৰে একোটা অনলাইন সেৱা অথবা অনলাইন কর্মক্ষেত্র থাকে। গতিকে প্রতিষ্ঠানৰ প্রয়োজন অনুসৰি সংবাদ মাধ্যমবোৰে দুই এটা অতিৰিক্ত বিভাগ সৃষ্টি কৰিবলগীয়া হ'ব পাৰে।

এটা সম্পূর্ণৰূপে উন্নত সংবাদ প্রতিষ্ঠানত আমি সাধাৰণতে তলত উল্লেখ কৰা বিভাগবোৰ দেখিবলৈ পাওঁ -

- বিজ্ঞাপন বিভাগ ঃ

সকলো ধৰণৰ সংবাদ প্রতিষ্ঠানৰ বাবে বিজ্ঞাপনেই হৈছে উপার্জনৰ মূল পথ। পঢুৱৈ আৰু শ্রোতা-দর্শকৰ সংখ্যাই ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমৰ জৰিয়তে প্রচাৰ চলোৱা বিজ্ঞাপনত প্রভাৱ পেলায়। অনলাইন বিজ্ঞাপনৰ দ্বাৰা সামগ্রী বিক্রীৰ বেলিকা প্রযুক্তিগতভাৱে কুশলী গোট একোটাৰ সহযোগিতা তথা সমন্বয়ৰ প্রয়োজন আহি পৰে। তেওঁলোকে পাঠক-দর্শকৰ নির্দিষ্ট গোটবোৰ নিৰূপণ কৰে আৰু বাতৰিকাকতৰ ৰেব মেট্রিক্স অর্থাৎ, কিমানে অনলাইন পে'জটো চালে, ক'ত কেতিয়া ক্লিক কৰিলে ইত্যাদিবোৰ তথ্য সংগ্রহ কৰে।

এই বিভাগৰ অধীনত বিভিন্ন পদবী থাকে। যেনে ঃ বিজ্ঞাপন বিক্রী কার্যনির্বাহক (advertising sales executive), বিজ্ঞাপন হিচাব প্রতিনিধি (advertising account representative) আৰু বিজ্ঞাপন / বিপণন পৰিচালক (advertising/ marketing manager) আদি।

- এচাইন্মেন্ট ডেস্ক (Assignment Desk)

একোটা সংবাদ প্রতিষ্ঠানলৈ সংবাদদাতাসকলে বেলেগ বেলেগ ঠাইৰ পৰা বিভিন্ন

সংবাদ প্রেৰণ কৰে। প্রতিষ্ঠানটোলৈ অহা সকলো সংবাদ এচাইন্‌মেন্ট ডেস্কে নিৰীক্ষণ কৰে। গুৰুত্ব আৰু সময়ৰ সংবেদনশীলতাৰ প্রতি লক্ষ্য ৰাখি খবৰবোৰ এচাইন্‌মেন্ট ডেস্কে নিউজ ৰুমলৈ পঠিয়ায়। ইয়াৰ উপৰি, এচাইন্‌মেন্ট ডেস্কে কেতিয়াবা মুখ্য বাতৰি তথা ব্রেকিং নিউজৰ ক্ষেত্রতো খৰতকীয়া সিদ্ধান্ত ল'বলগীয়া হয়। বিভিন্ন দায়িত্বত থকা প্রতিষ্ঠানটোৰ সংবাদকর্মীৰ গোটবোৰকো এচাইনমেন্ট ডেস্কে পৰিচালনা কৰে। এই ডেস্কৰ অধীনতো বিভিন্ন পদবী থাকে। যেনেঃ এচাইনমেন্ট ডেস্ক সম্পাদক (assignment desk editor), প্রযোজক (producer) অথবা এচাইনমেন্ট সম্পাদক (assignment editor)।

- সম্পাদনা বিভাগ (Editorial)

এখন বাতৰি কাকত অথবা এটা বৈদ্যুতিক সংবাদ প্রতিষ্ঠান এটাৰ দৃষ্টিকোণৰ ব্যৱহাৰিক প্রতিফলন ঘটায় ইয়াৰ সম্পাদনা বিভাগে। সম্পাদনা গোটটোত বৃত্তিজীৱী লেখক কিছুমান থাকে যিসকলে নিজৰ দখল অনুসৰি বিভিন্ন বিষয়ৰ লেখনী প্রস্তুত কৰে। কোনবোৰ খবৰ অথবা ঘটনাক অনুসৰণ কৰিব লাগে সেই সিদ্ধান্ত লোৱাৰ উপৰি তথ্যৰ সত্যাসত্য নিৰূপণ কৰা, হেডলাইন নির্দ্ধাৰণ কৰা আৰু একোটা বাতৰি নাইবা প্রৱন্ধ সম্পাদনাৰ কামো সম্পাদনা বিভাগে কৰে। আজিকালি বাতৰি একোটা প্রস্তুত আৰু পৰিৱেশনৰ বেলিকা গুণগত মান অক্ষুণ্ণ ৰাখিবলৈ প্রায় প্রতিটো বিভাগতে সম্পাদকীয় অথবা সম্পাদনা বিভাগৰ কর্মী নিয়োজিত হৈ থাকে। মুখ্যতঃ সম্পাদনা বিভাগটোত এগৰাকী মুখ্য সম্পাদক, এক অথবা একাধিক সহযোগী সম্পাদক আৰু সম্পাদক থাকে। বাতৰি কাকত নাইবা সংবাদ ছেনেলৰ বাতৰিত প্রচাৰ হ'বলগীয়া সংবাদ-তথ্য সমূহ পৰীক্ষা কৰিবলৈ একোগৰাকী কপি সম্পাদক (copy editor) থাকে।

- সংবাদ প্রতিবেদন প্রেৰণ (Reporting)

যিকোনো সংবাদ প্রতিষ্ঠানৰে সংবাদ প্রতিবেদন প্রেৰণ আৰু গ্রহণ হৈছে এক প্রাথমিক কাম। ঘটনা অথবা খবৰ এটাৰ তথ্য সংগ্রহ আৰু প্রতিবেদন প্রস্তুত কৰি বাতৰি একোটাক সকলোৰে সমুখলৈ লৈ অহা হয়। সংবাদ প্রতিবেদন প্রস্তুতকৰণে লগতে খবৰৰ উৎসৰ সতে সুসম্পর্ক বর্তাই ৰখা, শ্রোতা-দর্শক-পাঠকৰ প্রতি লক্ষ্য ৰাখি সংবাদ লিখি উলিওৱা আৰু তাক নির্দ্ধাৰিত সময়ৰ (deadline) আগতেই সম্পাদনা বিভাগলৈ পঠিওৱা আদি কামবোৰো সামৰি লয়। সংবাদ প্রতিবেদন প্রস্তুত কৰাৰ দায়িত্ব পালন কৰা সংবাদকর্মী সকলক বাতৰি সাংবাদিক (news journalist), মাল্টি মিডিয়া সাংবাদিক (multi-media journalist), মুখ্য প্রতিবেদক (chief correspondent),সংবাদদাতা, প্রতিবেদক আদি বিভিন্ন নামেৰে জনা যায়।

- গ্রাফিক্স বিভাগ (Graphics)

অনলাইন সাংবাদিকতাৰ নী

এটা বাতৰি অধিক মনোগ্রাহী আৰু তথ্যসমৃদ্ধ কৰিবৰ বাবে সংবাদ প্রতিষ্ঠান সমূহত একোজনকৈ গ্রাফিক ডিজাইনাৰ থাকে। ছপা, বৈদ্যুতিক অথৱা অনলাইন মাধ্যম সকলোতে বেলেগ বেলেগ ধৰণে গ্রাফিক্সৰ ব্যৱহাৰ হয়। তথ্যসমৃদ্ধ গ্রাফিক এটাত বিভিন্ন ধৰণৰ তালিকা, মানচিত্র, ফটো আৰু দৃশ্য-শ্রাব্য তথ্য থাকিব পাৰে। গ্রাফিক্স বিভাগত গ্রাফিক্স ডিজাইনাৰ, গ্রাফিক্স সম্পাদক, ডেটা বিজ্ঞানী আৰু ডাটা বিশ্লেষক আদি পদবী থাকে।

- বাতৰি প্রযোজনা (News Production)

বাতৰি একোটাক কোনোধৰণৰ ব্যাঘাত অবিহনে সুন্দৰকৈ দর্শকৰ সমুখত তুলি ধৰিবৰ বাবে বৈদ্যুতিক সংবাদ মাধ্যম সমূহত বাতৰি প্রযোজনা দল নাইবা বিভাগ একোটা থাকে। এটা সফল সম্প্রচাৰৰ আঁৰত কেইবাটাও স্তৰৰ সমসাময়িক সহযোগিতা (real time co-ordination) থাকে। সম্প্রচাৰৰ বাবে অনুষ্ঠানটো থিৰাং কৰাৰ পাচত বিজ্ঞাপন বিভাগে বিজ্ঞাপনৰ বাবে আৱশ্যক হোৱা সময়ৰ বিষয়ে অৱগত কৰিব লাগে। সেই অনুসৰি ভিডিঅ' সম্পাদনাৰ দলে অনুষ্ঠানটো সম্পাদনা কৰি উলিয়াব লাগে। শব্দ আৰু কেমেৰাৰ দায়িত্বত থকা লোকৰ সতে সহযোগিতা ৰক্ষা কৰি আঁত ধৰোঁতা অর্থাৎ এংকৰগৰাকী সাজু হ'ব লাগে। বাতৰি প্রযোজনাৰ সতে সংবাদদাতা, সম্প্রচাৰ কুশলী (Broadcast technician), সৃজনাত্মক নির্দেশক, সম্পাদনা সহযোগী (production assistant) আৰু ভিডিঅ' প্রযোজক আদিবোৰ জড়িত হৈ থাকে।

- ৱেব কন্টেন্ট (Web Content)

অন্যান্য মাধ্যমসমূহতকৈ ৱেবছাইটৰ বাবে লিখা বিষয় বস্তু (content) বোৰ কিছু পৃথক হয়। যিকোনো ৱেবছাইটতে একোটা বিষয়ক লিখিত, দৃশ্য অথৱা শ্রাব্য যিকোনো ধৰণে পঢ়িব, চাব নাইবা শুনিব পাৰি। অন্যান্য মাধ্যমতকৈ ৱেবছাইটৰ জৰিয়তে মানুহে একোটা অভিজ্ঞতা ব্যাপক আৰু বিচিত্র ধৰণে লাভ কৰিব পাৰে। কোনো এক বিষয়বস্তুৰ বিষয়ে অধিক জানিবলৈ একোটা ৱেবছাইটত অন্য ৱেবছাইটৰ লিংকো দিয়া হয়। ম'বাইল নেটৱর্কৰ বহুল প্রচলনে ইমানেই সুবিধা আগবঢ়াইছে যে একোগৰাকী সংবাদকর্মীয়ে আজিকালি তৎক্ষণাত একোটা লেখনী অথৱা দৃশ্য-শ্রাব্য সংবাদ যিকোনো সময়তে ৱেবছাইটত মুকলি কৰি দিব পাৰে। ডিজিটেল মাধ্যমৰ সৈতে জড়িত সংবাদকর্মীসকলৰ শেহতীয়া প্রযুক্তিৰ বিষয়ে জ্ঞান থকাৰ লগতে তেওঁলোকে সেইবোৰ ব্যৱহাৰ কৰিবলৈও জনা আৱশ্যক। তেতিয়া তৎক্ষণাত তেওঁলোকে কোনো সংবাদ নাইবা তথ্য ৱেবছাইটত মুকলি কৰি দিব পাৰে। খৰখেদাকৈ কাম কৰিবলগীয়া হ'লেও সংবাদকর্মীসকলেসংবাদ নীতিসমূহৰ যাতে উলংঘন নহয় তালৈ লক্ষ্য ৰাখিব লাগে।

- অনলাইন সম্প্রদায়ৰ উন্নয়ন (Online Community Develop-

ment)

ৱেব ২.০ প্রযুক্তিয়ে সর্বত্র ইমানেই সুবিধা আগবঢ়াইছে যে ইন্টাৰনেট ব্যৱহাৰকাৰী সকলে তৎক্ষণাত যিকোনো সময়ত আৰু যিকোনো পৰিৱেশতে কোনো এক বিষয়ত মন্তব্য (feedback) প্রদান কৰিব পাৰে। পঢ়ুৱৈসকলে 'comments' শিতানত কোনো এক বিষয়ত নিজৰ মতামত, আলোচনা অথবা অন্যান্য তথ্য আগবঢ়াব পাৰে। এই সুবিধাৰ ফলস্বৰূপে কোনো এক সংবাদ প্রতিষ্ঠান অথবা ৱেবছাইটৰ অধিকাংশ বিষয়তে চিন্তাৰ মিল থকাসকলৰ মাজত একোটা গোটৰ সৃষ্টি হয় । ইয়াক ইংৰাজীত online community বুলি কোৱা হয়। সংবাদ প্রতিষ্ঠান এটাই সাধাৰণ পাঠক-দর্শকখিনিৰ দৰেই অনলাইন সম্প্রদায়বোৰকো গুৰুত্ব প্রদান কৰে। ইয়াত একোগৰাকী মধ্যস্থতাকাৰী (community moderator) থাকে। তেওঁ ৱেবছাইট অথবা অনলাইন মাধ্যমলৈ অহা মন্তব্যবোৰ পৰীক্ষা কৰে। নীতি ভংগ কৰিব পৰা অথবা বেয়া মন্তব্যবোৰ আঁতৰোৱাৰ কামটোও মধ্যস্থতাকাৰীগৰাকীয়েই সমাধা কৰে।

ইতিমধ্যে আমি এটা সংবাদ প্রতিষ্ঠানত থকা বিভিন্ন বিভাগবোৰৰ বিষয়ে আলোচনা কৰিলোঁ। এটা সংবাদ প্রতিষ্ঠান ছপা, বৈদ্যুতিক নে অনলাইন তাৰ ওপৰত বিভাগৰ ভিন্নতা নির্ভৰ কৰে। লগতে প্রয়োজন অনুসৰি প্রতিষ্ঠানবোৰে বিভাগ কম নাইবা বেছিকৈ সৃষ্টি কৰি ল'ব পাৰে।



অগ্রগতি নিৰী ণ

প্রশ্ন নং ৭ একোটা সংবাদ প্রতিষ্ঠানৰ বাবে অনলাইন সম্প্রদায় সমূহ কিয় গুৰুত্বপূর্ণ?

.....

.....

প্রশ্ন নং ৮ আন্তঃক্রিয়াশীল ৱেবছাইট বুলিলে কি বুজে?

.....

.....

১৪.৭ সংযোগ মাধ্যমৰ সমধর্মিতাৰ সামাজিক সমস্যা

একবিংশ শতিকাত সংবাদ/ প্রচাৰ মাধ্যম সমধর্মিতা (media convergence)ই এনে এক পৰিঘটনাৰ ৰূপত দেখা দিছে যিটোৱে সংবাদ/ প্রচাৰ মাধ্যম একোটাৰ ব্যৱহাৰৰ ক্ষেত্রত ব্যাপক প্রভাৱ বিস্তাৰ কৰে। 'Convergence' বুলি কওঁতে আমি সাধাৰণতে প্রযুক্তি, সংবাদ/প্রচাৰ মাধ্যম আৰু তথ্যৰ

অনলাইন সাংবাদিকতাৰ নী

একত্রীকৰণ নাইবা সমধর্মিতাৰ কথা বুজোঁ। ই ইন্টাৰনেট আৰু ব্রডবেণ্ড অনাতাঁৰ আহিলাবোৰৰ জৰিয়তে মাধ্যমবোৰক নিয়ন্ত্রণ কৰাৰ সুবিধা অকল উৎসতে নহয় গ্রাহক (Receiver) ৰ হাততো তুলি দিছে।

তথ্য আৰু সংযোগ প্রযুক্তি, কম্পিউটাৰ নেটৱ'র্ক আৰু তথ্য সংবাদ মাধ্যমত প্রকাশিত বিষয়বস্তুৰ এক আন্তঃসম্পর্ক্কে সংবাদ মাধ্যমৰ সমধর্মিতা বুলি ক'ব পাৰোঁ। ই তিনিটা C ক একত্র কৰে। সেয়া হৈছে Computing, Communication আৰু Content। ৯০ৰ দশকত ৰেডিঅ', টেলিভিছন, মোবাইল ফোন আৰু কম্পিউটাৰ-এই আটাইবোৰে একোটা নির্দিষ্ট কাম সুকীয়া সুকীয়াকৈ সম্পাদন কৰিছিল। এতিয়া সমধর্মিতাই এই আটাইবোৰক এটা মাত্র সঁজুলিতে একত্র কৰিছে। প্রযুক্তিৰ দ্রুত উন্নতিয়ে টেলিভিছন, ইন্টাৰনেট আৰু মোবাইল যোগাযোগৰ দ্বাৰা তথ্য সৰবৰাহ কৰাৰ ব্যৱস্থাটো শক্তিশালী কৰি তুলিছে সমধর্মিতাৰ জৰিয়তে। ইয়াৰ ফলত বহুতো বিকল্প সংবাদ মাধ্যম আহি পৰিছে শ্রোতা-দর্শক-পাঠকৰ সন্মুখত। একেটা মুদ্রাৰ ইপিঠি-সিপিঠিৰ দৰে ইয়াৰ অৱশ্যে সুবিধাৰ সৈতে কিছুমান অসুবিধাও আছে।

সমধর্মিতাই কম খৰছতে প্রকাশোপযোগী বিষয়বস্তু এটা তৈয়াৰ কৰা আৰু তাক বিতৰণ কৰাৰ ক্ষেত্রত সংবাদ /প্রচাৰ মাধ্যম উদ্যোগটোক যথেষ্ট সুবিধা কৰি দিছে। এতিয়া একেখিনি মানুহেই টেলিভিছন, ছপা নাইবা ইন্টাৰনেট মাধ্যমৰ বাবে কাম কৰিব পাৰে। প্রত্যেকটো মাধ্যমৰ সমলসমূহৰ সংমিশ্রণৰ ফলত সৃষ্ট বিষয়বস্তুই শ্রোতা-দর্শক-পাঠকক অধিক সন্তুষ্টি প্রদান কৰে। সংবাদ মাধ্যমৰ সমধর্মিতাই শ্রোতা-দর্শকক অধিক সুন্দৰ আৰু বৰণীয়া অভিজ্ঞতা প্রদান কৰে।

সমধর্মিতাই একোটা সংবাদ প্রস্তুত কৰাৰ সুবিধা সাধাৰণজনৰ হাততো তুলি দিছে। কি চোৱা হ'ল, পঢ়া নাইবা শুনা হ'ল আৰু হ'ব সেই বিষয়ে সিদ্ধান্ত লোৱাৰ ক্ষমতাও সমধর্মিতাই সাধাৰণ শ্রোতা-দর্শক- পাঠকৰ হাতত তুলি দিছে। আজিকালি সামান্য জ্ঞানৰ সহায়তেই মানুহে মবাইল ফোনৰ জৰিয়তে দৃশ্য-শ্রাব্য বিষয়বস্তু প্রস্তুত কৰি তাক ফেইচবুক, ইউটিউব নাইবা তেনেধৰণৰ অন্য ছেনেল অথবা ৱেবছাইটত আপলোড কৰিব পাৰে। এনে বিষয়বস্তু অসংখ্য লোকে প্রত্যক্ষ কৰিব পাৰে নিজৰ ফোনত। আন্তঃক্রিয়াশীল ৱেবছাইটবোৰৰ জৰিয়তে মানুহে ফটো অথবা দৃশ্য-শ্রাব্য সামগ্রীবোৰ ডাউনলোড কৰিব পাৰে আৰু তাক চ'চিয়েল নেটৱ'র্কিং চাইটবোৰত ভাগ-বাটোৰাৰা কৰিব পাৰে। প্রযুক্তিৰ এই সমধর্মী বৈশিষ্ট্যই সকলোৰে জীৱনত কম্পিউটাৰ তথা যোগাযোগ প্রযুক্তিক খুব সৰল ৰূপত সংলগ্ন কৰিছে। যাৰ বাবে আমি সকলোৱে নিমিষতে ইন্টাৰনেট ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছোঁ আৰু দৈনন্দিন জীৱনৰ বহু কাম আমাৰ বাবে হৈ পৰিছে সৰলতৰ।

সংবাদ মাধ্যমৰ সমধর্মিতাই অৱশ্যে কিছুমান অসুবিধাৰো সৃষ্টি কৰিব পাৰে। সহজতে পোৱা বিপুল তথ্য সম্ভাৰ আৰু তাৰ দ্রুত প্রৱাহে দর্শক-শ্রোতাক ব্যতিব্যস্ত কৰিব

পাৰে। যিসকলে শেহতীয়া সংযোগ প্ৰযুক্তিবোৰৰ ব্যৱহাৰ ভালদৰে নাজানে তেওঁলোক আচলতে পোনপটীয়াকৈ ইয়াৰ দ্বাৰা লাভান্বিত হৈছে বুলি ক'ব নোৱাৰি। সমধৰ্মিতাৰ ফলত মানুহ চ'চিয়েল মিডিয়া ব্যৱহাৰৰ প্ৰতি আসক্ত হৈ পৰিব পাৰে। ইয়াৰ ফলত অসুস্থ জীৱনশৈলী একোটাই মানুহৰ অপকাৰ কৰিব পাৰে। ই মানুহৰ পাৰস্পৰিক সংযোগ কমাই আনে। আনকি ব্যক্তিগত সম্পৰ্কবোৰো ইয়াৰ প্ৰভাৱত ঠুনুকা হৈ পৰিব পাৰে।

সংবাদ মাধ্যম সমধৰ্মিতাই বিষয়বস্তু প্ৰযোজক আৰু বিষয়বস্তু স্ৰষ্টাৰ মাজত কিছুমান তাৎপৰ্যপূৰ্ণ পাৰ্থক্যৰ সৃষ্টি কৰিছে।



অগ্ৰগতি নিৰী ণ

প্ৰশ্ন নং ৯ সংবাদ মাধ্যম সমধৰ্মিতা বুলিলে আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ১০ সংবাদ মাধ্যম সমধৰ্মিতাৰ নেতিবাচক প্ৰভাৱবোৰ কি কি?

.....

.....

১৪.৮ বিশ্বজনীন সংযোগ

বৰ্তমান সংযোগ হ'ল এটা বিশ্বজনীন পৰিঘটনা। বিশ্বজনীন সংযোগ (Global Communication) বুলি এনে এক সংযোগৰ কথা বুজোৱা হয় যিটোৱে ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি সকলো শাখাৰ ৰাষ্ট্ৰীয় সীমাসমূহ নেওচি যায়। বিশ্বজনীন সংযোগ চেটেলাইট আৰু ইন্টাৰনেটৰ মাধ্যমত স্থাপন কৰা হয়। সেয়েহে ই কোনো আন্তঃৰাজ্যিক অথবা আন্তঃৰাষ্ট্ৰীয় সীমাৰ বাধা নামানে আৰু সকলো ৰাষ্ট্ৰৰ লোককে সাঙুৰি লয়। ইয়াৰ মানে হৈছে বিশ্বজনীন বাতৰি আৰু মনোৰঞ্জনৰ মাধ্যমেৰে জ্ঞান, তথ্য, ধাৰণা, যুক্তি, মতামত, সাংস্কৃতিক প্ৰমূল্য আদিৰ আদান-প্ৰদান। যেতিয়া আমি বিদেশৰ কোনো এটা বাতৰি অথবা অন্য কিবা ছেনেল চাও নাইবা শুনোঁ, তেতিয়া সেই বাতৰি অথবা ছেনেলটোৰ জৰিয়তে সেই বিশেষদেশখনৰ দৃষ্টিভঙ্গীৰ সৈতে চিনাকী হোৱাৰ চেষ্টা কৰোঁ। একেদৰে, মনোৰঞ্জনধৰ্মী ছেনেল এটা চাওঁতেও নিৰ্দিষ্ট দেশ এখনৰ সাংস্কৃতিক প্ৰমূল্যই আমাক প্ৰভাৱিত কৰিব পাৰে। ই হৈছে বিশ্বজনীন সংযোগৰ এক ক্ষমতা। ৰাজনৈতিক দৃষ্টিকোণৰ পৰা চাবলৈ গলে বিশ্বজনীন সংযোগে দেশবোৰৰ পৰম্পৰাগত সীমা

আৰু সার্বভৌমত্বৰ ধাৰণা লাহে লাহে সংকুচিত কৰিছে।

আন্তঃৰাষ্ট্রীয় সংযোগ ক্ষেত্রখনলৈ কুৰি শতিকাই বহুতো তাৎপর্যপূর্ণ পৰিৱর্ত্তন কঢ়িয়াই আনিছে। এনে সংযোগ সাধাৰণতে ৰাজ্য আৰু বিভিন্ন দেশৰ মাজত স্থাপন হয়। ই একোখন দেশৰ সার্বভৌমত্ব, ৰাষ্ট্রীয় তথ্যৰ নিয়ন্ত্রণ আৰু চৰকাৰৰ প্রভূত্বৰ বার্তা বহন কৰে।

ক্রমে বৃদ্ধি পোৱা বিশ্বজনীন সংযোগৰ গুৰুত্বক তলত দিয়া উপাদানবোৰে প্রভাৱিত কৰিছে ঃ

(ক) বিশ্বত হোৱা জনসংখ্যা বিস্ফোৰণ

(খ) ক্রমে বাঢ়ি অহা আন্তঃসাংস্কৃতিক সংযোগ

(গ) সম্প্রদায় সন্দর্ভত পৰিৱর্তিত ধাৰণা

(ঘ) নিয়ন্ত্রণৰ বৃহত্তৰ কেন্দ্রীভূতকৰণ

(ঙ) তথ্য বিস্ফোৰণ

(চ) পৰিৱর্তিত প্রযুক্তি

(ছ) ব্যাপক পৰস্পৰ নির্ভৰশীলতা আৰু গণতন্ত্র

(জ) যুদ্ধ আৰু শান্তিত সংযোগৰ প্রভাৱ

বিশ্বজনীন সংযোগৰ বিভিন্ন মাত্রা বর্ণাবলৈ বিভিন্ন তত্ত্ব আৰু ধাৰণাৰ গঢ় দিয়া হৈছে। তাৰ ভিতৰত কেইটামান হৈছে বহু সাংস্কৃতিক ৰাজনৈতিক অর্থব্যৱস্থা, গোলকীকৰণ তত্ত্ব, বিশ্ব ব্যৱস্থা তত্ত্ব আৰু আধুনিকতাৰ তত্ত্ব। ইন্টাৰনেট আৰু ৱর্ল্ড ৱাইড ৱেব (www)ৰ জৰিয়তে বিশ্বজনীন সংযোগে অনলাইন সম্প্রদায় কিছুমানৰ সৃষ্টি কৰিছে যিয়ে সর্বসাধাৰণৰ কণ্ঠক বিশ্ব সম্প্রদায়ৰ আগত উপস্থাপন কৰে। ইয়াক প্রায়ে কণ্ঠহীনজনক কণ্ঠ দিয়া (voice to the voiceless) ৰ ব্যৱস্থা বুলি কোৱা হয়। এই বিশ্বজনীন সংযোগে পৰস্পৰাগত প্রভূত্ববাদী ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক ব্যৱস্থাবোৰৰ সমুখত প্রত্যাহ্বান থিয় কৰিছে। কিছুমান সংবাদ মাধ্যম সংস্থাই বিশ্বজুৰি ব্যাপক প্রভাৱ পেলাবলৈ সক্ষম হৈছে। এইবোৰৰ ভিতৰত চি এন্ এন্, বিবিচি, ষ্টাৰ টিভি, দ্য ভয়চ অৱ আমেৰিকা, ৰেডিঅ' মস্কো আৰু ৰেডিঅ' বেইজিং আদি অন্যতম।

সংবাদ মাধ্যমে একোটা মতক প্রতিষ্ঠা অথবা ধ্বংস কৰিব পাৰে । আমি জানো যে কর্মসূচী স্থাপন তত্ত্ব (Agenda setting theory) অনুসৰি এনে কৰাটো সম্ভৱ। উদাহৰণস্বৰূপে ভিয়েটনাম যুদ্ধৰ কথা ক'ব পাৰি। সেই সময়ত সংবাদ মাধ্যমে আমেৰিকা যুক্তৰাষ্ট্রৰ নীতিক সমর্থন কৰিছিল আৰু সাধাৰণ মানুহেও বিষয়টোত সহমত পোষণ কৰিছিল। পাচলৈ লাহে লাহে যুদ্ধৰ বিভীষিকাময় ছবিখন আৰু যুদ্ধৰ অত্যাচাৰ বাঢ়ি অহাৰ লগে লগে সংবাদ মাধ্যমে চৰকাৰী নীতিৰ বিৰুদ্ধে মাত মাতিবলৈ ধৰিলে। ইয়াৰ ফলত এক জনজাগৰণৰ সৃষ্টি হ'ল আৰু চৰকাৰৰ বিপক্ষে

বিৰাট সমদল ওলাল। একেদৰে উপসাগৰীয় যুদ্ধৰ সময়তো আমি প্ৰত্যক্ষ কৰিছিলো কিদৰে সেই সময়ৰ টেলিভিছন ছেনেলবোৰে ব্যাপক জনমতৰ সৃষ্টি কৰিছিল। সকলো ধৰণৰ সীমা নেওচি মানুহক প্ৰভাৱিত কৰিব পাৰে বিশ্বজনীন সংযোগে। বিশ্বজনীন সংযোগ প্ৰযুক্তিত ইণ্টাৰনেটৰ উত্থানে কেৱল মানুহৰ ব্যৱহাৰ আৰু দৃষ্টিভঙ্গীলৈকে পৰিৱৰ্তন অনা নাই, ই আন্তঃৰাষ্ট্ৰীয় নীতিসমূহতো পৰিৱৰ্তনকামী প্ৰভাৱ পেলাইছে। অৱশ্যে ইয়াকো কোৱা হয় যে পশ্চিমীয়াকৰণৰ দ্বাৰা ঘটা সাংস্কৃতিক পৰিৱৰ্তনে খিলঞ্জীয়া সম্প্ৰদায়বোৰলৈ ভাবুকি কঢ়িয়াই আনিছে। এয়া হ'বলৈ পাইছে বিশ্বজনীন সংযোগৰ বাবেই।



অগ্ৰগতি নিৰী ণ ঃ

প্ৰশ্ন ১১ বিশ্বজনীন সংযোগ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন ১২ বিশ্বজনীন সংযোগৰ পাৰ্শ্ব প্ৰতিক্ৰিয়াবোৰ কেনেধৰণৰ?

.....

.....



১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অনলাইন সাংবাদিকতাৰ ক্ষেত্ৰত চাইবাৰস্পেচত গোপনীয়তাৰ প্ৰসংগটো সঘনে উত্থাপিত হৈ থাকে। যদিও সাধাৰণ দৃষ্টিত ই সৰ্বজনগ্ৰাহ্য যে প্ৰতিগৰাকী ব্যক্তিৰেই গোপনীয়তাৰ অধিকাৰ আছে; তথাপি এই অধিকাৰ বিভিন্ন পৰিস্থিতিত ভংগ হ'ব পাৰে।
- গোপনীয়তাৰ ধাৰণাটো মানুহ, সংস্কৃতি আৰু দেশভেদে বেলেগ বেলেগ হ'ব পাৰে। গোপনীয়তাক বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি। যেনে ঃ ব্যক্তিগত, তথ্যগত, প্ৰতিষ্ঠানগত, আধ্যাত্মিক আৰু বৌদ্ধিক গোপনীয়তা।
- অনলাইন মাধ্যমত গোপনীয়তাৰ উলংঘন ঘটাৰ যথেষ্ট সম্ভাৱনা আছে। কিয়নো সামাজিক মাধ্যম (Social Media) সমূহৰ জৰিয়তে আজিকালি যিকোনো ব্যক্তিয়েই সংবাদ পৰিৱেশক, বিষয়বস্তু (content) প্ৰস্তুত কৰোঁতা তথা কথক (Story teller) ৰ ভূমিকা ল'ব পাৰে। মাউচৰ এটা মাত্ৰ ক্লিকৰ যোগেদিয়েই যিকোনো তথ্য আজিৰ তাৰিখত ৰাজহুৱা কৰিব

পাৰি।

- এটা ধাৰাবাহিক ব্যৱস্থা হিচাপে সাংবাদিকতাই নৱ প্ৰযুক্তিৰ সহায়ত যথেষ্ট বিকাশ লাভ কৰিছে।
- বৰ্তমান সময়ত সাংবাদিকতাৰ ক্ষেত্ৰখনত কাৰ্যতঃ ৱেব প্ৰযুক্তিৰ ব্যৱহাৰ হ'ব ধৰিছে। বাতৰি একোটাৰ প্ৰস্তুতি আৰু পৰিৱেশনৰ ক্ষেত্ৰত ৱেব প্ৰযুক্তিয়ে প্ৰভূত সুবিধা আগবঢ়ায়।
- সংবাদকৰ্মী এগৰাকীয়ে কাম এটা সম্পাদন কৰাৰ নিৰ্দ্ধাৰিত সময় (dead-line) মানি চলিব লাগে। এই ক্ষেত্ৰত অনলাইন মাধ্যম হিচাপে ই-মেইল অথবা অন্যান্য ব্যৱস্থাবোৰে দ্ৰুত আৰু উন্নত যোগাযোগ ব্যৱস্থাৰ সুবিধা আগবঢ়ায়।
- ৱেবছাইটবোৰ ৱেব ২.০ প্ৰযুক্তিৰ আধাৰত বিকশাই তোলা হয় (যেনে ঃ ফেইচবুক, ব্লগ আদি)। ফলত সেইবোৰত সকলোৱে অংশ ল'ব পৰা হৈছে। আজিকালি মানুহে ইন্টাৰনেটত যিকোনো সংবাদ বিষয়ক আলোচনাত ভাগ ল'ব পাৰে আৰু লগে লগে মন্তব্যও প্ৰদান কৰিব পাৰে।
- সংবাদকৰ্মীসকলে 'হেশ্ব্ টেগ্' (#) ব্যৱহাৰ কৰি নিজৰ অথবা অন্যান্য সংবাদবোৰ অনুসৰণ কৰিব পাৰে আৰু পঢ়ুৱৈ অথবা শ্ৰোতা- দৰ্শকৰ সঁহাৰিৰ বিষয়ে জানিব পাৰে। হেশ্ব্ টেগৰ ব্যৱহাৰেৰে সাংবাদিকে ইন্টাৰনেটৰ কোনো এটা তথ্য অথবা কাহিনী অনুসৰণ কৰা, বিভিন্ন উৎসৰ পৰা একোটা নিৰ্দিষ্ট সংবাদ সন্দৰ্ভত তথ্য সংগ্ৰহ কৰা আৰু দৰ্শক, পঢ়ুৱৈ তথা শ্ৰোতাৰ সঁহাৰিৰ হিচাপ ৰখা আদি কামবোৰ সহজতে কৰিব পাৰে।
- ডিজিটেল সাংবাদিকতাৰ বিশ্বাসযোগ্যতাৰ ক্ষেত্ৰত কিছু অসুবিধাও নথকা নহয়। ডিজিটেল মাধ্যমেৰে ইন্টাৰনেটত যিকোনো লোকেই যিকোনো বিষয়বস্তুৰ তথ্য প্ৰস্তুত কৰি আপলোড কৰিব পাৰে। এনে তথ্যৰ বিশ্বাসযোগ্যতা সন্দেহাতীত নহয়। কিছুমানে কেতিয়াবা উদ্দেশ্য প্ৰণোদিতভাৱে মিছা কাহিনী একোটাক সঁচা বুলি ইন্টাৰনেটত প্ৰচাৰ কৰে আৰু এনে কাহিনী বনজুইৰ দৰে ফেইচবুক তথা অন্যান্য সামাজিক মাধ্যমসমূহত বিয়পি পৰে। যাৰ বাবে কেতিয়াবা যুক্তি আৰু মিথ্যাৰ মাজৰ প্ৰভেদ অস্পষ্ট হৈ পৰে।
- পৰম্পৰাগত সাংবাদিকতাৰ দৰে অনলাইন সাংবাদিকতাতো সাধাৰণতে একেবোৰ নীতিগত বিধি-বিধানেই খাটে।
- অনলাইন সাংবাদিকতাত কুম্ভিলক বৃত্তি সম্পূৰ্ণৰূপে এৰাই চলিব লাগে। কুম্ভিলক বৃত্তি বুলি কওঁতে অইনে লিখা কোনো প্ৰৱন্ধ অথবা তাৰ অংশ বিশেষ কপি-পেষ্ট কৰা, ফটো, গ্ৰাফিক্স, ভিডিঅ' আৰু ৰচনাৰ এক বৃহৎ

অংশ নিজৰ লেখনী অথবা ৱেব পে'জত ব্যৱহাৰ কৰাটোক বুজায়।

- অনলাইন মাধ্যমত হাস্য-ব্যংগ ৰচনাবোৰ খুবেই জনপ্রিয়। কোনোবাই যদি তেনে ৰচনা আপল'ড কৰে তেন্তে তাত উল্লেখ থকা উচিত যে সেই ৰচনা কেৱল মনোৰঞ্জনৰ বাবেহে, সেয়া হুবহু সত্য নহয়।
- অনলাইন সাংবাদিকতাৰ ক্ষেত্রত কামবোৰ ততাতৈয়াকৈ কৰিবলগীয়া হয় বাবেই সাংবাদিকসকলে কেতিয়াবা তথ্য একোটাৰ নির্ভুলতা পৰীক্ষা কৰিবলৈ পাহৰে নাইবা কামটো ৰৈ যায়।
- অনলাইন সাংবাদিকতাত হাইপাৰ লিংক অথবা ৱেব লিংক সমূহ যথেষ্ট মূল্যৱান আৰু উপযোগী উপাদান। কিন্তু সেয়াও বহু সময়ত অনিশ্চয়তাৰে পূর্ণ নাইবা কাৰোবাক ৰুষ্ট কৰাৰ সম্ভাৱনা কঢ়িয়াব পাৰে। এনে সম্ভাৱনাক নৈতিকভাৱে (ethically) পৰিচালনা কৰিবলৈ হলে লিংকত থকা ৱেবছাইটটোৰ বিষয়বস্তু আৰু গুণগত মান ভালদৰে বিচাৰ কৰি লোৱা উচিত। ইয়াৰ উপৰি ইন্টাৰনেট ব্যৱহাৰকাৰীজনক এই কথা অৱগত কৰিব লাগে যে লিংকত ক্লিক কৰিলে খোল খোৱা অন্য ৱেবছাইটবোৰ মূল সংবাদ ৱেবছাইটটোৰ অংশ নহয়।
- অনলাইন মাধ্যম এটাৰ প্রতিষ্ঠানগত গাঁথনি (organizational structure) ৰ সতে অন্যান্য সংবাদ প্রতিষ্ঠান সমূহৰ বহুখিনি সাদৃশ্য আছে।
- অন্যান্য মাধ্যমসমূহতকৈ ৱেবছাইটৰ বাবে লিখা বিষয় বস্তু (content) বোৰ কিছু পৃথক। যিকোনো ৱেবছাইটতে একোটা বিষয়ক লিখিত, দৃশ্য অথবা শ্রাব্য যিকোনো ধৰণে পঢ়িব, চাব নাইবা শুনিব পাৰে। অন্যান্য মাধ্যমতকৈ ৱেবছাইটৰ জৰিয়তে মানুহে একোটা অভিজ্ঞতা ব্যাপক আৰু বিচিত্র ধৰণে লাভ কৰিব পাৰে।
- সংবাদ প্রতিষ্ঠান এটাই সাধাৰণ পাঠক দর্শকখিনিৰ দৰেই অনলাইন সম্প্রদায়বোৰকো গুৰুত্ব প্রদান কৰে ইয়াৰ একোগৰাকী মধ্যস্থতাকাৰী (community moderator) থাকে। তেওঁ ৱেবছাইট অথবা অনলাইন মাধ্যমলৈ অহা মন্তব্যবোৰ পৰীক্ষা কৰে। নীতিভংগ কৰিব পৰা অথবা বেয়া মন্তব্যবোৰ আঁতৰোৱাৰ কামটোও মধ্যস্থতাকাৰীগৰাকীয়েই সমাধা কৰে।
- 'Convergence' বুলি কওঁতে আমি সাধাৰণতে প্রযুক্তি, সংবাদ/প্রচাৰ মাধ্যম আৰু তথ্যৰ একত্রীকৰণ নাইবা সমধর্মিতাৰ কথা বুজোঁ। ই ইন্টাৰনেট আৰু ব্রডবেণ্ড অনাতাঁৰ আহিলাবোৰৰ জৰিয়তে মাধ্যমবোৰক নিয়ন্ত্রণ কৰাৰ সুবিধা অকল উৎসতে নহয় গ্রাহক (Receiver) ৰ হাততো তুলি দিছে।
- সমধর্মিতাই কম খৰছতে প্রকাশোপযোগী বিষয়বস্তু এটা তৈয়াৰ কৰা আৰু তাক বিতৰণ কৰাৰ ক্ষেত্রত সংবাদ /প্রচাৰ মাধ্যম উদ্যোগটোক যথেষ্ট সুবিধা

কৰি দিছে।

- সমধর্মিতাই একোটা সংবাদ প্রস্তুত কৰাৰ সুবিধা সাধাৰণজনৰ হাততো তুলি দিছে। কি চোৱা হ'ল, পঢ়া নাইবা শুনা হ'ল আৰু হ'ব সেই বিষয়ে সিদ্ধান্ত লোৱাৰ ক্ষমতাও সমধর্মিতাই সাধাৰণ শ্রোতা-দর্শক- পাঠকৰ হাতত তুলি দিছে।
- বিশ্বজনীন সংযোগ চেটেলাইট আৰু ইন্টাৰনেটৰ মাধ্যমত স্থাপন কৰা হয়। সেয়েহে ই কোনো আন্তঃৰাজ্যিক অথবা আন্তঃৰাষ্ট্রীয় সীমাৰ বাধা নামানে আৰু সকলো ৰাষ্ট্রৰ লোককে সাঙুৰি লয়। ইয়াৰ মানে হৈছে বিশ্বজনীন বাতৰি আৰু মনোৰঞ্জনৰ মাধ্যমেৰে জ্ঞান, তথ্য, ধাৰণা, যুক্তি, মতামত, সাংস্কৃতিক প্রমূল্য আদিৰ আদান-প্রদান।
- ইন্টাৰনেট আৰু ৱর্ল্ড ৱাইড ৱেব (www) ৰ জৰিয়তে বিশ্বজনীন সংযোগে অনলাইন সম্প্রদায় কিছুমানৰ সৃষ্টি কৰিছে যিয়ে সর্বসাধাৰণৰ কণ্ঠক বিশ্ব সম্প্রদায়ৰ আগত উপস্থাপন কৰে। ইয়াক প্রায়ে কণ্ঠহীনজনক কণ্ঠ দিয়া (voice to the voiceless) ৰ ব্যৱস্থা বুলি কোৱা হয়। এই বিশ্বজনীন সংযোগে পৰম্পৰাগত প্রভূত্ববাদী ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক ব্যৱস্থাবোৰৰ সমুখত প্রত্যাহ্বান থিয় কৰিছে।
- পশ্চিমীয়াকৰণৰ দ্বাৰা ঘটা সাংস্কৃতিক পৰিৱর্তনে খিলঞ্জীয়া সম্প্রদায়বোৰলৈ ভাবুকি কঢ়িয়াই আনিছে। এয়া হ'বলৈ পাইছে বিশ্বজনীন সংযোগৰ বাবেই।



১৪.১০ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Bhatia, A. (2005), Impact of Internet on Journalism, New Delhi : Akansha Publishing House
2. Jenken, K.B. (2010), Media Convergence, New York : Routledge.
3. Curtin, Michael and Shah, Hemant eds. (2010) Reorienting Global Communication : Indian and Chinese Media Beyond Boarders. Champaign, IL : University of Illinois
4. Prasad, K. (2008), Media Laws & Ethics. Delhi : BR Publishing Coorporation
5. Thakuria, P.G. (2015). Media Ethics. New Delhi : Oxford University Press.

6. Shrivastava, K.M. (2005) Media Ethics : Veda to Gandhi and Beyond, Publication Divisions, Ministry of Information and Broadcasting, Govt. of India.

১৪.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ Privacy শব্দটোৰ সৃষ্টি হৈছে লেটিন privatus শব্দৰ পৰা। যাৰ অর্থ হৈছে 'সুকীয়াকৈ থকা' আৰু 'নিজৰ' একান্ত। এনেকৈয়ো ক'ব পাৰি যে ই হৈছে এগৰাকী ব্যক্তি অথবা কোনো এক মানৰ গোটৰ একান্তভাৱে থকাৰ অথবা নিজৰ বিষয়ে তথ্য সদৰি কৰাৰ পৰা বিৰত থকাৰ সামর্থ আৰু এই সামর্থৰ সহায়ত ব্যক্তি অথবা গোটটোৱে নিজৰ বিষয়ে যিখিনি বিচাৰে সিমানখিনি তথ্যহে সদৰি কৰে। ইংৰাজী Privacy শব্দটোৰ সমার্থক অসমীয়া প্রতিশব্দ হিচাপে 'গোপনীয়তা' শব্দটো ব্যৱহাৰ কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ অনলাইন মাধ্যমত গোপনীয়তাৰ উলংঘন ঘটাৰ যথেষ্ট সম্ভাৱনা আছে। কিয়নো সামাজিক মাধ্যম (Social Media) সমূহৰ জৰিয়তে আজিকালি যিকোনো ব্যক্তিয়েই সংবাদ পৰিৱেশক, বিষয়বস্তু (content) প্রস্তুত কৰোঁতা তথা কথক (Story teller) ৰ ভূমিকা ল'ব পাৰে। মাউচৰ এটা মাত্র ক্লিকৰ যোগেদিয়েই যিকোনো তথ্য আজিৰ তাৰিখত ৰাজহুৱা কৰিব পাৰি।

৩ নং প্রশ্নৰ উত্তৰ ঃ দৃশ্য, শ্রাব্য অথবা আখৰ সম্বলিত যিকোনো ধৰণৰ সংবাদক ইন্টাৰনেটৰ জৰিয়তে প্রচাৰ কৰাকে আমি ডিজিটেল সাংবাদিকতা বুলি ক'ব পাৰোঁ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ডিজিটেল মাধ্যমেৰে ইন্টাৰনেটত যিকোনো লোকেই যিকোনো বিষয়বস্তুৰ তথ্য প্রস্তুত কৰি আপলোড কৰিব পাৰে। এনে তথ্যৰ বিশ্বাসযোগ্যতা সন্দেহাতীত নহয়। কিছুমানে কেতিয়াবা উদ্দেশ্য প্রণোদিতভাৱে মিছা কাহিনী একোটাক সঁচা বুলি ইন্টাৰনেটত প্রচাৰ কৰে আৰু এনে কাহিনী বনজুইৰ দৰে ফেইচবুক তথা অন্যান্য সামাজিক মাধ্যমসমূহত বিয়পি পৰে। যাৰ বাবে কেতিয়াবা যুক্তি আৰু মিথ্যাৰ মাজৰ প্রভেদ অস্পষ্ট হৈ পৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) সাংবাদিকে যদি কোনো ৱেবছাইটৰ পৰা তথ্য সংগ্রহ কৰে, তেন্তে সেই ৱেবছাইটৰ লিংক তেওঁৰ ৰচনাত উল্লেখ কৰিব লাগে।

(খ) অনলাইন মাধ্যমত হাস্য-ব্যংগ ৰচনাবোৰ খুবেই জনপ্রিয়। কোনোবাই যদি তেনে ৰচনা আপল'ড কৰে তেন্তে তাত উল্লেখ থকা উচিত যে সেই ৰচনা কেৱল মনোৰঞ্জনৰ বাবেহে, সেয়া হুবহু সত্য নহয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণতে অনলাইন সাংবাদিকতাৰ সতে জড়িত কর্মীসকলে গতি আৰু

নির্ভুলতাকলৈ এক দোমোজাত পৰিবলগীয়া হয়। অনলাইন সাংবাদিকতাৰ ক্ষেত্রত কামবোৰ ততাতৈয়াকৈ কৰিবলগীয়া হয় বাবেই সাংবাদিকসকলে কেতিয়াবা তথ্য একোটাৰ নির্ভুলতা পৰীক্ষা কৰিবলৈ পাহৰে নাইবা কামটো বৈ যায়।

৭ **নং প্রশ্নৰ উত্তৰ ঃ** সংবাদ প্রতিষ্ঠানবোৰৰ নিজাকৈ একোটা ৱেবছাইট থাকে, য'ত তেওঁলোকে নিজৰ সংবাদ অথবা অন্যান্য ৰচনা প্রকাশ কৰে। এই সুবিধাৰ ফলস্বৰূপে কোনো এক সংবাদ প্রতিষ্ঠান অথবা ৱেবছাইটৰ অধিকাংশ বিষয়তে চিন্তাৰ মিল থকাসকলৰ মাজত একোটা গোটৰ সৃষ্টি হয় ।ইয়াক ইংৰাজীত online community বুলি কোৱা হয়। সংবাদ প্রতিষ্ঠান এটাই সাধাৰণ পাঠক দর্শকখিনিৰ দৰেই অনলাইন সম্প্রদায়বোৰকো গুৰুত্ব প্রদান কৰে

৮ **নং প্রশ্নৰ উত্তৰ ঃ** ৱেব ২.০ প্রযুক্তিয়ে সর্বত্র ইমানেই সুবিধা আগবঢ়াইছে যে ইন্টাৰনেট ব্যৱহাৰকাৰী সকলে তৎক্ষণাত যিকোনো সময়ত আৰু যিকোনো পৰিৱেশতে কোনো এক বিষয়ত মন্তব্য (feedback) প্রদান কৰিব পাৰে। পঢ়ুৱৈসকলে 'comments' শিতানত কোনো এক বিষয়ত নিজৰ মতামত, আলোচনা অথবা অন্যান্য তথ্য আগবঢ়াব পাৰে।

৯ **নং প্রশ্নৰ উত্তৰ ঃ** তথ্য আৰু সংযোগ প্রযুক্তি, কম্পিউটাৰ নেটৱর্ক তথ্য সংবাদ মাধ্যমত প্রকাশিত বিষয়বস্তুৰ এক আন্তঃসম্পর্ককে সংবাদ মাধ্যমৰ সমধর্মিতা বুলি ক'ব পাৰোঁ। ই তিনিটা C ক একত্র কৰে। সেয়া হৈছে Computing, Communication আৰু Content।

১০ **নং প্রশ্নৰ উত্তৰ ঃ** সংবাদ মাধ্যমৰ সমধর্মিতাই অৱশ্যে কিছুমান অসুবিধাৰো সৃষ্টি কৰিব পাৰে। সহজতে পোৱা বিপুল তথ্য সম্ভাৰ আৰু তাৰ দ্রুত প্রৱাহে দর্শক-শ্রোতাক ব্যতিব্যস্ত কৰিব পাৰে। যিসকলে শেহতীয়া সংযোগ প্রযুক্তিবোৰৰ ব্যৱহাৰ ভালদৰে নাজানে তেওঁলোক আচলতে পোনপটীয়াকৈ ইয়াৰ দ্বাৰা লাভান্বিত হৈছে বুলি ক'ব নোৱাৰি। সমধর্মিতাৰ ফলত মানুহ চ'চিয়েল মিডিয়া ব্যৱহাৰৰ প্রতি আসক্ত হৈ পৰিব পাৰে। ইয়াৰ ফলত অসুস্থ জীৱনশৈলী একোটাই মানুহৰ অপকাৰ কৰিব পাৰে। ই মানুহৰ পাৰস্পৰিক সংযোগ কমাই আনে। আনকি ব্যক্তিগত সম্পর্কবোৰো ইয়াৰ প্রভাৱত ঠুনুকা হৈ পৰিব পাৰে।

১১ **নং প্রশ্নৰ উত্তৰ ঃ** বিশ্বজনীন সংযোগ (Global Communication) বুলি এনে এক সংযোগৰ কথা বুজোৱা হয় যিটোৱে ভৌগোলিক, ৰাজনৈতিক, অর্থনৈতিক, সাংস্কৃতিক আদি সকলো শাখাৰ ৰাষ্ট্রীয় সীমাসমূহ নেওচি যায়। বিশ্বজনীন সংযোগ চেটেলাইট আৰু ইন্টাৰনেটৰ মাধ্যমত স্থাপন কৰা হয়।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বজনীন সংযোগে কিছুমান ভাবুকিৰো সৃষ্টি কৰিছে। যেনে- পশ্চিমীয়াকৰণৰ দ্বাৰা আমদানি হোৱা কিছুমান বিজতৰীয়া সংস্কৃতিয়ে খিলঞ্জীয়া সম্প্ৰদায়বোৰলৈ ভাবুকি কঢ়িয়াই আনিছে।



১৪.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ অনলাইন মাধ্যমত বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত ৱেব প্ৰযুক্তিৰ প্ৰভাৱ কেনেধৰণৰ?

প্ৰশ্ন ২ ঃ ৱেব ২.০ প্ৰযুক্তিৰ কেইটামান উদাহৰণ দিয়ক।

(খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ ঃ বৰ্তমানৰ প্ৰেক্ষাপটত সংবাদ মাধ্যমৰ সমধৰ্মিতাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সাধাৰণ দৃষ্টিত বিশ্বজনীন সংযোগেৰ প্ৰভাৱ কেনে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ ঃ সাংবাদিকতাত ৱেব প্ৰযুক্তিয়ে আনি দিয়া সুবিধাবোৰৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ২ ঃ অনলাইন সাংবাদিকতাৰ নৈতিক প্ৰত্যাহ্বানবোৰ কি কি?

প্ৰশ্ন ৩ ঃ 'অনলাইন মাধ্যমত গোপনীয়তা ভঙ্গ হোৱাৰ প্ৰচুৰ সম্ভাৱনা থাকে' - আলোচনা কৰক।

****

অধ্যায় ১৫ ঃ স্বাধীনতাৰ ধাৰণা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ সংবাদ মাধ্যমৰ স্বাধীনতা আৰু ৰাজনৈতিক আদর্শ
১৫.৪ উদাৰনৈতিক দৃষ্টিভংগী
১৫.৫ সংবাদ মাধ্যমৰ ৰাজনৈতিক অর্থনীতি
১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৭ অধিক জানিবলৈ
১৫.৮ অগ্রগতিৰ খতিয়ান
১৫.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনতাৰ ধাৰণাটো বুজিব পাৰিব
- সংবাদ মাধ্যমৰ স্বাধীনতা আৰু ৰাজনৈতিক আদর্শ বিশ্লেষণ কৰিব পাৰিব
- সংবাদ মাধ্যমৰ স্বাধীনতা সম্পর্কীয় উদাৰনৈতিকতাবাদী দৃষ্টিভংগীটো পৰীক্ষা কৰিব পাৰিব
- সংবাদ মাধ্যমৰ ৰাজনৈতিক অর্থনীতি বুজিব পাৰিব।

১৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি অনলাইন সাংবাদিকতাৰ নীতি সম্পর্কে বহলাই আলোচনা কৰিছো। আলোচনাত অনলাইন সাংবাদিকতাৰ নৈতিক প্রত্যাহ্বানবোৰ, অনলাইন সংবাদ মাধ্যমৰ সাংগঠনিক সংৰচনা আৰু সংযোগ, বিশ্বজনীন সংযোগ আদিৰ দৰে বিষয় সামৰি লোৱা হৈছে। এই অধ্যায়ত আমি সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণাটোৰ লগতে বিভিন্ন ৰাজনৈতিক আদর্শৰ বিষয়ে আলোচনা কৰিম।

১৫.৩ সংবাদ মাধ্যমৰ স্বাধীনতা আৰু ৰাজনৈতিক আদর্শ

সংবাদ মাধ্যমৰ স্বাধীনতা মানে হ'ল ছপা ৰূপত, সম্প্রচাৰিত সেৱাৰ ৰূপত নাইবা বৈদ্যুতিক মাধ্যমবোৰৰ জৰিয়তে তথ্য ছপা নাইবা প্রচাৰ কৰিব পৰাকৈ থকা সংবাদ মাধ্যমৰ স্বাধীনতা। সংবাদ মাধ্যমে তথ্য প্রচাৰ কৰিবলৈ অনুজ্ঞাপত্র আহৰণ নাইবা বিষয়সূচীৰ পুনৰীক্ষণৰ

দৰে কোনো অগতীয়া বাধা- নিষেধ মানি চলিব নালাগে। তথ্য নাইবা সংবাদৰূপে যি পৰিৱেশন কৰা হয় তাৰবাবে সংবাদ মাধ্যম কোনো ধৰণাৰ শাস্তিৰ মুখামুখিও হ'ব নালাগে। 'সংবাদ মাধ্যমৰ সমর্থক ইংৰাজী শব্দ 'প্রেছ' এক বিশাল অভিধা। এই অভিধাটোৱে বাতৰি-কাকত, টেলিভিছন ৰেডিঅ', কিতাপ, বক্তৃতা, কথাছবি, কলা, নৃত্য দূৰভাষ, কেছেট, কম্পেক্ট ডিস্কচ্ ভিডিও' ডিস্কচ, আলোচনী, বৈদ্যুতিক বুলেটিন বোর্ড, কম্পিউটাৰ নেটৱর্ক, বিলবোর্ড আৰু ভিজিঅ' টেপ আদিক সামৰি লয়।

ঐতিহাসিকভাৱে, দুই ধৰণে সংবাদ মাধ্যমৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। ইয়াৰে এটা হ'ল 'চেন্সৰশ্বিপ' নাইবা কোনো কথা প্রকাশ অথবা প্রচাৰ কৰাৰ আগতে চৰকাৰৰ পৰা বাধ্যতামূলকভাৱে ল'বলগীয়া অনুজ্ঞা, আৰু আনটো হ'ল ছপা / সামগ্রী/ তথ্যৰ বাব প্রদান কৰা শাস্তি। চৰকাৰে বিশেষকৈ যিবোৰ কথাক ৰাজদ্রোহমূলক অথবা চৰাকাৰৰ কুৎসা- ৰটনাকাৰী (seditious libel) বুলি গণ্য কৰিছিল তেনেবোৰ কথা ছপা/ কৰাৰ বাবে শাস্তিৰ বিধান আছিল। mcwillian.com- নামৰ ৰেবছাইটটোৰ লেখক পিটাৰ মেক্ৰিলিয়ামৰ ভাষাত, "আমি এনে তথ্য বিশ্বাস কৰোঁ, ইয়াৰ নির্ভুলতাক ভাৰসা কৰোঁ, আৰু যদি এনে তথ্য ভুল বুলি গম পাওঁ, তেন্তে অন্য কোনো সংবাদ প্রতিষ্ঠানে এই ভুল ফাদিল কৰিব বুলি আশা কৰোঁ। মতামতৰ স্বাধীনতা আৰু ধর্মৰ স্বাধীনতাৰ দৰেই সংবাদ মাধ্যমৰ স্বাধীনতা এটা মৌলিক অধিকাৰ। মুক্ত সংবাদ মাধ্যম এক বিলাসিতা নহয়, ই এক প্রয়োজনীয়তা।"

সংবাদ মাধ্যমৰ স্বাধীনতা আৰু বিনামূলীয়াকৈ তথ্য লাভ কৰাৰ সুযোগ এই দুয়োটা কথাই সমানে গুৰুত্বপূর্ণ। তেতিয়াহে সংবাদ মাধ্যমৰ সৈতে জড়িত লোকসকলে সাধাৰণ ৰাইজৰ বাবে গুৰুত্বপূর্ণ বিষয়বোৰৰ তথ্য সংগ্রহ কৰিব পাৰিব। সংবাদ মাধ্যমে যদি অতন্দ্র প্রহৰীৰ ভূমিকা পালন নকৰে তেন্তে চৰকাৰবোৰক কোনো কামৰ বাবে জগৰীয়া কৰিব পৰা নাযাব আৰু চৰকাৰবোৰ সাধাৰণ ৰাইজৰ প্রতি দায়ৱদ্ধ হৈ নৰ'ব। কিন্তু প্রায়েই বিভিন্ন মহলে সংবাদ মাধ্যমৰ স্বাধীনতাক দবাই ৰখাৰ চেষ্টা কৰে। এই কথাই প্রতিগৰাকী ব্যক্তিৰে তথ্য জনাৰ অধিকাৰক বাধাগ্রস্ত কৰে। এনে কিছুমান দুর্ভাগ্যজনক উদাহৰণো আছে য'ত প্রচাৰ মাধ্যমক আমি ৰাজনৈতিক ক্ষমতাৰ সুবিধাৰ হকে কাম কৰা মাধ্যম হিচাপে দেখা পাওঁ, সংবাদ মাধ্যমে ৰাজনৈতিক আদর্শৰ সহযোগীৰূপে কাম কৰে, শাসনাধিস্থ চৰকাৰৰ সমালোচকৰ ভূমিকা পালন কৰাৰ সলনি গোলামী কৰে। সংবাদ মাধ্যমৰ ক্ষেত্রত এতিয়াও 'চেন্সৰশ্বিপ' আৰু মাধ্যমবোৰে নিজে প্রয়োগ কৰা 'স্ব-চেন্সৰশ্বিপ' প্রযোজ্য। কিন্তু এখন গণতান্ত্রিক ৰাষ্ট্রই স্বতন্ত্র সংবাদ মাধ্যম আৰু স্বাধীন সাংবাদিকক সমর্থন কৰা উচিত। পৰনির্ভৰশীল ন্যায় ব্যৱস্থা আৰু অনুপযুক্ত আইনে সাংবাদিক তথা সংবাদ মাধ্যমক ৰাজনৈতিক তথা ব্যৱসায়ী অভিজাত শ্রেণীদুটাৰ পৰা নিজকে ৰক্ষা কৰিব নোৱাৰাকৈ দুর্বল কৰি ৰাখিছে। সংবাদ মাধ্যম আৰু সাংবাদিকসকল ব্যৱস্থাৰ বলি হ'বলগীয়াত পৰিছে। ৰাজনৈতিক আদর্শৰ বাবে যেতিয়াই ৰাজহুৱা সেৱাৰ মান ক্ষতিগ্রস্ত হয়, তেতিয়াই সংবাদ মাধ্যমৰ পৃষ্ঠপোষকতা বিচৰাটো এক স্বীকৃত বিধিত পৰিণত হৈছে। কচ'ভ'ৰ 'Koha Ditore' ৰ মুখ্য সম্পাদক এগ্রঁন বায়ৰামিৰ মতে, "আমি সাধাৰণ অর্থত সমগ্র বিশ্বতে স্বৈৰতন্ত্রৰ দিশে ধাৱমান এক প্রকাৰৰ

আন্দোলনত লিপ্ত হৈছো। সংবাদ মাধ্যমৰ মালিকীস্বত্বই এক ডাঙৰ সমস্যাৰ সৃষ্টি কৰিছে। সংবাদ মাধ্যম দূৰ্নীতিগ্রস্ত ৰাজনৈতিক ব্যৱস্থা, অর্থনীতি, অনুপযুক্তভাৱে বিকশিত গণতন্ত্রৰ দৰে সমাজত থকা বিভিন্ন ধৰণৰ হেচাৰ কবলত পৰিছে। সংবাদ মাধ্যমে নিজেও নিজৰ ওপৰত হেচা দিবলগীয়া হৈছে।"

যদি ৰাজনৈতিক আদর্শই সংবাদ মাধ্যম প্রতিষ্ঠানবোৰক নেতৃত্ব প্রদান কৰে, তেন্তে সংবাদ মাধ্যমৰ নীতিবোৰ এলাগী হৈ পৰে। এনে পৰিস্থিতিত সংবাদ মাধ্যমে কোনো বিশেষ ৰাজনৈতিক দলৰ অথবা একে ৰাজনৈতিক-অর্থনৈতিক স্বার্থজড়িত আনুষ্ঠানিক তথা অনানুষ্ঠানিক দলৰ মুখপত্রৰ দৰে কাম কৰে। সংবাদ মাধ্যমে চৰকাৰ, ৰাজনীতিক আৰু পুঁজিৰ যোগান ধৰা অভিকৰণবোৰৰ পৰা পোৱা হেচাঁৰ মুখামুখি হোৱাৰ সময়ত প্রত্যাহ্বান সৃষ্টিকাৰী কথা দুটা হ'ল সাংবাদিকৰ বৃত্তিজীৰি মনোভাৰ আৰু ন্যায় নিষ্ঠতা Prizma.mk নামৰ মেচিড'নীয় পোর্টেলটোৰ সাংবাদিক মেৰি জ'র্ডান'ভ্স্কাৰ মতে সংবাদ মাধ্যমৰ স্বাধীনতাত বাধা আৰোপ কৰা প্রধান সমস্যাটো হ'ল সংবাদ মাধ্যমৰ ওপৰত থকা চৰকাৰী নিয়ন্ত্রণ। চৰকাৰী বিজ্ঞাপন আৰু অন্য বিভিন্ন ধৰণৰ প্রকল্পৰ বাবে বাজেটৰ পৰা পুঁজিৰ যোগান ধৰি চৰকাৰে এই নিয়ন্ত্রণ বর্তাই ৰাখে। তেওঁ ইয়াকো কৈছে যে নিয়ন্ত্রণ বর্তাই ৰখাৰ আন এক কৌশল হ'ল চৰকাৰৰ অনুকূলে সম্পাদকীয় নীতি সলনি কৰাৰ বাবে সংবাদ মাধ্যমৰ গৰাকী আৰু সম্পাদকসকলৰ ওপৰত প্রত্যক্ষ নাইবা পৰোক্ষ হেচাঁ প্রয়োগ কৰা। এই কথাৰ পৰা সহজেই বুজিব পাৰি যে মূলসুঁতিৰ সংবাদ মাধ্যমৰ প্রধান পুঁজি যোগনীয়াৰ হ'ল চৰকাৰ আৰু শাসনাধিস্থ ৰাজনৈতিক দল। সংবাদ মাধ্যম এনে পুঁজিৰ ওপৰত সম্পূর্ণ নির্ভৰশীল। এইবাবেই সংবাদ মাধ্যম শাসক দলটোৰ সপক্ষে বাতৰি লিখিবলৈ বাধ্য হৈ পৰে। যদি সংবাদ মাধ্যমে এই কাম কৰিবলৈ অস্বীকাৰ কৰে তেন্তে আদালতকে ধৰি আন সকলোবোৰ অনুষ্ঠান চৰকাৰৰ নিয়ন্ত্রণাধীন হোৱা হেতুকে সংবাদ মাধ্যম নানা আলৈ-আহুকালৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। কাৰণ, চৰকাৰে কাৰোবাক পৰিদর্শনৰ বাবে পঠিয়াই নাইবা অপৰাধত দোষী কৰি সংবাদ মাধ্যমৰ গৰাকী নাইবা সম্পাদকৰ ওপৰত অতি সহজে হেচাঁ প্রয়োগ কৰিব পাৰে।"

Zagreb ৰ Nove list ৰ সাংবাদিক বৰিক পাভেলিকে কর্তৃপক্ষৰ পৰা পোৱা এনে হেঁচাৰ বর্ণনা কৰি কৈছে যে য'ত সংবাদ মাধ্যম গর্বান্ধতাবাদীসকলে সাংবাদিকতাৰ স্থানত সংখ্যালঘিষ্ঠ বিৰোধী উদ্দেশ্যমূলক প্রচাৰ চলাবলৈ ধৰিছে। পাভেলিকে এইবুলিও কৈছে যে, তেওঁলোকে এই লক্ষ্যত উপনীত হ'বলৈ বিভিন্ন ৰাষ্ট্রভিত্তিক ব্যৱস্থাৰ এটা মিশ্রণ ব্যৱহাৰ কৰে, মুকলি অভিব্যক্তি প্রকাৰৰ পৰিসৰত ন্যায়িক সীমাৱদ্ধতা আৰোপ কৰে, ৰাজহুৱা সংবাদ মাধ্যমৰ আদর্শকৰণ ঘটায় আৰু ব্যক্তিগত সংবাদ মাধ্যমৰ সৈতে ফেৰ মাৰে, আৰু সাংবাদিক তথা লেখকৰ ওপৰত মুকলিকৈ হিংসা প্রয়োগ কৰে। সমগ্র বিশ্বতে সংবাদ মাধ্যম দীর্ঘদিন ধৰি আৰু আগতকৈ অধিক বিভিন্ন ধৰণৰ ভয়াবহ ধর্মোন্মাদ আৰু মৌলবাদী আন্দোলনৰ দ্বাৰা সৃষ্ট বিপদৰ সন্মুখীন হৈ আহিছে। মুক্ত পাশ্চাত্যতো এই অৱস্থা বিৰাজমান।" Television of Federation of Bosnia and Herzegovina ৰ সাংবাদিক জেৰিণা কোছিচ ভ্রেবেকেৰ মতে দূৰ্নীতি অথবা নির্বাচিত তথ্য প্রদান কৰাৰ দৰে কামৰ জৰিয়তে সাংবাদিকৰ কামত ৰাজনৈতিক প্রভাৱ খটুওৱাৰ ফলত গুৰুত্র

বিষয়ৰ অনুসন্ধানমূলক বাতৰি প্ৰস্তুত কৰিব নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হৈছে। Magazine Start BiH নামৰ আলোচনীখনৰ সাংবাদিক ৰুবিনা চেনজিচৰ মতে ভাৰ প্ৰকাশৰ স্বাধীনতাৰ প্ৰতি সবাতোকৈ ডাঙৰ ভাবুকিৰ সৃষ্টি কৰা কাৰকবোৰ হ'ল বৈষয়িক আৰু অৰ্থনৈতিক অসুৰক্ষাৰ ভাৱনা, বিভিন্ন ৰূপত অহা ৰাজনৈতিক হেঁচা আৰু সংবাদ মাধ্যমে কিহৰ বিষয়ে বাতৰি পৰিৱেশন কৰি আছে সেই সম্পৰ্কে থকা সাধাৰণ লোকৰ অজ্ঞতা। চেনজিচৰ পৰ্যবেক্ষণ অনুসৰি, "অৰ্থনৈতিক অথবা বিত্তীয় (বৈষয়িক) অসুৰক্ষাৰ ভাৱনাত গ্ৰস্ত সংবাদ মাধ্যমৰ মালিক তথা সাংবাদিক উভয়েই নিজ অস্তিত্ব বতাঁই ৰখাৰ স্বাৰ্থত ব্যক্তিগতভাৱে বিভিন্ন উপঢৌকন গ্ৰহণৰ নিয়ম আৰম্ভ কৰিব পাৰে। কিন্তু, এনে আপোচতকৈ ভাৰ প্ৰকাশৰ স্বাধীনতাক আঘাত কৰিব পৰা আন একোৱেই নাই। মোৰ ব্যক্তিগত মতামত অনুসৰি য'ত আপোচৰ আৰম্ভণি তাতেই ভাৰ প্ৰকাশৰ স্বাধীনতা আৰু জীৱিকাৰ বাবে গ্ৰহণ কৰা বৃত্তিৰ স্বাধীনতা নাইকিয়া হয়। সকলো ধৰণৰ ৰাজনৈতিক হেঁচায়ো ভাৰ প্ৰকাশৰ স্বাধীনতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে। কাৰণ, এনে পৰিস্থিতিত হয় আপোনাৰ হাতত একো তথ্য নাথাকে নাইবা আপুনি শংকিত হৈ থাকে।"

সাংবাদিকৰ ওপৰত চলা বেপৰোৱা আক্ৰমণ আৰু সাংবাদিকে পোৱা ৰাজনৈতিক হেঁচা হ'ল আন দুটা প্ৰধান সমস্যা। ক্ৰোৱেশ্বিয়ান সাংবাদিক সস্থাৰ সভাপতি চাচা লেক' ভিছৰ মতে সংবাদ মাধ্যম তথা ভাৰ প্ৰকাশৰ স্বাধীনতাৰ প্ৰধান আৰু সদায়েই থকা অন্তৰায়টো হ'ল ৰাজনীতিকসকল। তেওঁলোকে কেতিয়াও ৰাজহুৱা স্বাৰ্থত কাম নকৰে; তেওঁলোকে অন্যায়কাৰী আইনবোৰ গ্ৰহণ কৰে আৰু কল্যাণ কাৰী আইনবোৰৰ অনা-অনুমোদিত অ-প্ৰৱৰ্তনত মঞ্জুৰি দিয়ে। লেক'ভিছৰ ভাষাত, "ৰাজনীতিকসকলে দূৰ্নীতি পূৰ্ণ প্ৰক্ৰিয়াবোৰ চলাৰ অনুমতি দিয়ে। ব্যৱসায়িক সংবাদ মাধ্যমৰ গৰাকীসকলে এনে প্ৰক্ৰিয়াবোৰত ভাগ লয়। তেওঁলোকে নিৰ্বাচনৰ পাচত ৰাজহুৱা সংবাদ মাধ্যমবোৰক 'যুদ্ধৰ পৰা লুটি অনা সম্পদ' (war loot) হিচাপে ধৰি লয় আৰু নিজৰ ৰাজনৈতিক লক্ষ্য পূৰণৰ বাবে ইয়াৰ অপব্যৱহাৰ কৰে" । সংবাদ মাধ্যমত এটা সৰ্বজনগ্ৰাহ্য ব্যৱসায় আৰ্হিৰ নাটনি আৰু এখন পূৰ্ণ বিকশিত বজাৰৰ অভাৱ হ'ল সংবাদ মাধ্যম স্বাধীনতাৰ আন দুটা উল্লেখযোগ্য অন্তৰায়। ইয়াৰ বাবেই সংবাদ মাধ্যমত বিভিন্ন ৰাজনৈতিক চৰ্ত আৰোপ কৰিব পৰা যায়। আৰু বিভিন্ন কৰ্তৃপক্ষৰ লগতে বিজ্ঞাপন কোম্পানীবোৰে মাধ্যমটোক বিভিন্ন ধৰণে ভয়-ভীতি (blackmailing) প্ৰদৰ্শন কৰি নিজ স্বাৰ্থ সিদ্ধি কৰে।



অগ্ৰগতি নিৰী ণ

প্ৰশ্ন নং ১ সংবাদ মাধ্যমৰ স্বাধীনতা মানে কি?

.....

.....

প্ৰশ্ন নং ২ সংবাদ মাধ্যমৰ স্বাধীনতা আৰু বিনামূলীয়াকৈ তথ্য লাভ কৰাটো কিয় গুৰুত্বপূৰ্ণ?

.....

.....

১৫.৪ উদাৰনৈতিক দৃষ্টিভংগী

উদাৰনৈতিকতাবাদী (The Libertarian) তত্ত্বক 'সংবাদ মাধ্যমৰ আদর্শমূলক তত্ত্ব' বোৰৰ এটা বুলি ধৰা হয়। ষোড়শ শতিকাত ইংলেণ্ডত এই তত্ত্বটোৰ বিকাশ ঘটিছিল। সেই সময়ছোৱাত ছপাশালবোৰে কম খৰছতে একোখন কিতাপ নাইবা পুস্তিকাৰ একাধিক কপি ছপা কৰিব পৰা হৈছিল। সেইখিনি সময়তে ৰাষ্ট্রক ব্যক্তি তথা তেওঁৰ সম্পত্তিৰ অধিকাৰত হস্তক্ষেপ কৰিব পৰা এক প্রধান উৎস বুলি গণ্য কৰা হৈছিল। উদাৰনৈতিকতাবাদীসকলে ৰাজহ সংগ্রহক আনুষ্ঠানিক চৌর্যবৃত্তি বুলি আখ্যা দিছিল। জনপ্রিয় ইচ্ছা (জনমত/Vox populi) ক ৰাষ্ট্রৰ ক্ষমতাতকৈ অগ্রাধিকাৰ দিয়া হৈছিল। এই তত্ত্বৰ সমর্থকসকল আছিল ষোড়শ শতিকাৰ প্রথমার্দ্ধৰ চীনা দার্শনিক লাও ৎচু, সপ্তদশ শতিকাৰ বৃটিছ চিন্তাবিদ জন লক, মহাকাব্য ৰচক জন মিল্টন (Aeropagitica) আৰু ৰচনা লেখক জন ষ্টুৱার্ট মিল (On Liberty)। মিল্টনে ১৬৪৪ চনত প্রকাশিত তেওঁৰ কাব্যগ্রন্থ Aeropagitica-ত এটা স্ব-শুদ্ধকৰণ প্রক্রিয়া (self-righting process) ৰ কথা উল্লেখ কৰি কৈছিল যে যদি মুক্ত অভিব্যক্তি প্রকাশত অনুমতি দিয়া হয় "তেন্তে সত্য আৰু মিথ্যাক হতাহতি যুদ্ধ লাগিবলৈ দিয়া উচিত।" ১৭৮৯ চনত ফৰাছীসকলে 'মানুহৰ অধিকাৰৰ ঘোষণাপত্র'ত লিখিছিল, "প্রতিগৰাকী নাগৰিকে মুক্তভাৱে কথা ক'ব, লিখিব আৰু মনৰ কথা ছপা আকাৰে প্রকাশ কৰিব পাৰিব।" এই তত্ত্ববোৰৰ মাজৰ পৰাই 'ধাৰণাৰ এখন মুক্ত বজাৰ'ৰ ধাৰণাটোৰ সৃষ্টি হৈছিল। আদাম স্মিথে (১৭২৩-১৭৯০) এই 'ধাৰণাৰ বজাৰ'ক বৈপ্লৱিক উদাৰনৈতিকতাবাদৰ এক নতুন ৰূপ হিচাপে উপস্থাপন কৰিছিল। স্মিথৰ মতে বাণিজ্যিক আন্তঃনির্ভৰশীলতাৰ এক নির্দিষ্ট কালৰ বাবে সবাতোকৈ উপযুক্ত ব্যৱসায়িক অনুষ্ঠান/। প্রতিষ্ঠানবোৰে শাসনত থকা কর্তৃপক্ষবোৰক অর্থনীতিৰ সৈতে খাপ খোৱাকৈ এক অনাহস্তক্ষেপ নীতি (laissez faire) গ্রহণৰ বাবে হেঁচা দিয়া উচিত। নিজৰ মতৰ সপক্ষে যুক্তি দাঙি ধৰি স্মিথে কৈছিল যে মানুহে নিজৰ প্রতিভা আৰু সম্পদ ব্যৱহাৰ কৰি সম্ভাব্য ক্রেতাই কিনা সামগ্রী উৎপাদনত অৰিহণা আগবঢ়োৱাৰ আঁৰৰ কাৰণ হ'ল তেওঁলোকৰ ধন উপার্জনৰ বাবে থকা আগ্রহ। অনাহস্তক্ষেপ নীতি প্রচলিত ব্যৱস্থা এটাত মানুহে অর্থনৈতিক প্রতিনিধি ৰূপে নিজৰ ব্যক্তিগত স্বার্থ পূৰণ কৰিবলৈ যাওঁতে মজুৰি, ভাৰা নাইবা লাভৰ ৰূপত উপার্জনৰ সর্বোচ্চ ফলাফল প্রদান কৰিব পৰা অর্থনৈতিক কার্যকলাপত নিজকে উৎসর্গীকৃত মনোভাৱেৰে জড়িত কৰিব। স্মিথে ইয়াকো কৈছিল যে মানুহে ব্যক্তিগত স্বার্থত সর্বাধিক লাভদায়ক অর্থনৈতিক কামকাজত জড়িত হ'লে সমাজৰো সর্বাধিক অর্থনৈতিক কল্যাণ সাধিত হ'ব। সংবাদ মাধ্যমৰ সৈতে জড়িত বৃত্তিজীৱিসকলে আদাম স্মিথৰ অনাহস্তক্ষেপ নীতিৰ মুক্ত বজাৰৰ বিপৰীতে এখন স্ব-নিয়ন্ত্রিত 'ধাৰণাৰ বজাৰ'ৰ প্রয়োজনীয়তাৰ সমর্থনত যুক্তি প্রদর্শন কৰিছিল। এই বজাৰত সংবাদ মাধ্যম আৰু আন মাধ্যমবোৰে সকলো ধাৰণা ৰাইজৰ আগত ৰাখিব আৰু ৰাইজে নিজে বজাৰৰ পৰা সর্বশ্রেষ্ঠ ধাৰণা বাছি ল'ব।

জ'র্জ অৰৱেলে উদাৰনৈতিকতাক "মানুহক আপুনি শুনিব নিবিচৰা কথা কোৱাৰ সুযোগ দিয়া" দৃষ্টিভংগী বুলি আখ্যা দিছিল। উদাৰনৈতিকতাবাদীৰ যুক্তি অনুসৰি সংবাদ মাধ্যম ৰাজহুৱা

মতামত প্ৰতিফলনকাৰী চতুৰ্থ স্তম্ভ হোৱা উচিত। উদাৰনৈতিকতাবাদী তাত্ত্বিকসকল কৰ্তৃত্ববাদী চিন্তাধাৰাৰ বিৰোধী। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু নগৰীকৰণে একোটা গ্ৰাম্য অভিজাততন্ত্ৰৰ ক্ষমতা হ্ৰাস কৰে। ইয়াৰ বাবেই প্ৰ'টেষ্টাণ্ট সংস্কাৰ আন্দোলনকে ধৰি বহুকেইটা সামাজিক আন্দোলনৰ উত্থান ঘটিছিল। এনে আন্দোলনবোৰে ব্যক্তিৰ স্বাধীনতা, নিজ জীৱনৰ স্বাধীনতা আৰু মুক্ত চিন্তাৰ স্বাধীনতাৰ দাবী উত্থাপন কৰিছিল। উদাৰতাবাদ মানে হ'ল 'তথ্যই জ্ঞান আৰু জ্ঞানেই শক্তি' বোলা এক ধাৰণা। উদাহনৈতিকতাবাদ সকলো ধৰণৰ কৰ্তৃত্ব, নিয়ন্ত্ৰণ নাইবা চেন্সৰশ্বিপৰ পৰা মুক্ত। উদাৰনৈতিকতাবাদ হ'ল ব্যক্তি স্বাতন্ত্ৰ্যবাদ আৰু সীমিত চৰকাৰৰ সমৰ্থন কৰা এটা ধাৰণা। ব্যক্তি স্বাতন্ত্ৰ্যবাদ আৰু সীমিত চৰকাৰে পৰস্পৰক ক্ষতি নকৰে। উদাৰনৈতিকতাবাদী তত্ত্ব অনুসৰি বেয়াৰ পৰা ভাল ধাৰণাবোৰ আঁতৰাই বিচাৰ কৰি চাব পৰাকৈ মানুহ নিজেই উপযুক্ত। তত্ত্বটোৱে মানুহক যুক্তিসংগতভাৱে চিন্তা কৰিব পৰা সত্ত্বা বুলি গণ্য কৰে। এনে চিন্তাই মানুহক ভাল আৰু বেয়া বিচাৰি উলিওৱাত সহায় কৰে। এই দৃষ্টিভংগী অনুসৰি সংবাদ মাধ্যমে কোনো তথ্যকে প্ৰচাৰিত হোৱাত বাধা দিব নালাগে। কেতিয়াবা একোটা নেতিবাচক বিষয়েও মানুহক জ্ঞান দিব পাৰে আৰু মানুহে বেয়া পৰিস্থিতিতো উত্তম সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। আগতেই উল্লেখ কৰা হৈছে যে উদাৰনৈতিকতাবাদী চিন্তাধাৰা হ'ল কৰ্তৃত্ববাদী তত্ত্বৰ বিৰোধী নাইবা বিপৰীত। কৰ্তৃত্ববাদী তত্ত্বৰ মতে, "চৰকাৰৰ নিয়ন্ত্ৰণতহে সকলো ধৰণৰ সংযোগ স্থাপন হোৱা উচিত।" উদাৰনৈতিকতাবাদী দৃষ্টিভংগীৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰ তলত দিয়া হ'লঃ

- সংবাদ মাধ্যমৰ স্বাধীনতাই কোনো চেন্সৰশ্বিপ নাইবা কৰ্তৃত্বশীল পক্ষৰ পৰা পোৱা বাধা অবিহনে সমাজত ঘটি থকা প্ৰকৃত ঘটনাবোৰ সদৰি কৰাত সংবাদ মাধ্যমক অধিক স্বাধীনতা প্ৰদান কৰিব।
- আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবাদ মাধ্যম পৰম্পৰাৰ ই এক সুস্থিৰ বৈশিষ্ট্য।
- ই সংবাদ মাধ্যমৰ আগত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰাবলৈ মানুহক অনুপ্ৰাণিত কৰে।
- মানুহক নেতিবাচক দিশেৰে পৰিচালিত কৰিব পৰা ঘটনাবোৰক সঠিক ৰূপত উপস্থাপন কৰাৰ সন্দৰ্ভত সংবাদ মাধ্যমে ল'ব খোজা দায়িত্ব পালন কৰাত এই দৃষ্টিভংগীটোৱে অত্যন্ত ইতিবাচক সহায় আগবঢ়ায়।
- ব্যক্তিগত ন্যায়নিষ্ঠতা আৰু যুক্তি যুক্ত বিচাৰ-বিবেচনাৰ বাবেও এই দৃষ্টিভংগী ইতিবাচক।
- দৃষ্টিভংগীটোৱে সংবাদ মাধ্যমৰ যুক্তিসংগত নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তাক আওকাণ কৰে।
- দৃষ্টিভংগীটোৱে সংঘাত সৃষ্টি কৰিব পৰা একাধিক স্বাধীনতাই কঢ়িয়াই অনা দোমোজাবোৰকো আওকাণ কৰে।

উদাৰনৈতিকতাবাদী দৃষ্টিভংগীৰ অধীনত সংবাদ মাধ্যমে চৰম স্বাধীনতা উপভোগ কৰিব পাৰে। সংবাদ মাধ্যমে সমাজৰ অতন্দ্ৰ প্ৰহৰীৰ ভূমিকা পালন কৰে। চিন্তা আৰু অভিব্যক্তি প্ৰকাশৰ সম্পূৰ্ণ স্বাধীনতা থাকে। তথ্য আৰু ব্যক্তি স্বাতন্ত্ৰ্যবাদৰ স্বাধীনতাকো এই দৃষ্টিভংগীয়ে সমৰ্থন কৰে। কোনো ধৰণৰ চেন্সৰশ্বিপ ইয়াত প্ৰযোজ্য নহয়। বিকল্প ধাৰণা আৰু চিন্তা-চৰ্চাৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা চলে। এই দৃষ্টিভংগী প্ৰচলিত সমাজত চৰকাৰে প্ৰচাৰ মাধ্যমক নিয়ন্ত্ৰণ নকৰে।

ৰাষ্ট্ৰৰ কাৰ্যসম্পাদন প্ৰণালীত সংবাদ মাধ্যমে এক পৃথক অভিকৰণৰূপে কাম কৰি যায়। সংবাদ মাধ্যমে কৰল দেশৰ আইন আৰু এক আচাৰ সংহিতা মানি চলিব লাগে। সংবাদ মাধ্যমে একেটা ঘটানাৰে দুয়োটা পক্ষ, অৰ্থাৎ দ্বৈত সত্য সদৰি কৰিবলৈ অনুপ্ৰাণিত কৰে। ই এক অনাহস্তক্ষেপ নীতি মানি চলে। অৰ্থাৎ, সংবাদ মাধ্যমে পালন কৰিবলগীয়া নীতি-নিয়মৰ সংখ্যা সীমিত আৰু ই নিজে বিচৰা ধৰণে কাম কৰি যাব পাৰে।



অগ্ৰগতি নিৰী ণ

প্ৰশ্ন নং ৩ ঃ উদাৰনৈতিকতাবাদী তত্ত্বটো কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ উদাৰনৈতিকতাবাদী তত্ত্বটোৰ সমৰ্থক কেইগৰাকীমানৰ নাম লিখক।

.....

.....

১৫.৫ সংবাদ মাধ্যমৰ ৰাজনৈতিক অৰ্থনীতি

ব্লেকৰেলৰ মতে সংবাদ মাধ্যমৰ অৰ্থনীতি মানে হ'ল সামাজিক সম্পৰ্কবোৰৰ অধ্যয়ন। সামাজিক সম্পৰ্ক বুলিলে এই ক্ষেত্ৰত ক্ষমতাকেন্দ্ৰিক সম্পৰ্কবোৰৰ কথা বুজোৱা হয়। এনে সম্পৰ্কবোৰে পাৰস্পৰিকভাৱে সংযোগ সমলকে ধৰি সকলোবোৰ সমলৰ উৎপাদন, বিতৰণ তথা উপভোগৰ চক্ৰটো গঠন কৰে। সংবাদ মাধ্যমৰ অৰ্থনীতি বুলিলে সংযোগ ব্যৱসায় এটাই কেনেদৰে কাৰ্যসম্পাদন কৰে তাৰ অধ্যয়ণক বুজোৱা হয়। এখন হলিউডৰ বোলছবিৰ উদাহৰণ এটালৈ মন কৰম। বোলছবিখনক আমি এক সংযোগ উৎপাদন বুলি ধৰি ললোঁ। ই একাধিক উৎপাদকৰ এক শৃংখলাৰ মাজেৰে আগবাঢ়ে। প্ৰথমে ফিল্ম ষ্টুডিঅ'ৰ পৰা পাইকাৰী বিক্ৰেকালৈ, তাৰপৰা খুচুৰা বিক্ৰেতালৈ আৰু অৱশেষত ক্ৰেতাৰ হাতলৈ বোলছবিখন আহে। ক্ৰেতাই ছবিখন কিনা, ভাৰালৈ লোৱা আৰু মনোযোগ দিয়াৰ পাচত যি মন্তব্য আগবঢ়াব সেয়া উৎপাদনৰ আন এক নতুন প্ৰক্ৰিয়াত প্ৰয়োগ কৰা হ'ব। ৰাজনৈতিক অৰ্থনীতিৰ এটা সাধাৰণ আৰু অভিলাষী সংজ্ঞা মতে ইয়াক সামাজিক জীৱনত নিয়ন্ত্ৰণ আৰু অস্তিত্ব বৰ্তাই ৰখাৰ অধ্যয়ণ বুলি কোৱা হয়। 'নিয়ন্ত্ৰণ' বোলোতে বিশেষভাৱে সামাজিক দলৰ সদস্যসকলৰ আভ্যন্তৰীণ সংগঠন আৰু দলবোৰৰ পৰিৱৰ্তনৰ সৈতে খাপ খোৱাৰ প্ৰক্ৰিয়াবোৰৰ কথা বুজোৱা হৈছে। 'অস্তিত্ব বৰ্তাই ৰখা'ৰ কথাটোৱে সামাজিক পুনৰসৃষ্টি আৰু ধাৰাবাহিকতা অটুট ৰাখিবলৈ প্ৰয়োজন হোৱা বস্তু কথাবোৰ মানুহে কেনেদৰে উৎপাদন সৃষ্টি কৰে সেয়া বুজায়। নিয়ন্ত্ৰণ প্ৰক্ৰিয়াবোৰ বহল অৰ্থত ৰাজনৈতিক। এনে

ৰাজনৈতিক প্রক্রিয়াৰ অংশ হিচাপে মানুহে সম্প্রদায় এটাৰ ভিতৰত সম্পর্কৰ সামাজিক সংগঠন গঢ়ি তোলে। 'অস্তিত্ব বর্তাই ৰখা'টো প্রধানতঃ এটা অর্থনৈতিক প্রক্রিয়া। কাৰণ, উৎপাদন আৰু পুনৰসৃষ্টিৰ দৰে প্রক্রিয়াবোৰ ইয়াৰ অংশ। সামাজিক পৰিৱর্তন আৰু ঐতিহাসিক ৰূপান্তৰৰ লক্ষ্য বুজাৰ প্রধান আহিলাৰূপে ৰাজনৈতিক অর্থনীতিক বহুদিনৰে পৰা ব্যৱহাৰ কৰা হৈ আহিছে। সংবাদ মাধ্যমৰ ৰাজনৈতিক অর্থ নীতিবিদসকলে সংবাদ মাধ্যম ব্যৱস্থাটোক সমাজৰ কার্যসম্পাদন প্রক্রিয়া বুজাৰ এক গুৰুত্বপূর্ণ কাৰক বুলি গণ্য কৰি আহিছে। তেওঁলোকে প্রায়েই সংবাদ মাধ্যমে কেনেদৰে জাতিভেদ, লিংগবৈষম্য, সামৰিকবাদ আৰু বিৰাজনীতিকৰণৰ দৰে সামাজিক প্ররণতাবোৰক প্রভাৱিত কৰি আহিছে সেয়া আঙুলিয়াই দেখুৱায়।

(১৯৮৮) শীর্ষক গ্রন্থখনত নোৱাম ছ'মস্কী আৰু এডৱার্ড হা�ৰমেনে কৈছেঃ "গণমাধ্যমবোৰে সাধাৰণ জনগণৰ সৈতে বার্তা আৰু প্রতীকৰ সহায়ত সংযোগ স্থাপনকাৰী এটা ব্যৱস্থা ৰূপে সেৱা আগবঢ়ায়। গণ মাধ্যমবোৰৰ কাম হ'ল মানুহক আনন্দ, মনোৰঞ্জন আৰু তথ্যৰ যোগান ধৰা। মানুহক এক বৃহত্তৰ সমাজৰ আনুষ্ঠানিক সংৰচনাটোত সংহত কৰিব পৰা প্রমূল্য, বিশ্বাস আৰু আচৰণ সংহিতাৰ গৰাকী কৰি তোলাৰ কামটোও গণমাধ্যমে সম্পাদন কৰিব লাগে। এককেন্দ্রিক সম্পত্তি আৰু শ্রেণীস্বার্থৰ গুৰুত্বৰ সংঘাতত জর্জৰিত পৃথিৱী এখনত এই ভূমিকা পালন কৰিবলৈ এক প্রণালীৱদ্ধ উদ্দেশ্যধর্মী প্রচাৰৰ প্রয়োজন।"

ছ'ম্স্কী আৰু হাৰমেনে গণমাধ্যমৰ মার্ক্সবাদী সমালোচকৰ পৰম্পৰাৰ গণ্ডীৰ ভিতৰত থাকি এই মত দাঙি ধৰিছে। এনে সমালোচকসকলৰ মতে আদর্শগত উদ্দেশ্যর্ধী প্রচাৰৰ অভিপ্রায় যুক্তিসংগত সমালোচনামূলক সামাজিক বিতর্কৰ তথ্য আগবঢ়োৱাটো নহয়। এনে প্রচাৰৰ উদ্দেশ্য হ'ল শাসক শ্রেণীৰ আদর্শক স্বাভাৱিক ৰূপ দিয়া। ছ'ম্স্কী আৰু হাৰমেনে হেৰোৰমাচ, এড'র্ন আৰু হ'ৰখেইমাৰক চেৰাই গৈ তেওঁলোকে লক্ষ্য কৰা সংৰচনাত্মক পৰিস্রাৱক (structural filters) ৰ এলানি শৃংখলাৰ স্পষ্ট ব্যাখ্যা আগবঢ়াইছে। এই পৰিস্রাৱকবোৰৰ জৰিয়তে 'ক্ষমতাশালী শ্রেণীটোৱে আলোচনাৰ পৰিসৰ স্থিৰ কৰি ল'ব পাৰে; সাধাৰণ লোকে কি চাব, শুনিব আৰু ভাবিব তাৰ সিদ্ধান্ত ল'ব পাৰে।' ছ'ম্স্কী আৰু হাৰমেনে পাঁচবিধ পৰিস্রাৱকৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'লঃ

(১) গণ মাধ্যম নিগমবোৰৰ আকাৰ আৰু মালিকীস্বত্ব

(২) কর্প'ৰেট বিজ্ঞাপনৰ জৰিয়তে উৎপন্ন হ'ব পৰা ৰাজহ সম্পর্কে ভৱিষ্যৎবাণী কৰা অর্থনৈতিক আর্হি

(৩) 'বিশ্বাসযোগ্য উৎস'ৰ ওপৰত থকা নির্ভৰশীলতা- এনে উৎস প্রায়েই চৰকাৰী অথবা কর্প'ৰেট মুখপাত্র হোৱা দেখা যায়। তেওঁলোকে জনসম্পর্ক ৰক্ষা আৰু প্রভাৱ গোষ্ঠীৰ নামত বিপুল পৰিমাণৰ ধনৰাশি ব্যয় কৰে।

(৪) প্রচাৰিত হোৱা গুৰুত্বপূর্ণ সংবাদৰ সঁহাৰি ৰূপে উপৰুৱা আৰু নেতিবাচক মন্তব্য আগবঢ়াবলৈ আর্থিক নাইবা ৰাজনৈতিকভাৱে সুবিধাভোগী কর্তাৰ হাতত থকা সামর্থ; আৰু

(৫) 'প্ৰতি-সাম্যবাদী' (anti communism) বুলি আখ্যা দিয়া এক আদৰ্শগত পৰিস্ৰাৱক।

মেক্‌ছেচনীৰ মতে সংবাদ মাধ্যমৰ ৰাজনৈতিক অৰ্থনীতিবিদৰ ক্ষেত্ৰত প্ৰযোজ্য সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল- সংবাদ মাধ্যম ব্যৱস্থাটোৱে গণতান্ত্ৰিক অনুষ্ঠান আৰু অনুশীলনবোৰৰ পোষকতা কৰিবলৈ নে এইবোৰক দুৰ্বল কৰি তুলিবলৈ সেৱা আগবঢ়ায়; সংবাদ মাধ্যম সামাজিক ন্যায় নে অল্পজন শাসনৰ সমৰ্থনকাৰী শক্তি; যদি মানুহে সংবাদ মাধ্যমৰ কাৰ্যসম্পাদন পদ্ধতিটোৰ বিষয়ে গম পায় তেন্তে তেওঁলোকৰ হাতত পৰিস্থিতিটোৰ মুখামুখি হ'বলৈ কি কি বিকল্প আছে। অৰ্থাৎ, সংবাদ মাধ্যমৰ ৰাজনৈতিক অৰ্থনীতি হ'ল গণতন্ত্ৰক সমৃদ্ধ কৰিবলৈ দায়ৱদ্ধ এক গুৰুত্বপূৰ্ণ অনুশীলন। মেক্‌ছেচ্‌নীয়ে সংবাদ মাধ্যমৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ ৰাজনৈতিক অৰ্থনীতিৰ আভাস দিব পৰা তেৰটা দিশৰ এখন তালিকা প্ৰস্তুত কৰিছে। দিশকেইটা হ'লঃ

(১) সাংবাদিকতাৰ প্ৰকৃতি আৰু গণতান্ত্ৰিক অনুশীলনবোৰৰ সৈতে ইয়াৰ সম্পৰ্ক; সংবাদ মাধ্যম প্ৰতিষ্ঠান আৰু বজাৰবোৰে কেনেকৈ কাম কৰে।

(২) উদ্দেশ্যধৰ্মী প্ৰচাৰ বুজা- চৰকাৰৰ প্ৰচাৰ, ব্যৱসায়িক স্বাৰ্থজড়িত প্ৰচাৰ আৰু ব্যক্তিগত পক্ষৰ প্ৰচাৰ।

(৩) ব্যৱসায়ভিত্তিক সংবাদ মাধ্যম আৰু সমাজৰ বিৰাজনীতিকৰণ।

(৪) সংবাদ মাধ্যমৰ জাতিভিত্তিক, লিংগভিত্তিক আৰু অৰ্থনৈতিক অসমতাৰ সৈতে থকা সম্পৰ্ক।

(৫) সংবাদ মাধ্যমৰ বৈদেশিক নীতি আৰু সামৰিকবাদৰ সৈতে থকা সম্পৰ্ক।

(৬) সংবাদ মাধ্যম বজাৰ আৰু বিষয়সূচীৰ প্ৰকৃতি নিৰ্ধাৰণত বিজ্ঞাপনৰ বিশেষ ভূমিকা।

(৭) সংযোগৰ নীতি প্ৰস্তুতকাৰী প্ৰক্ৰিয়া।

(৮) টেলিসংযোগ নীতি আৰু নিয়ামক ব্যৱস্থাসমূহ।

(৯) বিশ্বজনীন আৰু সমসাময়িক পুঁজিবাদৰ সৈতে সংযোগৰ সম্পৰ্ক।

(১০) বাণিজ্যবাদৰ প্ৰকৃতি আৰু সংস্কৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱ।

(১১) ৰাহজহুৱা সম্প্ৰচাৰ, বিকল্প সংবাদ মাধ্যম প্ৰতিষ্ঠান আৰু ব্যৱস্থাৰ নিৰ্মাণ।

(১২) প্ৰযুক্তিৰ সংবাদ মাধ্যম, ৰাজনীতি আৰু সমাজৰ সৈতে থকা সম্পৰ্ক।

(১৩) সংবাদ মাধ্যমৰ জনপ্ৰিয় সামাজিক আন্দোলনবোৰৰ সৈতে থকা সম্পৰ্ক।

মেক্‌ছেচনীৰ মতে সংবাদ মাধ্যমৰ ৰাজনৈতিক অৰ্থনীতিৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল বৃহত্তৰ অৰ্থনৈতিক তথা ৰাজনৈতিক ব্যৱস্থাৰ সৈতে থকা সংযোগৰ কেন্দ্ৰীয় সম্পৰ্কটো বুজা আৰু ইয়াক পৰিচালিত কৰা সংবাদ মাধ্যমৰ অধ্যয়নত জড়িত সকলৰ মতে মাধ্যমটো গঠনকাৰী উপাদানবোৰৰ মাজত সৃষ্টি হোৱা সমসাময়িক প্ৰবণতাটো হ'ল প্ৰকৃতি তথা সংস্কৃতি, প্ৰযুক্তি তথা অভিব্যক্তি আৰু বিজ্ঞান তথা কলাৰ মাজত থকা আন্তঃসম্পৰ্কবোৰৰ ওপৰত আলোকপাত কৰা এক শৃংখলাৱদ্ধ দৃষ্টিভংগীৰ বিকাশ তথা ইয়াৰ অধ্যয়ন। ৰাজনৈতিক অৰ্থনীতিৰ পৰিসৰ ব্যাপ্ত কৰি মধ্যস্থতাকাৰী প্ৰযুক্তিয়ে পেলোৱা সামাজিক তথা পৰিৱেশজনিত প্ৰভাৱবোৰক ইয়াৰ সৈতে সামৰি লৈ বুজাৰ প্ৰয়াস কৰা উচিত। এই দৃষ্টিভংগীটোৰ ৰাজনৈতিক পৰিপাৰ্শ্ব বিজ্ঞান অধ্যয়ণৰ দৃষ্টিভংগীৰ সৈতে ঘনিষ্ঠ সম্বন্ধ আছে। ৰাজনৈতিক পৰিপাৰ্শ্ব বিজ্ঞান (political

ecology)ৰ সংজ্ঞা দাঙি ধৰি প'ল ৰবিন্‌চে কৈছে, "ৰাজনৈতিক পাৰিপাৰ্শ্ব বিজ্ঞানে ব্যৱসায়িক মিত্রজোঁট (corporate) ৰাষ্ট্র তথা আন্তঃৰাষ্ট্রীয় কর্তৃপক্ষবোৰে সমর্থন কৰা পৰিৱেশজনিত প্রভাৱশালী দৃষ্টিভংগীবোৰত থকা আসোঁৱাহবোৰ উদঙাই দেখুৱায়। ই বিশেষকৈ স্থানীয় বাসিন্দা, প্রান্তীয় মানৱ গোট আৰু সমাজৰ দুর্বল জনসমষ্টিৰ দৃষ্টিৰ দৃষ্টিভংগীৰে বিভিন্ন নীতি তথা বজাৰ অৱস্থাৰ অবাঞ্ছিত প্রভাৱ স্পষ্ট ৰূপত উপস্থাপন কৰে। ই কিছুমান সামাজিক তথা পৰিৱেশজনিত অৱস্থা 'অ-স্বাভাৱিক' বুলি প্রতিপন্ন কৰাৰ চেষ্টা চলায়। এনে অৱস্থাবোৰ অনিবার্য নহয়, ই ক্ষমতাৰ অবিৰত পৰিণাম। সমালোচনাত্মক ইতিবৃত্তি বিজ্ঞান (critical historiography) আৰু বিনির্মাণ তথা জনশ্রুতি ফাদিলকাৰী গৱেষণা (deconstruction and myth-busting research) ৰূপে ৰাজনৈতিক পাৰিপাৰ্শ্ববিজ্ঞানে এক কুঠাৰৰ কাম কৰি আছে। ই মাৰাত্মক সামাজিক তথা পৰিৱেশজনিত পৰিণাম সৃষ্টিকাৰী মনেসজা কাহিনী, পদ্ধতি তথা নীতিবোৰ কাটি ধ্বংস কৰিছে নাইবা সেইবোৰৰ ডাল-পাত কটাৰ কাম কৰি গৈ আছে।"

সেই দিশৰ পৰা চাবলৈ গ'লে ৰাজনৈতিক পাৰিপাৰ্শ্ব বিজ্ঞানে প্রকৃতি আৰু সংস্কৃতিৰ মাজত থকা আনুমানিক বাধাবোৰ আঁতৰোৱাৰ প্রয়াস কৰিছে। ই বিস্তৃত বিশ্লেষণৰ সহায়ত মানৱীয় সম্পর্ক তথা ৰাজনৈতিক চর্তসাপেক্ষ কার্যকলাপবোৰে কেনেদৰে পৰিৱেশৰ ওপৰত কুপ্রভাৱ পেলাইছে আৰু কেনে প্রভাৱ পেলায় সেয়া আমাক জনাই আহিছে। এনে কার্যকলাপ তথা প্রভাৱবোৰে আমাৰ প্রকৃতি বিষয়ক আকলন (understanding) ক চর্তসাপেক্ষ কৰি তোলে। সংবাদ মাধ্যমৰ ৰাজনৈতিক পাৰিপাৰ্শ্ব বিজ্ঞানে সংবাদ মাধ্যম ব্যৱস্থাবোৰক 'প্রাকৃতিক' পৰিৱেশৰ পৰা পৃথক কৰিব নোখোজে। ই কেৱল সংবাদ মাধ্যমে কেনেদৰে প্রকৃতি সম্পর্কে থকা আমাৰ পূর্বনির্ধাৰিত ধাৰণাবোৰৰ ওপৰত বিভিন্ন চর্ত আৰোপ কৰে তাৰ ভিন্নপন্থা অন্বেষণ কৰাৰহে চেষ্টা চলায়। একে সময়তে ই সংবাদ মাধ্যমে উৎপন্ন কৰা অনুষ্ঠান তথা তেনে অনুষ্ঠান উপভোগৰ ফলত পাৰিপাৰ্শ্ব প্রণালী আৰু সামাজিক ব্যৱস্থাবোৰৰ ওপৰত কেনেকৈ বৈষয়িক প্রভাৱ সৃষ্টি কৰিব পাৰে সেয়াও জনাৰ চেষ্টা কৰে। যোৱা কেইবছৰমানৰ ভিতৰত সংবাদ মাধ্যম সংৰচনাৰ জীৱন চক্রটোৰ সৈতে জড়িত কিছুমান সামাজিক আৰু পাৰিপার্শ্বিককেন্দ্রিক সমস্যাক লৈ আলোচনা চলাই থকা হৈছে। বিভিন্ন অধ্যয়নকাৰী দলে এই সমস্যাবোৰৰ সমাধানৰ উপায় বিচাৰি উলিওৱাৰ প্রয়াস কৰি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সংবাদ মাধ্যমৰ ৰাজনৈতিক অর্থনীতিৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ৬ ঃ ছ'ম্‌স্কী আৰু হাৰমেনে কোৱা 'ক্ষমতাশালী শ্রেণীটোৱে আলোচনাৰ পৰিসৰ

স্থিৰ কৰি ল'ব পৰা সাধাৰণ লোকে কি চাব শুনিব আৰু ভাবিব তাৰ সিদ্ধান্ত ল'ব পৰা' পৰিস্ৰাৰক পাঁচটা কি কি?

.....

.....



১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ


- সংবাদ মাধ্যমৰ স্বাধীনতা মানে হ'ল ছপা ৰূপত, সম্প্ৰচাৰিত সেৱাৰ ৰূপত নাইবা বৈদ্যুতিক মাধ্যমবোৰৰ জৰিয়তে তথ্য ছপা নাইবা প্ৰচাৰ কৰিব পৰাকৈ থকা সংবাদ মাধ্যমৰ স্বাধীনতা। সংবাদ মাধ্যমে তথ্য প্ৰচাৰ কৰিবলৈ অনুজ্ঞাপত্ৰ আহৰণ নাইবা বিষয়সূচীৰ পুনৰীক্ষণ দৰে কোনো আগতীয়া বাধা-নিষেধ মানি চলিব নালাগে। তথ্য নাইবা সংবাদৰূপে যি পৰিৱেশন কৰা হয় তাৰবাবে সংবাদ মাধ্যম কোনো ধৰণৰ শাস্তিৰ মুখামুখিও হ'ব নালাগে।
- ঐতিহাসিকভাৱে, দুই ধৰণে সংবাদ মাধ্যমৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছেল। ইয়াৰে এটা হ'ল 'চেন্সৰশ্বিপচ নাইবা কোনো কথা প্ৰকাশ অথবা প্ৰচাৰ কৰাৰ আগতে চৰকাৰৰ পৰা বাধ্যতামূলকভাৱে ল'বলগীয়া অনুজ্ঞা, আৰু আনটো হ'ল ছপা সামগ্ৰী তথ্যৰ বাবে প্ৰদান কৰা শাস্তি। চৰকাৰে বিশেষকৈ যিবোৰ কথাক ৰাজদ্ৰোহমূলক অথবা চৰকাৰৰ কুৎসা-ৰটনাকাৰী বুলি গণ্য কৰিছিল তেনেবোৰ কথা ছপা কৰাৰ বাবে শাস্তিৰ বিধান আছিল।
- সংবাদ মাধ্যমে চৰকাৰ, ৰাজনীতিক আৰু পূঁজিৰ যোগান ধৰা অভিকৰণবোৰৰ পৰা পোৱা হেঁচাৰ মুখামুখি হোৱাৰ সময়ত প্ৰত্যাহ্বান সৃষ্টিকাৰী কথা দুটা হ'ল সাংবাদিকৰ বৃত্তিজীৱী মনোভাৱ আৰু ন্যায় নিষ্ঠতা।
- উদাৰনৈতিকতাবাদী তত্ত্বক 'সংবাদ মাধ্যমৰ আদৰ্শমূলক তত্ত্ব'বোৰৰ এটা বুলি ধৰা হয়। ষোড়শ শতিকাত ইংলেণ্ডত এই তত্ত্বটোৰ বিকাশ ঘটিছিল।
- আদাম স্মিথে (১৭২৩-১৭৯০) 'ধাৰণাৰ এখন মুক্ত বজাৰ'ক বৈপ্লৱিক উদাৰনৈতিকতাবাদৰ এক নতুন ৰূপ হিচাপে উপস্থাপন কৰিছিল। স্মিথৰ মতে বাণিজ্যিক আন্তঃনিৰ্ভৰশীলতাৰ এক নিৰ্দিষ্ট কালৰ বাবে সবাতোকৈ উপযুক্ত ব্যৱসায়িক অনুষ্ঠান প্ৰতিষ্ঠানবোৰে শাসনত থকা কৰ্তৃপক্ষবোৰক অৰ্থনীতিৰ সৈতে খাপ খোৱাকৈ এক অনাহস্তক্ষেপ নীতি গ্ৰহণৰ বাবে হেঁচা দিয়া উচিত।
- মেক্‌ছেচনীৰ মতে সংবাদ মাধ্যমৰ ৰাজনৈতিক অৰ্থনীতিৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল বৃহত্তৰ অৰ্থনৈতিক তথা ৰাজনৈতিক ব্যৱস্থাৰ সৈতে থকা সংযোগৰ কেন্দ্ৰীয় সম্পৰ্কটো বুজা আৰু ইয়াক পৰিচালিত কৰা।



১৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Clifford G Christians, ?Theodore Glasser, ?Denis McQuail (2010) Normative Theories of the Media: Journalism in Democratic Societies. University of Illinois Press
2. Hachten, W.A. (2001). The troubles of journalism: A critical look at what's right and wrong with the press (2nd ed.). Mahwah, NJ: Lawrence Erlbaum.



১৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সংবাদ মাধ্যমৰ স্বাধীনতা মানে হ'ল ছপা ৰূপত, সম্প্ৰচাৰিত সেৱাৰ ৰূপত নাইবা বৈদ্যুতিক মাধ্যমবোৰৰ জৰিয়তে তথ্য ছপা নাইবা প্ৰচাৰ কৰিব পৰাকৈ থকা সংবাদ মাধ্যমৰ স্বাধীনতা। সংবাদ মাধ্যমে তথ্য প্ৰচাৰ কৰিবলৈ অনুজ্ঞাপত্ৰ আহৰণ নাইবা বিষয়সূচীৰ পুনৰীক্ষণৰ দৰে কোনো আগতীয়া বাধা-নিষেধ মানি চলিব নালাগে। তথ্য নাইবা সংবাদৰূপে যি পৰিৱেশন কৰা হয় তাৰবাবে সংবাদ মাধ্যম কোনো ধৰণৰ শাস্তিৰ মুখামুখিও হ'ব নালাগে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সংবাদ মাধ্যমৰ স্বাধীনতা আৰু বিনামূলীয়াকৈ তথ্য লাভ কৰাৰ সুযোগ এই দুয়োটা কথাই সমানে গুৰুত্বপূৰ্ণ। তেতিয়াহে সংবাদ মাধ্যমৰ সৈতে জড়িত কৰিব পাৰিব। সংবাদ মাধ্যমে যদি অতন্দ্ৰ প্ৰহৰীৰ ভূমিকা পালন নকৰে তেন্তে চৰকাৰবোৰক কোনো কামৰ বাবে জগৰীয়া কৰিব পৰা নাযাব আৰু চৰকাৰবোৰ সাধাৰণ ৰাইজৰ প্ৰতি দায়ৱদ্ধ হৈ নৰ'ব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উদাৰনৈতিকবাদ হ'ল ব্যক্তি স্বাতন্ত্ৰ্যবাদ আৰু সীমিত চৰকাৰক সমৰ্থন কৰা এটা ধাৰণা। ব্যক্তি স্বাতন্ত্ৰ্যবাদ আৰু সীমিত চৰকাৰে পৰস্পৰক ক্ষতি নকৰে। উদাহনৈতিকতাবাদী তত্ত্ব অনুসৰি বেয়াৰ পৰা ভাল ধাৰণাবোৰ আঁতৰাই বিচাৰ কৰি চাব পৰাকৈ মানুহ নিজেই উপযুক্ত। তত্ত্বটোৱে মানুহক যুক্তিসংগতভাৱে চিন্তা কৰিব পৰা সত্ত্বা বুলি গণ্য কৰে। এনে চিন্তাই মানুহক ভাল আৰু বেয়া বিচাৰি উলিওৱাত সহায় কৰে। এই দৃষ্টিভংগী অনুসৰি সংবাদ মাধ্যমে কোনো তথ্যকে প্ৰচাৰিত হোৱাত বাধা দিব নালাগে। কেতিয়াবা একোটা নেতিবাচক বিষয়েও মানুহক জ্ঞান দিব পাৰে আৰু মানুহে বেয়া পৰিস্থিতিতো উত্তম সিদ্ধান্ত

গ্রহণ কৰিব পাৰে।

৪ **নং প্রশ্নৰ উত্তৰ ঃ** উদাৰনৈতিকতাবাদী তত্ত্বৰ সমর্থকসকল আছিল ষোড়শ শতিকাৰ প্রথমার্দ্ধত চীনা দার্শনিক লাও ঝু, সপ্তদশ শতিকাৰ বৃটিছ চিন্তাবিদ জন লক্, মহাকাব্য ৰচক জন মিল্টন, ৰচনা লেখক জন ষ্টুৱার্ট মিল আৰু অর্থনীতিবিদ আদাম স্মিথ।

৫ **নং প্রশ্নৰ উত্তৰ ঃ** সংবাদ মাধ্যমৰ অর্থনীতি মানে হ'ল সামাজিক সম্পর্কবোৰৰ অধ্যয়ন। সামাজিক সম্পর্ক বুলিলে এই ক্ষেত্রত ক্ষমতাকেন্দ্রিক সম্পর্কবোৰৰ কথা বুজোৱা হয়। এনে সম্পর্কবোৰে পাৰস্পৰিকভাৱে সংযোগ সমলকে ধৰি সকলোবোৰ সমলৰ উৎপাদন, বিতৰণ তথা উপভোগৰ চক্রটো গঠন কৰে। সংবাদ মাধ্যমৰ অর্থনীতি বুলিলে সংযোগ ব্যৱসায় এটাই কেনেদৰে কার্যসম্পাদন কৰে তাৰ অধ্যয়নক বুজোৱা হয়।

৬ **নং প্রশ্নৰ উত্তৰ ঃ** ছ'ম্স্কী আৰু হাৰমেনে উল্লেখ কৰা পৰিস্রাৰক পাঁচটা হ'ল-

(ক) গণ মাধ্যম নিগমবোৰৰ আকাৰ আৰু মালিকীস্বত্ব

(খ) কর্প'ৰেট বিজ্ঞাপনৰ জৰিয়তে উৎপন্ন হ'ব পৰা ৰাজহ সম্পর্কে ভৰিষ্যৎবাণী কৰা অর্থনৈতিক আর্হি

(গ) 'বিশ্বাসযোগ্য উৎস'ৰ ওপৰত থকা নির্ভৰশীলতা- এনে উৎস প্রায়েই চৰকাৰী অথবা কর্প'ৰেট মুখপাত্র হোৱা দেখা যায়। তেওঁলোকে জনসম্পর্ক ৰক্ষা আৰু প্রভাৱ গোষ্ঠীৰ নামত বিপুল পৰিমাণৰ ধনৰাশি ব্যয় কৰে

(ঘ) প্রচাৰিত হোৱা গুৰুত্বপূর্ণ সংবাদৰ সঁহাৰিৰূপে উপৰুৱা আৰু নেতিবাচক মন্তব্য আগবঢ়াবলৈ আর্থিক নাইবা ৰাজনৈতিকভাৱে সুবিধাভোগী কর্তাৰ হাতত থকা সামর্থ আৰু

(ঙ) 'প্রতি-সাম্যবাদী' বুলি আখ্যা দিয়া এক আদর্শগত পৰিস্রাৰক।



১৫.৯ আর্হিপ্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ৰাজনৈতিক আদর্শই সংবাদ মাধ্যম প্রতিষ্ঠানবোৰ পৰিচালনা কৰিলে কি ঘটে?

প্রশ্ন 2 ঃ উদাৰনৈতিকতাবাদী দৃষ্টিভংগীৰ একোটা ইতিবাচক আৰু নেতিবাচক দিশ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ অনাহস্তক্ষেপ নীতিৰ ধাৰণাটো কেনেধৰণৰ?

(খ) চুটি প্রশ্ন- (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্রশ্ন ১ ঃ এখন 'বজাৰ'ত সামগ্রীৰ মাজত থকা সমানত্তাৰ দৰে ধাৰণা আৰু সামগ্রী সমকক্ষনে?

প্ৰশ্ন ২ ঃ ব্যক্তিগত আৰু সামাজিক উপকাৰিতা থকা কিন্তু প্ৰায়েই সামাজিক তথা পৰিৱেশজনিত বিপদ লুকাই থকা প্ৰযুক্তি ব্যৱহাৰৰ নীতি মূল্যায়ন কৰাৰ সময়ত আমি কি পন্থা গ্ৰহণ কৰা উচিত?

প্ৰশ্ন ৩ ঃ 'Aeropagitica' ৰ বিষয়ে এটি চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ ঃ সংবাদ মাধ্যমৰ ৰাজনৈতিক পাৰিপাৰ্শ্ব বিজ্ঞানৰ সৈতে জড়িত কেইটামান সমস্যা সমাধানত আপুনি কেনেধৰণৰ ইতিবাচক অৱদান আগবঢ়াব পাৰে?

প্ৰশ্ন ২ ঃ সংবাদ মাধ্যমত উদাৰনৈতিকতাবাদ সম্পৰ্কে এখন চমু ৰচনা লিখক।

****



প্ৰসঙ্গ পুথি ঃ

ইংৰাজী গ্ৰন্থ ঃ

1. Altschull, J. Herbert (1995) Agents of Power. Orient Longman : USA
2. Aggarwal, Vir Bala (2006) Essentials of Practical Journalism. New Delhi : Concept Publishing House
3. Arthur Asa Berger (2007) Seeing is believing: an introduction to visual communication. McGraw Hill Education.
4. Basu, Durga Das (1980). Law of the Press in India. New Delhi : Prentice Hall of India Private Limited
5. Bhatia, A. (2005). Impact of Internet on Journalism . New Delhi: Akansha Publishing House.
6. Curtin, Michael and Shah, Hemant eds. (2010) Reorienting Global Communication: Indian and Chinese Media Beyond Borders. Champaign, IL: University of Illinois
7. Clifford G Christians, ýTheodore Glasser, ýDenis McQuail (2010) Normative Theories of the Media: Journalism in Democratic Societies. University of Illinois Press
8. Dash, Ajay (2007). Freedom of Press. Discovery Publishing House
9. Eastern Book House (2007) Press, Media and Telecommunication Law.
10. Fackler, Mark, et al. (1995) Media Ethics - Cases and Moral Reasoning. Longman
11. Gupta, V. (1999). Communication Technology, Media Policy & National Development. New Delhi: Concept Publishing Company.
12. Hakemulder, Jan R., Jonge, Fay A.C. de, Singh, P.P (1998). Media , Ethics and Laws. Anmol Publications
13. Hachten, W.A. (2001). The troubles of journalism: A critical look at what's right and wrong with the press (2nd ed.). Mahwah, NJ: Lawrence Erlbaum.
14. Jensen, K. B. (2010). Media Convergence. New York: Routledge.
15. Kenney, K., & Simpson, C. (1993). Was coverage of the 1988 presidential race by Washington's two major dailies biased? Journalism Quarterly, 70(2), 345-355.
16. Kundra, S.(2005) . Media Laws and Indian Constitution. New Delhi : Anmol Publications Pvt. Ltd.
17. Kumar, Keval J. (2006) Mass Communication in India. Mumbai : Jaico Publishing House
18. Honourable Lord Justice Leveson(2012). An Inquiry into the Culture, Practices and Ethics of the Press
19. McQuail, Denis (1992), Media Performance : Mass Communication and the Public Interest. Sage Publications : London
20. Narayana, P.S and Reddy, G.B (2011). Right to Information and Law. Gogia Law Agency

21. Prabhakar M. et al. (1999) A Compendium of Codes of Conduct for Media Professional. University Book House.
22. Pandey, Dr. J.N (2017). Constitutional Law of India.Central Law Agency.
Prasad, K. (2008). Media Laws & Ethics. Delhi: B R Publishing Corporation.
23. Plaisance, P. L. (2014). Media Ethics: Key principles for responsible practice. Thousand Oaks, CA: Sage Publications Inc.
24. Regan, Tom(1992) "W. D. Ross." In Encyclopedia of Ethics. Eds. L. C. and C. B. Becker. New York: Garland Publishers.
25. Ross, W. D. (2002). The Right and the Good. Edited, with an Introduction, by Philip Stratton-Lake. New York: Oxford University Press.
26. Rajshekhar, T (2007). Journalism : Ethics and Objectives. New Delhi : Sonali Pub
27. Ryder, Rodney D. (2006) . Right to Information, Law Policy and Practice
28. Ravindran , P.K . Press Laws and Ethics of Journalism.
29. Shoemaker, P. & Kay Mayfield, E. (1987) Building a theory of news content : A synthesis of current approaches. Journalism Monographs,103
30. Sarkaria, R. S (1995). A Guide to Journalistic Ethics. New Delhi : The Hindustan Times
31. Shrivastava, K.M. (2005).Media Ethics: Veda to Gandhi and Beyond, Publication Divisions, Ministry of Information and Broadcasting, Govt. of India.
32. Singhal, A., & Rogers, E. M. (2001). India's Communication Revolution: from bullock carts to cyber marts. New Delhi: Sage Publishing
33. Thakurta, P. G. (2015). Media Ethics. New Delhi: Oxford University Press.
34. Thiroux, Jacques(2001). Ethics: Theory and Practice. Upper Saddle River, NJ: Prentice-Hall.
35. Wacks, Raymond (2013). Privacy and Press Freedom. Oxford : OUP
36. Welsh, Tom, Greenwood, Walter , Banks, David (2007). McNae's Essential Law for Journalists. Oxford : OUP.

আলোচনী ঃ

1. Campbell, Angela J. (1999) Self-Regulation and the Media. Federal Communications Law Journal, Vol. 51, No 3

ৱেবচাইট ঃ

1. Daniel R. Bersak (2006) Ethics in Photojournalism: Past, Present, and Future, Massachusetts Institute of Technology, Department of Comparative Media Studies, website: http://web.mit.edu/drb/Public/PhotoThesis/
2. David Brewer (2016) Guidelines for journalists working with images. Media Helping Media http://www.mediahelpingmedia.org/training-resources/editorial-ethics/527-editorial-ethics-for-photojournalists